ISSN-0971-8397

যোজনা

# আলোচনী গোষ্ঠীৰ মাহেকীয়া

# পয়োভৰা

ষষ্ঠ চত্বাৰিংশ বৰ্ষ | তৃতীয় সংখ্যা | মে' ২০১৫ | মূল্য ১০.০০ টকা

## পৰ্যটন ঃ সূৰ্যোদয় উদ্যোগ

ভাৰতত শিক্ষা পৰ্যটন ঃ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ

অৰ্চনা কুমাৰী আৰু দিব্যাংশু কুমাৰ

পৰ্যটন উদ্যমশীলতা ঃ গুৰুত্বপূৰ্ণ কৰ্মক্ষেত্ৰ


জি. অঞ্জানেয় স্বামী


ভাৰতত পাৰিবেশিক পৰ্যটন ঃ ভিতাৰকণিকা বন্যপ্ৰাণী অভয়াৰণ্যৰ এটা উদাহৰণ

মধুমিতা দাস আৰু বাণী চেটাৰ্জী

আগমন ভিছা ঃ পৰ্যটনৰ অৰ্থে ভ্ৰমণ সহজ্যকৰণ

নানু ভাসিন, নৱনীত কৌৰ






*অধ্যয়ন কৰিবলৈ দিয়ক*

## আপোনাৰ শিক্ষা অব্যাহত ৰাখক
## মুকলি বিদ্যালয় অৱলম্বন কৰক

| পাঠ্যক্রম | নামভৰ্ত্তিৰ মাচুল (বিলম্ব মাচুল অবিহনে) | | | নামভৰ্ত্তিৰ তাৰিখ |
|---|---|---|---|---|
| | পুৰুষ | মহিলা | বহিৰ্ভূত শ্ৰেণী | |
| মুকলি বুনিয়াদী শিক্ষা (তৃতীয়, পঞ্চম আৰু অষ্টম) | - | - | - | ৩০ জুন (প্ৰতি বছৰে) |
| মাধ্যমিক (দশম শ্ৰেণী)<br>(ক) ৫টা বিষয়ৰ বাবে<br>(খ) প্ৰতিটো অতিৰিক্ত বিষয়ৰ বাবে | <br>১৩৫০/- টকা<br>২০০/- টকা | <br>১১০০/- টকা<br>২০০/- টকা | <br>৯০০/- টকা<br>২০০/- টকা | খণ্ড - ১ ঃ ১৬ মাৰ্চ - ৩১ জুলাই (জৰিমনাবিহীন মাচুল)<br>১ আগষ্ট - ১৫ ছেপ্টেম্বৰ (জৰিমনা সহ)<br>খণ্ড - ২ ঃ ১৬ ছেপ্টে. - ৩১ জানু. (জৰিমনা অবিহনে)<br>১ ফেব্ৰুৱাৰী - ১৫ মাৰ্চ (জৰিমনা সহ) |
| জ্যেষ্ঠ মাধ্যমিক (দ্বাদশ শ্ৰেণী)<br>(ক) ৫টা বিষয়ৰ বাবে<br>(খ) প্ৰতিটো অতিৰিক্ত বিষয়ৰ বাবে | <br>১৫০০/- টকা<br>২৩০/- টকা | <br>১২৫০/- টকা<br>২৩০/- টকা | <br>৯৭৫/- টকা<br>২৩০/- টকা | খণ্ড - ১ ঃ ১৬ মাৰ্চ - ৩১ জুলাই (জৰিমনাবিহীন মাচুল)<br>১ আগষ্ট - ১৫ ছেপ্টেম্বৰ (জৰিমনা সহ)<br>খণ্ড - ২ ঃ ১৬ ছেপ্টে. - ৩১ জানু. (জৰিমনা অবিহনে)<br>১ ফেব্ৰুৱাৰী - ১৫ মাৰ্চ (জৰিমনা সহ) |
| বৃত্তিমূলক শিক্ষা কাৰ্যসূচী (৬ মাহৰ পৰা ২ বছৰীয়া) | পাঠ্যক্রম আৰু সময়সীমাৰ ওপৰত ভিত্তি কৰি | | | প্ৰথম কাৰ্যকাল - ৩০ জুন (প্ৰতি বছৰে)<br>দ্বিতীয় কাৰ্যকাল - ৩১ ডিচেম্বৰ (প্ৰতি বছৰে) |

**নামভৰ্ত্তিৰ বাবে আপোনাৰ ওচৰৰ অধ্যয়ন কেন্দ্ৰ বা সংশ্লিষ্ট মাণ্ডলিক কেন্দ্ৰৰ সৈতে যোগাযোগ কৰক।**

**জৰিমনাসহ মাচুল, অধ্যয়ন কেন্দ্ৰ, মাণ্ডলিক কেন্দ্ৰ ইত্যাদিৰ বিষয়ে সবিশেষ জানিবৰ বাবে**

**NIOS Webside : www.nios.ac.in**

## National Institute of Open Schooling

**(An Autonomous Institution under Ministry of Human Resource Development, Govt. of India)**

**A-24/25, Institutional Area, Sector - 62, NOIDA, Gautam Budh Nagar (Uttar Pradesh)**

**Toll Free No. 1800-180-9393; email: lsc@nios.ac.in website: www.nios.ac.in**

**The Largest Open Schooling System in the World**

**পয়োভৰা**
**উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ**
**অসমীয়া ভাষাৰ**
**একমাত্ৰ মাহেকীয়া**
**আলোচনী**

| | | | পৃষ্ঠা |
|---|---|---|---|
| ভাৰতৰ শিক্ষা পৰ্যটন ঃ অতীত,বৰ্তমান আৰু ভৱিষ্যৎ | ✍ | অৰ্চনা কুমাৰী আৰু দিব্যাংশু কুমাৰ | - ৩ |
| পৰ্যটন উদ্যমশীলতাঃ গুৰুত্বপূৰ্ণ কৰ্মক্ষেত্ৰ | ✍ | জি.অঞ্জানেয়া স্বামী | - ৭ |
| ভাৰতৰ পাৰিবেশিক পৰ্যটন ঃভিতাৰকণিকা বন্য প্ৰাণী অভয়াৰণ্যৰ এটা উদাহৰণ | ✍ | মধুমিতা দাস আৰু বাণী চেটাৰ্জী | - ১১ |
| আগমন ভিছা ঃ পৰ্যটন সম্পৰ্ীয় ভ্ৰমণ সহজকৰণ | ✍ | নানু ভাসিন আৰু নৱনীত কৌৰ | - ১৭ |
| চিকিৎসা পৰ্যটন - ভাৰতত ইয়াৰ ধাৰা | ✍ | ড° হৰিহৰণ | - ২১ |
| পৰ্যটন আন্তঃগাঁথনি | ✍ | মনোজ দীক্ষিত | - ২৫ |
| ভাৰতীয় পৰ্যটনৰ হিতকৰ প্ৰাথমিকতা | ✍ | ৰত্নদীপ বেনাৰ্জী | - ৩৪ |
| অৰ্থনৈতিক বিকাশ পৰ্যটনৰ ভূমিকা আৰু ভাৰতত ইয়াৰ প্ৰাসঙ্গিক বিষয় | ✍ | প্ৰেম সুব্ৰমণিয়ম | - ৩৮ |
| পৰ্যটন হিচাপে নদীদ্বীপ মাজুলীৰ সম্ভাৱনীয়তা | ✍ | ড° দেৱজিৎ শইকীয়া | - ৪২ |
| অসমৰ গৰা খহনীয়া সমস্যা সমাধানৰ কিছু দিশ | ✍ | ড° অৰ্পণ দত্ত | - ৪৭ |
| ডিজিটেল ইণ্ডিয়া অভিযানৰ শুভাৰম্ভ | | | - ৫০ |
| প্ৰাণীকূল আৰু জলবায়ু পৰিৱৰ্তন | ✍ | ড° অন্নজ্যোতি গগৈ | - ৫২ |
| অসমৰ ধুবুৰী জিলাৰ গ্ৰাম্য জীৱন আৰু অৰ্থনীতিত কাজুবাদাম প্ৰস্তুত কৰণ উদ্যোগৰ ভূমিকা | ✍ | ড° ইৰা দাস | - ৫৫ |

সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ **দীপিকা কচ্চল**
জ্যেষ্ঠ সম্পাদক ঃ **অনুপমা দাস**

**PAYOBHARA**
**VOL. - 46 No.3**
**ষষ্ঠ চত্বাৰিংশ বৰ্ষ ঃ তৃতীয় সংখ্যা**
**মে' ঃ ২০১৫**

শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে ১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
**গজানন পি ধোপে**

পয়োভৰাত প্ৰকাশিত প্ৰবন্ধ-পাতিৰ মতামত লেখকৰ নিজস্ব

পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ১০০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ১৮০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ২৫০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় কে কে বি পথ নিউ কলনি গৃহ নং ৭,চেনিকুঠি
গুৱাহাটী-৭৮১০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইলঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in

**প্ৰকাশক ঃ** অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
**মুদ্ৰক ঃ** আশী পাব্লিশিং হাউছ (পেৰাডাইজৰ ওচৰত), গোস্বামী ছাৰ্ভিচ, বিবিধা কমপ্লেক্স, এম আৰ ডি ৰোড, গুৱাহাটী-৭৮১০০৩ ফোন/ম'বাইল - ০৩৬১-২৬৬০৬২৫/৯৮৬৪৩২৩৭৯১

# ঠাই ভ্ৰমণ

বিশ্বখন এখন কিতাপ আৰু সেয়েহে যি লোকে ভ্ৰমণ নকৰে তেওঁ মাত্ৰ এটা পৃষ্ঠাহে পঢ়ে। চেইন্ট আগষ্টাইনে কোৱা এই কথাষাৰে ভ্ৰমণৰ উৎসাহক সঠিকভাৱে প্ৰকাশ কৰিব পাৰিছে আৰু এখন স্পন্দনশীল দেশ হিচাপে ভাৰতে ইয়াক পৰ্যটন গন্তব্যস্থল হিচাপে বিশ্বৰ আন লোকে পছন্দ কৰাৰ কাৰণে বহু কাৰণ আগবঢ়াইছে। প্ৰাকৃতিক সৌন্দৰ্য , ঐতিহাসিক কীৰ্ত্তিচিহ্ন, ঐতিহ্য, সংস্কৃতি, তীৰ্থস্থান আদি বিভিন্ন দিশৰ প্ৰধান বৈচিত্ৰ্য সমূহ হ'ল এই দেশৰ পৰ্যটনৰ বাবে প্ৰচুৰ সম্ভাৱনা। বিগত কিছুসময়ত শিক্ষা, চিকিৎসা পৰ্যটন, দুঃসাহসিক কাৰ্য, গ্ৰাম্য আৰু পাৰিবেশিক পৰ্যটনে ভাৰতৰ ভ্ৰমণ উদ্যোগত নতুন মাত্ৰা সংযোজন কৰিছে। মাত্ৰ আন্তৰ্জাতিক ক্ষেত্ৰতে নহয়, ঘৰুৱা পৰ্যটনো দ্ৰুতভাৱে বিকশিত হৈছে। শেহতীয়াকৈ উপলব্ধ পৰিসংখ্যামতে যোৱা দশকত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনলৈ ৬.৬ শতাংশ বৰঙণিৰে ভাৰতৰ পৰ্যটনে অসাধাৰণ বিকাশ প্ৰদৰ্শন কৰিছে।

পৰ্যটনে বিশ্বব্যাপি এটা গুৰুত্বপূৰ্ণ নিয়োগ সৃষ্টিকাৰী খণ্ড হিচাপে সেৱা আগবঢ়াইছে আৰু বিদেশী মুদ্ৰা আৰু অৰ্থনৈতিক বিকাশৰ উৎস হিচাপে ভূমিকা গ্ৰহণ কৰিছে। অনন্য সংস্কৃতি, প্ৰকৃতি, ঐতিহ্য, সজীৱ বজাৰসমূহ পৰম্পৰাগত আতিথ্যৰে সমৃদ্ধ ভাৰতৰ পৰ্যটন উৎপাদনৰ স্বচ্ছন্দতা আছে। এইখিনিক আকৰ্ষণীয় পদ্ধতিৰে উপভোক্তাসকলৰ সন্মুখত উপস্থাপন কৰাৰ প্ৰয়োজন আছে। যি কোনো দেশতে পৰ্যটন উদ্যোগ আন্তঃগাঁথনি, থকা ঠাইৰ বন্দৱস্ত , পৰিবহন আৰু বিনোদনৰ দৰে প্ৰতিযোগিতামূলক সুবিধাৰ ভিত্তিত বিকশিত হয় য'ত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ পৰা উদ্যোগপতিলৈকে আৰু সমাজেও ভূমিকা গ্ৰহণ কৰিবলগীয়া হয়।

চৰকাৰী নীতিয়ে এই খণ্ড প্ৰসাৰৰ কাৰণে গাঁথনি আগবঢ়ায় আৰু বিকাশ সহজসাধ্য কৰে। পৰ্যটকৰ সোঁত বোৱাবলৈ এইবোৰে নীতি নিৰ্দ্দেশনা আৰু কৌশল গঠনত সহায় কৰে। এইবোৰে সম্পদত প্ৰবেশ আৰু নিয়োগ সুবিধাও আগবঢ়ায়। বৰ্তমান চৰকাৰৰ দৃষ্টি হ'ল ২০১৬-১৭ চনৰ শেষলৈকে আন্তৰ্জাতিক পৰ্যটকৰ আগমনৰ ক্ষেত্ৰত ১ শতাংশত উপনীত হোৱা । শেহতীয়াকৈ ভ্ৰমণকাৰীৰ বাবে দেশত আগমণ ভিছা (ভিছা অন এৰাইভ্‌ল) বিশ্বৰ ৪৪ খন দেশৰ নাগৰিকলৈ আগবঢ়োৱা হৈছে আৰু এই সুবিধা আন ১০৬ খন দেশলৈ সম্প্ৰসাৰণৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। এই ক্ষেত্ৰত ভ্ৰমণ অপাৰেটৰ আৰু শ্ৰেণীবদ্ধ হোটেল, পৰ্যটনৰ ই-ব্যৱস্থাপনা, আতিথ্য প্ৰতিষ্ঠান আদি ব্যৱস্থা প্ৰৱৰ্তন সঠিক দিশৰ সংযোজন বুলি অভিহিত কৰিব পাৰি। বিষয় ভিত্তিক বিকাশ। তীৰ্থ-যাত্ৰাক নতুন জীৱনীশক্তি দিয়া আৰু বৰ্দ্ধন অভিযানৰ উৎকৰ্ষৰ কাৰণে 'স্বদেশ দৰ্শন' নামৰ আঁচনি, ২০১৬-১৭ চনৰ শেষলৈকে ১৪৫ কোটি ঘৰুৱা ভ্ৰমণকাৰী নিশ্চিত কৰাৰ কাৰণে সকলো ধৰ্মৰ তীৰ্থস্থান ভিত্তিক স্থানসমূহৰ সৌন্দৰ্যকৰণ আৰু উৎকৰ্ষ সাধনৰ বাবে প্ৰসাদ (PRASAD) প্ৰৱৰ্তন কৰা হৈছে। তদুপৰি নিয়োগ সঞ্চাৰৰ লক্ষ্যৰে হোনাৰ সে ৰোজগাৰ তক আৰু হোনাৰ জাইকা আদি কাৰ্যসূচী প্ৰৱৰ্তন কৰা হৈছে।

সি যি কি নহওক, এই আঁচনিসমূহত অৰ্থনৈতিক মূল্য সংযোজন কৰা, সমাজৰ ভালৰ বাবে এইবোৰ উদ্‌ঘাটন কৰাৰ উপৰি নিজৰ বিত্তীয় প্ৰগতিৰ কাৰণে দৃষ্টিভংগী গ্ৰহণ কৰাটো উদ্যোগীজনৰ প্ৰতিভাৰ ওপৰত নিৰ্ভৰ কৰে। বাণিজ্য আৰু উদ্যোগত সাহস কৰি প্ৰবেশ কৰিবলৈ পৰ্যটন উদ্যোগে ইয়াৰ আনুষঙ্গিক খণ্ডসমূহৰ সৈতে পৰিবহন,থকা খোৱাৰ বন্দৱস্ত, ভ্ৰমণ পেকেজ, বিনোদন আদি বাণিজ্যিক কাম-কাজৰ ব্যাপক পৰিসৰ আগবঢ়ায়। অভিযোজন আৰু অপৰম্পৰাগত পৰ্যটন স্থান চিনাক্ত কৰি এতিয়াও অনাৱিস্কৃত গন্তব্যস্থানৰ উৎকৰ্ষ সাধনত সফল উদ্যোগীকৰণ আৰু ভাৰতৰ পৰ্যটনৰ শক্তি ৰক্ষাৰ উপায় নিহিত হৈ আছে।

ভাৰতৰ 'অতিথি দেৱো ভৱ' আদৰ্শৰ কাৰণে পৰ্যটকে অতিথিৰ মৰ্যাদা লাভ কৰে আৰু সমাজে 'গৃহস্থ' ৰ ভূমিকা পালন কৰে। সি যি কি নহওক, সুদূৰ ভৱিষ্যতত সমাজে সেৱা আগবঢ়াওতা আৰু হিতাধিকাৰী উভয়ৰে ভূমিকা সেৱা আগবঢ়াব। সমাজৰ সামগ্ৰিক বৰ্দ্ধনৰ বাবে পৰ্যটন নিখুঁত বাহক হৈ পৰিছে, বিকাশ আৰু দাৰিদ্ৰ মোচনত ইতিবাচক বৰঙণি আগবঢ়াইছে। ভ্ৰমণ উদ্যোগৰ মানুহৰ জীৱনৰ গতি সলাই দিব পৰা সম্ভাৱনা আছে। সি যি কি নহওক, উদ্যোগটো পৰিবেশ আৰু সমাজৰ কাৰণে ধ্বংসৰ কাৰক নোহোৱাকৈ বহনক্ষম ধাৰাৰে সতৰ্কভাৱে বৰ্দ্ধন হোৱাৰ দৰ্কাৰ আছে। পৰ্যটকৰ লগতে গৃহস্থৰো নিৰাপত্তা, সুৰক্ষা আৰু ইতিবাচক মানসিকতাৰ এইক্ষেত্ৰত গঠনমূলক দিশ হিচাপে তাৎপৰ্যপূৰ্ণ ভূমিকা আছে।

ভাৰতৰ পৰ্যটনৰ ভৱিষ্যৎ নিশ্চয় উজ্জ্বল কিন্তু আমি আৰু বহুত কৰিবলগীয়া আছে। দৰ্শনিক লাও জুৱে কৈছিল হাজাৰ মাইল যাত্ৰাৰ আৰম্ভণি এটা মাত্ৰ পদক্ষেপেৰে নিশ্চয় আৰম্ভ কৰিব লাগিব, এই খণ্ডৰ শেহতীয়া বিকাশেৰে এই পদক্ষেপটো ইতিমধ্যে দিয়া হৈ গ'ল।

# ভাৰতত শিক্ষামূলক পৰ্যটন ঃ অতীত, বৰ্তমান আৰু ভৱিষ্যত

*** অৰ্চনা কুমাৰী**
*** দিব্যেন্দু কুমাৰ**

পুৰাতন কালৰ পৰা বিদ্যা-শিক্ষাৰ পীঠস্থান হিচাপে প্ৰসিদ্ধি লাভ কৰি আহিছে ভাৰেত। একালত তক্ষশিলা, নালন্দা, বিক্ৰমশীলাত গঢ়ি উঠা বিশ্ববিদ্যালয়সমূহে সৃষ্টি কৰা বিদ্যায়তনিক পৰিৱেশৰ বাবে ভাৰতৰ নাম পৃথিৱী জুৰি বৈ বৈ গৈছিল। এনেবোৰ শিক্ষাপীঠত ঘৰুৱা শিক্ষান্বেষীৰ লগতে দেশ-বিদেশৰ অনেক শিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণ কৰি জ্ঞানৰ পোহৰৰে উদ্ভাসিত হৈছিলহি। পিচে একালত জ্ঞানৰ জ্যোতি বিলাই জগতজোৰা খ্যাতি অৰ্জন কৰি ঐতিহ্য বহন কৰা ভাৰতে আজি কিন্তু শৈক্ষিক পৰ্যটনৰ উপযুক্ত লক্ষ্য স্থান হিচাপে নিজকে গঢ়ি তোলাৰ বাবে সংগ্ৰামতহে লিপ্ত হ'বলগীয়া হৈছে। অৱশ্যে শৈক্ষিক আৰু পৰ্যটন ক্ষেত্ৰত বিপুল সম্ভাৱনা বহন কৰিছে আজিৰ ভাৰতে। সাম্প্ৰতিক প্ৰেক্ষাপটত ভাৰতে বিদ্যায়তনিক লক্ষ্যস্থান হিচাপে বিশ্বজোৰা প্ৰসিদ্ধি লাভ কৰাৰ বাবে প্ৰয়োজনীয় সকলোখিনি সামৰ্থ্য বহন কৰিছে। বিশ্বৰ আন প্ৰান্তৰ লগতে বিশেষকৈ চুবুৰীয়া দেশসমূহৰ বাবে ই এটা উৎকৃষ্ট পীঠ হিচাপে চিহ্নিত হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।

বিষয়টোৰ পৰ্যলোচনা কৰাৰ পূৰ্বে শিক্ষামূলক পৰ্যটননো দৰাচলতে কি সেই বিষয়ে জানি লোৱা ভাল হ'ব। " কোনো এডোখৰ ঠাইলৈ অহা এদল পৰ্যটকৰ যদি প্ৰধান উদ্দেশ্য সংশ্লিষ্ট ঠাইডোখৰৰ বিষয়ে অধ্যয়ন কৰাটো হয় তেন্তে তেনে পৰ্যটনক শৈক্ষিক বা শিক্ষামূলক পৰ্যটন আখ্যা দিব পাৰি " (ব'ডজাৰ, ১৯৯৮ , পৃষ্ঠা ২৮)। শিক্ষামূলক পৰ্যটনৰ ধাৰণা নতুন নহয় আৰু বিশিষ্ট চিন্তাবিদসকলৰ মতে এনে পৰ্যটনৰ জনপ্ৰিয়তা অধিক পৰিসৰত বাঢ়িব বুলিহে আশা কৰিব পাৰি (গিবছন, ১৯৯৮, হল্ডনেক এণ্ড হলেণ্ড, ১৯৯৬)। বিদ্যায়তনিক পৰিমণ্ডলত ভাৰতে স্থানীয় পৰিমণ্ডলৰ লগতে সামগ্ৰিক ভাবে গোলকীয় প্ৰেক্ষাপটতো এটা বিশিষ্ট স্থান অধিগ্ৰহণ কৰি আহিছে। শৈক্ষিক পৰ্যটনৰ ক্ষেত্ৰত ভাৰতে অগ্ৰগতি লাভ কৰাৰ ক্ষেত্ৰত বিশেষ ভাবে সহযোগিতা আগবঢ়াব পৰা কাৰকসমূহ হ'ল —

* ভাৰত হৈছে পৃথিৱীৰ ভিতৰতে আটাইতকৈ দ্ৰুতগতিত অৰ্থনৈতিক উন্নয়ন লাভ কৰা দেশ।

* ভাৰতে পৰ্যটকৰ আকৰ্ষণ থলী হিচাপে ইতিমধ্যেই গুৰুত্ব লাভ কৰিছে।

* পৃথিৱীৰ উন্নত দেশসমূহৰ তুলনাত ভাৰতত কম ব্যয়ত পৰ্যটনৰ সুযোগ লাভ কৰিব পৰা যায়;

* প্ৰয়োজনীয় সকলো সমল আৰু সা-সুবিধা থকা শিক্ষা প্ৰতিষ্ঠানৰে পৰিবেষ্টিত হৈ আছে ভাৰত ;

* পৃথিৱীৰ উন্নত দেশসমূহলৈ দক্ষ মানৱ সম্পদৰ যোগান ধৰা দেশ হিচাপে ভাৰতে ইতিমধ্যেই প্ৰসিদ্ধি লাভ কৰিবলৈ সক্ষম হৈছে।

শৈক্ষিক পৰ্যটনৰ বাবে উপযোগী কাৰকসমূহৰ বিষয়ে চৰ্চা কৰিবলৈ যোৱাৰ পূৰ্বে কোনবোৰ বিশেষ কাৰকেনো ভাৰতক শৈক্ষিক পৰ্যটনৰ বাবে যোগ্যতা প্ৰদান কৰিছে সেইবিষয়ে কিছু আলোচনা কৰাৰ প্ৰয়োজন।

**গৌৰৱোজ্জ্বল অতীত ঃ**

তক্ষশিলা,নালান্দাৰ দৰে বিশ্ববিদ্যালয়ৰ জগতজোৰা প্ৰসিদ্ধিয়ে ভাৰতৰ নাম সমগ্ৰ বিশ্বতে উজলাই তুলিছিল। প্ৰাচীন ভাৰতৰ বিভিন্ন প্ৰান্তত বিভিন্ন যুগত বিকশিত হোৱা শিক্ষাপীঠসমূহেও কীৰ্তিৱন্ত কৰি তুলিছিল ভাৰতক। তেনে শিক্ষাপীঠ সমূহৰ ভিতৰত উল্লেখযোগ্য আছিল — বিহাৰৰ ওদান্তপুৰী (চিৰ্কা ৫৫০-১০৪০), বৰ্তমানৰ বাংলাদেশৰ সোমপুৰা (গুপ্ত যুগৰ পৰা মুছলমান শাসকৰ উন্মানলৈ), বংগৰ জগদলা (পাল বংশৰ ৰাজত্বৰ পৰা মুছলমান শাসন কাললৈ), অন্ধ্ৰ প্ৰদেশৰ নাগাৰ্জুনাকোণ্ডা, বিহাৰৰ বিক্ৰমশিলা (চিৰ্কা ৮০০-১০৪০), আধুনিক যুগৰ কাশ্মীৰৰ সাৰদা পীঠ,গুজৰাটৰ বল্লভী (মৈত্ৰক যুগৰ পৰা আৰৱ সকলৰ আগ্ৰাসনলৈ), উত্তৰ প্ৰদেশৰ বাৰানসী (অষ্টম শতিকাৰ পৰা আধুনিক যুগলৈ), তামিলনাডুৰ কাঞ্চিপুৰম, কৰ্ণাটকৰ মান্যখাটা, ওড়িয়াৰ পুষ্পগিৰি, শ্ৰীলংকাৰ সুনেথ্ৰাদেৱী পিৰিৱেন্নাত থকা (চিৰ্কা ১৪১৫)বৌদ্ধদৰ্শনৰ অধ্যয়ন থলী।

অৱশ্যে এই সকলোবোৰৰ ভিতৰত তক্ষশিলা (খৃষ্টপূৰ্ব পঞ্চম শতিকাৰ

*** অৰ্চনা কুমাৰী চেন্ট্ৰেল য়ুনিভৰচিটি অৱ জন্মুৰ সহকাৰী অধ্যাপক আৰু দিব্যাশু কুমাৰ ইণ্ডিয়ান ইন্সটিটিউট অৱ মাছ কমিউনিকেশ্বনৰ সহকাৰী অধ্যাপক।**

পৰা খৃষ্টীয় পঞ্চম শতিকালৈ) আৰু নালন্দা (খৃষ্টীয় ৪২৭-১১৯৭) ৰ নাম সকলোৰে আগত উচ্চাৰিত হয়। তক্ষশিলাৰ সৈতে প্ৰাচীন ভাৰতৰ তিনিগৰাকী যুগনায়কৰ নাম জড়িত হৈ আছে। তেওঁলোক হ'ল চাণক্য, চন্দ্ৰগুপ্ত আৰু চৰক। চাণক্য আছিল প্ৰাচীন অৰ্থনীতিবিদ, অৰ্থ-শাস্ত্ৰৰ প্ৰণেতা। মহান সম্ৰাট চন্দ্ৰগুপ্ত মৌৰ্যই এই তক্ষশিলাতে অধ্যয়ন কৰিছিল বুলি জনা যায়। ইফালে আয়ুৰ্বেদৰ চিকিৎসাশৈলীক অনন্য মাত্ৰা প্ৰদান কৰি যুগ-যুগান্তৰলৈ খ্যাতি অৰ্জা 'চৰক সংহিতা'ৰ ৰচয়িতা চৰকেও এই তক্ষশিলাতে অধ্যয়ন কৰিছিল। সাধাৰণতে ছাত্ৰসকলে ১৬ বছৰ বয়সৰ পৰা তক্ষশিলাত অধ্যয়নৰ বাবে প্ৰৱেশ কৰে। বিশ্ববিদ্যালয়খনত থকা আইন বিদ্যালয়, চিকিৎসা বিদ্যালয় আৰু সামৰিক বিজ্ঞানৰ প্ৰতিষ্ঠানত সংশ্লিষ্ট বিষয়সমূহৰ শিক্ষা দান কৰাৰ উপৰি বেদ আৰু অষ্টাদশ কলাৰ পাঠদান কৰা হৈছিল। তদুপৰি তক্ষশিলাৰ পাঠ্যক্ৰমত ধনুৰ্বিদ্যা, মৃগয়া, হস্তীকলা আদিও অন্তৰ্ভূক্ত কৰা হৈছিল। তক্ষশিলা কেৱল বেদজ্ঞান শিক্ষাৰ পীঠেই নাছিল, এই পীঠ বৌদ্ধ পৰম্পৰা অধ্যয়নৰো গুৰুত্বপূৰ্ণ স্থান আছিল। ধাৰণা কৰা মতে এই পীঠতে বৌদ্ধ ধৰ্মৰ মহাযান পন্থই সাকাৰ ৰূপ ধাৰণ কৰিছিল।

একেটা পীঠতে বিভিন্ন বিষয়ৰ পাঠ্যক্ৰম অধ্যয়নৰ সুযোগ প্ৰদান কৰাৰ লগতে থকা-মেলাৰ সুবিধা আগবঢ়োৱাৰ অনন্য ব্যৱস্থাৰ বাবেই পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ জ্ঞানান্বেষীৰ এই বিশ্ববিদ্যালয়ত সমাবেশ ঘটিছিল। সেই যুগত ওচৰ চুবুৰীয়া বৌদ্ধ ধৰ্মাৱলম্বী দেশসমূহৰ নাগৰিকৰ বাবে ভাৰত তীৰ্থভ্ৰমণৰ আকৰ্ষণ থলী হোৱাৰ উপৰি বৌদ্ধ দৰ্শন অধ্যয়নৰো স্থলী হিচাপে পৰিগণিত হৈছিল। কেৱল ধৰ্ম-দৰ্শনৰ শিক্ষাৰ মাজতে সীমাবদ্ধ নাথাকি এই বিশ্ববিদ্যালয়ত জনপ্ৰিয় কাৰিকৰী সন্দৰ্ভতো প্ৰশিক্ষণৰ ব্যৱস্থা কৰা কথাই বিশ্ববিদ্যালয়খনৰ জনপ্ৰিয়তা বৃদ্ধি কৰাৰ লগতে সামগ্ৰিক ভাবে ভাৰতৰ প্ৰসিদ্ধিও এগুণত দুগুণ কৰি তুলিছিল।

তক্ষশিলাৰ দৰেই নালন্দাকো বিকশিত কৰি তোলা হৈছিল। ধন ঐশ্বৰ্য সমৃদ্ধিশালী মগধত সেইসময়ত এক বুদ্ধিদীপ্ত প্ৰশাসনে ৰাজত্ব কৰিছিল আৰু এই প্ৰশাসনেই নালন্দাৰ বিদ্যায়তনিক প্ৰেক্ষাপটটোৰ পৃষ্ঠপোষকতা কৰিছিল বুলি ধাৰণা কৰা যায়। এই বিশ্ববিদ্যালয়তো বৌদ্ধ দৰ্শনৰ লগতে অন্যান্য দৰ্শনৰ অধ্যয়নৰ ব্যৱস্থা কৰা হৈছিল। ইয়ে এই বিশ্ববিদ্যালয়ত সামগ্ৰিক জ্ঞান লাভৰ প্ৰেক্ষাপট ৰচনা কৰিছিল। ঐতিহাসিক তথ্য অনুসৰি নালন্দা আছিল এক আবাসিক বিশ্ববিদ্যালয়। এই বিশ্ববিদ্যালয়ত ২০০০ ৰো অধিক অধ্যাপকে ১০,০০০ ছাত্ৰক বিভিন্ন বিষয়ৰ পাঠদান কৰিছিল।

বিশ্ববিদ্যালয়খনৰ শৈক্ষিক বাতাবৰণ আৰু শিক্ষক সকলৰ জ্ঞান গৰ্ভ ব্যক্তিত্বই চীন, কোৰিয়া,জাপান, তিব্বত, মংগোলিয়া,তুৰস্ক, শ্ৰীলংকাৰ উপৰি দক্ষিণ-পূৰ এচীয়াৰ দেশসমূহৰ শিক্ষাৰ্থীসকলক বাৰুকৈয়ে আকৰ্ষিত কৰিছিল। এইসকল জ্ঞানজ্ঞই বিশ্ববিদ্যালয় খনত বিৰাজ কৰা বৌদ্ধিক পৰিমণ্ডল, শিক্ষাদান পদ্ধতি, ইয়াৰ অনন্য স্থাপত্য আৰু আভ্যন্তৰীণ জীৱনশৈলী সন্দৰ্ভত বহু তথ্য প্ৰকাশ কৰি থৈ গৈছে। বিশেষকৈ চীনৰ বিদ্বান জুৱান জেঙৰ টোকাত বিশ্ববিদ্যালয়খনৰ বিষয়ে বিস্তৃত তথ্য পোৱা যায়।

যান-বাহন তথা যোগাযোগ ব্যৱস্থাৰ উন্নত সাধন নথকা এটা যুগতো কেৱল বিদ্যা -শিক্ষাৰ আদৰ্শ পীঠস্থান থকাৰ বাবেই দেশ-বিদেশৰ পৰা জ্ঞানান্বেষী, পৰিব্ৰাজকৰ সোঁত ভাৰতলৈ বোৱা কথা বিশ্লেষণ কৰিলে তলত উল্লেখ কৰা দিশবোৰ উদ্ভাসিত হৈ উঠে।

* বহু ধৰ্ম, বহু সংস্কৃতিৰ মিলনভূমি হোৱাৰ বাবেই ভাৰতে যুগে যুগে পৰ্যটক-পৰিব্ৰাজকক আকৰ্ষিত কৰি আহিছে। ইয়াত ধৰ্ম দৰ্শন অধ্যয়নৰ লগতে সংস্কৃতি অধ্যয়নৰো সুযোগ লাভ কৰিব পাৰি।

* ধৰ্ম আৰু সাংস্কৃতিক দৰ্শন অধ্যয়নৰ উপৰি বহিৰ্দেশৰ পৰা অহা সকলে এই দেশৰ থলুৱা কলা, কাৰিকৰী দক্ষতা আদিৰ প্ৰশিক্ষণৰ প্ৰতিও আগ্ৰহ প্ৰকাশ কৰি আহিছে।

* বিশ্ববিদ্যালয় সমূহত কৰ্মৰত অধ্যাপক সকলৰ বুদ্ধিদীপ্ততা, পাৰদৰ্শিতা আৰু বৰেণ্য প্ৰতিভাৰ আকৰ্ষণে শিক্ষাৰ্থীসকলক ভাৰতমুখী হোৱাত অনুপ্ৰেৰণা যোগাইছিল।

* কেৱল অধ্যয়নেই নহয়, বৰং বহু সময়ত ইয়াৰ পৰিৱেশ অনন্য শিক্ষণ-শিকন পদ্ধতি, প্ৰকৃতিৰে সহাৰস্থান আদিয়েও দেশৰ অন্য-প্ৰান্তৰ লগতে বিদেশী সকলকো আকৰ্ষিত কৰিছিল।

* বহু যুগধৰি বহু শাসকৰ অধীনত বিকশিত হোৱাৰ সুবাদত এইসমূহ বিশ্ববিদ্যালয়ৰ সুনাম আৰু পাৰদৰ্শিতায়ো বহুমুখিতা লাভ কৰিবলৈ সক্ষম হৈছিল।

**নুবুজা বৰ্তমান ঃ**

ভাৰতত পৰ্যটনে এটা বিয়াগোম উদ্যোগৰ ৰূপ ধাৰণ কৰিবলৈ সক্ষম হৈছে। ভাৰত চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়ৰ তথ্য মতে এই উদ্যোগে ২০১২-২০১৩ বিত্তীয় বৰ্ষত মুঠ ঘৰুৱা উৎপাদনৰ ৬.৮৮ শতাংশ অৰিহণা আগবঢ়াইছিল। সেইদৰে বছৰটোত নিয়োগৰ ১২.৩৬ শতাংশ পূৰণ কৰিছিল পৰ্যটন উদ্যোগে। ১৯৯০ চনৰ পৰা ২০১১ চনৰ মাজৰ সময়চোৱাত দেশৰ পৰ্যটন ক্ষেত্ৰৰ মুঠ ঘৰুৱা উৎপাদনৰ মুঠ পৰিমান২২৯ শতাংশ পৰ্যন্ত সম্প্ৰসাৰিত হৈছিল। আনহাতে চলিত দশকটোত এই ক্ষেত্ৰৰ বিকাশৰ বাৰ্ষিক গড় হাৰ ৭.৭

শতাংশ হ'ব বুলি পূৰ্বানুমান কৰা হৈছে। ২০১১ চনত বিশ্ব ভ্ৰমণ আৰু পৰ্যটন পৰিষদে প্ৰকাশ কৰা পূৰ্বানুমান অনুসৰি ২০১১ চনৰ পৰা ২০২১ চনৰ মাজৰ দশকটোত বাৰ্ষিক বিকাশৰ হাৰ ৮.৮ শতাংশ হ'বগৈ ।ইফালে এনে প্ৰেক্ষাপটত পৰ্যটন ক্ষেত্ৰত আটাইতকৈ দ্ৰুতগতিত বিকাশ সাধন কৰা দেশৰ তালিকাত ভাৰতে পঞ্চম স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

পিছে ইমানৰ পিছতো এটা প্ৰশ্ন উত্তৰ বিহীন হৈয়ে ৰৈ গৈছে। সেয়া হৈছে পৰ্যটন ক্ষেত্ৰত আটাইতকৈ দ্ৰুত-গতিত বিকাশ লাভ কৰা ভাৰতত শিক্ষামূলক পৰ্যটনৰ গতি কি হ'ব? বিষয়টোৰ বিশ্লেষণলৈ যোৱাৰ আগতে ২০১৪ চনত অৰ্থনৈতিক সহযোগিতা আৰু উন্নয়ন সম্পৰ্কীয় সংস্থা অ'ইচিডিয়ে প্ৰকশে কৰা 'চকুৰ পচাৰতে শিক্ষা' শীৰ্ষক প্ৰতিবেদন খনৰ তথ্য সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছো ।—

* পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ শিক্ষা প্ৰতিষ্ঠানত নামভৰ্তি কৰা বিদেশী ছাত্ৰৰ মুঠ সংখ্যাৰ ৫৩ শতাংশ হ'ল এছীয়া মহাদেশৰ। এই সকলৰ ছাত্ৰৰ সৰহখিনি চীন, ভাৰত আৰু কোৰিয়াৰ;

* তৃতীয় পৰ্যায়ৰ শিক্ষাৰ বাবে ছাত্ৰসকলে নিৰ্বাচন কৰা লক্ষ্যস্থানৰ তালিকাৰ শীৰ্ষত আছে ইউৰোপ। শতকৰা ৪৮ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ইউৰোপত অধ্যয়ন কৰিবলৈ যোৱাৰ বিপৰীতে ২১ শতাংশই উত্তৰ আমেৰিকা আৰু ১৮ শতাংশইহে এছীয়াক নিৰ্বাচন কৰা দেখিবলৈ পোৱা যায়।

* শেহতীয়া তিনি দশকত শিক্ষাৰ বাবে বিদেশলৈ যোৱাৰ প্ৰৱণতা নাটকীয় ভাবে বৃদ্ধি পোৱা দেখা গৈছে। ১৯৭৫ চনত পৃথিৱীজুৰি হোৱা এনে প্ৰব্ৰজনৰ সংখ্যা ০.৮ নিযুত হোৱাৰ বিপৰীতে ২০১২ চনত এই পৰিমান ৪.৫ নিযুতলৈ বৃদ্ধি পাইছিল।

উল্লিখিত তথ্যাৱলীৰ বিশ্লেষণ কৰিলে দেখা যায় যে অঞ্চল হিচাপে এচীয়া আৰু দেশ হিচাপে ভাৰত শৈক্ষিক পৰ্যটনৰ লক্ষ্য স্থান হোৱাৰ পৰিবৰ্তে এনে পৰ্যটনৰ বাবে আগ্ৰহী লোকৰ আবাস হিচাপেহে চিহ্নিত হৈছে ; সেই কথা বিশ্লেষণ কৰিলে দেখা যায় যে মহাদেশখনত বৌদ্ধিক, সাংস্কৃতিক, সামাজিক আৰু ৰাজনৈতিক সেঁতুবন্ধনেৰে দেশসমূহৰ মাজত মৈত্ৰী স্থাপনৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। বিশেষকৈ ইউৰোপীয়ান ইউনিয়ন গঠনৰ পৰৱৰ্তী পৰিস্থিতিয়ে এটা সুন্দৰ বাতাবৰণৰ সৃষ্টি কৰিছে। পৰিবহন ব্যয় হ্ৰাসেও এই ক্ষেত্ৰত ইতিবাচক সহযোগিতা আগবঢ়াইছে। আনহাতে শ্ৰম-বজাৰৰ আন্তঃৰাষ্ট্ৰীয়কৰণে অতিকে দক্ষ ব্যক্তিৰ বাবে নিয়োগৰ অপূৰ্ব সম্ভাৱনা সৃষ্টি কৰা কথাই ছাত্ৰসকলৰ বাবেও পঢ়াৰ মাজতে আন্তঃৰাষ্ট্ৰীয় কৰ্ম অভিজ্ঞতা অৰ্জনৰ বাট মুকলি কৰি দিয়া কথাইয়ো মহাদেশখনত উচ্চ শিক্ষা গ্ৰহনৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক অধিক আগ্ৰহী কৰি তুলিছে। ছাত্ৰ-ছাত্ৰীৰ প্ৰব্ৰজন সম্পৰ্কীয় গোলকীয় প্ৰেক্ষাপট বিশ্লেষণ কৰিলে দেখা যায় যে "এনে প্ৰব্ৰজন আন্তৰাষ্ট্ৰীয় আৰু আন্তঃ আঞ্চলিক উভয় পৰিসৰত সম্ভৱ হৈছে। অ'ইচিডি'ৰ অন্তঃৰাষ্ট্ৰীয়কৰণৰ প্ৰৱণতা বৃদ্ধি আৰু আন্তঃআঞ্চলিক ছাত্ৰ প্ৰব্ৰজনৰ হাৰ বৃদ্ধিয়ে গোলকীয় প্ৰব্ৰজনৰ বিপৰীতে আঞ্চলিক প্ৰব্ৰজনৰ গুৰুত্ব বৃদ্ধিকে প্ৰতীয়মান কৰিছে।" সেই দৰে ইউৰোপীয় দেশবোৰৰ মাজত চলা ছাত্ৰ প্ৰব্ৰজন, পূব এছীয়া দেশবোৰৰ মাজৰ প্ৰব্ৰজন আৰু অ'চেনিয়ালৈ হোৱা প্ৰব্ৰজনে একাংশ ভূ-ৰাজনৈতিক এলেকাই ঠন ধৰি উঠা কথাকে প্ৰতীয়মান কৰিছে বুলি ভবাৰ থল ওলাইছে। উদাহৰণ স্বৰূপে এছীয়া প্ৰশান্ত মহাসাগৰীয়া অঞ্চলৰ দেশ সমূহৰ মাজৰ ঘনীভূত মৈত্ৰী আৰু ইউৰোপীয় সংঘ বহিঃভূত অন্যান্য ইউৰোপীয় দেশসমূহত ক্ৰমে বৃদ্ধি পোৱা সহযোগিতাৰ কথা উনুকিয়াব পাৰি (ইউনেস্কো,২০০৯)

আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত শিক্ষা গ্ৰহণৰ বাবে যোৱা ছাত্ৰৰ তালিকাত ৫.৮ শতাংশ হাৰৰে দ্বিতীয় স্থানত আছে ভাৰত। বিদেশলৈ যোৱা ভাৰতীয় ছাত্ৰৰ ৪৫ শতাংশ যায় আমেৰিকালৈ। ১৭ শতাংশ ইউনাইটেড কিংডম, ৬ শতাংশ কানাডা আৰু ৫ শতাংশ যায় অষ্ট্ৰেলিয়ালৈ।

উল্লিখিত তথ্যাৱলীৰ আধাৰত সামাগ্ৰিক ভাৱে পৃথিৱীৰ আৰু বিশেষকৈ ভাৰতৰ শিক্ষামূলক পৰ্যটনৰ প্ৰেক্ষাপট বিশ্লেষণ কৰিলে নিম্নোল্লিখিত তথ্যাৱলী উপলব্ধ হয়।—

* শিক্ষামূলক পৰ্যটনৰ সাম্প্ৰতিক প্ৰেক্ষাপটত ৫.৮ শতাংশ ভাৰতীয় ছাত্ৰই নিজৰ দেশৰ পৰিবৰ্তে বিদেশত শিক্ষা গ্ৰহণ কৰিবলৈ ঢাপলি মেলে। ছাত্ৰসকলৰ এই প্ৰৱণতাই দেশৰ পৰ্যটন ক্ষেত্ৰক নেতিবাচক ভাবে প্ৰভাৱিত কৰিছে।

* ছাত্ৰৰ গোলকীয় প্ৰব্ৰজনৰ বিপৰীতে আঞ্চলিক প্ৰব্ৰজনক অধিক উৎসাহিত কৰাৰ প্ৰয়োজনীয়তা আছে।

* দেশত শিক্ষা-মূলক পৰ্যটনক উৎসাহিত কৰিবলৈ বিভিন্ন দেশৰ মাজত বৌদ্ধিক,সাংস্কৃতিক, সামাজিক আৰু ৰাজনৈতিক মৈত্ৰী স্থাপনৰ প্ৰয়োজনীয়তা আছে। সেইদৰে পৰিবহন ব্যয় হ্ৰাস,ভিছা প্ৰক্ৰিয়াৰ সৰলীকৰণৰ দৰে পদক্ষেপ এই ক্ষেত্ৰত অধিক ফলপ্ৰসূ হ'ব বুলি ভাবিব পাৰি। বিদেশলৈ শিক্ষা গ্ৰহণ কৰিবলৈ যোৱা ছাত্ৰৰ প্ৰব্ৰজনে দেশৰ শিক্ষামূলক পৰ্যটনৰ ক্ষেত্ৰখন নেতিবাচক ভাৱে প্ৰভাৱিত কৰিলেও আমাৰ দেশত অব্যাহত থকা আভ্যন্তৰীণ শিক্ষামূলক পৰ্যটনৰ পৰিবেশটো কিন্তু নিতান্তই আশাব্যঞ্জক। পৰ্যটন মন্ত্ৰ্যালয়ে ২০১৫ চনত প্ৰকাশ কৰা বাৰ্ষিক প্ৰতিবেদনৰ তথ্য মতে ২০১২ চনৰ

তুলনাত ৯.৫৯ শতাংশ বৃদ্ধিৰে ২০১৩ চনত ঘৰুৱা পৰ্যটকৰ সংখ্যা ১১৪৫ নিযুতলৈ বৃদ্ধি পাইছিল। উৎকৃষ্ট সা-সুবিধা পোৱাৰ আশাৰে গ্ৰাম্যাঞ্চলৰ লগতে সৰু চহৰসমূহৰ অভিভাৱক সকলে তেওঁলোকৰ সন্তানক মহানগৰীলৈ শিক্ষা গ্ৰহণৰ বাবে পঠায়। পিচে এই কথা নিৰ্ভৰ কৰে অৰ্থনৈতিক সামৰ্থ্যৰ ওপৰত। অৱশ্যে শৈক্ষিক পৰ্যটনৰ থলী হিচাপে ভাৰতক গঢ়ি তোলাৰ তথ্য ২০১৫ চনৰ প্ৰতিবেদনত উপলব্ধ নোহোৱা কথাই পৰ্যটনৰ এই ক্ষেত্ৰৰ বিশাল সম্ভাৱনীয়তাৰ কথা আজিও আমাৰ চৰকাৰে হৃদয়ংগম নকৰা বুলিহে প্ৰতীয়মান কৰিছে।

## ভাৰতত শিক্ষামূলক পৰ্যটনৰ সমল ঃ

শৈক্ষিক পৰ্যটনৰ ক্ষেত্ৰখনক বিকশাই তুলিব পৰাকৈ ভাৰতত বিপুল পৰিমানৰ পৰ্যটন সমল সিচঁৰতি হৈ আছে। পৰিকল্পিত ৰূপত সাংস্কৃতিক অথবা ঐতিহাসিক পৰ্যটন, পৰিবেশ বা প্ৰাকৃতিক পৰ্যটন, গ্ৰাম্য পৰ্যটন, চিকিৎসা পৰ্যটন আদিৰ ক্ষেত্ৰসমূহ বিকশিত কৰিব পাৰিলে শিক্ষামূলক পৰ্যটনৰ ভেটি শক্তিশালী হ'ব। তদুপৰি বিশ্ববিদ্যালয়সমূহৰ মাজত ছাত্ৰ আৰু শিক্ষকৰ আদান প্ৰদান কাৰ্যসূচী ৰূপায়ন কৰিব পাৰিলেও বিদেশী ছাত্ৰ তথা শিক্ষকৰ ভাৰত আগমন আৰু কিছু সময়ৰ বাবে সংশ্লিষ্ট সকলক ভাৰত দিন কটোৱাৰ বাবে সুযোগ উলিয়াই দিব পাৰি। সেইদৰে চাৰু আৰু কাৰু কলা, স্থাপত্য, ভাষা, প্ৰত্নতাত্বিক স্থান, সংগীত, নৃত্য আদিক শৈক্ষিক পৰ্যটনৰ উৎকৃষ্ট আহিলা হিচাপে ব্যৱহাৰ কৰিব পৰা যায়। আনহাতে জৈৱ-পৰ্যটনৰ পৰিৱেশ সৃষ্টি কৰিবলৈ ৩৫০ বিধ স্তন্যপায়ীকে ধৰি ৬৫০০০ টা প্ৰজাতিৰ জীৱ-জন্তুৰ অধ্যয়ন, ৪০৮ বিধ সৰীসৃপ, ১৯৭ বিধ উভচৰ প্ৰাণী, ১২৪৪ বিধ চৰাই, ২৫৪৬ বিধ মাছ আৰু ১৫০০০ টা প্ৰজাতিৰ উদ্ভিদৰ অধ্যায়নৰ সুবিধা প্ৰদান কৰিব পৰাকৈ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। আমাৰ দেশত ৮০খন ৰাষ্ট্ৰীয় উদ্যান, ৪৪১ খন অভয়াৰণ্য আছে। ইয়াৰ বহুসংখ্যকেই এছীয়াৰ ভিতৰতে বৃহত্তম বুলি চিহ্নিত হৈ আহিছে। সেইদৰে ধৰ্ম আৰু বিশ্বাসকো অধ্যয়নৰ বিষয় বস্তু হিচাপে বিকশিত কৰি শিক্ষামূলক পৰ্যটনৰ প্ৰেক্ষাপট সম্প্ৰসাৰিত কৰাৰ সুযোগ ভাৰতত আছে।

## ভাৰতত শিক্ষামূলক পৰ্যটনৰ বিপণনৰ সুবিধা ঃ

এই মুহূৰ্তত ভাৰতত শিক্ষামূলক পৰ্যটনৰ বৃহৎ বজাৰৰ সুবিধা নাই যেন লাগিলেও অদূৰ ভৱিষ্যতে এটা সম্ভাৱনা পূৰ্ণ বজাৰ প্ৰেক্ষাপটো ইতিমধ্যেই ঠন ধৰি উঠিছে বুলি ধাৰণা কৰিব পাৰি। এই প্ৰসংগত পৰ্যটন মন্ত্ৰালয়ৰ ২০১৫ চনৰ বাৰ্ষিক প্ৰতিবেদন আৰু অ'ই চিডিৰ ২০১৫ৰ 'চকুৰ পচাৰতে শিক্ষা' শীৰ্ষক প্ৰতিবেদনৰ তথ্য উল্লেখ কৰিব পাৰি।

* ২০১৪ চনত ভাৰতলৈ অহা বিদেশী পৰ্যটকৰ সংখ্যা বৃদ্ধিৰ শতাংশ হাৰ আছিল ১০.৬ ।এই হাৰ বিদেশী পৰ্যটকৰ আন্তৰাষ্ট্ৰীয় আগমনৰ গোলকীয় হাৰ ৪.৯ শতাংশতকৈ অধিক আছিল।

* পাঠদানৰ মাধ্যমেও বিদেশী ছাত্ৰক অধ্যয়নৰ বাবে আকৰ্ষণ কৰে। সেই অৰ্থত ইংৰাজী ভাষাৰ সঞ্চালনিকৈ ব্যৱহাৰ হোৱা ভাৰতত শিক্ষা গ্ৰহণৰ বাবে বিদেশী ছাত্ৰ ই অধিক সুযোগ লাভ কৰিব।

* আন্তৰাষ্ট্ৰীয় ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাদানৰ মানৰ ওপৰত ভিত্তি কৰিহে অধ্যয়ন কৰিব খোজা দেশৰ নিৰ্বাচন কৰে। তেওঁলোকে উচ্চ শিক্ষাৰ সা-সুবিধা , ছপা আৰু অন লাইন শিক্ষাৰ দিহা আদিও সমীক্ষা কৰা দেখা যায়।

* শিক্ষা মাচুলৰ পৰিমানেও এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা দেখা যায়। অৱশ্যে শিক্ষাৰ মান উন্নত হ'লে এই কথা গৌণ হোৱাৰ সম্ভাৱনাই অধিক;

* অ'ইচিডিৰ অন্তৰ্ভূক্ত দেশ সমূহত শেহতীয়া ভাবে ইমিগ্ৰেশ্যন নীতি শিথিল কৰা হৈছে। ইয়ে শিক্ষামূলক পৰ্যটনক বাৰুকৈ উপকৃত কৰিব।

উন্নত শিক্ষানুষ্ঠান,শিক্ষাৰ মাধ্যম হিচাপে ইংৰাজী ভাষাৰ পয়োভৰ, কম শিক্ষামাচুল, ভাৰতীয় শিক্ষাৰে শিক্ষিত চিকিৎসক, অভিযন্তা, বিজ্ঞানীয়ে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত আহৰণ কৰা সুনাম আদিয়ে ভাৰতক এটা উৎকৃষ্ট শৈক্ষিক পৰ্যটন থলী হিচাপে বিকাশিত হোৱাৰ সম্ভাৱনা বহন কৰিছে যদিও আমাৰ দেশৰ প্ৰতিষ্ঠানে প্ৰদান কৰা ডিগ্ৰী আন্তঃৰাষ্ট্ৰীয় মানৰ বুলি বিবেচনা কৰা নহয়। সেইদৰে মূল্যাংক হস্তান্তৰৰ ক্ষেত্ৰত গৃহ দেশ আৰু পাঠদান কৰা শিক্ষা প্ৰতিষ্ঠানৰ মাজত কোনোধৰণৰ সমতুল্য পদ্ধতিৰো ব্যৱস্থা নাই ভাৰতত। যদি আমি এনেবোৰ আসোঁৱাহ নোহোৱা কৰি আমাৰ শিক্ষা পদ্ধতি বিকশিত কৰিব পাৰো, বিদেশী ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰয়োজনীয় সকলোবোৰ সা-সুবিধাৰ ব্যৱস্থা কৰিব পাৰো তেন্তে শিক্ষাৰ বাবে বিদেশলৈ যাব খোজা অথবা দেশতে প্ৰব্ৰজন কৰিব খোজা সকলো ছাত্ৰ-ছাত্ৰীৰ বাবেই ভাৰত শিক্ষামূলক পৰ্যটনৰ উৎকৃষ্ট লক্ষ্যস্থান হিচাপে উজলি উঠিবলৈ সক্ষম হ'ব।

# পৰ্যটন উদ্যমশীলতা ঃ গুৰুত্ব প্ৰদান কৰিবলগীয়া কৰ্মক্ষেত্ৰ

* জি অঞ্জানেয় স্বামী

অৰ্থনৈতিক উন্নয়নৰ সমাধান সূত্ৰ বিচাৰি কৰা অন্বেষণৰ অন্তত অৰ্থনীতিবিদ তথা বিধি-প্ৰণেতাসকলে এটা সিদ্ধান্তত উপনীত হয় যে মানুহৰ অভ্যন্তৰত থকা প্ৰাণশক্তি আৰু উদ্যমৰ সুপৰিণতিয়েহে এনে উন্নয়ন সম্ভৱ কৰি তুলিব পাৰে। যোগান আৰু সম্পদৰ সম্ভাৱনীয়তা যিমানেই নাথাকক কিয়, কোনো উদ্যোগীয়ে যেতিয়ালৈকে সেই সমলৰ সদপ্ৰয়োগ কৰি ব্যৱহাৰযোগ্য কৰি নোতোলে তেতিয়ালৈকে তেনে সম্পদৰ কোনো মূল্য নাথাকে। সেই অৰ্থত এজন উদ্যোগীক পৰিৱৰ্তনৰ বাহক কিম্বা অনুঘটক বুলি অভিহিত কৰিব পাৰি। সম্ভাৱনীয়তাক বিচাৰি উলিয়াই তাৰ সদ্ব্যৱহাৰেৰে সমাজৰ মংগল সাধন কৰিব পৰাকৈ যাৰ দূৰদৃষ্টি, কৰ্মস্পৃহা আৰু দক্ষতা থাকে তেওঁকেই উদ্যোগী বুলি সমাজে পৰিচিত প্ৰদান কৰে। দৰাচলতে উদ্যোগীসকলেহে সম্পদৰ অৰ্থনৈতিক প্ৰমূল্য নিশ্চিত কৰে। সেয়ে ২০০৯ চনত পিটাৰ দ্ৰুকাৰে কৈছিল — 'কোনোবাই ব্যৱহাৰযোগ্যতা নিশ্চিত নকৰা পৰ্যন্ত প্ৰতিটো খনিজেই খোলাকটি কিম্বা প্ৰতিজোপা শস্যই অলাগতীয়াল তৃণ হৈ ৰয়।' উদ্যোগীসকলে তেওঁলোকৰ অহোপুৰুষাৰ্থৰ জৰিয়তে দেশৰ বস্তুবাদী কল্যাণৰ সম্ভাৱনা বৃদ্ধি কৰে। জৰ্জ গিলডাৰৰ ভাষাত, ' আমাৰ জীৱিকা আৰু প্ৰগতিৰ বাবে আমি এনে কিছু সংখ্যক পুৰুষ-মহিলাৰ ওপৰত নিৰ্ভৰশীল হওঁ, যিয়ে সমৃদ্ধি আজুৰি অনাৰ গুৰু দায়িত্ব মূৰ পাতি লোৱাৰ সাহস দেখুৱাব পাৰে।'

### পৰ্যটনৰ উদ্যোগ সম্ভাৱনীয়তা আৰু বিকাশঃ

মেইয়াৰ আৰু বল্ডউইনৰ মতে, 'প্ৰাকৃতিক পৰিণতিৰ দৰেই উন্নয়ন কেতিয়াও স্বতঃস্ফূৰ্তভাৱে সংঘটিত হোৱা ঘটনা নহয়, ইয়াৰ বাবে অৰ্থনৈতিক আৱস্থাৰ উচিত মুল্যায়ণৰ জৰিয়তে প্ৰগতিৰ চকৰি ঘূৰাবলৈ অনুঘটক বা কৰ্মস্পৃহা থকা পৰিৱৰ্তনৰ ধাৰাবাহকৰ প্ৰয়োজন।' এনে প্ৰেক্ষাপটতে পৰ্যটনেও উদ্যোগ হিচাপে ইতিমধ্যেই পৰিচিতি লাভ কৰিছে বুলি ন-দি ক'ব পাৰি। শেহতীয়া প্ৰেক্ষাপটত এইখন ক্ষেত্ৰয়ো উল্লেখনীয় হাৰত প্ৰগতি লাভ কৰা পৰিলক্ষিত হৈছে। কম মূলধন আৰু সহজে স্থাপন কৰিব পৰা গুণৰ সুবাদতে সেৱা উদ্যোগ হিচাপে পৰ্যটনে নিজৰ উৎকৃষ্টতা প্ৰমাণিত কৰিবলৈ সক্ষম হৈছে। পৰ্যটকসকললৈ বিভিন্ন ধৰণৰ সা-সুবিধা আগবঢ়াব পৰাৰ সুযোগ থকাৰ বাবেই তুলনামূলকভাৱে পৰ্যটনক্ষেত্ৰৰ উদ্যোগ সম্ভৱানীয়তাও অধিক বুলিব পাৰি। পৰ্যটনৰ সৈতে জড়িত হৈ থকা অন্যান্য খণ্ড যেনে পৰিবহন, হোটেল,খাদ্য-যোগান, মনোৰঞ্জন, চাৰু-কাৰু কলাৰ উৎপাদন তথা বিপণন, সন্মিলন, প্ৰদৰ্শনী, উদ্যান তথা মনোৰঞ্জন ধৰ্মী কৰ্মকাণ্ড, অনুষ্ঠান-প্ৰৱন্ধন আদিৰ সৈতে বাণিজ্যিক কৰ্ম-কাণ্ডৰ সম্ভাৱনা মুকলি হয়।

এইক্ষেত্ৰত বিগত সময়ত কৰা গৱেষকসকলৰ অধ্যয়নত চকু ফুৰাব পাৰি। ইয়াৰে কিছু সংখ্যকে দাৰ্শনিক মতবাদক গুৰুত্ব প্ৰদানৰ বিপৰীতে কিছুসংখ্যকে আকৌ ব্যৱহাৰিক অভিজ্ঞতাৰ সাৰ কৰা দেখিবলৈ পোৱা যায়। এইসকলৰ ভিতৰত মেইয়াৰ আৰু বল্ডউইন (১৯৫৭), ডেভিদ চি মেক্‌ক্লেলেণ্ড (১৯৬১), জৰ্জ গিলডাৰ (১৯৮৪), টেড ছিলবাৰবাৰ্গ (১৯৯৫), এলিছন মৰিছন (১৯৯৯), বেজবৰুৱা (১৯৯৯), হেইডি ডাল্‌ছ আৰু কেৰিন ব্ৰাছ (১৯৯৯), এণ্ডু টাৰ্ণবুল (২০০২), ৰাছেল আৰু বিল ফ'কনাৰ (২০০৪), ষ্টিফেন বল (২০০৫), মেল'ডী বোথা এটড্ৰল (২০০৬), নাথন কে অষ্টিন (২০০৭), পিটাৰ দ্ৰুকাৰ (২০০৯), ৰ'ছলীন ষ্টিফেন জে পে'জ আৰু জ'ভ এটেলজেভিক (২০০৯), অঞ্জন ভূঞা (২০১০), ব্লু'জ ৰে'ৰমেইৰ এট এল (২০১০), ৰাজেন্দ্ৰ পাল (২০১০), ব্ৰেণ্ডন ক'নী (২০১২), এমাটা মাউল' মেথিয়াছ (২০১৩), হিউজেছ ছেৰাফিন (২০১৩) আদি উল্লেখযোগ্য। এইসকল গৱেষকে পৰ্যটন খণ্ডৰ ঔদ্যোগিক সম্ভাৱনীয়তাৰ বিভিন্ন

*** অধ্যাপক জি অঞ্জানেয় স্বামী পণ্ডিচেৰী কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ স্কুল অব্ মেনেজমেন্টৰ পৰ্যটন বিভাগৰ জ্যেষ্ঠ অধ্যাপক। তেওঁ বিশাখাপট্টনমত থকা অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ আৰু ডক্টৰেট ডিগ্ৰী লাভ কৰে। বিগত ৩৫ টা বছৰে শিক্ষা আৰু গৱেষণাৰ জগতখনত সেৱা আগবঢ়াই অহা ড° স্বামীয়ে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰ্যটন অধ্যয়ন সম্পৰ্কীয় ডি আৰ এছ দ্বিতীয় পৰ্যায়ৰ প্ৰকল্পৰ সমন্বয়ক হিচাপেও কাৰ্যনিৰ্বাহ কৰি আছে। তেওঁ দেশ বিদেশৰ বিভিন্ন কাকত আলোচনীক উদ্যোগ আৰু উদ্যমশীলতা সম্পৰ্কীয় বিভিন্ন লিখনীয়ে সমৃদ্ধ কৰি আহিছে।**

দিশ সমূহ চালি-জাৰি চাই বিশ্লেষণ দাঙি ধৰিছে। অৱশ্যে এইসকল গৱেষকে কৰা গৱেষণাৰ সৰহ সংখ্যকেই অঞ্চল ভিত্তিক আৰু সংশ্লিষ্ট অঞ্চল সমূহৰ ঔদ্যোগিক কৰ্মকাণ্ডকে এনে গৱেষণাত সামৰি লোৱা হৈছে।

**উদ্ভাৱনী পৰ্যটন সমল ঃ ভাৰতীয় পৰ্যটনৰ ভৱিষ্যত প্ৰগতিৰ সঁচাৰকাঠি**

উদ্ভাৱনী পৰ্যটন সমলেহে ভাৰতীয় পৰ্যটন উদ্যোগৰ ভৱিষ্যতৰ প্ৰগতি সম্ভৱ কৰি তুলিব সেয়া কোৱা বাহুল্য মাথো। পৰ্যটন উদ্যোগৰ বিশাল সম্ভাৱনীয়তাৰ কথা বাৰম্বাৰ দোহাৰি অহাৰ পিচতো পিছে চৰকাৰী কিম্বা বেচৰকাৰী খণ্ডই আমাৰ দেশৰ পৰ্যটন উদ্যোগক অন্য মাত্ৰালৈ উন্নীত কৰাৰ বাবে লোৱা পদক্ষেপ সন্তোষজনক বুলি ক'ব পৰা বিধৰ নহয়। শেহতীয়া কেবাটাও দশকত নতুন পৰ্যটন ক্ষেত্ৰৰ চিনাক্তকৰণ, উন্নয়ন কিম্বা উত্তৰণতো বিশেষ সাফল্য লাভ কৰা নাই বুলিবই পাৰি। এনে পৰিস্থিতিত বৰ্তমানে থকা পৰ্যটন ক্ষেত্ৰসমূহে পৰ্যটকৰ অধিক চাপ ল'বলগীয়া হৈছে। এনেবোৰ অঞ্চলৰ পথ-ঘাটৰ উন্নয়ন, পৰিবহন, পৰ্যটন নিবাস , দূৰ-সংযোগ ব্যৱস্থাৰ উন্নয়ন আদিৰ প্ৰয়োজনীতা দ্ৰুতগতিত বৃদ্ধি পাইছে। ইফালে মানুহৰ অৰ্থনৈতিক সম্বল বৃদ্ধি পোৱাৰ লগতে পৰিৱৰ্তিত জীৱন শৈলী আৰু অগ্ৰাধিকাৰ আদিৰ পৰিপ্ৰেক্ষিততে পৰ্যটন উদ্যোগৰ দ্ৰুত উত্তৰণৰ প্ৰাসংগিকতা আহি পৰিছে। এনে পৰিস্থিতিত নতুন নতুন পৰ্যটন ক্ষেত্ৰৰ আৱিষ্কাৰ কৰাৰ লগতে পৰ্যটন সমল উদ্ভাৱন কৰাৰ বাবে যৎপৰোনাস্তি প্ৰচেষ্টা লোৱাৰ বাবে সময় সমাগত হৈছে। ভাৰতীয় পৰ্যটন উদ্যোগৰ উত্তৰণৰ বাবে ল'ব পৰা কেতবোৰ পদক্ষেপৰ বিষয়ে উল্লেখ কৰা হ'ল।

**অনন্য / ৰহস্যময় ক্ষেত্ৰৰ উত্তৰণ ঃ**

প্ৰকৃতি কিম্বা যুক্তিয়ে সিদ্ধ নকৰা কেতবোৰ স্থান বিচাৰি উলিয়াই পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাত পশ্চিমীয়া দেশসমূহে যেনে দক্ষতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে সেই দক্ষতা ভাৰতে দেখুৱাব পৰা নাই। এই ক্ষেত্ৰত আমাৰ দেশত প্ৰবল সম্ভাৱনা আছে আৰু অদূৰ ভৱিষ্যতে এই সম্ভাৱনাৰ সন্ধান কৰি পৰ্যটনক্ষেত্ৰৰ সম্প্ৰসাৰণ, উত্তৰণ, উন্নয়নত মনোনিৱেশ কৰাটো বৰ্তমান সময়ৰ আহ্বান। উদাহৰণ স্বৰূপে অসমৰ হাফলঙৰ সমীপৱৰ্তী জাতিংগা,ৰাজস্থানৰ আলৱাৰৰ নিকটবৰ্তী ভাংগড় দুৰ্গ, অন্ধ্ৰপ্ৰদেশৰ কুৰনুল জিলাৰ মহানন্দী পুখুৰী, মহাৰাষ্ট্ৰৰ শনি ছিংনাপুৰ আদিৰ কথা উল্লেখ কৰিব পাৰি। উত্তৰ কাছাৰ জিলাৰ জাতিংগালৈ বছৰৰ ছেপ্টেম্বৰ-নৱেম্বৰ মাহৰ পৰিভ্ৰমী চৰাইৰ সোঁত বয়। কিবা যেন দুৰ্বাৰ আকৰ্ষণত জাকে জাকে অহা এইবোৰ চৰায়ে জাতিংগাৰ পাহাৰত মূৰ খুন্দিয়াই আত্মহত্যা কৰেহি। হাজাৰ হাজাৰ চৰাইৰ এই আত্মোৎসৰ্গৰ কাহিনীয়ে স্বাভাৱিক অৰ্থতে ৰহস্য সৃষ্টি কৰি আহিছে যদিও এই ৰহস্যৰ সত্য উদ্‌ঘাটন আজিও হোৱা নাই। অৱশ্যে চৰাইৰ মৃত্যুৱে সৃষ্টি কৰা ৰহস্যৰ বাবেই জাতিংগাই বিশ্বজোৰা প্ৰসিদ্ধি লাভ কৰিছে। সেইদৰে অন্ধ্ৰপ্ৰদেশৰ কুৰনুল জিলাৰ মহানন্দীত থকা পুখুৰীটোৱেও পৰ্যটকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। কিয়নো পুখুৰীটোৰ পানীৰ পৰিমাণ বছৰৰ সকলো ঋতুতে একেই থাকে। ১.৫ মিটাৰ (৫ ফুট) দ পুখুৰীটোৰ পানীৰ পৰিমাণ সদায়নো কেনেকৈ একে থাকে সেই ৰহস্যৰ ওৰ আজিও কোনেও উলিয়াব পৰা নাই। পুখুৰীটোলৈ কৰ পৰানো পানী আহে, স্ফটিকৰ ধাৰণৰ দৰে নিৰ্মল পানীখিনিনো কেনেকৈ সদায় পৰিস্কাৰ হৈ থাকে তাৰ উৱাদিহ কোনেও নেপায়। সৰু পইচা এটা পৰিলেও পাৰৰ পৰাই পুখুৰীটোৰ তলিত থকা পইচা সকলোৰে দৃষ্টি গোচৰ হয়। এনেবোৰ কথাই ৰহস্যক অধিক ঘনীভূত কৰে। ৰাজস্থানৰ ভাংগড় দুৰ্গ হ'ল আন এটা উল্লেখনীয় ৰহস্য সৃষ্টিকাৰী স্থান। ১৬১৩ চনত ৰজা মাধো সিঙে এই দুৰ্গ নিৰ্মাণ কৰিছিল। কিংবদন্তী মতে, বাবা বলুনাথ নামৰ এজন সাধুৱে দুৰ্গটো থকা ঠাই ডোখৰত বসবাস কৰিছিল। সেইজন বাবাই বোলে সকলোকে সকীয়াই দিছিল দুৰ্গৰ সীমাৱৰ্তী এলেকাত কোনেও যাতে তেওঁৰ ঘৰতকৈ ওখ ঘৰ নিৰ্মাণ নকৰে। যদি কোনোবাই তেওঁৰ কথা নুশুনি ওখকৈ ঘৰ সাজে আৰু সেই ঘৰৰ ছাঁ যদি কেনেবাকৈ তেওঁৰ ঘৰত পৰেগৈ তেন্তে তেতিয়াই দুৰ্গটো ধ্বংস হ'ব। যুগ যুগ ধৰি চলি অহা এই কিংবদন্তিৰ বাবেই ভাংগড় দুৰ্গৰ সীমাৱৰ্তী এলেকাত কোনো লোকে ওখকৈ ঘৰ নিৰ্মাণ নকৰে। আনকি ঠাইডোখৰত থকা গাওঁবাসীয়ে মূধচ নোতোলাকৈয়ে তেওঁলোকৰ ঘৰবোৰ সাজি আহিছে। তেওঁলোকে ভাবে, মুধূচ থকা ঘৰ নিৰ্মাণ কৰিলেই ঘৰবোৰ ভাগি পৰিব। সেই অৰ্থতে ভাংগড় দুৰ্গত কোনো লোককে ৰাত্ৰিযাপন কৰিবলৈ দিয়া নহয়। কথিত আছে যে সন্ধিয়াৰ পাচত এই দুৰ্গত থকা কোনো লোকেই বোলে উভতি অহা নাই। পিছে দুৰ্গটোৰ এই কাহিনীয়ে দেশ-বিদেশৰ অনুসন্ধিৎসু পৰ্যটকক বাৰুকৈয়ে আকৰ্ষিত কৰি আহিছে।

মহাৰাষ্ট্ৰৰ শনি ছিংনাপুৰ গাৱঁত আকৌ কোনো ঘৰতে দুৱাৰ নাথাকে। গাওঁবাসীয়ে দুৱাৰৰ ব্যৱস্থা নকৰাকৈয়ে ঘৰবোৰ নিৰ্মাণ কৰে। ৰাতি-বিয়লিৰতো কথাই নাই আনকি কোনোবা কৰবালৈ গ'লেও তেওঁলোকে মুকলিকৈয়ে ঘৰবোৰ এৰি থৈ যায়। অঞ্চলটোৰ জনবিশ্বাস মতে শনি ছিংনাপুৰ গাৱঁত কোনোবাই যদি চুৰ কৰে তেন্তে তেওঁক ঈশ্বৰে কঠোৰ শাস্তি প্ৰদান কৰে। সেয়ে কোনো চোৰেই গাওঁখনত চুৰ কৰাৰ মৰসাহ দেখুৱাব পৰা

নাই। আজিৰ সমাজৰ বাবে এয়া আক্ষৰিক অৰ্থতে ৰহস্যৰ বিষয় নহয় জানো !

ঘটনা পৰিঘটনা, জনবিশ্বাসে ৰহস্যময় কৰি তোলা এনেবোৰ স্থানৰ পৰ্যটন সম্ভাৱনীয়তা স্বাভাৱিক কাৰণতে প্ৰবল হৈ উঠা পৰিলক্ষিত হয়। এনেবোৰ সমলৰ সম্ভাৱনীয়তাক ফলপ্ৰসু কৰাৰ বাবে উদ্যমশীলতাৰ প্ৰাসংগিকতা আহি পৰে। জনমানসক প্ৰলুব্ধ কৰিব পৰাকৈ এনে সমলৰ উপস্থান আৰ্হি প্ৰস্তুত কৰা, যোগা- যোগৰ সকলো ব্যৱস্থা উপলব্ধ কৰোৱা, থকা-খোৱাৰ সু-ব্যৱস্থা কৰাৰ উপৰি পৰ্যটকক পৰ্যাপ্ত সেৱাৰে আপ্যায়িত কৰিব পৰা এটা পৰিবেশ গঢ়ি তোলাৰ প্ৰয়োজন হয়। এনেবোৰ ঠাইৰ প্ৰতি থকা আকৰ্ষণৰ লগতে সংশ্লিষ্ট এলেকাসমূহৰ লোক কলা কৃষ্টিয়েও অনন্য বিপণন সম্ভাৱনীয়তা (ইউনিক ছেলিং প্ৰ'পজিশ্যন) সৃষ্টি কৰে। সেয়ে এনেবোৰ পৰ্যটন সম্ভাৱনা থকা অপৰম্পৰাগত ক্ষেত্ৰ বা সমলক পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু কৰি গঢ়ি তোলাৰ বাবে পদক্ষেপ গ্ৰহণত গুৰুত্ব আৰোপ কৰাৰ প্ৰসংগ ৰাষ্ট্ৰীয় কিম্বা ৰাজ্যিক পৰ্যটন নীতিৰ অন্তৰ্ভূক্ত কৰাৰ সময় আহি পৰিছে বুলি ন- দি ক'ব পাৰি।

**এই পৰ্যন্ত অখ্যাত স্থানক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়াৰ পদক্ষেপ ঃ**

দেশৰ বিশালতা আৰু সাংস্কৃতিক বৈচিত্ৰ্যতাই প্ৰদান কৰা বিপুল সম্ভাৱনীয়তাৰ সুযোগ গ্ৰহণ কৰি পৰ্যটন মানচিত্ৰৰ পৰিসৰ সম্প্ৰসাৰণ কৰাৰ বাবে আমাৰ হাতত অনেক কৰণীয় আছে। উদাহৰণ স্বৰূপে অন্ধ্ৰপ্ৰদেশৰ নেল্লোৰ জিলাত থকা পুলিকট হ্ৰদ আৰু পক্ষী অভয়াৰণ্য, প্ৰাকৃতিক সৌন্দৰ্যৰ ৰাণী কৰ্ণাটকৰ মুপ্পানী, পেৰাম্বিকুলাম জৈৱ পৰ্যটন ক্ষেত্ৰ, তামিলনাডুৰ থেনি জিলাৰ মেঘামলাইৰ দৰে পাহাৰ বগাওতাৰ ভূ-স্বৰ্গ সদৃশ ঠাইৰ সমকক্ষ পৰ্যটন ক্ষেত্ৰ তেনেই বিৰল। পিছে এনেবোৰ ঠাইৰ কথা মুষ্টিমেয় একাংশ পৰ্যটকৰ বাহিৰে সন্ধালনিকৈ দেশৰ পৰ্যটকসকলে আজিও নেজানে। দক্ষিণ ভাৰতৰ দৰে ক্ৰান্তীয় জলবায়ু এলেকাতো যে বিশাখাপট্টনমৰ নিচেই কাষতে থকা লাম্বাছিংগী নামৰ ঠাইডোখৰত তুষাৰপাত হয় সেইকথা বাৰু দেশৰ আন প্ৰান্তৰ কিমান মানুহে জানে? দেশৰ বিভিন্ন প্ৰান্তত এনে বহু ঠাই সিচঁৰতি হৈ আছে যাৰ কথা বহুতে নাজানে অথচ সামান্য গুৰুত্ব দিলেই তেনেবোৰ ঠাইলৈ পৰ্যটকৰ লানি লাগিব।

**প্ৰৱেশযোগ্য পৰ্যটন ঃ**

নিৰ্মাণ খণ্ডৰ সা-সামগ্ৰীৰ তুলনাত সেৱা খণ্ডৰ, বিশেষকৈ পৰ্যটন খণ্ডত শাৰিৰীক ভাবে বাধাগ্ৰস্ত সকলৰ বাবে যে অধিক কৰণীয় আছে সেই কথা এতিয়াও উপলব্ধি কৰা নাই যেনহে লাগে। যি সময়ত আমাৰ দেশৰ লগতে পৃথিৱীজুৰি বিভিন্ন উৎপাদনী ক্ষেত্ৰই 'সামগ্ৰিক প্ৰগতি'ৰ বাবে অহোপুৰুষাৰ্থ কৰিবলৈ লৈছে সেই সময়তো কিন্তু আমাৰ দেশৰ পৰ্যটন খণ্ডই 'বিশেষভাবে দক্ষ ব্যক্তি সকলৰ বাবে কৰিব পৰাখিনি কৰাৰ ক্ষেত্ৰত বহুদূৰ পিচ পৰি ৰৈছে। নেদেখা ঠাইলৈ যোৱা, নজনা কথা জনাৰ বাবে উদগ্ৰীৱ হোৱাটো মানুহৰ স্বাভাৱিক প্ৰবৃত্তি। পিচে সেই বুনিয়াদী আকাংক্ষা পূৰণ কৰিবলৈ আমাৰ সমাজৰ এটা বৃহৎ অংশই সুযোগ নোপোৱাটো আক্ষৰিক অৰ্থতে বেদনাৰ কথা। এইসকল প্ৰতিবন্ধীক তেওঁলোকৰ মনোবাঞ্চা পূৰণৰ সুযোগ দিবলৈ কেতবোৰ বিশেষ সেৱা আগবঢ়োৱাৰ ব্যৱস্থা কৰাটো নিতান্তই বাঞ্চনীয় হ'ব। পিছে পৃথিৱীৰ ৬০০ নিযুত প্ৰতিবন্ধী লোকক সেৱা আগবঢ়াব পৰাকৈ সংহত ৰূপত এতিয়াও কোনো পদক্ষেপ লোৱা পৰিলক্ষিত হোৱা নাই। এইসকল লোকক সম অধিকাৰ অথবা সামাজিক ন্যায় প্ৰদান কৰাৰ উপৰি ইয়াৰ জৰিয়তে বিপণনৰ বিশাল সম্ভাৱনাৰ দুৱাৰো মুকলি হ'ব বুলি আশা কৰিব পাৰি। 'ইউৰোপীয়ান নেটৱৰ্ক ফৰ এক্‌চেছিবল ট'ৰিযম (ইএন এ টি) ৰ মতে আন্তঃগাঁথনিৰ সংস্কাৰ, যেনে ঃ বন্ধন মুক্ত লক্ষ্য নিৰ্ধাৰণ, অসুবিধা মুক্ত পৰিবহনৰ ব্যৱস্থা, উন্নত মানৰ সেৱাৰ দিহা, কাম- কাজ কিম্বা প্ৰদৰ্শনীত অংশগ্ৰহণ, সহজ প্ৰৱেশৰ সুবিধা,বন্দোবস্তী আৰু অন্যান্য সেৱা গ্ৰহণৰ সুন্দৰ ব্যৱস্থা কৰাৰ দৰে বিষয়বোৰ ' প্ৰৱেশ যোগ্য পৰ্যটন ব্যৱস্থাৰ অন্তৰ্ভুক্ত কৰা হৈছে। শেহতীয়াভাবে ইন্টাৰনেট, অনলাইন ব্যৱস্থাৰ জৰিয়তে ভ্ৰমণসূচী যুগুতোৱা, টিকটৰ বন্দোবস্তি কৰাৰ দৰে কাম-কাজবোৰ সম্পন্ন কৰিব পৰা হোৱাত এই ক্ষেত্ৰত অধিক সুফল লাভ কৰিব পৰা হৈছে। অৱশ্যে এতিয়াও বহুখিনি কৰিবলৈ বাকী আছে বুলি ক'বই লাগিব।

**দৰিদ্ৰ হিতৈষী পৰ্যটনঃ**

ভ্ৰমণৰ আকাংক্ষা প্ৰাকৃতিক সৌন্দৰ্য উপভোগৰ বাসনা, বিভিন্ন খাদ্যৰ জুটি লোৱাৰ দৰে কথাবোৰ মানুহৰ সহজাত প্ৰবৃত্তিৰ অন্তৰ্ভুক্ত। এইক্ষেত্ৰত ধনী-দুখীয়া, দেশ-বিদেশ, লিংগ, কিম্বা বয়স প্ৰভেদে কেতিয়াও ক্ৰিয়া নকৰে। পিছে কাৰণ যিয়েইনহওক কিয় ভাৰতীয় পৰ্যটনৰ সদায় দেখি অহা কথাটো হ'ল যে ভ্ৰমণ-বিলাস এতিয়াও কেৱল নগৰৰ ধনাঢ্য আৰু আধ্যৱন্ত শ্ৰেণীৰ মাজতে সীমাবদ্ধ হৈ আছে। যদি এই পৰম্পৰাই অব্যাহত থাকে তেন্তে এদিন আমি একেমুখে ক'বলৈ বাধ্য হ'ব লাগিব যে — পৰ্যটন কেৱল আঢ্যৱন্তৰ একচেটিয়া বিলাস।

বিগত সময়ছোৱাত পৰিবহন, থকা-খোৱাৰ লগতে অন্যান্য সেৱা সঙ্গৰ বিপুল আন্তঃগাঁথনি নিৰ্মাণৰ জৰিয়তে পৰ্যটন খণ্ডৰ বিকাশ সাধন হৈছে যদিও এতিয়াও কিন্তু পৰ্যটন অভিজ্ঞতা লাভৰ

পৰা গাওঁ আৰু উপ-নগৰীয়া অঞ্চলৰ বিশাল জনসমষ্টি বঞ্চিত হৈ থাকিব লগা হৈছে। দৰাচলতে এইসকল ৰাইজক আকৰ্ষিত কৰিব পৰাকৈ অথবা অৰ্থনৈতিক ভাবে সহজসাধ্য কৰি পৰ্যটনৰ সুযোগ প্ৰদান কৰাৰ বাবে কোনো ধৰণৰ পৰিকল্পিত পদক্ষেপ গ্ৰহণ নকৰাৰ পৰিণতিতে এই বিশাল জন সমষ্টিক সম্ভাৱনা পৰ্যটকৰ ভূমিকাত অৱতীৰ্ণ কৰিব পৰা নাই। পিচে সৰ্ব-সাধাৰণ ৰাইজৰ বাবে পৰ্যটনৰ ব্যয় সাধ্য কৰি পৰিকল্পনা যুগুতাব পাৰিলে আক্ষৰিক অৰ্থতে পৰ্যটন উদ্যোগ উপকৃত হ'ব । এই ক্ষেত্ৰত চি কে প্ৰহ্লাদৰ এষাৰ বাক্য আওৰাব পাৰি, 'পিৰামিডৰ তলিতহে সৌভাগ্যই অৱস্থান কৰি আছে। 'সেয়ে পৰ্যটন উদ্যোগৰ শ্ৰীবৃদ্ধিৰ বাবে গাঁৱৰ ৰাইজক আকৰ্ষিত কৰিব পৰা পৰিকল্পনা হাতত লোৱাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে আগবাঢ়ি আহিব লাগিব। আমাৰ দেশত একাংশ তীৰ্থস্থানৰ বাহিৰে আন পৰ্যটন ক্ষেত্ৰ সমূহ এতিয়াও গ্ৰাম্য পৰ্যটকৰ বাবে ঢুকি নোপোৱা দূৰৈৰ বস্তু হৈয়ে ৰৈছে।

## ছাত্ৰ-ছাত্ৰীৰ বাবে পৰিকল্পিত ভ্ৰমণ আৰ্হি ঃ

বিগত সময়ছোৱাত পৰ্যটন খণ্ডৰ বহুখিনি বিকাশ সাধন হৈছে যদিও স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপযোগী হোৱাকৈ কোনো ভ্ৰমণ পৰিচালনাকাৰী সংস্থা অথবা পৰ্টোলে আজিও এটা সুপৰিকল্পিত ভ্ৰমণ আৰ্হি যুগুতাই দিব পৰা নাই। অথচ আমাৰ দেশৰ লাখ লাখ শিক্ষা প্ৰতিষ্ঠানৰ কোটি কোটি ছাত্ৰ-ছাত্ৰীৰ বাবে ইয়াৰ প্ৰয়োজনীয়তা কিমান তাৰ ব্যাখ্যা নিশ্চয় নিষ্প্ৰয়োজন হ'ব।

সংহত ৰূপত এনে পৰিকল্পনাৰ অভাৱত ছাত্ৰ-ছাত্ৰী সকলে শিক্ষকৰ সৈতে মিলি ভ্ৰমণ সূচী যুগুতাই কাম চলাই আহিছে যদিও পেছাদাৰিত্বৰ অভাৱত তেওঁলোকে প্ৰায়ে বিভিন্ন অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। আনকি বহু সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনৰ নিৰাপত্তাৰ ক্ষেত্ৰতো প্ৰশ্নৰ অৱতাৰণা হোৱা দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে উত্তৰাখণ্ডৰ লাৰ্জি জল বিদ্যুৎ প্ৰকল্পই হঠাতে এৰা পানীয়ে বীছ নৈত কৰা প্ৰলয়ত হায়দৰাবাদৰ ২৪ গৰাকী ছাত্ৰৰ সলিল সমাধি হোৱা কৰুণ ঘটনাটোৰ কথা উল্লেখ কৰিব পাৰি। পৰ্যটন উদ্যোগৰ উত্তৰোত্তৰ উন্নয়নৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত সেৱা আগবঢ়োৱাৰ স্বাৰ্থতে এই ক্ষেত্ৰত অধিক মনোনিৱেশৰ প্ৰয়োজন আছে।

## মানৱ-সৃষ্ট পৰ্যটন সমলৰ উত্তৰণ ঃ

আমাৰ দেশৰ পূব আৰু পশ্চিম প্ৰান্ত বহু হাজাৰ কিলোমিটাৰ জোৰা উপকূলৰে আবৃত যদিও দুৰ্ভাগ্যজনক ভাবে আমি এতিয়াও এই বিশাল উপকূল এলেকা পৰ্যটকৰ আকৰ্ষণৰ থলী হিচাপে গঢ়ি তুলিব পৰা নাই। গোৱা আৰু পুৰীৰ উপকূলে আন্তঃৰাষ্ট্ৰীয় পৰিমণ্ডলত পৰিচিতি লাভ কৰিছে যদিও বাকী অংশই এতিয়াও সেই প্ৰসিদ্ধি লাভ কৰিব পৰা নাই। অথচ দেশৰ বহু সংখ্যক উপকূলত থকা বীচ্চ সমূহে পৰ্যটকক আকৰ্ষণ কৰিব পৰা বিভিন্ন সমলৰে চহকী বুলি ন-দি ক'ব পাৰি। এইসমূহ বীচ্চৰ উত্তৰণ সম্ভৱ কৰিব পাৰিলে দেশীয় পৰ্যটকৰ লগতে আন্তঃৰাষ্ট্ৰীয় পৰ্যটককো যে আকৰ্ষিত কৰিব পাৰিব সেয়া ধ্ৰুৱপ। সেইদৰে জলক্ৰীড়াৰ আন্তঃগাঁথনি নিৰ্মাণত মনোনিৱেশ কৰিলেও দেশৰ পৰ্যটন খণ্ডৰ শ্ৰীবৃদ্ধিত প্ৰভূত অৰিহণা যোগাব পাৰিব বুলি ভবাৰ থল আছে।

## কাহিনী/ আমোদ উদ্যান ঃ

বিষয়বস্তু সম্বলিত আমোদ উদ্যানসমূহ পৰ্যটকৰ আকৰ্ষণৰ থলী হৈ আহিছে। 'ডিজনীলেণ্ড'ৰ কথা এই ক্ষেত্ৰত বিশেষভাবে উল্লেখ কৰিব পাৰি। অৱশ্যে এনে উদ্যান বিকশিত কৰিবলৈ বিশাল পৰিমাণৰ বিনিয়োগ, শ্ৰম, পৰিকল্পনা আৰু পাৰদৰ্শিতাৰ প্ৰয়োজন হয়। তথাপি পৃথিৱীৰ বিভিন্ন প্ৰান্তত দেখা সাফল্য অনুধাৱন কৰি আমাৰ দেশতো এনে উদ্যান বিকশিত কৰাৰ যুক্তি দাঙি ধৰিব পাৰি। ডিজনীলেণ্ডৰ দৰে এনে নহ'লেও আমেৰিকাৰ য়ুনিভৰ্ছেল ষ্টুডিঅ'ই 'হলীউড'ক যেনেকৈ পৰ্যটকৰ আকৰ্ষণৰ থলী হিচাপে বিকশাই তুলিছে সেই প্ৰয়াস কিন্তু আমাৰ দেশত এতিয়াও কৰা দেখিবলৈ পোৱা নাযায়। মুম্বাইৰ বলীউদ আৰু ছেন্নাইৰ ষ্টুডিঅ' সমূহক হলীউদৰ আৰ্হিত পৰ্যটক আকৰ্ষণৰ সমল কৰি বিকশিত কৰিব পাৰিলে চলচিত্ৰ উন্মাদ কোটি কোটি পৰ্যটকৰ সমাবেশেৰে এটা উখল মাখল পৰিবশৰ সৃষ্টি কৰিব পাৰি।

## এতিয়া কামৰ সময় ঃ

দেশৰ পৰ্যটন খণ্ডৰ বিপুল সম্ভাৱনাক বিকশিত কৰাৰ বাবে হাতে-কামে লগাৰ সময় সমাগত হৈছে। ইয়াৰ বাবে সংশ্লিষ্ট সকলোপক্ষৰ সক্ৰিয় সহযোগিতা, আন্তৰিক অংশগ্ৰহণৰ প্ৰয়োজন হ'ব। ততোধিক প্ৰয়োজন হ'ব উদ্যমশীলতাৰ। প্ৰতিজন পৰ্যটকক 'অতিথি দেৱো ভৱ' মন্ত্ৰ আওৰাই শুদ্ধ চিত্তে আদৰণি জনোৱাৰ মানসিকতা বিকশিত কৰিব পাৰিলেহে আমাৰ পৰ্যটন উদ্যোগ ফলে-ফুলে জাতিস্কাৰ হৈ উঠিব।

# ভাৰতত স্থিতি লাভ কৰা পৰিৱেশিক পৰ্যটন ঃ ভিতাৰকণিকা বন্যপ্ৰাণী অভয়াৰণ্য এটা উদাহৰণ

*** মধুমিতা দাস আৰু বাণী চেটাৰ্জী**

**প্ৰস্তাৱনা**

পৰ্যটন হ'ল বিকাশৰ এটা গুৰুত্বপূৰ্ণ চালিকা শক্তি। ই বহু দেশৰ ৰাষ্ট্ৰীয় উপাৰ্জন বৃদ্ধি কৰে। কিন্তু সমালোচকসকলৰ বিবেচনাৰ দৃষ্টিকোণ সুকীয়া ধৰণৰ। তেওঁলোকে ভাবে পৰ্যটনৰ বিকাশ সাধন কাৰ্য হ'ল নিজকে ধ্বংসৰ পিনে আগুৱাই নিয়া আৰু দীৰ্ঘ কালৰ পাছত ই পৰিৱেশ বিনষ্ট সাধন কৰাত বৰঙণি যোগায়। বৰ্দ্ধিত সংখ্যক পৰ্যটকৰ আগমনে জীৱনৰ গুণগত দিশ আৰু পৰিৱেশৰ প্ৰতি সততেই ভাবুকি আনে। পৰ্যটন উদ্যোগক খৰতকীয়াকৈ বিকাশ কৰা প্ৰচেষ্টাই পৰিৱেশ সংক্ৰান্তীয় সমস্যাও বৃদ্ধি কৰে। তেনে সমস্যাৰ ভিতৰত উল্লেখযোগ্য হ'ল— গ্ৰীণহাউছ গেছ নিৰ্গমনৰ মাত্ৰা বৃদ্ধি, কোলাহল, বায়ুৰ গুণগত দিশৰ অৱনমিত ৰূপ, জলৰাশিৰ প্ৰদূষণ বৃদ্ধি তথা জৈৱ-বৈচিত্ৰ্যৰ হানি, আদ্ৰভূমিলৈ জাবৰ-জোথৰৰ নিৰ্গমন আৰু সমতলত গড় লৈ কঠিন আৱৰণক নষ্ট কৰা ইত্যাদি কাৰ্য। ইয়ে প্ৰাকৃতিক অৱস্থা অৱনমিত হোৱাৰ পথ প্ৰশস্ত কৰে। সেই দেখি প্ৰকৃতি সংৰক্ষণ বিষয়ক আন্তৰ্জাতিক সংঘই (ইন্টাৰনেশ্যনেল ইউনিয়ন ফৰ কনজাৰভেশ্যন অব নেচাৰ) ১৯৯২ চনত পৰ্যটনক ৰক্ষিত এলেকা সমূহৰ প্ৰতি দ্বিতীয় বৃহৎ ভাবুকি ৰূপে তালিকাভুক্ত কৰে। পৰ্যটনৰ ক্ষেত্ৰত বহুত নেতিবাচক বিষয়ে গা কৰি উঠাৰ কাৰণে বহু লেখকে পৰ্যটন উদ্যোগ সাৱধানেৰে বিকাশ লাভ কৰা উচিত বুলি দোহাৰে আৰু ইয়াৰ বিকাশ গতি নিৰন্তৰ ভাবে হ'ব লাগে বুলিও মন্তব্য কৰে।

ৰিঅ'+২০ সন্মিলনত প্ৰকাশ কৰা তথ্যত (ডী ফিউচাৰ উই ওৱান্ট) পৰ্যটনৰ নিৰন্তৰ গতি সাধন ভূমিকাৰ বিষয়ে আলোকপাত কৰে— যাতে ই কুপ্ৰভাৱৰ পৰা মুক্ত হৈ ইতিবাচক দিশত আগবাঢ়ি যাব পাৰে। ৰাষ্ট্ৰসংঘই এই নিৰন্তৰ গতিক ''চলিত আৰু ভৱিষ্যতৰ অৰ্থনৈতিক, সামাজিক তথা পৰিৱেশমূলক প্ৰভাৱৰ পিনৰ পৰা সম্পূৰ্ণ ভাবে চিন্তা কৰি পৰ্যটন বিষয়টো গ্ৰহণ কৰিব লাগে আৰু তেনে কৰোতে প্ৰমাণকাৰী, উদ্যোগ, পৰিৱেশ তথা পৰ্যটকক আতিথ্য আগবঢ়োৱা সমষ্টি বিশেষৰ আৱশ্যকতাবোৰ পূৰণ কৰিব পাৰে। " পৰ্যটন এটা বহনক্ষম অৱস্থালৈ উন্নীত হোৱা প্ৰয়োজন' আৰু তাৰ বাবে অতি গুৰুত্বপূৰ্ণ দিশসমূহ হ'ল — দীৰ্ঘকালীন অৰ্থনৈতিক কাৰ্য ব্যৱস্থাৰ নিশ্চিতকৰণ, সকলোৰে বাবে আৰ্থ-সামাজিক লাভসমূহ সমানভাবে বিতৰণৰ ব্যৱস্থা সাধন। উপাৰ্জন উদ্রেক সা-সুবিধাৰ জৰিয়তে সেইবোৰ উপলব্ধ কৰা প্ৰয়োজন আৰু অতিথ্য আগবঢ়োৱা সম্প্ৰদায় বিশেষলৈ সমাজ সেৱাৰে উপকৃত কৰা দৰকাৰ। এনেদৰে ই প্ৰাকৃতিক সম্পদৰাজিৰ সংৰক্ষণ তথা দৰিদ্ৰতা উপশম কৰাৰ দ্বৈত উদ্দেশ্য সাধন কৰে।

এই জৈৱ-পৰিৱেশ উন্মেষ সাধন পৰ্যটন (চমুকৈ ইক'টুৰিযম) এটা বহনক্ষম পৰ্যটন ৰূপে আদিতে স্থিতি লাভ কৰে। ইয়াৰ প্ৰথম আনুষ্ঠানিক সংজ্ঞাৰ গুৰিত থকা ব্যক্তিজন হ'ল হেক্টৰ চেবেলছ্ লাছকুবাইন। ১৯৮০ দশকৰ আগ-ভাগত তেওঁ এই সংজ্ঞা দাঙি ধৰিছিল। তেওঁৰ মতে 'ইক'টুৰিযম হ'ল তুলনামূলকভাবে কোনো হাই-উৰুমি নঘটা প্ৰাকৃতিক এলেকা সমূহলৈ পৰিৱেশমূলক বোধৰ দায়িত্বৰে ভ্ৰমণ তথা গমন য'ত প্ৰকৃতিক উপভোগ কৰিব পাৰে আৰু সেই প্ৰাকৃতিক অৱস্থাই নিজৰ স্থিতি অথবা অৱস্থাক অটুট ৰখাত উৎসাহিত কৰে তাকো উপলব্ধি কৰিব পাৰে, য'ত ভ্ৰমণকাৰীৰ কম নেতিবাচক প্ৰভাৱ পৰে আৰু থলুৱা লোকসকলৰ সক্ৰিয় আৰ্থ-সামাজিক জড়িতকৰণৰ বাবেও পথৰ সূচনা কৰিব পাৰে।" এই সংজ্ঞাটোকেই আন্তৰ্জাতিক সংঘই ১৯৯৬ চনৰ অক্টোবৰ মাহত মন্ট্ৰিলত অনুষ্ঠিত প্ৰথম ৱৰ্ল্ড কনজাৰভেশ্যন কংগ্ৰেছত চৰকাৰীভাবে গ্ৰহণ কৰে।

বৰ্ত্তমান ইক'টুৰিযম হ'ল খৰতকীয়া ভাবে বিকাশ লাভ কৰা বজাৰসমূহৰ অন্যতম আৰু ইয়াক বিশ্বৰ অন্যতম বৃহৎ উদ্যোগ ৰূপে বিবেচনা কৰা হয়। ষ্টাৰমাৰ-স্মিথৰ অধ্যয়নত ইক'-

* মধুমিতা দাস খড়গপুৰৰ ইণ্ডিয়ান ইনষ্টিটিউট অব টেকন'ল'জীৰ হিউমেনিটী তথা সমাজ বিজ্ঞান বিভাগৰ গৱেষক পণ্ডিত।
* বাণী চেটাৰ্জী খড়গপুৰৰ আই আই টিৰ হিউমেনিটী তথা সমাজ বিজ্ঞান বিভাগৰ অধ্যাপক।

পৰ্যটকৰ সংখ্যা সচৰাচৰভাৱে ভ্ৰমণ কৰা পৰ্যটকসকলতকৈ চাৰি গুণ ক্ষীপ্ৰ ভাবে বৃদ্ধি পাইছে বুলি বৰ্ণনা কৰা হৈছে। তেওঁ লোকৰ অধ্যয়নত এইবুলি ভৱিষ্যতবাণী কৰা হৈছে যে ২০২৪ চনৰ ভিতৰত ইক'টুৰিযমে বিশ্বৰ " হলিডে' মাৰ্কেট'ৰ ৫ শতাংশ প্ৰতিনিধিত্ব কৰিব বুলি আশা কৰিব পাৰি। এই পৰ্যটন বজাৰখনৰ বিকাশ উপভোক্তাসকলৰ পৰিবৰ্ত্তিত ধৰণ-কৰণৰ বাবে হৈছে। পৰ্যটকসকল পৰিবেশমূলক ভাবে সজাগ হৈ পৰিছে, আৰু সেয়ে তেওঁলোক " গ্ৰীণাৰ" অৰ্থাৎ সেউজ মনৰ হৈ পৰিছে। উদাহৰণ স্বৰূপে ভল্লু এণ্ড গ্ৰীণ টুমৰোওৰদ্বাৰা ২০১২ চনত গ্ৰহণ কৰা মতদান অনুযায়ী ৪৭ শতাংশ সঁহাৰি জনাওঁতাই এইবুলি উত্তৰ দিছিল যে ২০১৩ চনত তেওঁলোকে প্ৰধান বন্ধৰ স্থান হিচাপে সৌন্দৰ্যশালী বা পৰিবেশমূলক ঠাইবিশেষকহে বিবেচনা কৰিব। ভাৰতৰ ভিতাৰকণিকা ৰাষ্ট্ৰীয় উদ্যানত চাৰি বছৰৰ ভিতৰত পৰ্যটকৰ সংখ্যা বহু গুণে বৃদ্ধি পাইছে। ২০০৮-০৯ বৰ্ষত ইয়াৰ সংখ্যা আছিল ৩৭,০৮০। কিন্তু ২০১২-১৩ চনত পৰ্যটকৰ সংখ্যা হয়গৈ ৪৬,৯১৭। ওড়িশাৰ এই ৰাষ্ট্ৰীয় উদ্যানত আন্তৰ্জাতিক পৰ্যটকসকলে পদাৰ্পণ কৰাৰ সংখ্যা বছৰি ৬.৫ শতাংশ বৃদ্ধি হয় আৰু ইক'টুৰিযমৰ বাৰ্ষিক বৃদ্ধি হাৰ হ'ল ৫ শতাংশ । এয়া হ'ল ক্ষীপ্ৰভাৱে বিকাশ লাভ কৰা এখন বজাৰ।

ভাৰতৰ দৰে বিকাশশীল দেশবোৰৰ কাৰণে ইক'টুৰিযমে অৰ্থনৈতিক বিকাশ আৰু সংৰক্ষক পোষকতা কৰিবৰ বাবে এটা আদৰ্শজনক উদ্যোগ ৰূপে সেৱা আগবঢ়োৱাত ন্যস্ত হৈছে। বিকাশশীল দেশবোৰ সততেই প্ৰাকৃতিক সম্পদ ৰাজিৰে ভৰপূৰ, আৰু এতিয়া ই ভ্ৰমণকাৰীৰ ক্ষেত্ৰত নাটকীয়ভাবে এটা বৃদ্ধিৰ গতি লাভ কৰিছে। বিপুল আৰু ব্যাপক আকাৰৰ পৰ্যটনে প্ৰায়ে প্ৰাকৃতিক সম্পদৰাজিৰ যথেষ্ট অনিষ্ট সাধে, কিন্তু ইক'টুৰিযমে তেনে ব্যাপকতাৰ নেতিবাচক দিশৰ মাত্ৰা হ্ৰাস কৰিব পাৰে আৰু সেই অনুক্ৰমে ই সংৰক্ষণ কৰাত সহায় কৰিব পাৰে। আনহাতে, ই নিয়োগ সা-সুবিধা, উপাৰ্জন উদ্ৰেক তথা আতিথ্য আগবঢ়োৱা সম্প্ৰদায় বিশেষৰ শিক্ষা প্ৰদানৰ ক্ষেত্ৰতো ইতিবাচক প্ৰভাৱ পেলাই বিকাশ গতিক উজ্জীৱিত কৰি তুলিব।

## ভাৰতত পৰিৱেশিক পৰ্যটন বা ইক'টুৰিযম

ভাৰতক প্ৰাকৃতিক সৌন্দৰ্যৰ দেশ ৰূপে স্বীকৃতি দিয়া হৈছে। মেক্স মুলাৰে এবাৰ এনেদৰে কৈছিল— "সকলো সম্পদ, শক্তি আৰু সৌন্দৰ্যৰে অতিকৈ ভৰপূৰ দেশ— য'ত ধৰিত্ৰীৰ কোনো কোনো অংশত সৰগ বিৰাজমান তেনে এখন দেশ আমি সমগ্ৰ বিশ্বৰ ভিতৰত বিচাৰি উলিয়াবলৈ হ'লে মই ভাৰতলৈকে আঙুলিয়াব লাগিব।" তেওঁৰ উক্তি তাৎপৰ্যপূৰ্ণ। ১৯৯৮ চনত আমাৰ দেশৰ পৰ্যটন মন্ত্ৰালয়ে ইক'টুৰিযম নীতি তৈয়াৰ কৰিছিল। সেই নীতিক আধাৰ কৰি ২০১১ চনত পৰিবেশ আৰু বন মন্ত্ৰালয়ে কিছু নীতি-নিৰ্দেশনাৰ বিকাশ সাধে আৰু সেইমতে ৰাজ্য চৰকাৰসমূহক দেশৰ ৰক্ষিত এলেকাবোৰত পৰ্যটন কাৰ্যসূচীৰ ব্যৱস্থা কৰিবলৈ পাৰিৱেশিক পৰ্যটন নীতি প্ৰস্তুত কৰিবলৈ আহবান জনায়। ইয়াৰ উপৰি কেন্দ্ৰীয় চৰকাৰৰ দ্বাদশ পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ (২০১২-১৭) লক্ষ্য হ'ল পৰ্যটন সংক্ৰান্তীয় কাম-কাজৰ পৰা উপলব্ধ হ'ব পৰা লাভসমূহ যাতে দুখীয়াসকলে পায় সেইটো নিশ্চিত কৰা আৰু পৰ্যটনৰ ক্ষেত্ৰত যি ৰাজহ সংগ্ৰহ হয় তাক ৰক্ষিত এলেকাসমূহৰ ব্যৱস্থাপনাৰ কামত লগোৱাতো জোৰ দিয়া হয়। বৰ্ত্তমান ভাৰতত ৬৬১ টা সুৰক্ষিত এলেকা আছে আৰু ৰাষ্ট্ৰীয় উদ্যানৰ সংখ্যা হ'ল ১০০ খন। ৫১৪ খন বন্যপ্ৰাণী অভয়াৰণ্য আৰু ৪৩ খন সংৰক্ষিত বনাঞ্চল আছে। বিভিন্ন ভৌগলিক মণ্ডলত চাৰিখন সমূহীয়া বনাঞ্চলো আছে। এই সকলোবোৰৰ ব্যপকতা হ'ল দেশখনৰ ভৌগলিক ক্ষেত্ৰৰ প্ৰায় ৫ শতাংশ।

ভাৰতৰ ইক'টুৰিযম নীতিয়ে জীৱিকা নিৰ্বাহৰ কাম-কাজ আৰু সংৰক্ষণৰ মাজত এটা যোগসূত্ৰ স্থাপন কৰিবলৈ প্ৰয়াস কৰিছে। থলুৱা সম্প্ৰদায়ৰ লোকসকলক প্ৰাকৃতিক সম্পদৰাজি ব্যৱহাৰ কৰিব পৰাকৈ এটা বিকল্প ব্যৱস্থাৰ যোগান ধৰিবলৈ ই চেষ্টা কৰিছে। তেওঁলোকৰ বাবে নিয়োগ সা-সুবিধা সৃষ্টি কৰা হৈছে। বিভিন্ন কাম-কাজত অংশীদাৰ ৰূপে তেওঁলোকক জড়িত কৰা হৈছে। ফলস্বৰূপে এই প্ৰক্ৰিয়াত তেওঁলোকে তেওঁলোকৰ প্ৰাকৃতিক সম্পাদৰাজিৰ বিষয়ে গৌৰৱ বোধ কৰে আৰু সেই অনুযায়ী সংৰক্ষণমূলক কাম-কাজতো তেওঁলোকে সহায়ৰ হাত আগবঢ়ায়। উদাহৰণ স্বৰূপে কেৰালাৰ পেৰিয়াৰ টাইগাৰ ৰিজাৰ্ভৰ কথা ক'ব পাৰি। বনাঞ্চলত ইক'টুৰিযমৰ অন্তৰ্ভুক্তিৰ লগে লগে বহু প্ৰাকৃতিক জৈৱিক বিকাশ কমিটী গঠন কৰা হয়। পৰ্যটকক আতিথ্য প্ৰদান কৰাৰ সুবিধা লাভ কৰা থলুৱা লোকসকলক নানান ব্যৱস্থাৱলীৰে নিৰ্ভৰযোগ্য জীৱিকা নিৰ্বাহৰ বিকল্প উপায় উপলব্ধ কৰিবলৈ দিয়া হৈছে। তেনে ব্যৱস্থাৱলী হ'ল — নৌকা বিহাৰ, পৰ্বত আৰোহণ, ঘোঁৰাত উঠা, প্ৰাকৃতিক শিবিৰ স্থাপন কৰা কাম ইত্যাদি। এই যোজনাই এতিয়ালৈকে ৫,৫৪০ টা পৰিয়ালৰ প্ৰায় ৪০,০০০ লোকক উপকৃত কৰিছে। এনে বিকল্প জীৱিকা বৃত্তিৰ সহায়ত চোৰাং চিকাৰী, চোৰাং কাৰবাৰ কৰা লোক, তেনে প্ৰবৃত্তি এৰি বনাঞ্চল সংৰক্ষণ কৰা প্ৰকৃত উৎসাহী লোকলৈ পৰিবৰ্তিত হৈছে। আনকি পশ্চিমবঙ্গৰ সুন্দৰবন ব্যাঘ্ৰ

সংৰক্ষিত এলেকাৰ ক্ষেত্ৰতো ইক'টুৰিযমে অংশগ্ৰহণকাৰী সকলৈ সুন্দৰ উপাৰ্জনৰ সুবিধা আগবঢ়াবলৈ সমৰ্থ হৈছে। গুহ আৰু ঘোষে কৰা এটা অধ্যয়ন মতে পৰ্যটনত অংশ গ্ৰহণ কৰা সকলে অন্যান্য গাঁওবাসীৰ তুলনাত খাদ্যত ১৯ শতাংশ আৰু খাদ্য ব্যতিৰেকে আন সামগ্ৰীত ৩৮ শতাংশ অধিক খৰচ কৰে। তেওঁলোকৰ এনে বৰ্দ্ধিত ব্যয়ে ভিন্ন উৎপাদন পদ্ধতিক উৎসাহিত কৰে আৰু তাৰ ফলস্বৰূপে সেই এলেকাৰ সমৃদ্ধি তুলনামূলকভাবে সাধন কৰাৰ পথ মুকলি কৰে।

এই জৈৱ-পৰিবেশ উন্মেষ সাধন পৰ্যটনে আন এটা দিশৰো উন্মোচন কৰে। সেয়া হ'ল থলুৱা বাসিন্দাসকলৰ জীৱন ধাৰণৰ মানৰ কিছু উন্নতি সাধন হয়, কাৰণ বিভিন্ন লোকৰ উপস্থিতিয়ে তেওঁলোকৰ চিন্তা ভাৱনাত সামান্যভাবে হ'লেও প্ৰভাৱ পেলায়; আৰু সেইটোৱে তেওঁলোকক সামাজিক তথা আন বিষয়ত সবল কৰি তোলে। ফলস্বৰূপে বিভিন্ন সংস্কৃতিৰ প্ৰতি সন্মান ভাব জাগি উঠে আৰু মানৱ অধিকাৰৰ গুৰুত্বৰ বিষয়ে বুজি উঠাত সহায় কৰে। পৰোক্ষ উদ্‌গনিমূলক ব্যৱস্থা, যেনে— উন্নত আন্তঃগাঁথনি, স্বাস্থ্য ৰক্ষাৰ সা-সুবিধা, সজাগতা তথা পৰ্যটন বিকাশ ক্ৰমে প্ৰাপ্ত শিক্ষা আদিয়ে অঞ্চলবিশেষৰ সংৰক্ষণ কৰাৰ বিষয়ে ইতিবাচক দৃষ্টিভংগী বিকাশ কৰাত সহায় কৰে।

সুন্দৰবন যোজনাত এইটো পৰিলক্ষিত হয় যে ইক'টুৰিযমৰ পৰা যি বৰ্দ্ধিত উপাৰ্জন হয় তাৰ এটা অংশ থলুৱা বাসিন্দাসকলৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত প্ৰদান কৰিবলৈ ব্যৱহাৰ কৰা হয়। বৃহৎ হিমালয়ান নেশ্যনেল পাৰ্ক হ'ল ভাৰতৰ ইক'টুৰিযম যোজনাৰ আন এটা উজ্বল দৃষ্টান্ত । সুৰক্ষিত এলেকা ব্যৱস্থাপনাৰদ্বাৰা যি পাৰিবেশিক-বিকাশ কমিটী আৰম্ভ কৰা হৈছে সেইবোৰ কেৱল সংৰক্ষণ প্ৰক্ৰিয়াৰ বাবে ন্যস্ত নহয়, তাৰ উপৰি দৰিদ্ৰতা উপশম কৰাৰ কাৰণেও মনোনিবেশ কৰে। মহিলা সবলীকৰণ, দূৰণিবটীয়া গাঁওবোৰলৈ যোৱাৰ বাবে অহা-যোৱাৰ ব্যৱস্থা কৰা আদিৰ প্ৰতিও দৃষ্টি দিয়ে। সুৰক্ষিত এলেকাৰ প্ৰাকৃতিক সম্পদৰাজিৰ ওপৰত নিৰ্ভৰশীল- দুখীয়া ঘৰৰ মহিলাসকলক সঞ্চয় আৰু ক্ৰেডিট গ্ৰুপ গঠন কৰিবলৈ উৎসাহিত কৰা হয়। এই গ্ৰুপবোৰে এতিয়া বিভিন্ন উপাৰ্জন উদ্ৰেককাৰী কাম-কাজৰ জৰিয়তে তেওঁলোকৰ নিজা সঞ্চয়ৰে কাৰবাৰ কৰিছে। শক্তিশালী থলুৱা পৰ্যায়ৰ প্ৰতিষ্ঠান তথা জীৱন নিৰ্বাহ আধাৰিত দৃষ্টিভংগীৰ জৰিয়তে পাহাৰীয়া অঞ্চলৰ দুৰ্বল ব্যক্তিৰ সবলীকৰণ কৰা কাৰ্যই ক্ষুদ্ৰ ক্ষুদ্ৰ পৰিকল্পনা আৰু সিদ্ধান্ত নিৰ্ণয় সাধন কামত অংশগ্ৰহণ কৰিবলৈ সমৰ্থবান কৰি তুলিছে আৰু তাৰ ফলস্বৰূপে তেওঁলোকে বনাঞ্চলৰ ওপৰত নিৰ্ভৰ কৰি অহা মানসিকতাৰ পৰিবৰ্তন সাধিছে আৰু বিকল্প উপায় চিন্তা কৰিছে। অৰ্থনৈতিক আৰু সামাজিক সবলীকৰণ ব্যৱস্থাৰ জৰিয়তে জৈৱ-বৈচিত্ৰ্যক সংৰক্ষণ কৰাত সহায়ক হৈছে। এয়া হ'ল পৰিৱেশ অটুট ৰখাৰ প্ৰাক্ প্ৰয়োজনীয় বিষয়।

সি যি কি নহওক, বহু ইক'টুৰিযম প্ৰকল্পক সংৰক্ষণ নীতিৰ সফল ৰূপায়ণৰ বাবে বান্ধি দিয়া লক্ষ্যৰ প্ৰতি সচেষ্ট হৈ থাকিব নোৱাৰাৰ কাৰণে সমালোচনা কৰা হয়। প্ৰায়ে পৰিবেশমূলক লক্ষ্যক আন উদ্দেশ্যৰদ্বাৰা তল পেলোৱা হয়। পৰ্যটকক আতিথ্য আগবঢ়োৱা থলুৱা লোকসকলৰ জীৱিকা নিৰ্বাহ তথা সংৰক্ষণৰ মাজৰ শক্তিশালী যোগসূত্ৰ ৰক্ষা কৰাৰ বিষয়টো ওপৰে ওপৰে চাই মূল উদ্দেশ্যৰ প্ৰতি অৱহেলা কৰা হয়। আনকি বহু ক্ষেত্ৰতো দেখা যায় যে বন্দুক আৰু পহৰাদাৰী দৃষ্টিভংগীকহে কামত লগোৱা হয় আৰু থলুৱা লোকসকলক সকলো সম্ভেদৰ পৰা আঁতৰত ৰখা হয়। এই অৱস্থাই ৰক্ষিত এলেকা আৰু থলুৱা লোকৰ মাজত অন্তৰ্দ্বন্দ্বৰ পথ প্ৰশস্ত কৰে। উদাহৰণ স্বৰূপে ৰাজস্থানৰ কিওলাদেও ৰাষ্ট্ৰীয় উদ্যানৰ কথাই ক'ব পাৰি। তাত ইক'টুৰিযমে জনদিয়েক জাট সম্প্ৰদায়ৰ পুৰুষক নিয়োগ সুবিধা আগবঢ়াবলৈ সমৰ্থ হৈছে। সৰহ সংখ্যক লোকে সংৰক্ষণ ব্যৱস্থাক সমৰ্থন জনোৱা নাই। ৰাষ্ট্ৰীয় উদ্যান স্থাপন কৰিবৰ বাবে বাধ্যতামূলক উচ্ছেদ অভিযান, সুৰক্ষিত এলেকাৰ প্ৰতি সুচল প্ৰবেশৰ অসুবিধা, বনৰীয়া জন্তুৰ দ্বাৰা শস্য তথা গৰু-ছাগলী আদিৰ নিধন কাৰ্যই অধিক সমস্যাৰ সৃষ্টি কৰিছে। নন্দা দেৱী বায়োস্ফিয়েৰে সংৰক্ষিত বনাঞ্চলৰ ক্ষেত্ৰত দিয়া এটা হিচাপ মতে এবছৰ বনৰীয়া জন্তুৱে খাদ্য শস্য, ফল-মূলৰ গছ আৰু মৌ-মাখিৰ বাহ বিনষ্ট কৰাৰ ফলত এবছৰত পৰিয়ালে পতি ক্ষতিৰ পৰিমাণ হ'ল ক্ৰমে ১২৮৫ টকা, ১১৯৫ টকা আৰু ১৫৬ টকা। বিপণনৰ বাবে ঔষধজাতীয় বনৰীয়া বৃক্ষ সংগ্ৰহৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞাৰ হেতু ক্ষতিৰ পৰিমাণ হ'ল ১৫৮৭ টকা আৰু মূল মণ্ডলৰ ভিতৰত পৰ্যটনৰ ক্ষেত্ৰত থকা বাধা আৰোপৰ হেতু ক্ষতিৰ পৰিমাণ হ'ল ৭৯০৪ টকা । ওপৰত উল্লেখ কৰা খাদ্যশস্য, ফল-মূল আদিৰ ক্ষেত্ৰত যি লোকচান হয় সেয়া প্ৰতি ঘৰৰ হিচাপ অনুযায়ী কৰা হৈছে। যদিও সংৰক্ষণ প্ৰধিকৰণে বনৰীয়া জন্তুৱে বধ কৰা গৰু-ছাগলীৰ বাবে ক্ষতিপূৰণ মঞ্জুৰ কৰে, পিছে সেয়া লোকসকলে নিৰ্দ্ধাৰণ কৰা অনুযায়ী মৃত গৰু-ছাগলীৰ বজাৰৰ মূল্যৰ মাত্ৰ ৫ শতাংশহে। সংৰক্ষণৰ দায়িত্বত থকা পৰিচালন কমিটীৰ পৰা বৰ্তমানে বনানীকৰণ কাম কৰিবৰ বাবে যি মজুৰি আকাৰত ধন আদায় দিয়ে সেইটো লোকসকলে ভাল পোৱা নাই। তেনেদৰে গৰু-ছাগলীৰ বিনাশৰ ক্ষেত্ৰত প্ৰদান কৰা ক্ষতিপূৰণ আৰু সৌৰ শক্তি প্ৰাপ্ত আহিলা, ঊল আৰু সূতা কটা আহিলা পোৱাৰ

ক্ষেত্ৰতো তেওঁলোক সন্তুষ্ট নহয়। এনেধৰণৰ সকলো ব্যৱস্থাই এলেকা বিশেষক সংৰক্ষণ কৰাৰ প্ৰতি থলুৱা লোকসকলৰ মনত বেয়া ভাব জগাই উঠিছে।

## ওড়িশাৰ বন্যপ্ৰাণী অভয়াৰণ্যৰ এটা উদাহৰণ

লৱণীয় জলৰাশিৰ দুষ্প্ৰাপ্য ঘঁৰিয়ালৰ কাৰণে বিখ্যাত ভিতাৰকণিকা বন্যপ্ৰাণী অভয়াৰণ্য ওড়িশাৰ কেন্দ্ৰপাৰা জিলাত অৱস্থিত। এই উদ্যানখন গিনীজ ৱৰ্ল্ড ৰেকৰ্ডছত ২০০৮ চনত ২৩ ফুটৰ লৱণীয় জলৰ ঘঁৰিয়ালৰ বিষয়ে উল্লেখ কৰা হয়। এই ঘঁৰিয়ালক বিশ্বৰ ভিতৰত বৃহৎ বুলি তালিকাভুক্ত কৰা হৈছে। ভিতাৰকণিকা বন্যপ্ৰাণী অভয়াৰণ্যৰ মূল এলেকাৰ পৰা ১৯৭৫ চনৰ ছেপ্টেম্বৰত এখন ৰাষ্ট্ৰীয় উদ্যান স্থাপন কৰা হয়। তাৰ পূৰ্বে অভয়াৰণ্যখন প্ৰতিস্থা কৰা হৈছিল ১৯৭৫ চনত। এই অভয়াৰণ্যখন হ'ল ভাৰতৰ গছ-গছনিৰে ভৰপূৰ পাৰিবেশিক পদ্ধতিৰ দ্বিতীয় বৃহত্তম উদ্যান। উদ্যানখনে ৬৭২ বৰ্গ কিলোমিটাৰ এলেকা জুৰি আছে। ব্ৰাহ্মণী, বৈতৰণী আৰু ধৰ্মা নদীয়ে সৃষ্টি কৰা ব-দ্বীপ অঞ্চলত ই গা কৰি উঠিছে।

এই অভয়াৰণ্যৰ বিষয়ে সবিশেষ তথ্য জানিবৰ কাৰণে জৰীপ আৰু আন উৎসৰ পৰা অনেক পৰিসংখ্যা সংগ্ৰহ কৰা হয়। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল— ওড়িশাৰ ৰাজনগৰৰ মেনগ্ৰোভ ফৰেষ্ট ডিভিজন আৰু ভুবনেশ্বৰৰ প্ৰিন্সিপাল চীফ কনজাৰ্ভেটৰ অব ফৰেষ্ট কাৰ্য্যালয়। ইয়াৰ উপৰি ইক'টুৰিযমৰ অংশগ্ৰহণকাৰী সকলৰ পৰা বিভিন্ন তথ্যপাতি সংগ্ৰহ কৰিবৰ বাবে অভয়াৰণ্যখনত ২০১৪ চনত ফ্ৰেব্ৰুৱাৰীৰ পৰা জুলাইলৈকে ক্ষেত্ৰ পৰ্যায়ৰ এটা অধ্যয়ন কৰা হয়।

ৰাজনগৰৰ মেনগ্ৰোভ মন সমগুলে উলিওৱা পুস্তিকাৰ পৰা এই সম্ভেদ পোৱা যায় যে শেহতীয়াকৈ উদ্যানখনত ভ্ৰমণকাৰীৰ সংখ্যা বৃদ্ধি পাইছে। ইয়াৰে নৈঃসৰ্গিক সৌন্দৰ্যৰ বাবে ভ্ৰমণকাৰীৰ আকৰ্ষণ বাঢ়িছে। উদ্যানখনলৈ অহা পৰ্যটকৰ বাৰ্ষিক সংখ্যা আৰু তেওঁলোকৰ পৰা সংগৃহীত ৰাজহৰ পৰিমাণ ১ নং তালিকাত দিয়া হৈছে।

**১ নং তালিকা ঃ পৰ্যটকৰ সংখ্যা আৰু ৰাজহ সংগ্ৰহ**

| বৰ্ষ | পৰ্যটকৰ সংখ্যা | | | ৰাজহ সংগ্ৰহ (টকা হিচাপত) |
|---|---|---|---|---|
| | ভাৰতীয় | বিদেশী | মুঠ | |
| ২০০৮-০৯ | ৩৬,৭৯২ | ২৮৮ | ৩৭,০৮০ | ১২,৬৩,৪৭৯ |
| ২০০৯-১০ | ৪৫,১৭৮ | ২৪৯ | ৪৫,৪২৭ | ১১,১৯,৬৯৬ |
| ২০১০-১১ | ৪৮,৯৭২ | ৩০০ | ৪৯,২৭২ | ১৫,৮৬,৩৮৩ |
| ২০১১-১২ | ৩৯,২৯৫ | ২৭৫ | ৩৯,৫৭০ | ১৩,৮৬,৮৬৮ |
| ২০১২-১৩ | ৪৬,৭১৪ | ২০৩ | ৪৬,৯১৭ | ১৫,৪৮,৯৮৯ |

**উৎস ঃ ওড়িশাৰ ৰাজনগৰৰ মেনগ্ৰোভ ফৰেষ্ট ডিভিজন**

পৰ্যটকৰ সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে থলুৱা লোকসকলৰ কাৰণে বিভিন্ন কাম-কাজৰ আশাও সঞ্চাৰিত হয়। থলুৱা লোকৰ বাবে সা-সুবিধা সৃষ্টি কৰিবৰ বাবেও প্ৰয়াস অব্যাহত ৰখা হয় যাতে ইক'টুৰিযমত ভাগ ল'বৰ কাৰণে তেওঁলোকক অনুপ্ৰাণিত কৰিব পাৰি। উদ্দেশ্য হ'ল প্ৰাকৃতিক সম্পদৰাজিৰ ওপৰত থলুৱা বাসিন্দাসকলৰ নিৰ্ভৰশীলতা হ্ৰাস পায় আৰু ইক'টুৰিযমে ইতিবাচকভাবে সংৰক্ষণ প্ৰচেষ্টাত বৰঙণি যোগাব পাৰে। বন বিভাগৰ উৎসাহ উদ্‌গণিৰ ফলত গাঁওবাসীয়ে কেবাখনো পাৰিবেশিক উন্নয়ন সমিতি গঠন কৰে। শেহতীয়াকৈ থলুৱা লোকক লৈ ভিতৰকণিকা ইক'টুৰিযম এণ্ড ইক'-ডেভেলপমেন্ট ছ'ছাইটী গঠন কৰা হয় আৰু তাত বন বিভাগ তথা কিছু সংখ্যক সংৰক্ষণবিদো সদস্য ৰূপে থাকে। ছ'চাইটীয়ে অদক্ষ লোকক প্ৰশিক্ষণ প্ৰদান কৰে যাতে তেওঁলোকক ইক'টুৰিযিমৰ

**২ নং তালিকা ঃ ইক'টুৰিযিমৰ ভাগলওতাসকলৰ কাৰণে কাম-কাজৰ সা-সুবিধা**

| উদ্যানৰ ভিতৰত | উদ্যানৰ বাহিৰত |
|---|---|
| * উদ্যানত নিয়োগ প্ৰাপ্তিৰ বাবে বেতন পোৱা সকল (পহৰাদাৰ, গছ-গছনি চোৰাচিতা কৰা কৰ্মী, গেট কীপাৰ, নৌকা চালক) | * ল'জ, ৰেষ্টুৰাঁ, পৰিবহনৰ দৰে ব্যক্তিগতভাবে চালিত উদ্যোগ আদি |
| * পাৰিবেশিক-বিকাশৰ অৰ্থে চালিত উদ্যোগ (পুস্তিকা, আলোচনী আদিৰ দোকান, কেন্টিন, ল'জ)<br>* পাৰিবেশিক-গাইডৰ দৰে পেছাদাৰী | * হোটেল,ল'জ, ৰেষ্টুৰাঁ, পৰিবহনৰ বাবদ প্ৰাপ্ত মজুৰি<br>* নটাৰী বিকাশমূলক কাম-কাজৰ পৰা প্ৰাপ্ত মজুৰি |
| * উদ্যান সম্পৰ্কীয় নিৰ্মাণ কাম আৰু অন্যান্য বিকাশমূলক কাম- কাজৰ কাৰণে নিয়োগ কৰা অস্থায়ী কৰ্মী | * পাৰ্কিং মাচুল সংগ্ৰহকৰণৰ বাবদ প্ৰাপ্ত মজুৰি |

**উৎস ঃ প্ৰাথমিকজৰীপ**

বিভিন্ন ধৰণৰ কাম-কাজত নিয়োগ কৰিব পাৰি। উদ্যানৰ বাহিৰ আৰু ভিতৰত বিভিন্ন কাম-কাজৰ সুবিধাৰ বিৰৰণ ২ নম্বৰ তালিকাত দিয়া হল—

ইক'টুৰিযম ব্যৱস্থা প্ৰচলন কৰাৰ পাছত স্থানীয় লোকসকলে পৰিলক্ষিত কৰা এটা অতি গুৰুত্বপূৰ্ণ বিকাশৰ বিষয়টো হ'ল পৰিবহণ আৰু যোগাযোগৰ ক্ষেত্ৰত সাধিত সা-সুবিধা সমূহ। প্ৰধান মন্ত্ৰী গ্ৰামীণ চড়ক যোজনাৰ অধীনত এটা পকী পথ নিৰ্মাণ কৰা হয়। এই পথটোৱে ৰাজনগৰক ৰাষ্ট্ৰীয় উদ্যানলৈ সংযোগ ঘটাইছে। এনে ধৰণৰ আন্তঃগাঁথনিৰ ফলত ভ্ৰমণকাৰীৰ সংখ্যা বৃদ্ধি পাইছে আৰু সেইটোৱে থলুৱা লোকসকলক তেওঁলোকৰ চহকী প্ৰাকৃতিক সম্পদৰাজিৰ বাবে গৌৰৱ বোধ কৰিবলৈ সুযোগ দিছে। পৰ্যটকসকলৰ সৈতে ভাৱ বিনিময় কৰাটোৱে গাঁৱলীয়া লোকসকলৰ দৃষ্টিভঙ্গী প্ৰসাৰিত কৰাত সহায় কৰে। বহু কথা তেওঁলোকে জানিবলৈ সুবিধা পায়। গাঁওবোৰৰ মহিলাসকলক ঘৰৰ চাৰি বেৰৰ পৰিসৰৰ পৰা ওলাই আহিবলৈ সমৰ্থবান কৰি তোলাৰ ফলস্বৰূপে তেওঁলোকে বহু আত্ম-সহায়ক গোট গঠন কৰে। বৰ্ত্তমান যদিও সেই গোটবোৰে সৰু বা ক্ষুদ্ৰ উদ্যোগ চলোৱাত সিমান বহু উপযুক্ত হোৱা নাই, তথাপি গোট সমূহৰ মাজত পাৰস্পৰিক ভাৱ গঢ়ি তোলা আৰু শিক্ষাৰ ক্ষেত্ৰতো কিছু হ'লেও উন্নতি সাধন হৈছে। ৰাজ্যৰদ্বাৰা পৰিচালনা কৰা ১০৮ এম্বুলেঞ্চে প্ৰয়োজন হোৱা লোকসকলৰ ওচৰলৈ শীঘ্ৰেই যাব পাৰে আৰু বিলম্ব নোহোৱাকৈ তেনে লোকক লক্ষ্য স্থললৈ আনিব পাৰে। এনে পৰিবহণ সুবিধাৰ বাবে গাঁৱৰ ল'ৰা-ছোৱালীয়ে আনকি বৰষুণৰ বতৰতো স্কুললৈ যাব পাৰে। পৰিবহণ ব্যৱস্থা নথকাৰ আগতে এইটো এটা ডাঙৰ সমস্যা আছিল। তেতিয়া ৰাস্তাবোৰ পকী হোৱা নাছিল। অৱশ্যে ৰাষ্ট্ৰীয় উদ্যানৰ পৰা বহু দূৰত থকা গাঁওবোৰৰ অৱস্থা উন্নত হোৱা প্ৰয়োজন।

আৰ্থ-সামাজিক তথা সাংস্কৃতিক দিশৰ পৰা হোৱা লাভৰ ফলত সেই বন্যপ্ৰাণী অভয়াৰণ্যখনত খৰি-কাঠ, মৌ আদি সংগ্ৰহ কৰা কাম-কাজ বহু হ্ৰাস পাইছে। আনপিনে বনৰীয়া জন্তুৰ সংখ্যাও বৃদ্ধি পাইছে। দুষ্প্ৰাপ্য জাতৰ ঘঁৰিয়ালৰ সংখ্যা ২০০২-০৩ বৰ্ষৰ ১৩০৮ ৰ পৰা ২০০৯-১০ বৰ্ষত ১৬১০ টালৈ বৃদ্ধি পায়। এয়া বন্যপ্ৰাণীৰ ক্ষেত্ৰত কৰা পিয়লৰ হিচাপ। থলুৱা লোকসকলে এতিয়া চিতা বাঘ, বনৰীয়া ভালুক আদি নিয়মীয়াকৈ দেখিবলৈ পায়। দহ বছৰৰ আগতে তেনে জন্তু তেওঁলোকে দেখা নাছিল। তেওঁলোকে বনাঞ্চলৰ অৱস্থা অৰ্থাৎ গছ-গছনিৰ সংখ্যা বৃদ্ধি হোৱাও দেখা পাইছে। তাৰ কাৰণ হ'ল খৰি-কাঠ সংগ্ৰহ কৰা কাৰ্য তাত নিষেধ কৰা হৈছে। স্থানীয় বাসিন্দাসকলৰ সৰহভাগেই ইক'টুৰিযমৰ প্ৰতি এটা ইতিবাচক দৃষ্টিভঙ্গী ক্ৰমান্বয়ে গ্ৰহণ কৰিবলৈ লৈছে।

এই ইক'টুৰিযমেহে থলুৱা লোকসকলৰ উপাৰ্জনৰ ক্ষেত্ৰত ইতিবাচকভাৱে বৰঙণি যোগাইছে তাত সন্দেহ নাই, কিন্তু তথাপি তেনে কাৰ্য ব্যৱস্থাত অংশ গ্ৰহণ কৰা সকলৰ লগত হোৱা আলোচনাত এইটো প্ৰকাশ পায় যে এওঁলোকৰ সৰহভাগেই ভিতাৰকণিকা ৰাষ্ট্ৰীয় উদ্যানত কাম কৰা দিন মজুৰি শ্ৰমিক। ইয়াত নৌকা ব্যৱসায় দ্বিতীয় শ্ৰেণীত পৰে আৰু ৰেষ্টুৰাঁ পথ প্ৰদৰ্শনসকল তথা জলপান হিচাপে দিয়া খাদ্য ব্যৱসায়ৰ স্থান হ'ল তৃতীয়। উদ্যানৰ ভিতৰত কেইখনমান হোটেল আছে, পিছে তাৰ গৰাকীসকল থলুৱা বাসিন্দা নহয়। বৰ্ত্তমান পৰ্যটকসকলৰ আগমনৰ ভিৰ সময়ছোৱাত যথেষ্ট সংখ্যক পথ প্ৰদৰ্শক নিযুক্তি দিয়া হয়। মজুৰি কৰা শ্ৰমিকৰ সংখ্যা অধিক হোৱাৰ কাৰণ হ'ল তেওঁলোকে শিক্ষা কম কিম্বা শিক্ষা লাভ কৰাই নাই। ইক'টুৰিযম সম্পৰ্কিত কাম-কাজত পুৰুষৰ তুলনাত মহিলা অংশগ্ৰহণকাৰীৰ সংখ্যা তেনেই কম। কাম-কাজৰ ধৰণ-কৰণৰ কাৰণে তেনে হৈছে আৰু তেওঁলোকৰ শিক্ষাৰো অভাৱ। প্ৰায়ভাগ মহিলাই উদ্যানত ঠিকাভিত্তিক মজুৰি কাম কৰে। ইক'টুৰিযমত অংশগ্ৰহণ কৰা সকলৰ মাজত উপাৰ্জনৰ ক্ষেত্ৰত বহু প্ৰভেদ আছে। ভ্ৰমণ অপাৰেটৰসকলে সৰ্বাধিক লাভ কৰে, তাৰ পাচতে হোটেলৰ মালিকসকল, ৰেষ্টুৰাৰ গৰাকী তথা নাৱৰীয়াসকলে। উদ্যানত কাম কৰা মজুৰি শ্ৰমিকসকল প্ৰায়ভাগেই ঠিকাভিত্তিক। এওঁলোকে বজাৰৰ বেতন হাৰতকৈ কম মজুৰি পায়। তেওঁলোকৰ জীৱন ধাৰণৰ মানত যথেষ্টভাৱে উন্নত হোৱা নাই। তাৰ কাৰণ হ'ল কম বেতন হাৰ। প্ৰাকৃতিক সম্পদৰাজিৰ ওপৰত নিৰ্ভৰ কৰিব লগা হোৱাটো থলুৱা বাসিন্দাসকলৰ এইটোৱে কাৰণ। তেনে সম্পদৰ ভিতৰত হ'ল যেনে— খৰি-কাঠ সংগ্ৰহ কৰা, মৌ সংগ্ৰহ কৰা, হাবিৰ পৰা পশু খাদ্য সংগ্ৰহ কৰা, নদীত মাছ ধৰা আৰু নদীৰ পানী লৈ পাৰতেই মিছা মাছ কৰ্ষণ কৰা। অৱশ্যে ইক'টুৰিযমত ভাগ লোৱা কামহে তেওঁলোকে পছন্দ কৰে, কাৰণ তাত উপাৰ্জন কৰাৰ ক্ষেত্ৰত তুলনামূলকভাৱে এটা স্থিৰতা দেখা যায় আৰু তেওঁলোকে পৰিয়ালৰ সদস্যৰ সৈতে থাকিবলৈ সুবিধা পায়। অতি বেয়াকৈ কষ্ট ভোগাসকল হ'ল পথ প্ৰদৰ্শকসকল। তেওঁলোকৰ ক্ষেত্ৰত ব্যৱস্থাপনা মূলক কাম-কাজত ক্ৰুটী আছে আৰু কোনো কোনো ক্ষেত্ৰত নাৱৰ গৰাকীসকলে একচেটিয়া অধিকাৰ সাব্যস্ত কৰিবলৈ বিচাৰে। কোনো কোনো ক্ষেত্ৰত পৰ্যটকসকলৰ সৈতে হোৱা আলাপ-আলোচনাত এইটো প্ৰকাশ পায় যে প্ৰায় ভাগ পাৰিবেশিক পথ প্ৰদৰ্শক বৰ বেছি সক্ষম নহয় আৰু সেয়ে তেনে

প্ৰদৰ্শকৰ বাবে অতিৰিক্ত খৰচ বহন কৰাৰ অৰ্থ নেথাকে। অতি গুৰুত্বপূৰ্ণ সমস্যাটো হ'ল পৰ্যটনৰ সময়খিনি ঘাইকৈ চাৰিটা মাহতে অৰ্থাৎ অক্টোবৰৰ পৰা ফেব্ৰুৱাৰীলৈকে বিশেষকৈ আবদ্ধ থকাৰ কাৰণে থলুৱা লোকে যথেষ্টভাবে উপাৰ্জন কৰিবলৈ অপাৰগ হয়। এই কথা বিশেষভাবে ইক'টুৰিযমৰ ক্ষেত্ৰত খাটে। আনপিনে সেই উদ্যানত ইক'টুৰিযমৰ পৰোক্ষ প্ৰভাৱ কম ঘাইকৈ দুটা কাৰণত। সেয়া হ'ল (১) থলুৱা উদ্যোগ নাই আৰু (২) সা-সামগ্ৰী আমদানি কৰা তথা সেৱা আগবঢ়োৱাৰ তেনে সুবিধা নাই।

বনৰীয়া জন্তুৱে নাশ কৰা গৰু-ছাগলী, শস্য আদি হ'ল থলুৱা লোকসকলে সন্মুখীন হোৱা ডাঙৰ সমস্যা। আনকি মানুহেও কেতিয়াবা এনে জন্তুৰ উৎপাতত প্ৰাণ হেৰুৱাব লগা হয়। এই জৈৱ-পৰিবেশৰ উন্মেষ সাধন কাৰ্যৰ বাবেই এনেবোৰ বিষয় উদ্ভৱ হয়। বহু ক্ষেত্ৰত ক্ষতিপূৰণো দিয়া নহয়। প্ৰক্ৰিয়াসমূহৰ জটিলতাৰ বাবেই তেনে হয়। গাঁওবাসীয়ে ক'বৰ দৰে " চৰকাৰৰ কাৰণে মানৱ জীৱনতকৈ বনৰীয়া জন্তুহে অধিক মূল্যবান।" সমূহীয়া অংশগ্ৰহণৰ ক্ষেত্ৰতো গাঁথনিগত সীমাবদ্ধতা আছে। তাৰ কাৰণ হ'ল গুণমান সম্পন্ন মানৱ সম্পদৰ নাটনি আৰু কেতিয়াবা বন বিভাগৰ আমোলাতান্ত্ৰিক আচৰণ।

ফলস্বৰূপে ইয়াৰ সৈতে জড়িত থকা তিনিটা বৃহৎ বিষয়ৰ উপযুক্ত পৰিচালনা ভিতাৰকণিকা ৰাষ্ট্ৰীয় উদ্যানৰ ইক'টুৰিযমৰ সফলতাৰ বাবে অতিকৈ প্ৰয়োজন আৰু সেইকেইটা বিষয় হ'ল— (ক) সম্পদৰাজি, (খ) লোকসকলৰ সমূহীয়া গোট আৰু (গ) পৰ্যটক। স্থানীয় লোকসকল তথা পৰ্যটকৰ বাবে অধিক সজাগতা অভিযান জৈৱ-পৰিৱেশ সংৰক্ষণ কৰাত সহায়ক হ'ব। সজাগতাৰ জৰিয়তে থলুৱা লোকৰ জড়িতকৰণেৰে তৈয়াৰ কৰা নীতিবোৰৰ ক্ষেত্ৰত তেওঁলোকক আগ্ৰহ জন্মাব আৰু সেইবোৰ জানি-বুজি তেওঁলোকে নিজকে সমগ্ৰ প্ৰক্ৰিয়াৰ অংশীদাৰ ৰূপে ভাবিব। সংৰক্ষণ সম্পৰ্কে পৰ্যটকক শিক্ষা দিয়া কাৰ্যতো তেনেবোৰ নীতি ৰূপায়িত কৰাত সহায় কৰিব। এবাৰ থলুৱা লোকে তেওঁলোকৰ প্ৰাকৃতিক সম্পদৰাজিৰ গুৰুত্ব কিমান বুজি উঠিলে তেওঁলোকে সংৰক্ষণৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে সহযোগ কৰিব। বন্দুক আৰু পহৰাদাৰ দৃষ্টিভঙ্গীৰ সলনি থলুৱা লোকসকলক সংৰক্ষণ সম্বন্ধে এটা ইতিবাচক দৃষ্টিভঙ্গী পোষণ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা উচিত। চৰকাৰে প্ৰতিষ্ঠানমূলক ব্যৰ্থতাৰ পৰা ওলাই আহিবৰ কাৰণে আৰু দুৰ্নীতিমূলক অভ্যাসৰাজি পৰিহাৰ কৰিবলৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা প্ৰয়োজন। উপযুক্তভাবে পুনৰীক্ষণ, মূল্যাংকন আৰু ব্যৱস্থাপনাৰ জৰিয়তে অৱস্থানসমূহৰ ক্ষেত্ৰত ইতিবাচক ব্যৱস্থা গ্ৰহণ কৰা উচিত আৰু ইয়াক অৰ্থনৈতিক, সামাজিক তথা পৰিবেশ স্তৰত চোৱা দৰকাৰ। সংৰক্ষণ ব্যৱস্থা শক্তিশালী কৰিবলৈ এনে কাৰ্য হাতত লোৱা আৱশ্যক। এনেবোৰ কাৰ্য সাধন হলে আশা কৰিব পৰা যায় যে ইক'টুৰিযম যোজনাই ভিতাৰকণিকা ৰাষ্ট্ৰীয় উদ্যানৰ থলুৱা লোকসকলৰ সামগ্ৰিক বিকাশ সাধন কৰাত সহায়ক হ'ব।

## সামৰণি

ইক'টুৰিযমৰ ক্ষেত্ৰত বহুত আশা আছে - যদিও ইয়াৰ ৰূপায়ণ স্তৰত অনেক দোষ-ত্ৰুটী আছে। প্ৰাকৃতিক সম্পদৰাজি সংৰক্ষণ তথা মানৱ জাতিৰ উন্নতি সাধনৰ অৰ্থে কৰা কাম-কাজৰ মাজত এটা দৃঢ় সমন্বয় সাধনৰ সম্পৰ্ক স্থাপন হ'লে ইক'টুৰিযম নিঃসন্দেহে এটা সফল নীতিত পৰিণত হ'ব। সেয়ে নীতিৰ ক্ষেত্ৰত থকা যিবোৰ অসূয়া সেইবোৰক থলুৱা লোকৰ উপযুক্ত জড়িতকৰণেৰে সমাধান কৰিব লাগিব আৰু লগতে সংৰক্ষণ সম্বন্ধেও সজাগতা সৃষ্টি কৰিব লাগিব। থলুৱা সম্প্ৰদায় তথা প্ৰাকৃতিক সম্পদৰাজি উভয়ৰ কাৰণে এটা ইতিবাচক দৃশ্যপট গঢ়ি তুলিবৰ বাবে থলুৱা লোক আৰু পৰ্যটকসকলক শিক্ষা প্ৰদান কৰিব লাগিব।

◇◇◇

**২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।**

# আগমন ভিছা ঃ পৰ্যটক সম্পীয় ভ্ৰমণ সহজকৰণ

*** নানু ভাসিন**
*** নৱনীত কৌৰ**

পৰ্যটন হ'ল মনোৰঞ্জন, অৱসৰ বিনোদন, ধৰ্মীয় অথবা পৰিয়াল কিম্বা ব্যৱসায় সংক্ৰান্তীয় কাম-কাজৰ উদ্দেশ্যে এটা সীমিত কালৰ বাবে কৰা ভ্ৰমণ। সদ্যহতে ই আন্তৰ্জাতিক ভ্ৰমণৰ স'তে জড়িত , কিন্তু ইয়াক একেখন দেশৰ ভিতৰত আন ঠাইলৈ ভ্ৰমণ কৰাৰ ক্ষেত্ৰতো উল্লেখ কৰিব পাৰি। বিশ্ব পৰ্যটন সংগঠনে (ৱৰ্ল্ড টুৰিযম অৰ্গেনাইজেচন) পৰ্যটকক সততেই পৰিচিত নিজ পৰিৱেশৰ পৰা বাহিৰলৈ ওলাই আহি আন ঠাইত অৱস্থান আৰু তেনেদৰে ভ্ৰমণ কৰা লোক হিচাপে দাঙি ধৰে আৰু সেয়া অৱসৰ বিনোদন, ব্যৱসায় তথা অন্য উদ্দেশ্যৰ বাবে তথা এনে পথত এবছৰতকৈ অধিক সময় নকটায় বুলি উল্লেখ কৰিছে।

পৰ্যটন এটা জনপ্ৰিয় গোলকীয় অৱসৰমূলক কাম হৈ পৰিছে। এনে ভ্ৰমণ ঘৰুৱা অথবা আন্তৰ্জাতিক ক্ষেত্ৰত হ'ব পাৰে। আন্তৰ্জাতিক পৰ্যটনক অন্তৰ্বৰ্ত্তী কিম্বা বহিঃগামী পৰ্যটন ৰূপে শ্ৰেণীভুক্ত কৰিব পাৰি। আজিকালি পৰ্যটন হ'ল বহু দেশৰ বাবে উপাৰ্জনৰ এটা ডাঙৰ উৎস। বহিৰাগতৰ ভ্ৰমণৰ ফলত এখন দেশে যথেষ্ট পৰিমাণে বৈদেশিক মুদ্ৰা অৰ্জন কৰিব পাৰে। থলুৱা অৰ্থনীতিৰ ওপৰতো ইয়াৰ ফলত যথেষ্ট প্ৰভাৱ পৰে আৰু পৰ্যটকসকলৰ সঘন ভ্ৰমণৰ ফলত এডোখৰ ঠাইত নিয়োগ লাভৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হয়।

ভাৰতৰ এটা চহকী সাংস্কৃতিক ঐতিহ্য আছে আৰু সেয়ে ই সদায়েই ভ্ৰমণকাৰীক আৰ্কষণ কৰে। বৈচিত্ৰ্যৰ ই এখন অনন্য ভূমি। ইয়াতেই আছে সকলো ধৰণৰ প্ৰাকৃতিক সৌন্দৰ্য। সেই সৌন্দৰ্যৰ বৈশিষ্ট্যৰাজি হ'ল — মৰুভূমি, সমুদ্ৰ, বনাঞ্চল, পৰ্বত-পাহাৰ, ফুল-ফলনি আৰু বন্যপ্ৰাণী। এই সকলোবোৰ দেশখনৰ একেটা ভৌগোলিক সীমাৰ ভিতৰত সুশোভিত হৈ আছে। ভাৰতলৈ অহা যি কোনো লোকে বিভিন্ন ৰাজ্যৰ ভিন্ন সংস্কৃতি, সাজ-পোছাক, খাদ্য, বন-বিৰিখৰ অভিজ্ঞতা লাভ কৰিব পাৰে। সেয়ে এই সংস্কৃতি, পৰম্পৰা আৰু চহকী ঐতিহ্যৰ সমাহাৰৰ গুণাৱলী উপভোগ কৰিবলৈ বিচৰাসকলে ভাৰতক সদায়েই এটা লক্ষ্য স্থল কৰি আহিছে। কেৱল সেয়াই নহয়, বিদেশৰ পৰ্যটকসকলে "ভাৰতীয় সংস্কৃতিৰ দূত" ৰূপে কাম কৰে আৰু বিশ্বৰ আন ঠাইলৈ এনে বতৰা কঢ়িয়াই নিয়ে।

ভাৰত চৰকাৰে পৰ্যটনক উৎসাহিত কৰিবৰ কাৰণে এই অনন্য সম্ভাৰৰাজিৰ সুবিধা ল'বলৈ বহু প্ৰয়াস কৰিছে। এনে এটা ডাঙৰ প্ৰয়াস হ'ল "ই-টুৰিষ্ট ভিছা" আঁচনি। বিদেশৰ পৰ্যটকসকলৰ কাৰণে ভাৰত ভ্ৰমণ সহজ-সৰল কৰিবৰ বাবেই এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

**পৰ্যটক ভিছাৰ পটভূমি**

বিদেশৰ পৰ্যটকসকলৰ কাৰণে ভিছা ব্যৱস্থা উদাৰ কৰিবলৈ পৰ্যটন উদ্যোগে দাবী জনাই আহিছিল আৰু সেই অনুক্ৰমেই সমগ্ৰ আঁচনিখন দেশৰ পৰ্যটনক উৎসাহিত কৰিবৰ বাবে আৰম্ভ কৰা হয়। চৰকাৰীভাৱে ২০১০ চনত অতি সীমিত আকাৰত "ভিছা -অন-এৰাইভেল" অৰ্থাৎ পদাৰ্পণ কৰাৰ পাচতেই ভিছা দিয়া কাম আৰম্ভ কৰা হয়। প্ৰকৃততে ক'বলৈ গ'লে " ভিছা -অন-এৰাইভল"ৰ অৰ্থ হ'ল আপোনাক দেশখনত প্ৰৱেশ কৰিবৰ বাবে এখন ভিছাৰ আৱশ্যক, কিন্তু ইয়াৰ বাবে আবেদন কৰিব পাৰে আৰু ভ্ৰমণ কৰিবলৈ অহা দেশখনক নিজৰ উপস্থিতি দেখুৱালেহে আপুনি ভিছা পাব। ভাৰত চৰকাৰে ইয়াক ২০১০ চনৰ জানুৱাৰীত পাঁচখন দেশৰ বাবে প্ৰচলন কৰে। সেই দেশকেইখন হ'ল ফিনলেণ্ড, জাপান, লাক্সেমবাৰ্গ, নিউজিলেণ্ড আৰু ছিঙ্গাপুৰ। তাৰ নাগৰিকসকলে পৰ্যটনৰ উদ্দেশ্যে ভাৰত ভ্ৰমণ কৰাৰ ক্ষেত্ৰতহে ই প্ৰযোজ্য। এই কালছোৱাত এনে ভিছা প্ৰদানৰ প্ৰক্ৰিয়া আছিল কায়িকভাৱে সম্পাদন কৰা।

এনে ভিছা প্ৰদান কাৰ্য ২০১১ চনৰ জানুৱাৰীত আৰু ছখন দেশৰ নাগৰিকসকললৈ সম্প্ৰসাৰিত কৰা হয়। দেশকেইখন হ'ল — কম্বোডিয়া, ইণ্ডোনেছিয়া, ভিয়েটনাম, ফিলিপাইনছ, লাওছ আৰু ম্যানমাৰ। ২০১৪ চনৰ এপ্ৰিল মাহত দক্ষিণ কোৰিয়াক এই সুবিধা দিয়া হয়। সেই কালছোৱালৈকে আঁচনিখন অতি কম তথা সীমিত আকাৰত চলোৱা হৈছিল।

পৰৱৰ্তী কালত এই আঁচনিখন

* নানু ভাসিন পি আই বিৰ সঞ্চালক আৰু নৱনীত কৌৰ উপ-সঞ্চালক

নতুন চৰকাৰৰদ্বাৰা যথেষ্টভাবে বিস্তাৰিত কৰা হয়। ৪৩ খন দেশলৈ সেই সুবিধা আগবঢ়োৱা হয়। ২০১৪ চনৰ ২৭ নৱেম্বৰত ইয়াক কাৰ্যকৰী কৰা হয় আৰু ২০১৫ চনৰ জানুৱাৰীত গোৱেনালৈ সম্প্ৰসাৰিত কৰা হয়। আঁচনিখনৰ অধীনত সামৰি লোৱা সৰ্বমুঠ দেশৰ সংখ্যা হয়গৈ ৪৪। এই সময়ছোৱাতে " ইলেকট্ৰনিক ট্ৰেভেল অথ'ৰাইজেচন" ভাৱধাৰাকো প্ৰচলন কৰিবলৈ লোৱা হয়।

## বিদ্যুতীন ভ্ৰমণ অধিকাৰ

অধিক সংখ্যক বিদেশৰ পৰ্যটকক আকৰ্ষণ কৰিবৰ কাৰণে নতুন চৰকাৰে এটা অতি গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰে। সেয়া হ'ল ইলেকট্ৰনিক ট্ৰেভেল অথ'ৰাই-জেচনৰ প্ৰচলন। ইয়াৰদ্বাৰাই পৰ্যটকৰ পদাৰ্পণৰ সময়ত ভিছা প্ৰদান কৰা হয়। ইয়াকেই "ই -টুৰিষ্ট ভিছা" ৰূপে এতিয়া পুনৰ নামাংকিত কৰা হৈছে। আগৰ ই টি এৰ নীতি নিৰ্দেশনাৰ কোনো পৰিবৰ্তন সাধন কৰা হোৱা নাই। ভাৰত ভ্ৰমণ কৰিবলৈ বিচৰাসকলৰ কাৰণে চৰকাৰে ভাল সা-সুবিধা আগ নবঢ়ালে দেশখনে গোলকীয় পৰ্যটনৰ লাভসমূহ আয়ত্ত কৰিব নোৱাৰে।

সেই অনুসৰি ইলেকট্ৰনিক ট্ৰেভেল অথ'ৰাইজেচনৰদ্বাৰা সমৰ্থিত পৰ্যটকৰ ভিছা অৰ্থাৎ 'টুৰিষ্ট ভিছা -অন-এৰাইভেল' ২০১৪ চনৰ ২৭ নৱেম্বৰত প্ৰচলন কৰা হয়। ইয়াকেই এতিয়া ই-টুৰিষ্ট ভিছা ৰূপে নামাংকিত কৰা হৈছে আৰু ভিছা-অন-এৰাইভেলৰ সুবিধা ১৫০ খন দেশলৈ ক্ৰমান্বয়ে সম্প্ৰসাৰিত কৰাৰ প্ৰস্তাৱ আছে। চৰকাৰে ২০১৫-১৬ বৰ্ষৰ ভিতৰতেই ১০৬ খন দেশলৈ ইয়াক সম্প্ৰসাৰিত কৰাৰ প্ৰস্তাৱ কৰিছে।

এই ই-টুৰিষ্ট ভিছা নামৰ নতুন আঁচনিখনে কম দিনীয়া ভ্ৰমণকাৰীৰ আশা বাস্তৱায়িত কৰাত সহায় কৰিছে। এজন তেনে ব্যক্তিয়ে ভাৰতীয় ভিছাৰ কাৰণে তেওঁৰ নিজ দেশৰ পৰাই অন্‌লাইনেৰে ভাৰতীয় দূতবাস প্ৰতিষ্ঠানলৈ নোযোৱাকৈ আৰু অন্‌লাইনত ভিছাৰ মাচুল দিব নলগাকৈ আবেদন কৰিব পাৰে। এবাৰ মঞ্জুৰ হ'লে আবেদন কাৰীয়ে ভাৰত ভ্ৰমণ কৰাৰ অধিকাৰ সম্বন্ধীয় এটা ই-মেইল বাৰ্তা পায় আৰু এই অধিকাৰৰ এটা মুদ্ৰিত কপিৰে তেওঁ ভ্ৰমণ কৰিব পাৰে। ভাৰতত পদাৰ্পণ কৰাৰ লগে লগে ভ্ৰমণকাৰীয়ে ইমিগ্ৰেচন কৰ্তৃপক্ষক সেই অধিকাৰ পত্ৰখন প্ৰদান কৰিব লাগে আৰু সেই কৰ্তৃপক্ষই প্ৰবেশ পত্ৰত মোহৰ মাৰি দেশখনত ভ্ৰমণ কৰাৰ অধিকাৰ নিশ্চিত কৰে। সম্প্ৰতি এই ভিছা এমাহৰ কাৰণে গ্ৰহণযোগ্য আৰু এজন ব্যক্তিয়েহে দেশখনত প্ৰবেশ কৰিব পাৰে। ইয়াৰ ম্যাদ বৃদ্ধি কৰা নহয়।

ই-টুৰিষ্ট ভিছা এনে আন্তৰ্জাতিক ভ্ৰমণকাৰীসকলে লাভ কৰিব পাৰে যি সকলৰ ভাৰত ভ্ৰমণ কৰাৰ একমাত্ৰ উদ্দেশ্য হ'ল অৱসৰ বিনোদন, বিভিন্ন ঠাই দৰ্শন, বন্ধু বা সম্বন্ধীয় লোকক লগ ধৰা, কম দিনীয়া ডাক্তৰী চিকিৎসা অথবা ব্যৱসায়ৰ ক্ষেত্ৰত সাময়িক ভ্ৰমণ। কূটনৈতিক বা চৰকাৰী বিষয়া পাৰপত্ৰ থকা সকলৰ বাবে ই প্ৰযোজ্য নহয়।

এনে ভিছাৰ অভিপ্ৰায় হ'ল তথ্যপ্ৰযুক্তি সমৰ্থিত এটা সম্পূৰ্ণ পৰিৱেশৰ মাজেৰে নিৰাপত্তামূলক গাঁথনি মজবুত কৰি ন্যায়সঙ্গত ভাৱে ভ্ৰমণকাৰীসকলক সুবিধা প্ৰদান কৰা। ২০১০ চনত প্ৰচলন কৰা ভিছা-অন-এৰাইভল সুবিধাৰ জড়িত বিষয়বোৰ ভ্ৰমণকাৰীসকল সন্মুখীন হ'ব লাগিছিল, কিয়নো সেয়া তথ্য প্ৰযুক্তি সমন্বিত ব্যৱস্থা নাছিল। নতুন পদ্ধতি সম্পূৰ্ণভাৱে ডিজিটাইজ কৰা, সৰল আৰু ব্যৱহাৰকাৰীৰ অনুকূল। ফলস্বৰূপে এই পদ্ধতিৰে সকলোবোৰ বাধা-বিঘিনি দূৰ কৰা হৈছে।

## ই-টুৰিষ্ট ভিছাৰ পৰিসৰ

ইমিগ্ৰেচন বিভাগে নটা বিমান বন্দৰত ৭২ টা কাউন্টাৰ প্ৰতিষ্ঠা কৰিছে. সেই বিমান বন্দৰ কেইটা হ'ল— দিল্লী, মুম্বাই, চেন্নাই, কলকাতা, হায়দৰাবাদ, বেংগালুৰু, কোচি, তিৰুৱনন্তপুৰম আৰু গোৱা। ই-টুৰিষ্ট ভিছা থকা ভ্ৰমণকাৰী সকলৰ তত্বাৱধান ল'বৰ কাৰণেই ইয়াৰ দিহা কৰা হৈছে।

সম্প্ৰতি ই-টুৰিষ্ট ভিছাৰ সুবিধা কেৱল নটা বিমান বন্দৰত থাকিলেও বিদেশৰ লোকে ভাৰতত থকা যি কোনো অধিকৃত ইমিগ্ৰেচন চেক পোষ্টৰ পৰা প্ৰস্থান কৰিব পাৰে।

২০১৫ চনৰ জানুৱাৰীলৈকে ই-টুৰিষ্ট ভিছা ৪৪ খন দেশৰ বাবে পোৱা যায়। সেয়া হ'ল — অষ্ট্ৰেলিয়া, ব্ৰাজিল, কম্বোডিয়া, কুক আইলেণ্ড, জিবুটি, ফিজি, ফিনলেণ্ড, জাৰ্মানী, গুৱেনা, ইণ্ডোনেছিয়া, ইজৰাইল, জাপান, জৰ্ডান,কেনিয়া, কিৰিবাটি, লাওছ, লাক্সেমবাৰ্গ, মাৰ্শ্বাল আইলেণ্ড, মৰিচাছ, মেক্সিকো, মাইক্ৰোনেছিয়া, ম্যানমাৰ, নৌৰু, নিউজিলেণ্ড, নাইন আইলেণ্ড, নৰওৱে, ওমান, পালৌ, পেলেষ্টাইন, পাপুৱা নিউগিনি, ফিলিপাইনছ, ৰিপাব্লিক অব কোৰিয়া, ৰাছিয়া, ছাম'ৱা, ছিঙ্গাপুৰ, ছলোমন আইলেণ্ড, থাইলেণ্ড, টঙ্গা, টুভালু, ইউনাইটেড আৰব এমিৰেটছ, ইউক্ৰেইন, আমেৰিকা, ভানুৱাটু, ভিয়েটনাম।

এই ই-টুৰিষ্ট ভিছা প্ৰচলন কৰাৰ পাছত যন্ত্ৰবিহীন ভিছা প্ৰদান ব্যৱস্থা (ভ্ৰমণৰ আগতে আগতীয়া অধিকাৰ দিয়াৰ প্ৰয়োজন নাছিল) যি ১২ খন দেশৰ বাবে আছিল তাক ২০১৫ চনৰ ২৭ জানুৱাৰীৰ পৰা বলবৎ হোৱাকৈ বাতিল কৰা হয়। সেই দেশকেইখন আছিল— জাপান, ছিঙ্গাপুৰ, ফিলিপাইনছ, ফিনলেণ্ড, লাক্সেমবাৰ্গ, নিউজিলেণ্ড, কম্বোডিয়া, লাওছ, ভিয়েটনাম, ম্যানমাৰ, ইণ্ডোনেছিয়া

আৰু দক্ষিণ কোৰিয়া।

আঁচনিখনৰ ৰূপায়ণে এটা স্পষ্ট বতৰা বহন কৰিছে। সেয়া হ'ল দেশখনলৈ সহজ ভ্ৰমণ কৰাৰ ক্ষেত্ৰত ভাৰতে প্ৰকৃততেই বিষয়টো অতি দায়িত্ব সহকাৰে লৈছে। আন এটা বতৰা হ'ল আন্তৰ্জাতিক পৰ্যটক পদাৰ্পণ কৰাৰ ক্ষেত্ৰতো এই দেশ ভালেখিনি আগুৱাই যাব। পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ শেষত ভাৰতৰ অংশৰ পৰিমাণ বৰ্ত্তমান ০.৬৪ শতাংশৰ তুলনাত ১ শতাংশ বৃদ্ধি পাব।

ভিছা লাভ কৰা পৰ্যটকৰ সংখ্যা যথেষ্ট বৃদ্ধি পায়। ২০১৫ চনৰ মাৰ্চত ই-টুৰিষ্ট ভিছা লৈ সৰ্বমুঠ ২৫,৮৫১ পৰ্যটক দেশত পদাৰ্পণ কৰে। ইয়াৰ বিপৰীতে ২০১৪ চনৰ মাৰ্চ মাহটোত পূৰ্বৰ টুৰিষ্ট ভিছা-অন-এৰাইভল আঁচনিৰ অধীনত এই সংখ্যা আছিল ১,৯৫৮। ইয়াৰ পৰা দেখা যায় যে পৰ্যটকৰ বৰ্দ্ধিত সংখ্যা হ'ল ১২২০.৩ শতাংশ। সেই একেদৰে ২০১৪ চনৰ ফ্ৰেব্ৰুৱাৰীৰ পূৰ্বৰ আঁচনি অনুযায়ী অহা ১,৯৮০ গৰাকী পৰ্যটকৰ তুলনাত ই-টুৰিষ্ট টিভিঅ'এৰ ব্যৱস্থা অনুযায়ী অহা পৰ্যটকৰ সংখ্যা আছিল ৫,৮৪১। সেই হিচাপত ইয়াৰ বৃদ্ধিৰ হাৰ হ'ল ১১৯৮ শতাংশ।

শেহতীয়াকৈ লাভ কৰা পৰিসংখ্যা মতে চলিত বৰ্ষৰ ১৪ এপ্ৰিললৈকে আঁচনিখনৰ অধীনত চৰকাৰে ইছু কৰা ভিছাৰ সংখ্যা হ'ল প্ৰায় এক লাখ দহ হেজাৰ।

ই-টুৰিষ্ট ভিছাৰ ক্ষেত্ৰত ভাৰতত ২০১৫ চনৰ মাৰ্চত শীৰ্ষ স্থানীয় পৰ্যটন উৎসৰ ১০ খন দেশৰ শতাংশ হাৰৰ ভাগ এনে ধৰণৰ — আমেৰিকা (৩৩.২৫ শতাংশ), জাৰ্মানী (১৪.৬৪ শতাংশ), ৰাছিয়ান ফেডাৰেচন (১৩.১৩ শতাংশ), অষ্ট্ৰেলিয়া (৮.৩৭শতাংশ), কোৰিয়া গণৰাজ্য (৬.৩৯ শতাংশ ), ইউক্ৰেইন (৪.২১ শতাংশ), মেক্সিকো (২.৯৩ শতাংশ), জাপান (১.৯৯ শতাংশ), নিউজিলেণ্ড (১.৯১ শতাংশ) আৰু ইজৰাইল (১.৬৮ শতাংশ)।

২০১৫ বৰ্ষৰ মাৰ্চৰ কালছোৱাত পদাৰ্পণ কৰা (ই-টুৰিষ্ট ভিছাৰে) বিভিন্ন বিমান বন্দৰৰ শতাংশ হিচাপত ভাগ হ'ল এনে ধৰণৰ — নতুন দিল্লী (৪৭.৩২শতাংশ), মুম্বাই (১৮.৫৫ শতাংশ), গোৱা (১২.০৩ শতাংশ), বেঙ্গালুৰু (৬.২৭ শতাংশ), চেন্নাই (৫.৬০ শতাংশ), হায়দৰাবাদ (২.৯৩ শতাংশ), কলকাতা (২.৭৮ শতাংশ), কোচি (২.৬৮ শতাংশ) আৰু ত্ৰিবানড্ৰম (১.৮৪ শতাংশ)।

**টুৰিষ্ট-অন-এৰাইভেল/ ই-টুৰিষ্ট ভিছা আঁচনিৰ অগ্ৰগতি**

| বৰ্ষ | ২০১০ (জানুৱাৰী-নৱেম্বৰ) | ২০১১ (জানুৱাৰী-ডিচেম্বৰ) | ২০১২ (জানুৱাৰী-ডিচেম্বৰ) | ২০১৩ (জানুৱাৰী-ডিচেম্বৰ) | ২০১৪ (জানুৱাৰী-ডিচেম্বৰ) |
|---|---|---|---|---|---|
| টি ভি অ' এ/ ই-টুৰিষ্ট ভিছা | | | | | |
| | ৫৬৪৪ | ১২,৭৬১ | ১৬,০৮৪ | ২০,২৯৪ | ৩৯,০৪৫ |

**উৎস ঃ ভাৰত চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়ৰ মাৰ্কেটিং ৰিছাৰ্চ ডিভিজন**

ই-টুৰিষ্ট ভিছা ২০১৪ চনৰ ২৭ নৱেম্বৰত প্ৰচলন কৰা হয়।

**ই-টুৰিষ্ট ভিছা বনাম মেনুৱেল টিভিঅ'এ-ৰ সংখ্যা**

| বৰ্ষ | জানুৱাৰী | ফেব্ৰুৱাৰী | মাৰ্চ | জানুৱাৰী-মাৰ্চ |
|---|---|---|---|---|
| ২০১৪ (মেনুৱেল টি ভি অ'এ) | ১,৯০৩ | ১,৯৮০ | ১,৯৫৮ | ৫,৮৪১ |
| ২০১৫ (ই-টুৰিষ্ট ভিছা) | ২৫,০২৩ (১২১৫ শতাংশ*) | ২৪,৯৮৫(১১৬২ শতাংশ*) | ২৫,৮৫১ (১২২০ শতাংশ*) | ৭৫,৮৫৯ (১১৯৯ শতাংশ*) |

**উৎস ঃ ভাৰত চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়ৰ মাৰ্কেটিং ৰিছাৰ্চ ডিভিজন**

* একে মাহৰ পূৰ্বৰ বছৰতকৈ শতাংশ হাৰ বৃদ্ধি

* প্ৰাৰম্ভিক অৱস্থাৰ মেনুৱেল টিভিঅ'এ আঁচনি কালত প্ৰি-অথ'ৰাইজেচনৰ প্ৰয়োজন নাছিল

ওপৰৰ তালিকা দুখনত দেখুওৱা মতে ইটিএ ইলেকট্ৰনিক ট্ৰেভেল অথ'ৰাইজেচন) প্ৰচলনৰ পাচত ই-টুৰিষ্ট ভিছাৰদ্বাৰা ২০১৫ চনৰ ফেব্ৰুৱাৰীত পদাৰ্পণ কৰা মুঠ পৰ্যটকৰ সংখ্যা হ'ল ২৪,৯৮৫ । শতাংশ হিচাপত বৃদ্ধিৰ হাৰ হ'ল ১১৬১.৯ শতাংশ।

২০১৫ চনৰ জানুৱাৰী-মাৰ্চৰ কালছোৱাত ই-টুৰিষ্ট ভিছাৰদ্বাৰা অহা মুঠ পৰ্যটকৰ সংখ্যা হ'ল ৭৫,৮৫৯ । ইয়াৰ তুলনাত ২০১৪ চনৰ একেই সময়ছোৱাত

## ই-টুৰিষ্ট ভিছা সম্পৰ্কিত বিষয়া

যদিও ই-টুৰিষ্ট ভিছা সম্প্ৰতি ৪০ খনতকৈ অধিক দেশত পোৱা যায়, তথাপি আঁচনিখন বহু দেশত কাৰ্যকৰী হ'বলৈ বাকী আছে। তেনে দেশবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল — চীন, ব্ৰিটেইন, স্পেইন, ইটালি আৰু মালয়ছিয়া। এইবোৰ দেশ পৰ্যটনৰ দিশৰ পৰা

গুৰুত্বপূৰ্ণ।

একেদৰে এনে ধৰণৰ সুবিধা আন বহু বিমান বন্দৰলৈ সম্প্ৰসাৰিত কৰাৰ প্ৰয়োজন আছে। তাৰ ভিতৰত বিদেশী পৰ্যটকৰ বাবে গুৰুত্বপূৰ্ণ স্থল হ'ল — বাৰাণসী, গয়া, আহমেদাবাদ, জয়পুৰ আৰু তিৰুচিৰাপল্লী। সম্প্ৰতি এই সুবিধা থকা ৯টা বিমান বন্দৰত পৰা পৰ্যটকৰ বোজা পাতলাবৰ কাৰণে তেনে বন্দৰবোৰ সহায়ক হ'ব।

পৰ্যটনৰ সতে জড়িত থকা অনুষ্ঠান-প্ৰতিষ্ঠান আৰু পৰ্যটকে উত্থাপন কৰা এটা দাবী হ'ল ভিছা-অন-এৰাইভেল সুবিধা প্ৰদানৰ লগে লগে বহুমুখী প্ৰবেশ ব্যৱস্থাও কৰা দৰকাৰ। ইয়াৰ কাৰণ হ'ল ভাৰতলৈ অহা যি কোনো পৰ্যটক চুবুৰীয়া দেশবোৰলৈ যাতে যাব পাৰে তাৰ সুবিধা কৰাটো। এনে বহুমুখী প্ৰৱেশে বিদেশৰ পৰ্যটক অহাৰ সংখ্যা বৃদ্ধি কৰাত উৎসাহিত কৰিব। তেনেদৰে আন এটা দাবী হ'ল ভিছাৰ ম্যাদ কাল দুমাহলৈ বৃদ্ধি কৰা — যাতে পৰ্যটকসকলৰ বাবে অধিক শিথিলতা প্ৰদান কৰিব পৰা যায়।

আন্তৰ্জাতিক ভ্ৰমণকাৰীসকলে ভিছা আবেদনৰ কাৰণে জটিলতাৰ সন্মুখীন হ'ব লগা হয়। তাৰ বাবে তেওঁলোকে নিজ দেশতেই দীৰ্ঘ দূৰত্ব পৰিব্যাপ্ত কৰিব লগা হয় আৰু এইটোৱে অনলাইন আবেদন কৰা মূল উদ্দেশ্যকে নেতিবাচক কৰি তোলে। আন এটা বিষয় হ'ল মেনুৱেল ভিছা-অন-এৰাইভেল বিলুপ্তিৰ কাৰ্যক বিদেশৰ পৰ্যটকসকলে সঠিক ব্যৱস্থা বুলি ক'ব নোখোজে। তেওঁলোকৰ বক্তব্য হ'ল নতুন আঁচনি মাত্ৰ এখন ই-ভিছাহে, প্ৰকৃতাৰ্থত ক'বলৈ গলে সেয়া ভিছা-অন-এৰাইভেল নহয়। কিয়নো পিছৰ বিধত কোনো আগতীয়া অধিকাৰৰ আৱশ্যক নকৰে।

**সামৰণি**

চমুকৈ ক'বলৈ হ'লে ই-টুৰিষ্ট ভিছা ব্যৱস্থাই পৰ্যটন উদ্যোগৰ দীৰ্ঘদিনীয়া দাবী পূৰণ কৰাত সহায় কৰিছে। এটা উদাৰীকৰণ ভিছা ব্যৱস্থাৰ বাস্তৱিকতেই প্ৰয়োজন আছিল। ই টি এ তালিকাত (ইলেকট্ৰনিক ট্ৰেভেল অথ'ৰাইজেচন) আমেৰিকা,জাৰ্মানী আৰু সংযুক্ত আৰব এমিৰেটছৰ দৰে ৰাষ্ট্ৰকো অন্তৰ্ভুক্ত কৰিছে। এই দেশবোৰে সম্প্ৰতি আমাৰ দেশলৈ ভ্ৰমণ কৰিবলৈ অহা ৪০ শতাংশ পৰ্যটকক সামৰি লয়। যদিও ই-টুৰিষ্ট ভিছা ব্যৱস্থা বিদেশৰ পৰ্যটক পদাৰ্পণ কৰাৰ ক্ষেত্ৰত বৰ্দ্ধিত সংখ্যাৰ বাবে মূল উৎস হ'ব নোৱাৰে, তথাপি ই নিশ্চয়কৈ বিদেশৰ পৰ্যটক আমাৰ দেশলৈ অহাৰ ক্ষেত্ৰত ইয়াৰ গতিময়তা বৃদ্ধি কৰাৰ এটা মূল সমল ৰূপে কাম কৰিব। ই-টুৰিষ্ট ভিছাই নিশ্চয়কৈ পৰ্যটকসকলৰ বাবে ভাৰতক লক্ষ্যস্থান কৰাত অধিক আকৰ্ষণীয় কৰি তুলিব। ◇

---

৫৬ নং পৃষ্ঠাৰ পৰা

**৪) শ্ৰমিকৰ দুৰৱস্থা**

ক্ষেত্ৰ অধ্যয়নৰপৰা পোৱা গৈছে যে কাজুবাদাম প্ৰস্তুতকৰণ উদ্যোগসমূহত কাম কৰা শ্ৰমিকসকলৰ অৱস্থা বৰ দুখ লগা। এই উদ্যোগসমূহত কাম কৰা শ্ৰমিকসকলৰ সৰহসংখ্যকেই মুছলমান সম্প্ৰদায়ৰ আৰু মহিলা শ্ৰমিক। শ্ৰমিকসকল প্ৰধানকৈ অস্থায়ী শ্ৰমিক। অস্বাস্থ্যকৰ পৰিৱেশত কাম কৰিবলগা হোৱা বাবে মহিলা শ্ৰমিক সকল শ্বাস-প্ৰশ্বাসজনিত ৰোগ, এজমা, টি বি, ছালৰ বেমাৰ আদিত ভোগে। এই উদ্যোগসমূহত কেঁচা কাজুবাদামৰপৰা কাজু খাবৰ উপযোগী কৰালৈ সমগ্ৰ প্ৰক্ৰিয়াটোত এচিড উৎপন্ন হোৱা, মাজনিশা কাম কৰিবলগা হোৱা আদি বিভিন্ন ক্ষতিভয় মূৰপাতি লৈ কাম কৰিব লগা হয় পুৰুষ শ্ৰমিক সকলে। কিন্তু সেই অনুপাতে প্ৰদান কৰা মজুৰি যথেষ্ট কম। বিভিন্ন গুণসম্পন্ন কাজুৰ প্ৰতি কিলোগ্ৰামৰ হিচাপত ১০-১২ টকাকৈ প্ৰদান কৰা হয়। গতিকে তেওঁলোকে দৈনিক ১০০-২০০ টকালৈহে মজুৰি উপাৰ্জন কৰিব পাৰে যিয়ে শ্ৰমিকসকলক প্ৰাপ্য মজুৰিৰপৰা বঞ্চিত কৰিছে।

ধুবুৰী জিলাৰ মানকাচৰৰ কাজুবাদাম প্ৰস্তুতকৰণ উদ্যোগসমূহে গাঁৱৰ জীৱন আৰু অৰ্থনীতিত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে। উদ্যোগসমূহে গাঁওসমূহৰ আয়, উৎপাদন আৰু কৰ্মসংস্থাপন কেইবাগুণলৈ বৃদ্ধি কৰিবলৈ সমৰ্থ হৈছে যদিও প্ৰয়োজন অনুসৰি অধিক উদ্যোগ নথকাৰ বাবে কাজু উৎপাদনকাৰীসকলে কেঁচা কাজুৰ ন্যায্য দাম পাবলৈ সমৰ্থ হোৱা নাই তথা উদ্যোগসমূহত কৰ্মৰত শ্ৰমিকসকলে ন্যায্য মজুৰি বা সুবিধা পাবলৈ সমৰ্থ হোৱা নাই। চৰকাৰী উদ্যোগত স্থাপন হোৱা NERAMAC ৰ উদ্যোগটোৰ উৎপাদন আৰম্ভ হ'লে কাজু উৎপাদনকাৰীসকলে ন্যায্য দাম আৰু শ্ৰমিকসকলে ন্যায্য মজুৰি পাবলৈ সমৰ্থ হ'ব বুলি আশা কৰিব পাৰি। সেই অঞ্চলটোত যিহেতু কাজুবাদামৰ উৎপাদন যথেষ্ট হয় আৰু সৰহভাগ কাজু কেঁচামালৰূপে ৰাজ্যৰ বাহিৰলৈ যাব লগা হৈছে গতিকে সেই অঞ্চলটোত মূল্য সংযোজন ঘটোৱাৰ বাবে অধিক কাজু প্ৰস্তুতকৰণ উদ্যোগ স্থাপনৰ পূৰ্ণ সম্ভাৱনা আছে যিয়ে ধুবুৰী জিলাখনৰ লগতে অসমৰ অৰ্থনীতিত সুদূৰ প্ৰসাৰী পৰিবৰ্তন সাধন কৰিব পাৰে। ◇

# চিকিৎসা পৰ্য্যটন — ভাৰতত ইয়াৰ ধাৰা ঃ “সূৰ্যোদয় উদ্যোগ”

* ডা° হৰিহৰণ

পৰ্যটন বুলিলে পৰম্পৰাগত ব্যাখ্যা হ'ল নিজে বাস কৰাৰ বাহিৰে কম সময়ৰ বাবে ছুটী আৰু অৱসৰ যাপনৰ বাবে কৰা স্থান ভ্ৰমণ। সি যি কি নহওক, বছৰ বাগৰাৰ লগে লগে 'পৰ্যটন' শব্দটো মাথো অৱসৰ আৰু ছুটী উপভোগ কৰাতে সীমাৱদ্ধ হৈ থকা নাই। বিগত কেইটামান দশকত বৃদ্ধি পোৱা স্বাস্থ্য সচেতনতা, আন্তঃগাঁথনি আৰু চিকিৎসা খণ্ডত বিশেষজ্ঞৰ বিকাশে চিকিৎসা পৰ্যটন নামৰ নতুন পৰ্যটন ক্ষেত্ৰ সৃষ্টি কৰিছে। ই হ'ল স্বাস্থ্য আৰু পৰ্যটন উদ্যোগৰ দ্ৰুত বিকাশৰ দিশে ভ্ৰমণ সংস্থা আৰু গণমাধ্যমৰ নৱসৃষ্ট এটা প্ৰপঞ্চ, য'ত বিশ্বৰ এখন ঠাইৰ পৰা আন এখন দেশলৈ (এই ক্ষেত্ৰত, ভাৰত) অৱসৰ যাপন কৰাৰ বাবে কৰা ভ্ৰমণৰ সময়তে চিকিৎসা কৰি আৰু স্বাস্থ্য যতন আদিও লাভ কৰিব পাৰে। চিকিৎসা পৰ্যটনৰ ক্ষেত্ৰত ভাৰতত আধুনিক, পৰম্পৰাগত আৰু বিকল্প চিকিৎসা আদি ভালেমান ক্ষেত্ৰ আছে। সেইবোৰ নিম্নোক্ত ধৰণৰে শ্ৰেণীভুক্ত কৰা হৈছে।

**আধুনিক / এল'পেথি ঔষধ**

মৌখিক ঔষধৰ বাহিৰেও সন্ধি প্ৰতিস্থাপন, অংগ সংৰোপণ, ৰোগ নিৰ্ণয় পৰীক্ষ, মুখৰ সৌন্দৰ্যৰ বাবে অস্ত্ৰোপচাৰ, বহুমুখী বিশেষ যতন আৰু অনুৰ্বৰতাৰ চিকিৎসা, ৰক্তসম্পৰ্কীয় ৰোগ আদি ইয়াৰ ভিতৰত পৰে। তদুপৰি ই দন্ত ৰোপণ, লেজাৰ কেশ নিৰসন, কেশ ৰোপণ আৰু শেষত স্পা আৰু সৌন্দৰ্য চিকিৎসা এই শ্ৰেণীত অন্তৰ্ভুক্ত।

**আয়ুৰ্বেদ ঃ** খ্ৰীঃপূৰ্ব ৬০০ ৰ পৰাই ভাৰতত আয়ুৰ্বেদ চিকিৎসা পদ্ধতি অনন্য স্বাস্থ্য যতনৰ স্থানীয় পদ্ধতি হিচাপে পৰিগণিত হৈ আহিছে। আয়ুৰ্বেদ হ'ল সম্পূৰ্ণভাৱে 'প্ৰাকৃতিক ব্যৱস্থা' ভিত্তিক এটা চিকিৎসা পদ্ধতি, যিটো--- ভাৰসাম্য লাভ কৰিবৰ বাবে দেহৰ অসুস্থতাৰ ৰোগ নিৰ্ণয়ৰ ওপৰত নিৰ্ভৰ কৰে। দেহক ৰোগমুক্ত কৰাৰ এই প্ৰাকৃতিক পদ্ধতিটো শেহতীয়াভাৱে উল্লেখযোগ্যভাৱে জনপ্ৰিয় হৈ উঠিছে।

**যোগঃ** যোগ সংস্কৃত শব্দ 'যোগ'ৰ পৰা উদ্ভৱ হৈছে, ইয়াৰ অৰ্থ হ'ল 'একাত্মতা' বিশেষকৈ সৰগীয় সত্তা বা ভগবানৰ লগত একাত্মতা। যোগ হ'ল দৈহিক আৰু আধ্যাত্মিক আনুগত্য, ধৰ্ম নিৰপেক্ষতা আৰু মন-দেহ-আত্মাৰ সংহতিৰ অভিজ্ঞতাৰ এটা বৈজ্ঞানিক পদ্ধতি। যোগ আৰু ধ্যান দৈনন্দিন জীৱনৰ অংগ হিচাপেই ভাৰত প্ৰখ্যাত।

অন্যান্য বিকল্প চিকিৎসা হোমিওপেথি প্ৰাকৃতিক চিকিৎসা, ধ্যান, সংগীত চিকিৎসা, সুগন্ধিৰদ্বাৰা চিকিৎসা (এৰ'মা থেৰাপি), প্ৰাণিক হিলিং আৰু ৰেইকী সামৰি লৈছে।

ভাৰতত উপলব্ধ এনে বহু বিকল্প আৰু সুবিধাৰ বাবে সমগ্ৰ বিশ্বৰ দৰে ভাৰততো চিকিৎসা পৰ্যটন এটা দ্ৰুত আৰু বৃহৎ বিকাশৰ উদ্যোগ হিচাপে পৰিগণিত হৈছে। অবীমাকৃত লোকৰ সংখ্যা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত এওঁলোকৰ বহু সংখ্যকে নিজৰ দেশৰ বাহিৰত আৰু নিজৰ সাধ্যৰ ভিতৰত চিকিৎসা কৰাটো বিকল্প হিচাপে বাছি লয়। ভাৰতত কম খৰচত আৰু অপেক্ষাৰ তালিকাভুক্ত নোহোৱাকৈ সফল চিকিৎসা তথা দক্ষ আৰু জনাজাত চিকিৎসা বিশেষজ্ঞৰ বাবে বিশ্বৰ বহু চিকিৎসা ভ্ৰমণকাৰীৰ বাবে সহজে প্ৰবেশযোগ্য হৈ পৰিছে। বৰ্তমান চিকিৎসা পৰ্যটনে পৰ্যটকসকলক ঘৰতে পোৱাৰ দৰে দ্ৰুত গতিৰ চিকিৎসা অব্যাহত ৰখাটো আশা কৰা হৈছে।

চিকিৎসা পৰ্যটনৰ উপৰিত ভাৰত আন্তৰ্জাতিক পৰ্যটকৰ বাবে অন্যতম শ্ৰেষ্ঠ হিচাপে বিবেচিত হৈছে। ভাৰতৰ বৰ্তমান পৰ্যটন বাণী “ অতিথি দেৱো ভৱ” — যাৰ অৰ্থ হ'ল অতিথি সাক্ষাৎ ভগবান- এই বাক্যশাৰী সাৰোগত কৰি পৰ্যটকসকলক পাৰ্যমানে সকলো সম্ভৱপৰ সেৱা আগবঢ়াবলৈ নিশ্চিতি প্ৰদান কৰিছে। এই সেৱাসমূহৰ ভিতৰত আছে — চিকিৎসা, চিকিৎসা তথা অৱসৰ বিনোদনৰ গন্তব্য স্থল, কম খৰচী পৰামৰ্শ আৰু চিকিৎসা আৰু চিকিৎসাৰ বাবে অপেক্ষা কৰিব নলগা পৰিস্থিতি আৰু অত্যাধুনিক সা-সৰঞ্জাম আদি। অধিক সংখ্যক পৰ্যটক আফ্ৰিকা,

*** ডা° হৰিহৰণে বিগত ৩৪ বছৰে চিকিৎসা সেৱা আগবঢ়াইছে। তেওঁ পৰিয়ালৰ চিকিৎসক হিচাপে সেৱা আগবঢ়োৱাৰ উপৰিও জনস্বাস্থ্যৰ ক্ষেত্ৰত পৰামৰ্শদাতা হিচাপে বৰঙণি আগবঢ়াইছে। তেওঁ শ্ৰী কৃষ্ণ মেডিকেল ছেণ্টৰ প্ৰতিষ্ঠাৰ লগত জড়িত হোৱাৰ লগতে নিচাসক্ত কিশোৰৰ কাৰণে প্ৰতিষ্ঠা কৰা প্ৰকল্প 'সহযোগ'ৰো পৰিচালনাৰ লগত জড়িত।**

চি আই এছ ৰাষ্ট্ৰসমূহ, মধ্যপূব আফগনিস্থান, ইৰাক আৰু বাংলাদেশৰ পৰা আহে। এই আন্তঃ প্ৰবাহত য়ুৰোপ আৰু উত্তৰ আমেৰিকা আদি উন্নত দেশৰ পৰ্যটক অৱশ্যে কম।

বৰ্তমান এনজিঅ'প্লাষ্টি, হৃৎপিণ্ডৰ অস্ত্ৰোপচাৰ, সন্ধি প্ৰতিস্থাপন, ছানি পৰাকে ধৰি চকুৰ অস্ত্ৰোপচাৰ, যকৃত আৰু বৃক্ক আদি অংগ সংৰোপণ, আই ভি এফ, কৰ্কট ৰোগ আদি কৰি বিভিন্ন জটিল ৰোগৰ চিকিৎসাৰ বাবে বৃহৎ সংখ্যক লোক বাহিৰৰ পৰা আহে। ক্ৰান্তীয় চিকিৎসালয় সমূহত অত্যাধুনিক ব্যৱস্থাৰে সজ্জিত, বিকশিত বীমা বজাৰ, ফাৰ্মাচী উদ্যোগৰ সবল উপস্থিতিৰে এই গুণগত স্বাস্থ্য যতন উজলি উঠিছে। এই ক্ষেত্ৰত স্বাস্থ্য আৰু পৰিয়াল মন্ত্ৰালয় আৰু পৰ্যটন মন্ত্ৰালয়েও ভূমিকা গ্ৰহণ কৰিছে।

বহনক্ষম উদ্যোগিক নেটৱৰ্কৰ নেতৃত্বত ভাৰতীয় চিকিৎসা স্বাস্থ্য পৰ্যটন সেৱা খণ্ড নেটৱৰ্ক প্ৰতিবেদন খণ্ডৰ সাধাৰণ জৰীপ আৰু এছ ডব্লিও অ'টি (SWOT)ৰ বিশ্লেষণ অনুসৰি বৃহৎ আঞ্চলিক পাৰিবেশিক পৰিকল্পনাৰ ওপৰত ইয়াৰ প্ৰয়োগেৰে উন্নত চিকিৎসা সেৱা আৰু প্ৰকৃতিয়ে মুক্ত হস্তেৰে দান কৰা সৌন্দৰ্যৰে ভাৰত চিকিৎসা পৰ্যটকৰ বাবে স্বৰ্গপুৰী স্বৰূপ হৈ পৰিছে। ভাৰতত চফট্‌ৱেৰ বৃহৎ সাফল্যৰ কাহিনী হোৱাৰ পাচতে চিকিৎসা পৰ্যটন ইয়াৰ পৰৱৰ্তী উদ্যোগ হোৱাৰ পথত আগবাঢ়িছে। ভাৰতীয় উদ্যোগ মহাসংঘ (চি আই আই) আৰু মেক্ কিন্‌ছে ধাৰণা কৰিছে যে এই উদ্যোগটোৱে টেৰিটৰী চিকিৎসালয় সমূহৰ ভাল বজাৰ হোৱাৰ বাবে অতিৰিক্ত উপাৰ্জন কৰিবৰ বাবে বিকশিত হৈ উঠিছে আৰু ই স্বাস্থ্য যতন বিতৰনৰ বজাৰত ৩-৫ শতাংশ বৰঙণি যোগ দিব। ভাৰতীয় চিকিৎসা পৰ্যটন উদ্যোগে প্ৰধানকৈ পশ্চিম এছিয়া, মধ্য পূৱ আফ্ৰিকা আৰু কিছু পৰিমাণে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু য়ুৰোপৰ ৰোগীসকললৈ সেৱা আগবঢ়াই বছৰি ৩০ শতাংশ হাৰত বিকশিত হৈছে।

এই উদ্যোগ চালুকীয়া অৱস্থাত আছে যদিও গ্ৰীচ, দক্ষিণ আফ্ৰিকা, জৰ্ডান, মালয়ছিয়া, ফিলিপাইনছ্ আৰু ছিংগাপুৰৰ দৰে দেশৰ অনুৰূপ উদ্যোগ চতুৰালিৰে পৰাভূত কৰিছে।

ভাৰতৰ ৰাষ্ট্ৰীয় স্বাস্থ্য আঁচনিয়ে ঘোষণা কৰিছে যে বিদেশী ৰোগীৰ চিকিৎসা বিধিগতভাৱে ৰপ্তানি আৰু ৰপ্তানি অৰ্জনলৈ সম্প্ৰসাৰণ কৰা সকলো বিত্তীয় উদ্যোগৰ বাবে সমৰ্থ হিচাপে বিবেচনা কৰা হৈছে. ভাৰতত চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ অধ্যয়নৰ ধাৰণামতে চিকিৎসা পৰ্যটনে দেশলৈ ১ বিলিয়ন আৰু ২ বিলিয়নৰ (১.২৫ বিলিয়ন ইউৰো আৰু ২.৫০ বিলিয়ন ইউৰো) ভিতৰত ধন আনিব পাৰে। বিভিন্ন উৎসৰ বিত্তীয় প্ৰতিবেদনৰ অনুমান মতে ভাৰতত চিকিৎসা পৰ্যটনত এবছৰত ৩০ শতাংশকৈ বিকাশ হৈছে। ২০১৫ চনত ভাৰতে এবছৰত ১.৫ নিযুত ডলাৰ উপাৰ্জন কৰিব। ভাৰতৰ শীৰ্ষ পৰ্যায়ৰ শিক্ষা ব্যৱস্থাই কেৱল কম্পিউটাৰ প্ৰগেমাৰ আৰু অভিযন্তা সৃষ্টি কৰা নাই, প্ৰতি বছৰে ২০ হাজাৰৰ পৰা ৩০ হাজাৰ চিকিৎসক আৰু নাৰ্ছো সৃষ্টি কৰিছে। দেশখনৰ সাম্প্ৰতিক বজাৰৰ বিকাশ হাৰ বছৰি প্ৰায় ৩০ শতাংশ আৰু দেশখনৰ এই হাৰ ছিংগাপুৰ আৰু থাইলেণ্ডৰ দৰে ভূমিকা গ্ৰহণ কৰা প্ৰধান দেশৰ কাষ চাপিছে। পৰৱৰ্তী কেইটামান বছৰত চিকিৎসা পৰ্যটনে ৪ কোটি নতুন চাকৰি সৃষ্টি কৰাত সহায় কৰিব।

**আগন্তুক বছৰবোৰত বৃহৎ বিকাশ হ'বলগীয়া ক্ষেত্ৰসমূহ হ'ল ঃ**

**১) বজাৰকৰণ —** ইণ্টাৰনেট, স্বাস্থ্য যতন সুবিধা প্ৰদান আৰু কেতিয়াবা বাহিৰত ৰোগীক ব্যক্তিগতভাৱে সাক্ষাৎ কৰাৰ জৰিয়তে চিকিৎসা পৰ্যটন বজাৰ সেৱা আগবঢ়োৱা নেতৃত্ব স্থানীয় চিকিৎসালয় সমূহৰ বাবে বজাৰকৰণত দক্ষ লোকৰ প্ৰয়োজন আছে।

**২) ভাষিক সেৱা—** য়ুৰোপ, আফ্ৰিকা আৰু পশ্চিম এছিয়াৰ দেশসমূহৰ পৰা অহা ইংৰাজী ভাষা নোকোৱা ৰোগীৰ বাবে অনুবাদকৰ প্ৰয়োজন হ'ব কাৰণ ৰোগীজনে চিকিৎসা সম্বন্ধীয় বিষয় বুজিব পাৰিব লাগিব।

**৩) নেপথ্যৰ কৰ্মচাৰীৰ কৰ্ম পদ্ধতি—** চিকিৎসা পৰ্যটনত নেপথ্যৰ কৰ্মচাৰীৰ কৰ্ম পদ্ধতি আন সেৱাৰ উদ্যোগৰ দৰেই ভাল যোগাযোগ কৰিব পৰা দক্ষ, প্ৰতিভাসম্পন্ন লোকৰ চাহিদা আছে।

**৪) আতিথ্য পেছাদাৰী—** ভাল স্বাস্থ্য যতনৰ বাবে ৰোগ চিকিৎসা বিষয়ক সূক্ষ্ম বিচাৰ ভিত্তি হোৱাৰ দৰে সেৱাৰ বাবে পৰিচালনাৰ প্ৰতিভাৰো ব্যাপক চাহিদা আছে।

চিকিৎসাৰ গন্তব্যস্থল হিচাপে অগ্ৰাধিকাৰ পোৱাৰ ক্ষেত্ৰত ভাৰতৰ উদয়ৰ প্ৰধান কাৰণ হ'ল ইয়াৰ স্বাস্থ্য যতন উদ্যোগৰ প্ৰকৃতিগত সুবিধাসমূহ। বৰ্তমান ভাৰতৰ স্বাস্থ্য যতন গোলকীয় মানৰ হৈ উঠিছে। ভাৰতৰ কিছুমান শীৰ্ষস্থানীয় চিকিৎসালয় আৰু চিকিৎসকৰ শক্তিশালী আন্তৰ্জাতিক সন্মান আছে। কিন্তু অতি গুৰুত্বপূৰ্ণ বিষয়টো হ'ল ভাৰতৰ চিকিৎসা পৰ্যটনৰ কম ব্যয়ৰ সুবিধাটো। অধিক সংখ্যক বিদেশী ৰোগীয়ে বিশ্বৰ তৃতীয় মানৰ ব্যয়ৰ বিনিময়ত প্ৰথম বিশ্বমানৰ সেৱা লাভ কৰিবৰ বাবে ভাৰত ভ্ৰমণ কৰে।

### চিকিৎসা পৰ্যটনৰ সবিধাসমূহ

* বিদেশী মুদ্ৰা আহৰণ, যাৰ ফলত ৰাষ্ট্ৰৰ অৰ্থনৈতিক সম্পদ বৃদ্ধি হয়।
* উন্নত দেশসমূহৰ ওপৰত মাচুলৰ তালিকাত ব্যয় সুবিধা।
* উন্নত তথ্য আদান-প্ৰদান।

* ৰোগীৰ যতন প্ৰক্ৰিয়াৰ দক্ষতা বৃদ্ধি।
* চিকিৎসালয়ৰ যোগান ক্ৰমৰ দক্ষতাৰ উন্নতি সাধন।
* দেশৰ ভিতৰে/বাহিৰে ব্যৱসায়িক অংশীদাৰীৰ লগত কৌশলগত মিত্ৰতা।
* প্ৰযুক্তিবিদ্যা আৰু জ্ঞান স্থানান্তৰ।
* আভ্যন্তৰীণ আৰু বৰ্হিঃ উভয়তে উত্তম যুক্তিযুক্ত কৃতিত্ব।
* উদ্যোগত নিয়োগ সুবিধা সৃষ্টি।
* আন্তঃগাঁথনি আৰু দক্ষ মানৱশক্তিৰ উত্তম ব্যৱহাৰ ।
* স্বাস্থ্য, পৰ্যটন আৰু ভ্ৰমণ খণ্ডত আন্তঃগাঁথনি উন্নয়নৰ সুযোগ।
* জনমূৰি সম্পদ বৃদ্ধি।
* সৰ্বাত্মক চিকিৎসা সমাধান আগবঢ়াবৰ বাবে গৱেষণা আৰু বিকাশৰ অৱকাশ।
* গোলকীয় স্বাস্থ্য যতন আগবঢ়াওতা হিচাপে দেশখনৰ আন্তৰ্জাতিক গ্ৰহণযোগ্যতা।
* সামাজিক আৰু বিভিন্ন সাংস্কৃতিক অভিজ্ঞতা । আন্তৰ্জাতিক গ্ৰাহক সম্পৰ্ক
* গোলকীয় বজাৰকৰণ আৰু চিকিৎসা বাণিজ্য সম্পৰ্ক ।
* বিশ্ব মানৰ স্বাস্থ্য যতন গন্তব্যস্থল হিচাপে ৰাষ্ট্ৰৰ এটা ব্ৰেণ্ড ভাৱমূৰ্তি
* প্ৰতিযোগিতামূলক সুবিধা।
* অংশীদাৰ সকলৰ মাজত ভাল সমন্বয়। উদাহৰণস্বৰূপে চিকিৎসালয় আৰু আতিথ্য উদ্যোগৰ মাজৰ সম্পৰ্ক ।
* ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰত্ব।
*ৰোগীৰ সন্তুষ্টি।

**ব্যৱধান আৰু প্ৰত্যাহ্বানসমূহ**

* চিকিৎসা পৰ্যটনৰ প্ৰচাৰৰ কাৰণে চৰকাৰৰ শক্তিশালী সমৰ্থ উদগণিৰ অভাৱ
* উদ্যোগটোৰ আন বিভিন্ন ভূমিকা গ্ৰহণকাৰী — এয়াৰলাইনচ্, অ'পাৰেটৰ, হোটেল আৰু চিকিৎসালয়ৰ মাজত কম সমন্বয়
* অস্বাস্থ্যকৰ দেশ হিচাপে গ্ৰাহকৰ মাজত ধাৰণা
* চিকিৎসালয়সমূহত সম মূল্য নীতিৰ অভাৱ
* থাইলেণ্ড, মালয়ছিয়া, ছিংগাপুৰ আদি দেশসমূহৰ পৰা শক্তিশালী প্ৰতিযোগিতা
* আন্তৰ্জাতিক স্বীকৃতিৰ অভাৱ — এটা প্ৰধান প্ৰতিৰোধক
* স্বাস্থ্য আন্তঃগাঁথনিত কম বিনিয়োগ
* এই খণ্ডত যথোপযুক্ত বীমা নীতিৰ অভাৱ
* সামান্য জ্ঞান বা ন্যুনতম জ্ঞান নথকা মধ্যভোগী লোক আৰু ৰোগীক নিয়ন্ত্ৰণ কৰাৰ বাবে প্ৰশিক্ষিত লোকৰ অভাৱ।

**সন্মুখৰ পথ**

এই ক্ষেত্ৰত বহু ভূমিকা গ্ৰহণকাৰী স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আৰু পৰ্যটন মন্ত্ৰালয়ে একেলগে এটা কৰ্ম বাহিনী গঠন কৰা উঠিত।

* ব্যৱধান আৰু প্ৰত্যাহ্বানসমূহৰে বিষয়ে আলোচনা কৰি এইবোৰৰ সমাধানৰ বাবে সশ্লিষ্ট প্ৰধান বিষয়া সকলৰ পৰামৰ্শমূলক সভা আয়োজন কৰা উচিত।
* কৰ্ম বাহিনীয়ে উদ্যোগটোৰ সুযোগসমূহ মূল্যায়ণ কৰা উচিত আৰু দেশত স্বাস্থ্য যতন প্ৰতিষ্ঠানৰ স্বীকৃতিৰ বাবে নীতি যুগুত কৰা দৰকাৰ।
* বিদেশৰ ৰোগীসকলৰ সেৱাৰ বাবে সৰ্বোত্তম চিকিৎসালয় নিৰ্বাচন কৰি প্ৰমাণীকৃত প্ৰক্ৰিয়া গ্ৰহণ কৰিব লাগে।
* উদ্যোগটোৰ উজ্জ্বল সম্ভাৱনাৰ বাবে চিকিৎসালয় সমূহে আন্তৰ্জাতিক স্বীকৃতি, সংহত পৰম্পৰাগত আৰু চিকিৎসাবিষয়ক চিকিৎসা আৰু মূল্য সংযোজিত সেৱাও আহৰণ কৰিব পাৰে।
* কম সময় প্ৰতীক্ষাৰে প্ৰতিযোগিতা মূলক সুবিধা বৃদ্ধি কৰা।
* গৃহ দেশৰ লগত উত্তম সংযোগ ব্যৱস্থা।
* ভাৰতীয় চিকিৎসা পৰ্যটন ভূগোল আৰু চিকিৎসা পৰ্যটকসকললৈ সহজসাধ্য সেৱাৰ নেটৱৰ্ক সেৱাৰ মানচিত্ৰকৰণ।
* ভাৰত ভ্ৰমণ কৰা চিকিৎসা পৰ্যটকে সন্মুখীন হোৱা প্ৰত্যাহ্বান আৰু সমস্যাসমূহ উপলব্ধি কৰা।
* অধিক পৰিমাণে চিকিৎসা পৰ্যটক অহা দেশৰ ভাষাৰ প্ৰশিক্ষণ ক্ষেত্ৰত আলোকপাত কৰা।

**সামৰণি**

চিকিৎসা আৰু অৱসৰ বিনোদনৰ উদ্দেশ্যে আন্তৰ্জাতিক পৰ্যায়ত হোৱা ভ্ৰমণ 'চিকিৎসা স্বাস্থ্য পৰ্যটন' নামেৰে পৰিগণিত হৈছে। বহু লোক নিজৰ অসুখৰ চিকিৎসা কৰাবৰ বাবে নিজৰ গৃহভূমিৰ পৰা বিদেশলৈ আহে। সৌন্দৰ্য নান্দনিক অস্ত্ৰোপচাৰেও আজিকালি গুৰুত্ব লাভ কৰাৰ বাবে মানুহে সেই মানসেৰেও আন দেশলৈ যায়। এইবোৰ দিশ ৰোগ বা অসুখৰ আওতাত নপৰিলেও চিকিৎসা/ স্বাস্থ্য পৰ্যটনৰ ছত্ৰ ছায়াত অন্তৰ্ভুক্ত হৈছে।

চিকিৎসা পৰ্যটন ডলাৰ আহৰণ কৰিব পৰা এটা বৃহৎ উৎস হিচাপে পৰিগণিত হৈছে। চিকিৎসাৰ ব্যয়ৰ উপৰি বিভিন্ন দেশৰ পৰা ৰোগী আৰু তেওঁলোকৰ সহায়কাৰী হিচাপে অহা লোক হোটেলত থাকিবলগীয়া হয়। তেনেক্ষেত্ৰত হোটেল আৰু খাদ্য উদ্যোগো লাভৱান হয়। তদুপৰি বহু ৰোগী আৰু তেওঁলোকৰ সহায়ক স্বদেশলৈ উভটি যোৱাৰ অগতে বজাৰো কৰে — এইদৰে তেওঁলোকে সেইখন দেশৰ অৰ্থনীতিত এটা ডাঙৰ বৰঙণি আগবঢ়ায়।

চমুকৈ ক'বলৈ গলে চিকিৎসা পৰ্যটনে বিদেশী মুদ্ৰা আহৰণতে যে সহায় কৰে সেইটো নহয়, বিভিন্ন দেশৰ লোকলৈ দেশৰ বজাৰ আগবঢ়োৱা ই এটা সুন্দৰ সুযোগ। সেইসকল লোকক সন্তুষ্ট কৰি পঠিয়ালে তেওঁলোকক পুনৰ এই দেশলৈ আমন্ত্ৰণ জনোৱা হ'ব লগতে তেওঁলোকে এই দেশ ভ্ৰমণ কৰিবলৈ আনকো প্ৰলোভিত কৰিব।

ভাৰতে সম্ভৱপৰ কম খৰচত

আন্তৰ্জাতিক মানৰ চিকিৎসা সেৱা আগবঢ়াই বিগত বছৰবোৰত চিকিৎসা পৰ্যটন ক্ষেত্ৰত এটা সবল স্থান দখল কৰিছে। ভাৰতৰ আন্তৰ্জাতিক মানৰ বিপুল সংখ্যক স্বাস্থ্য যতন সুবিধা আৰু উচ্চ প্ৰশিক্ষিত চিকিৎসক আৰু কৰ্মচাৰী আছে। এই দেশে এজন লোকে ইউৰোপ বা আমেৰিকা যুক্তৰাষ্ট্ৰত চিকিৎসাৰ বাবে হোৱা খৰচতকৈ ২৫ শতাংশ কম ব্যয়ত উত্তম চিকিৎসা আগবঢ়াইছে। বৰ্ত্তমান কৰ্পৰেট খণ্ডৰ চিকিৎসালয় সমূহত প্ৰতি বছৰে চিকিৎসা কৰা ৰোগীৰ ১৫ শতাংশৰো অধিক বিদেশৰ। এই সকল লোকৰ জৰিয়তে বৃহৎ পৰিমাণৰ বিদেশী মুদ্ৰা অৰ্জন হয়।

বিশ্বৰ যি কোনো ঠাইতে পাব পৰা আন্তৰ্জাতিক মানৰ চিকিৎসা প্ৰদানেৰে বিদেশৰ ৰোগীক আকৰ্ষণ কৰি দেশীয় সেৱা আগবঢ়োৱা চিকিৎসালয় সমূহৰ ভিতৰত এপল', ফৰটিছ, মেক্স, নাৰায়ণ হৃদয়ালয়া,চেন্ভেন হিলছ, অ'কহাৰ্ড, মেদান্তা, বি এল কে, পুস্পাঞ্জলি ক্ৰছ্লে, বিজয়া হস্পিতেলছ, মণিপাল, মলয় আদি চিকিৎসালয়ৰ নাম ল'ব পাৰি।

ভাৰতত চিকিৎসা পৰ্যটন দ্ৰুত বিকাশিত খণ্ড হলেও ই অসংগঠিত খণ্ডৰ পৰ্যায়তে আছে— য'ত ৰোগী সম্বন্ধীয় চোৰা-চিতা কৰা,নিয়ন্ত্ৰণ আদিৰ দিশত সামান্য জ্ঞান থকা বা একেবাৰেই বৃত্তিগত জ্ঞানশূণ্য বহুত মধ্যভোগী লোক আছে। এই মধ্যভোগীসকলৰ অধিক সংখ্যক লোকে ৰোগী আৰু তেওঁলোকৰ সহায়কসকলক দালালী কৰি দীৰ্ঘ দিন শোষণ কৰি ভ্ৰমণকাৰীৰ আৰ্থিক আৰু মানসিক অনিষ্ট কৰি আছে যাৰ ফলত চিকিৎসালয়ে সৰ্বোত্তম সেৱা আগবঢ়োৱা সত্ত্বেও ভ্ৰমণকাৰীয়ে সামগ্ৰিক স্বাস্থ্য/ইতিবাচক অভিজ্ঞতা লাভ কৰিব নোৱাৰে আৰু নেতিবাচক ধাৰণা লৈ নিজৰ দেশলৈ উভটি যাব লগা হয়।

পৰিশেষত,ভাৰতত চিকিৎসা পৰ্যটনক ভ্ৰমণকাৰীক "বিজয় লাভৰ অভিজ্ঞতা' প্ৰদান কৰাৰ লক্ষ্যৰে সু-সংজ্ঞায়িত নীতি নিৰ্দ্দেশনাসহ উদ্যোগ হিচাপে ঘোষণা কৰাৰ এয়া উপযুক্ত সময়। ইয়াৰ অন্যথা ১০০ বিলিয়ন ডলাৰৰো অধিক মুদ্ৰা কঢ়িয়াই অনাৰ সম্ভাৱনা থকা সূৰ্যোদয় উদ্যোগটোৰ পৰিসমাপ্তি ঘটিব। 'এটা হেৰোৱা সুযোগে' কেৱল প্ৰত্যক্ষ আৰু পৰোক্ষ বিত্তীয় সম্পদ উৎপন্ন কৰে এনে নহয়, ই নিয়োগ সুবিধা আগবঢ়ায় আৰু আমাৰ দেশৰ সদিচ্ছা প্ৰচাৰ কৰাৰ এটা উৎকৃষ্ট উপায়।

## সংগ্ৰহ বিধি

ৰাজহুৱা সা-সামগ্ৰী সংগ্ৰহৰ মাপকসমূহৰ সংশোধনৰ জৰিয়তে সংগ্ৰহ বিধি পুনৰীক্ষণ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব পৰাকৈ তেল আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে এখন কৰ্ণধাৰ সমিতি গঠন কৰিছে। লোকসভাত অলপতে এটা লিখিত প্ৰশ্নোত্তৰতএই তথ্য সদৰী কৰে তেল আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ স্বতন্ত্ৰ ৰাজ্যমন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে। এই সন্দৰ্ভত মন্তব্য কৰি মন্ত্ৰীজনে তেওঁৰ মন্ত্ৰালয়ৰ প্ৰতিনিধিৰ লগতে, বাণিজ্য মন্ত্ৰালয়, ঔদ্যোগিক নীতি আৰু প্ৰতিষ্ঠান বিভাগ, ইণ্ডিয়া ছেম্বাৰ্ছ অব কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰী কনফেডাৰেশ্যন অব ইণ্ডিয়ান ইণ্ডাষ্ট্ৰীজ আৰু অইল এণ্ড গেছ অপাৰেটৰ্ছৰ প্ৰতিনিধিবৰ্গক অন্তৰ্ভুক্ত কৰা হ'ব বুলি জানিবলৈ দিয়ে। সমিতিখনে মূলতঃ হ্ৰস্বকালীন পদক্ষেপ হিচাপে প্ৰয়োজনীয় সা-সামগ্ৰী সংগ্ৰহৰ লগতে স্থানীয় প্ৰসঙ্গসমূহকো সংগ্ৰহৰ বাবে যোগ্যতা প্ৰদান কৰিব পৰাকৈ মাপকসমূহৰ উপযুক্ত সংশোধনৰে ৰাজহুৱা সংগ্ৰহ বিধিৰ পুনৰীক্ষণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ লগতে মধ্যকালীন পদক্ষেপ হিচাপে তেল উদ্‌ঘাটন ক্ষেত্ৰত ৫০ শতাংশ পৰ্যন্ত থলুৱাকৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে বিধি-ব্যৱস্থা যুগুতাই উলিয়াব। আনহাতে, তৈল ক্ষেত্ৰসমূহৰ বাবে প্ৰয়োজন হোৱা সেৱা যেনে- জাহাজ নিৰ্মাণ, সাগৰীয় তৈল খননৰ বাবে মঞ্চ নিৰ্মাণ কৰা, ৰিগ আদি নিৰ্মাণকৰিব পৰাকৈ উৎসৰ্গিত নিৰ্মাণ মণ্ডল অথবা গোট স্থাপনৰ বিধি-ব্যৱস্থাও যুগুতাব এই সমিতিয়ে।

উল্লিখিত কাৰ্যাৱলীৰ উপৰি সমিতিখনে দেশতে ঘৰুৱাভাৱে নিৰ্মাণ কৰিব সা-সৰঞ্জাম আৰু সামগ্ৰীসমূহ চিনাক্তকৰণৰ প্ৰক্ৰিয়াও সম্পন্ন কৰিব।

প্ৰসঙ্গক্ৰমে মন্ত্ৰীজনে তথ্য দাঙি ধৰি কয় যে দেশত বৃদ্ধি পোৱা গেছৰ চাহিদা পূৰণ কৰিবলৈ গেছ অথৰিটী অব ইণ্ডিয়াই ইতিমধ্যে ৩.৫ এমটিপিএ এল এন গেছ লুছিয়ানাৰ ছেবাইন পাছ টাৰ্মিনেলৰ পৰা আৰু আমেৰিকাৰ মেৰিলেণ্ডৰ ক'ভ পইন্ট টাৰ্মিনেলৰ পৰা ২.৩ এমপিটিএ পৰিমাণৰ এল এন গেছ অহা ২০ বছৰৰ বাবে ৰপ্তানি কৰাৰ উদ্যোগ গ্ৰহণ কৰিছে।

# আন্তঃগাঁথনি আৰু পৰ্যটন উন্নয়ন

* মনোজ দীক্ষিত

সামগ্ৰীৰ ৰূপত পৰ্যটনক এটা জটিল উপভোগ অভিজ্ঞতা বুলি ব্যাখ্যা কৰা হৈছে। পৰ্যটকে গ্ৰহণ কৰা বিভিন্ন সেৱা (তথ্য-পাতি আহৰণ,তুলনামূলক মূল্য, পৰিবহন সেৱা, থকা-মেলাৰ দিহা আৰু মনোৰঞ্জন সেৱা) ৰ মাধ্যমেৰে এই অভিজ্ঞতা আহৰণ কৰা যায় (গুণ-১৯৮৮)। লক্ষ্যস্থানৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰেক্ষাপট আৰু সামগ্ৰিক ভাৱে ঠাইডোখৰৰ গতি-প্ৰকৃতি নিৰ্দ্ধাৰণ কৰা অন্যান্য প্ৰসংগসমূহৰ আধাৰতে পৰ্যটকে আহৰণ কৰা অভিজ্ঞতাৰ স্বৰূপ নিৰ্ণীত হয়। মাৰ্ফি এই এলে (২০০০) এনে সামগ্ৰীৰ চাহিদা আৰু যোগান সম্পৰ্কীয় ব্যাখ্যা দাঙি ধৰাৰ লগতে ভ্ৰমণৰ সময়ছোৱাত পৰ্যটনথলী এডোখৰৰ বিভিন্ন কথাই কেনেদৰে এদল পৰ্যটকৰ দৃষ্টি আকৰ্ষণ কৰে তাৰো বিশ্লেষণ আগবঢ়াইছিল।

স্মিথে (১৯৯৪) সামগ্ৰীৰ ৰূপত পৰ্যটন অভিজ্ঞতা সৃষ্টিৰ ক্ষেত্ৰত সেৱা-আন্তঃগাঁথনিৰ বিশেষ ভূমিকা থকাৰ কথাটো প্ৰথম ব্যাখ্যা কৰিছিল। তেওঁ পৰ্যটন থলী এডোখৰৰ সামগ্ৰিক পাৰিপাৰ্শ্বিকতা আৰু অৱয়বৰ আধাৰত সেৱা আন্তঃগাঁথনি নিৰ্মাণৰো পৰামৰ্শ আগবঢ়াইছিল । আনহাতে পৰ্যটন থলী এডোখৰৰ আন্তঃগাঁথনি পৰ্যায়, ব্যৱহাৰ অথবা অভাৱসমূহ যে বাৰুকৈয়ে দৃষ্টি গোচৰ হয় আৰু ইয়াৰ উত্তৰণ, উন্নয়ন আৰু পৰ্যাপ্ততাই যে ঠাইডোখৰত পৰ্যটকৰ সমাগম বৃদ্ধি কৰিব পাৰে সেই কথাও তেওঁ সোঁৱৰাই দিছিল। চ'য় (১৯৯২), বুহাৰিছ (২০০০) আৰু ক্ৰৌচ তথা ৰিৎচি (২০০০) এ স্মিথৰ দৃষ্টিভংগীক সমৰ্থন জনাইছে। ঠাই এডোখৰত ভ্ৰমণৰ পাচত পৰ্যটকসকলৰ মনত সৃষ্টি হোৱা সন্তুষ্টিৰ আধাৰতে তেওঁলোকৰ মনত ঠাইডোখৰৰ এটা ভাবমূৰ্তি গঢ়ি উঠে আৰু এই ভাবমূৰ্তি সৃষ্টিৰ ক্ষেত্ৰত সেৱা আন্তঃগাঁথনিয়ে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি কেউগৰাকী বিশ্লেষকে মত ব্যক্ত কৰিছে।

তুলনাত্মক আৰু প্ৰতিযোগিতা-মূলক বিশ্লেষণৰ জৰিয়তে পৰ্যটনথলী এডোখৰৰ জনপ্ৰিয়তাৰ প্ৰসংগক ভালকৈ অনুধাৱন কৰিব পৰা যায়। ক্ৰৌচ আৰু ৰিৎচি (১৯৯৯) এ কৰা অধ্যয়নৰ আধাৰত লক্ষ্যস্থান এডোখৰৰ প্ৰতিযোগিতামূলক নিৰ্ণায়ক সমূহক চিহ্নিত কৰিব পৰাকৈ এটা গোলকীয় চিত্ৰ (নক্সা-১) যুগুতাই উলিওৱা হৈছে। পৰ্যটনথলী এডোখৰ নিৰ্বাচনৰ ক্ষেত্ৰত এই চিত্ৰত উল্লেখ কৰা কাৰক সমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি বিশ্লেষক কেইগৰাকীয়ে দাবী কৰিছে।

**নক্সা-১ ঃ পৰ্যটনথলীৰ অভিজ্ঞতা**




কোনো এডোখৰ ঠাইৰ প্ৰতি পৰ্যটকসকল আকৰ্ষিত হোৱাৰ ক্ষেত্ৰত ঠাইডোখৰৰ সেৱা আন্তঃগাঁথনিয়ে বিশেষ কাৰকৰ ভূমিকা পালন কৰা দেখা যায়। নকলেও হ'ব যে পথ- ঘাটৰ সুন্দৰ ব্যৱস্থা, বিমান বন্দৰ, নৌবন্দৰ, বিদ্যুৎ সেৱা, পয়-প্ৰণালী ব্যৱস্থা, বিশুদ্ধ খোৱাপানীৰ যোগান আদিৰ দৰে প্ৰসংগসমূহৰ অনুপস্থিতিত কোনো এডোখৰ ঠাইৰ পৰ্যটন পৰিকল্পনা তথা বিকাশৰ কথা কল্পনাই কৰিব নোৱাৰি। সেয়েহে পৰ্যটনৰ উন্নয়নৰ বাবে আন্তঃগাঁথনিৰ উন্নয়নক অপৰিহাৰ্য অংগ বুলি বিবেচনা কৰাৰ লগতে উল্লিখিত উপাদান সমূহক পৰ্যটকৰ আকৰ্ষণৰ বুনিয়াদী সমল বুলিব পাৰি। অৱশ্যে এডোখৰ ঠাইত এনেবোৰ বুনিয়াদী আন্তঃগাঁথনি থাকিবই লাগিব বুলি বিবেচনা কৰি অহা হয় যদিও এইবোৰক পৰ্যটকৰ আকৰ্ষণৰ সমল হিচাপে বিকশিত কৰাৰ প্ৰয়াস চলোৱা নহয়। স্মিথ (১৯৯৪), আৰু ক্ৰৌচ তথা ৰিৎচি (১৯৯৯) এ কিন্তু এনেবোৰ সেৱা আন্তঃগাঁথনিয়ে পৰ্যটন অভিজ্ঞতা সৃষ্টিৰ ক্ষেত্ৰতো গ্ৰহণ কৰা ভূমিকাৰ এটা তাত্বিক ব্যাখ্যা আগবঢ়াইছে।

**ভাৰতীয় আন্তঃগাঁথনি আৰু পৰ্যটনঃ**

*** মনোজ দীক্ষিত লক্ষ্ণৌৰ য়ুনিভৰচিটি অৱ লক্ষ্ণৌৰ ইন্সটিটিউট অৱ টুৰিযম ষ্টাডিজ'ৰ সঞ্চালক। তেওঁ ভাৰতৰ কেইবাখনো বিশ্ববিদ্যালয়ৰ পৰ্যটন সম্পৰ্কীয় উপদেষ্টাধৰ্মী গৱেষণা বোৰ্ডৰ লগত জড়িত। তেওঁ পৰ্যটন সম্পৰ্কীয় দহখনৰো অধিক গ্ৰন্থ ৰচনা কৰিছে।**

আঞ্চলিক পৰ্যায়ত পৰিবহনৰ যোগান-শৃখল, সামাজিক আৰু পৰিৱেশ আন্তঃগাঁথনি যৌথ সহযোগিতাৰে পৰ্যটকৰ লক্ষ্যস্থান বিকশিত কৰাৰ বাবে লোৱা ব্যৱস্থা সমূহ হ'ল পৰ্যটন আন্তঃগাঁথনি।

*** পৰিবহণ আন্তঃগাঁথনিঃ** আন্তঃৰাষ্ট্ৰীয় আৰু ঘৰুৱা উৎস স্থানৰ পৰা পৰ্যটনৰ লক্ষ্যস্থানলৈ অহা-যোৱা কৰাৰ ক্ষেত্ৰত সুবিধা দান কৰা ব্যৱস্থাৱলী যেনেঃ বিমান বন্দৰ, পথ-ঘাট, ৰে'ল সেৱা আদি এই আন্তঃগাঁথনিৰ অন্তৰ্ভূক্ত।

*** সামাজিক আন্তঃগাঁথনি ঃ** পৰ্যটক থকা-মেলাৰ বাবে আগবঢ়াব পৰা আবাসৰ ব্যৱস্থা, প্ৰদৰ্শনী অথবা কাৰ্যসূচী ৰূপায়ণৰ বাবে বিপণী অথবা প্ৰেক্ষাগৃহ আদিৰ ব্যৱস্থা আদিক সামাজিক আন্তঃগাঁথনি বুলি অভিহিত কৰা হয়। হোটেল, অভিবৰ্তন কেন্দ্ৰ, ষ্টেডিয়াম, কলা বীথিকা,যান-বাহনৰ প্ৰৱেশ নিষিদ্ধ পৰ্যটনৰ সমাবেশ থলী আদি এনে আন্তঃগাঁথনিৰ উদাহৰণ।

*** পাৰিপাৰ্শ্বিক আন্তঃগাঁথনি ঃ** পৰ্যটক সেৱা সম্বলিত ৰাষ্ট্ৰীয় উদ্যান, নৌ-উদ্যান, সংৰক্ষিত বনাঞ্চল আদি এই আন্তঃগাঁথনিৰ অন্তৰ্ভুক্ত কৰা হৈছে।

*** সহযোগিতা মূলক আন্তঃগাথনিঃ** পৰ্যটনথলী, পৰ্যটন সমলৰ বিপণন বিতৰণৰে জড়িত থকা আঞ্চলিক, ৰাজ্যিক কিম্বা ৰাষ্ট্ৰীয় পৰ্যটন সংস্থাৰ জোঁটক এই আন্তঃগাঁথনিৰ অন্তৰ্ভুক্ত কৰা হৈছে।

পৰ্যটন আন্তঃগাঁথনি আৰু সমল সন্দৰ্ভত চিত্ৰ নং ১ ৰ জৰিয়তে এটা ব্যাখ্যা দাঙি ধৰা হৈছে। এই সমূহ পৰ্যটন আন্তঃগাঁথনি প্ৰাথমিক পৰ্যায়ত ব্যক্তিগত মূলধনৰে নিৰ্মাণ কৰা হয়। সেয়ে পৰ্যটন খণ্ডত হোৱা বিনিয়োগৰ ৭৮ শতাংশই ব্যক্তিগত খণ্ডৰ বুলি তথ্য উপলব্ধ হৈছে। আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ, হোটেল আদি ব্যক্তিগত খণ্ডত নিৰ্মিত আন্তঃগাঁথনি। ইফালে স্থল পথ, ৰে'ল পথ, নৌ বন্দৰ আদি পৰম্পৰাগত ভাবেই ৰাজহুৱা খণ্ডৰ আন্তঃগাঁথনি। অভিবৰ্তন কেন্দ্ৰ, ৰাষ্ট্ৰীয় উদ্যান আদিৰ দৰে ৰাজহুৱা সম্পদসমূহৰ দৰে আন্তঃগাঁথনিৰ নিৰ্মাণ সামাজিক আৰু পাৰিপাৰ্শ্বিক নীতিৰ উদ্দেশ্য পূৰ্ণ কৰাৰ লক্ষ্যৰে কৰা হয়।

'কোন্দে নাষ্ট'-এ পৃথিৱীৰ ১০খন শ্ৰেষ্ঠ পৰ্যটন লক্ষ্যৰ তালিকাত ভাৰতক অন্তৰ্ভূক্ত কৰিছে।

বিভিন্ন শ্ৰেণীৰ পৰ্যটনৰ সুযোগ পাব পৰা সম্ভৱত ঃ ভাৰতেই পৃথিৱীৰ একমাত্ৰ দেশ। ইয়াত পৰ্বতাৰোহণৰ পৰা বৰ্ষাৰণ্য ভ্ৰমণলৈ, ঐতিহ্য পৰ্যটনৰ পৰা দুঃসাহসিক পৰ্যটনলৈ, আয়ুৰ্বেদকে ধৰি অন্যান্য ভাৰতীয় শৈলীৰ চিকিৎসাসহ চিকিৎসা পৰ্যটন, আধ্যাত্মিক পৰ্যটন তথা বলুকা পৰ্যটন (প্ৰাচ্য দেশৰ ভিতৰত ভাৰতৰ উপকূলেই দীৰ্ঘতম ) আদিৰ সুবিধা একত্ৰে পোৱা যায়। পৃথিৱীৰ অন্যদেশৰ তুলনাত ভাৰতৰ পৰ্যটনথলীসমূহৰ বৈচিত্ৰ্যতা অধিক। ইয়াৰ প্ৰতিটো অঞ্চল, কিম্বা প্ৰতিখন ৰাজ্যৰ সংস্কৃতি, উৎসৱ-পাৰ্বন, সাজ-পাৰ, ঐতিহাসিক স্মাৰক তথা শিক্ষণ পদ্ধতি অনন্য।

যোৱা শতিকাৰ ৯০ দশকৰ প্ৰথম ভাগ পৰ্যন্ত ভাৰতীয় পৰ্যটন উদ্যোগে বিশেষ সফলতা লাভ কৰা নাছিল। ইফালে এইখিনি সময়ত অৰ্থনৈতিক প্ৰগতিৰ হাৰো লেহেমীয়া হোৱাহে পৰিলক্ষিত হৈছিল যদিও ইয়াৰ পৰৱৰ্তী সময়ত ভাৰতত পৰ্যটন উদ্যোগে পৃথিৱীৰ অন্যান্য দেশ সমূহক চেৰ পেলাবলৈ সক্ষম হৈছে। শেহতীয়া প্ৰেক্ষাপটত অৰ্থনৈতিক উন্নয়নৰ হাৰ ৫ শতাংশ হোৱাৰ সমান্তৰাল ভাবে নাগৰিক সকলৰো আয় বৃদ্ধি হ'বলৈ ধৰাত ৰাহি ধনেৰে ছুটী উপভোগ কৰাৰ বাবে দেশৰ অন্যান্য স্থানৰ উপৰি বিদেশ ভ্ৰমণ কৰা ব্যক্তিৰ সংখ্যাও লক্ষণীয় হাৰত বৃদ্ধি পাইছে। আক্ষৰিক অৰ্থতে এই প্ৰৱণতাই পৰ্যটন উদ্যোগৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰিবলৈ সক্ষম হৈছে। পৰ্যটকসকলক আকৰ্ষণ কৰিবলৈ ভাৰতত বিশাল সম্ভাৱনীয়তা মজুত হৈ আছে আৰু অনাগত দিনবোৰত ভাৰতীয় অৰ্থনীতিৰ শ্ৰীবৃদ্ধিত পৰ্যটন উদ্যোগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

বিভিন্ন সমস্যা থকা পাচতো বিদেশী মুদ্ৰা আহৰণৰ ক্ষেত্ৰত ভাৰতত পৰ্যটন উদ্যোগে দ্বিতীয় সৰ্ববৃহৎ উদ্যোগ হিচাপে পৰিচিতি লাভ কৰিছে। ২০১২ চনত এই উদ্যোগে দেশৰ মুঠ ঘৰুৱা উৎপাদনলৈ ৬.৬ শতাংশৰ অৰিহণা আগবঢ়োৱাৰ লগতে ৩৯.৫ নিযুত নিয়োগ সম্ভাৱনাৰো সৃষ্টি কৰিছিল। শেহতীয়া পাঁচোটা বছৰত ভাৰতলৈ অহা পৰ্যটকৰ মুঠ সংখ্যা ১৬ শতাংশ হাৰে বৃদ্ধি পাব বুলি পূৰ্বানুমান কৰা হৈছে। ২০১৩ চনত পৰ্যটন উদ্যোগে ৬৩,১৬০ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হয়। বছৰটোত ৫ নিযুতৰো অধিক বিদেশী পৰ্যটকে ভাৰত ভ্ৰমণ কৰাৰ বিপৰীতে ঘৰুৱা পৰ্যটকৰ সংখ্যা ৫০০ নিযুত বুলি তথ্য দাঙি ধৰা হৈছে।

উল্লিখিত তথ্যাৱলী বিশ্লেষণ কৰিলে দেখা যায় যে ভাৰতীয় পৰ্যটন উদ্যোগৰ বিকাশ কেৱল বিদেশী পৰ্যটকৰ ওপৰতে নিৰ্ভৰশীল নহয়। বৰং বহু সময়ত পৃথিৱী জুৰি অব্যাহত থকা বিভিন্ন সমস্যা তথা বিভিন্ন প্ৰান্তত অব্যাহত থকা সংঘাত আদিয়ে এনে পৰ্যটনক নেতিবাচক ভাবে প্ৰভাৱিত কৰাহে দেখা যায়। ইয়াৰ বিপৰীতে কিন্তু দেশৰ আভ্যন্তৰীণ পৰ্যটনৰ গতি সুস্থিৰে আগবঢ়া বুলিয়ে ক'ব লাগিব। দেশৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত উৎসৱ-পাৰ্বন, মেলা, মহোৎসৱ আদিয়ে পৰ্যটন উদ্যোগক বাৰুকৈয়ে উপকৃত কৰি আহিছে। উত্তৰ ভাৰতত অনুষ্ঠিত কুম্ভ মেলা, দক্ষিণ ভাৰতত অনুষ্ঠিত ওনাম বা মহামস্তকা-

ভিযেকৰ দৰে উৎসৱ-মহোৎসৱে বছৰি বিশাল পৰিমাণৰ পৰ্যটকৰ সমাৰেশ নিশ্চিত কৰে।

এই তথ্যাৱলী বিশ্লেষণ কৰিলে দেখা যায় যে পৰ্যটনৰ বিশাল সম্ভাৱনা থকাৰ পাচতো দেশৰ একাংশ অঞ্চল, ৰাজ্যই পৰ্যটকক আকৰ্ষণ কৰাত বিশেষ সফলতা লাভ কৰিব পৰা নাই। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ উপৰি চত্তিশগড়, লাক্ষাদ্বীপ আদিৰ দৰে অঞ্চলত প্ৰাকৃতিক সমলৰ প্ৰাচুৰ্য থকাৰ পাচতো পৰ্যটন আন্তঃগাঁথনিৰ অভাৱৰ পৰিণতিতে পৰ্যটকৰ সমাবেশ আশানুৰূপ হোৱা দেখা নাযায়।

বিশ্ব ভ্ৰমণ আৰু পৰ্যটন পৰিষদে প্ৰকাশ কৰা এখন প্ৰতিবেদনৰ পূৰ্বানুমান মতে২০১৪ চনত দেশৰ অৰ্থনীতিলৈ পৰ্যটন উদ্যোগে আগবঢ়োৱা অংশীদাৰিত্ব ৭.৩ শতাংশ হাৰত বৃদ্ধি পাব যদিও সামাগ্ৰিক ভাবে বছৰটোত অৰ্থনৈতিক বিকাশৰ হাৰ ২.৫ শতাংশহে হ'ব।

'ডিলইটি টাচচীয়ে চলোৱা সমীক্ষা অনুসৰি ভাৰতৰ পৰ্যটন ক্ষেত্ৰই ২০১৭ চনত ৪২.৮ বিলিয়ন মাৰ্কিন ডলাৰ পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হ'ব।

**তালিকা ২ ঃ ২০০১-২০১৩ লৈ ভাৰতলৈ অহা বিদেশী পৰ্যটকৰ সাংখিক তালিকা**

| বছৰ | পৰ্যটকৰ সংখ্যা | বাৰ্ষিক বৃদ্ধিৰ শতাংশ হাৰ |
|---|---|---|
| ২০০১ | ২৫৩৭২৮২ | -৪.২ |
| ২০০২ | ২৩৮৪৩৬৪ | -৬.০ |
| ২০০৩ | ২৭২৬২১৪ | ১৪.৩ |
| ২০০৪ | ৩৪৫৭৪৭৭ | ২৬.৮ |
| ২০০৫ | ৩৯১৮৬১০ | ১৩.৩ |
| ২০০৬ | ৪৪৪৭১৬৭ | ১৩.৫ |
| ২০০৭ | ৫০৮১৫০৪ | ১৪.৩ |
| ২০০৮ | ৫২৮২৬০৩ | ৪.০ |
| ২০০৯ | ৫১৬৭৬৯৯ | -২.২ |
| ২০১০ | ৫৭৭৫৬৯২ | ১১.৮ |
| ২০১১ | ৬৩০৯২২২ | ৯.২ |
| ২০১২ | ৬৫৭৭৭৪৫ | ৪.৩ |
| ২০১৩ | ৬৯৬৭৬০১ | ৫.৯ |

**সূত্ৰ ঃ ভাৰতৰ ব্যুৰো অব্ ইমিগ্ৰেশ্যন**

অৰ্থনৈতিক বিকাশৰ লেহেমীয়া গতি, নিৰাপত্তা সম্পৰ্কীয় প্ৰসংগসমূহৰ প্ৰত্যাহ্বান সত্বেও ভাৰতৰ পৰ্যটন উদ্যোগে বিকাশৰ ত্বৰান্বিত গতি অব্যাহত ৰাখিবলৈ সক্ষম

**তালিকা ৩ঃ (২০১২-১৩) ঘৰুৱা আৰু বিদেশী পৰ্যটকৰ সংখ্যা তালিকা**

| ক্ৰমিক নং | ৰাজ্য/ কেন্দ্ৰীয় শাসিত অঞ্চল | ২০১২ | | ২০১৩ | | বৃদ্ধিৰ হাৰ | |
|---|---|---|---|---|---|---|---|
| | | ঘৰুৱা | বিদেশী | ঘৰুৱা | বিদেশী | ঘৰুৱা | বিদেশী |
| ১ | আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ | ২৩৮৬৬৯ | ১৭৫৩৮ | ২৪৩৭০৩ | ১৪৭৪২ | ২.১০ | -১৫.৯ |
| ২ | অন্ধ্ৰ প্ৰদেশ | ২০৭২১৭৯৫২ | ২৯২৮২২ | ১৫২১০২১৫০ | ২২৩৫১৮ | -২৬.৬০ | -২৩.৬৭ |
| ৩ | অৰুণাচল প্ৰদেশ | ১৩২২৪৩ | ৫১৩৫ | ১২৫৪৬১ | ১০৮৪৬ | -৫.১৩ | ১১১.২২ |
| ৪ | অসম | ৪৫১১৪০৭ | ১৭৫৪৩ | ৪৬৮৪৫২৭ | ১৭৬৩৮ | ৩.৮৪ | ০.৫৪ |
| ৫ | বিহাৰ | ২১৪৪৭০৯৯ | ১০৯৬৯৩৩ | ২১৫৮৮৩০৬ | ৭৬৫৮৩৫ | ০.৬৬ | -৩০.১৮ |
| ৬ | চণ্ডীগড় | ৯২৪৫৮৯ | ৩৪১৩০ | ২২৮০১০৩১ | ৯৩৬৯২২ | ১.৩৩ | ১৭.৫৬ |
| ৭ | চত্তীশগড় | ১৫০৩৬৫৩০ | ৪১৭২ | ২২৮০১০৩১ | ৩৮৮৬ | ৫১.৬৪ | -৬.৮৬ |
| ৮ | দাদৰ আৰু নগৰ হাভেলী | ৪৬৯২১৩ | ১২৩৪ | ৪৮১৬১৮ | ১৫৮২ | ২.৬৪ | ২৮.২০ |
| ৯ | দমন আৰু ডিউ | ৮০৩৯৬৩ | ৪৬০৭ | ৮১৯৯৪৭ | ৪৮১৪ | ১.৯৯ | ৪.৪৯ |
| ১০ | দিল্লী | ১৮৪৯৫১৩৯ | ২৩৪৫৯৮০ | ২০২১৫১৮৭ | ২৩০১৩৯৫ | ৯.৩০ | -১.৯০ |
| ১১ | গোৱা | ২৩৩৭৪৯৯ | ৪৫০৫৩০ | ২৬২৯১৫১ | ৪৯২৩২২ | ১২.৪৮ | ৯.২৮ |
| ১২ | গুজৰাট | ২৪৩৭৯০২৩ | ১৭৪১৫০ | ২৭৪১২৫১৭ | ১৯৮৭৭৩ | ১২.৪৪ | ১৪.১৪ |
| ১৩ | হাৰিয়ানা | ৬৭৯৯২৪২ | ২৩৩০০২ | ৭১২৮০২৭ | ২২৮২০০ | ৪.৮৪ | -২.০৬ |
| ১৪ | হিমাচল প্ৰদেশ | ১৫৬৪৬০৪৮ | ৫০০২৮৪ | ১৪৭১৫৫৮৬ | ৪১৪২৪৯ | -৫.৯৫ | -১৭.২০ |
| ১৫ | জম্মু আৰু কাশ্মীৰ | ১২৪২৭১২২ | ৭৮৩০২ | ১৩৬৪২৪০২ | ৬০৮৪৫ | ৯.৭৮ | -২২.৭৯ |
| ১৬ | ঝাৰখণ্ড | ২০৪২১০১৬ | ৩১৯০৯ | ২০৫১১১৬০ | ৪৫৯৯৫ | ০.৪৪ | ৪৪.১৪ |
| ১৭ | কৰ্ণাটক | ৯৪০৫২৭২৯ | ৫৯৫৩৫৯ | ৯৮০১০১৪০ | ৬৩৬৩৭৮ | ৪.২১ | ৬.৮৯ |
| ১৮ | কেৰালা | ১০০৭৬৮৫৪ | ৭৯৩৬৯৬ | ১০৮৫৭৮১১ | ৮৫৮১৪৩ | ৭.৭৫ | ৮.১২ |
| ১৯ | লাক্ষাদ্বীপ | ৪৪১৭ | ৫৮০ | ৪৭৮৪ | ৩৭১ | ৮.৩১ | -৩৬.০৩ |
| ২০ | মধ্যপ্ৰদেশ | ৫৩১৯৭২০৯ | ২৭৫৯৩০ | ৬৩১১০৭০৯ | ২৮০৩৩৩ | ১৮.৬৪ | ১.৬০ |
| ২১ | মহাৰাষ্ট্ৰ | ৭৪৮১৬০৫১ | ২৬৫১৮৮৯ | ৮২৭০০৫৫৬ | ৪১৫৬৩৪৩ | ১০.৫৪ | ৫৬.৭৩ |
| ২২ | মণিপুৰ | ১৩৪৫৪১ | ৭৪৯ | ১৪০৬৭৩ | ১৯০৮ | ৪.৫৬ | ১৫৪.৭৪ |
| ২৩ | মেঘালয় | ৬৮০২৫৪ | ৫৩১৩ | ৬৯১২৬৯ | ৬৭৭৩ | ১.৬২ | ২৭.৪৮ |
| ২৪ | মিজোৰাম | ৬৪২৪৯ | ৭৪৪ | ৬৩৩৭৭ | ৮০০ | -১.৩৬ | ৭.৫৩ |
| ২৫ | নাগালেণ্ড | ৩৫৯১৫ | ২৪৮৯ | ৩৫৬৩৮ | ৩৩০৪ | -০.৭৭ | ৩২.৭৪ |
| ২৬ | ওড়িশা | ৯০৫২৮৭১ | ৬৪৭১৯ | ৯৮০০১৩৫ | ৬৬৬৭৫ | ৮.২৫ | ৩.০২ |
| ২৭ | পুডুচেৰী | ৯৮১৭১৪ | ৫২৯৩১ | ১০০০২৭৭ | ৪২৬২৪ | ১.৮৯ | -১৯৪৭ |
| ২৮ | পঞ্জাব | ১৯০৫৬১৪৩ | ১৪৩৮০৫ | ২১৩৪০৮৮৮ | ২০৪০৭৪ | ১১.৯৯ | ৪১.৯১ |
| ২৯ | ৰাজস্থান | ২৮৬১১৮৩১ | ১৪৫১৩৭০ | ৩০২৯৮১৫০ | ১৪৩৭১৬২ | ৫.৮৯ | -০.৯৮ |
| ৩০ | ছিকিম | ৫৫৮৫৩৮ | ২৬৪৮৯ | ৫৭৬৭৪৯ | ৩১৬৯৮ | ৩.২৬ | ১৯.৬৬ |
| ৩১ | তামিলনাডু | ১৮৪১৩৬৮৪০ | ৩৫৬১৭৪০ | ২৪৪২৩২৪৮৭ | ৩৯৯০৪৯০ | ৩২.৬৪ | ১২.০৪ |
| ৩২ | ত্ৰিপুৰা | ৩৬১৭৮৬ | ৭৮৪০ | ৩৫৯৫৮৬ | ১১৮৫৩ | -০.৬১ | ৫১.১৯ |
| ৩৩ | উত্তৰ প্ৰদেশ | ১৬৮৩৮১২৭৬ | ১৯৯৪৪৯৫ | ২২৬৫৩১০৯১ | ২০৫৪৪২০ | ৩৪.৫৩ | ৩.০০ |
| ৩৪ | উত্তৰাখণ্ড | ২৬৮২৭৩২৯ | ১২৪৫৫৫ | ১৯৯৪১১২৮ | ৯৭৬৮৩ | -২৫.৬৭ | -২১.৪৭ |
| ৩৫ | পশ্চিমবংগ | ২২৭৩০২০৫ | ১২১৯৬১০ | ২৫৫৪৭৩০০ | ১২৪৫২৩০ | ১২.৩৯ | ২.১০ |
| | মুঠ | ১০৪৫০৪৭৫৩৬ | ১৮২৬৩০৭৪ | ১১৪৫২৮০৪৪৩ | ১৯৯৫১০২৬ | ৯.৫৯ | ৯.২ |

**মুদ্ৰঃ পৰ্যটকৰ মন্ত্ৰালয়, ভাৰত চৰকাৰ**

হৈছে। বিশ্বজোৰা অৰ্থনৈতিক সংকটে গুৰুতৰ ৰূপ ধাৰণ কৰাৰ মুহূৰ্ততো ভাৰতৰ অৰ্থনীতিয়ে সুন্দৰ প্ৰেক্ষাপট বৰ্তাই ৰখাৰ লগতে অৰ্থনীতিৰ কেতবোৰ ক্ষেত্ৰত পৃথিৱীৰ ভিতৰতে সৰ্বাধিক হাৰত বিকাশ লাভ কৰা অৰ্থনীতি হিচাপে পৰিগণিত হোৱাৰ সম্ভাৱনা অটুত ৰাখিব বুলিয়ে অভিমত ব্যক্ত কৰিছে ডিলইটি প্ৰতিবেদন খনত।

অদূৰ ভৱিষ্যতত পৰ্যটন উদ্যোগে বিশেষ সাফল্য লাভ কৰিব বুলি আশা কৰা হৈছে আৰু এনে প্ৰেক্ষাপটতে

এই উদ্যোগত দীৰ্ঘম্যাদী বিনিয়োগৰ বাবে বিনিয়োগকাৰীসকল আকৰ্ষিত হোৱা পৰিলক্ষিত হৈছে। পৰ্যটন খণ্ডৰ বিশাল সম্ভাৱনীয়তাক হৃদয়ংগম কৰিয়েই ভাৰতত থলুৱা তথা আন্তঃৰাষ্ট্ৰীয় হোটেল-শৃংখলৰ পয়োভৰ ঘটা দেখা গৈছে। সেইদৰে চিকিৎসা পৰ্যটনেও ভাৰতত দ্ৰুতগতিত প্ৰসাৰ লাভ কৰিছে। এই মূহুৰ্তত আমাৰ দেশৰ বহু বিলিয়ন ডলাৰ আয়ৰ সম্ভাৱনা থকা এই উদ্যোগৰ এটা উপযুক্ত পৰিৱেশ সৃষ্টিৰ বাবে প্ৰথম শ্ৰেণীৰ সুবিধা সম্বলিত আন্তঃগাঁথনি নিৰ্মাণৰ এটা ব্যক্ত কাৰ্যক্ৰম ৰূপায়িত হৈ থকা দেখা গৈছে।

**তালিকা ৭ — ভাৰতীয় পথ**

| | | |
|---|---|---|
| **ৰাষ্ট্ৰীয় ঘাই পথ/ এক্সপ্ৰেছ ঘাই পথ** | — | ৬৫,৫৯০ **কিলোমিটাৰ** |
| **ৰাজ্যিক ঘাইপথ** | — | ১,২৮,০০০ **কিলোমিটাৰ** |
| **গ্ৰাম্য পথ** | — | ২৬,৫০,০০০ **কিলোমিটাৰ** |

**সূত্ৰ ঃ** www.ibef.org/industry roodindia.aspx

**তালিকা ৪ — পৰ্যটনৰ নিযুত টকাৰ হিচাপত, ২০০৯-২০১৩**

| বছৰ | টকাৰ হিচাপত মাচুল | | মাৰ্কিন ডলাৰৰ হিচাপচ মাচুল | |
|---|---|---|---|---|
| | কোটি টকা | শতকৰা হ্ৰাস-বৃদ্ধি | নিযুত মাৰ্কিন ডলাৰ | শতকৰা হ্ৰাস-বৃদ্ধি |
| ২০০৯ | ৬৩৭০০ | ৪.৫ | ১১১৩৬ | -৩.৭ |
| ২০১০ | ৬৪৮৮৯ | ২০.৮ | ১৪১৯৩ | ২৭.৬ |
| ২০১১ | ৭৭৫৯১ | ১৯.৬ | ১৬৫৬৪ | ১৬.৭ |
| ২০১২ | ৯৪৪৮৭ | ২১.৮ | ১৭৭৩৭ | ৭.১ |
| ২০১৩ | ১০৭৬৭১ | ১৪.০ | ১৮৪৪৫ | ৪.০ |

**সূত্ৰ ঃ পৰ্যটনৰ মন্ত্ৰালয়ৰ বজাৰ গৱেষণা বিভাগৰ ২০১৩ বৰ্ষৰ পৰিসংখ্যা**

**তালিকা ৪ ঃ বিদেশী পৰ্যটক অহা শীৰ্যৰ ১৫ খন দেশ (২০১৩) (নিযুতৰ হিচাপত পৰ্যটকৰ সংখ্যা আৰু শতকৰা হাৰ)**

| ক্ৰমিক নং | উৎস দেশ | পৰ্যটনৰ সংখ্যা | অংশীদাৰিত্ব |
|---|---|---|---|
| ১ | ইউনাইটেড ষ্টেট অব আমেৰিকা | ১.০৮৫ | ১৫.৫৮% |
| ২ | ইউনাইটেড কিংডম | ০.৮০৯ | ১১.৬২% |
| ৩ | বাংলাদেশ | ০.৫২৫ | ৭.৫৩% |
| ৪ | শ্ৰীলংকা | ০.২৬২ | ৩.৭৭% |
| ৫ | ৰাছীয়ান ফেডাৰেশ্যন | ০.২৫৯ | ৩.৭২% |
| ৬ | কানাডা | ০.২৫৫ | ৩.৬৬% |
| ৭ | জাৰ্মাণী | ০.২৫২ | ৩.৬২% |
| ৮ | ফ্ৰান্স | ০.২৪৮ | ৩.৫৬% |
| ৯ | মালয়ছিয়া | ০.২৪৩ | ৩.৪৮% |
| ১০ | জাপান | ০.২২০ | ৩.১৬% |
| ১১ | অষ্ট্ৰেলিয়া | ০.২১৯ | ৩.১৪% |
| ১২ | চীন | ০.১৭৫ | ২.৫১% |
| ১৩ | ছিংগাপুৰ | ০.১৪৩ | ২.০৫% |
| ১৪ | থাইলেণ্ড | ০.১১৭ | ১.৬৮% |
| ১৫ | নেপাল | ০.১১৪ | ১.৬৩% |
| শীৰ্যৰ ১০ খন দেশৰ অংশীদাৰিত্ব | | ৪.১৬০ | ৫৯.৭০% |
| শীৰ্যৰ ১৫ খন দেশৰ অংশীদাৰিত্ব | | ৪.৯২৭ | ৭০.৭২% |

**সূত্ৰঃ পৰ্যটন মন্ত্ৰণালয়, ভাৰত চৰকাৰ**

থকা -মেলাৰ ব্যৱস্থা, পৰিবহন,মনোৰঞ্জনৰ ব্যৱস্থা আদিক এডোখৰ পৰ্যটন থলীৰ বাবে আকৰ্ষণৰ সমল বুলি বিবেচনা কৰা হয়। ঠাইডোখৰত উপলব্ধ হোৱা এইবোৰ সমলৰ মান আনতকৈনো কিমান উন্নত সেই বিষয়েও বিশেষ গুৰুত্ব বহন কৰে। সেয়ে এনেবোৰ সমলৰ বাবে আন্তঃগাঁথনি উন্নত কৰাৰ পূৰ্বে সাম্প্ৰতিক আন্তঃগাঁথনিৰ পুংখানুপুংখ তথ্য বিশ্লেষণৰ প্ৰয়োজনীয়তা থাকে।

ভাৰতৰ পৰ্যটন ক্ষেত্ৰত হঠাতে সৃষ্টি হোৱা জোৱাৰে যেন ভাৰতীয় পৰ্যটন উদ্যোগ প্ৰচণ্ড ৰূপত উজ্জীৱিত কৰি তুলিছে। সম্প্ৰতি সৃষ্টি হোৱা এই ধাৰা বৰ্তাই ৰখাৰ বাবে সেয়ে সংশ্লিষ্ট সকলো পক্ষই অহোপুৰুষাৰ্থ কৰাৰ বাবে সাজু হৈছে। পৰ্যটন উদ্যোগ দৰাচলতেই বিশাল পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰিব পৰা (ত্ৰিলিয়ন ডলাৰ ইণ্ডাষ্ট্ৰী) উদ্যোগ।
এই উদ্যোগৰ বাবেই ভাৰতক পৃথিৱীৰ আটাইতকৈ অধিক বিদেশী মুদ্ৰা অৰ্জন কাৰী আৰু নিয়োগ সম্ভাৱনা সৃষ্টিকাৰী দেশ হিচাপে চিহ্নিত কৰা হৈছে।

**তালিকা ৬ — ভাৰতত থকা হোটেল আৰু কোঠাৰ সংখ্যা (ভাৰত চৰকাৰৰ স্বীকৃতি প্ৰাপ্ত)**

**২০১৩ বৰ্ষত অনুমোদিত হোটেলৰ সংখ্যা আৰু ইয়াৰ কোঠাৰ সংখ্যা**

| হোটেলৰ শ্ৰেণী | হোটেলৰ সংখ্যা | কোঠাৰ সংখ্যা |
|---|---|---|
| এটা তাৰকাযুক্ত | ৮২ | ২০৮৬ |
| দুটা তাৰকাযুক্ত | ১২১ | ৩১৫৪ |
| ত্ৰি তাৰকাযুক্ত | ৬৩৭ | ২৬৬১৭ |
| চাৰিটা তাৰকাযুক্ত | ১১১ | ৭৭৩৮ |
| পঞ্চ তাৰকাযুক্ত | ৮৫ | ১০১২৮ |
| পঞ্চ তাৰকাযুক্ত (ডিলাক্স | ১০৬ | ২১৮২০ |
| এপাৰ্টমেন্ট হোটেল | ৩ | ২৪৯ |
| টাইম চেয়াৰ ৰিজৰ্ট | ১ | ৩১ |
| হেৰিটেজ হোটেল | ৪৬ | ১৩২২ |
| বি এণ্ডবি এষ্টাব্লিছমেন্টছ | ৩১ | ১৫৮ |
| অতিথি গৃহ | ৪ | ৬১ |
| অন্যান্য | ৩০ | ১৯৮৯ |

**সূত্ৰ ঃ পৰ্যটনৰ মন্ত্ৰালয়ৰ বজাৰ গৱেষণা বিভাগৰ ২০১৩ বৰ্ষৰ পৰিসংখ্যা**

যান-বাহন চলাচল কৰা পৃষ্ঠৰ প্ৰস্থৰ আকাৰৰ ভিত্তিত ৰাষ্ট্ৰীয় ঘাইপথ সমূহ পুনৰাই শ্ৰেণীভুক্ত কৰা হৈছে। সাধাৰণতে এটা লেন যুক্ত পথসমূহৰ প্ৰস্থ ৩.৭৫ মিটাৰ হোৱাৰ বিপৰীতে বহুলেন যুক্ত পথসমূহৰ প্ৰস্থ ৩.৫০ মিটাৰ হোৱা দেখা যায়। লেনৰ ভিত্তিত শ্ৰেণীবদ্ধ পথসমূহৰ শতাংশ হাৰ হ'ল—

| | |
|---|---|
| এক লেন | ৩২% |
| দুটীয়া বা মধ্যৱৰ্তী লেন | ৫৬% |
| ৪/৬/৮ লেনযুক্ত | ১২.১২% |

সূত্ৰ ঃ http: ibef.org/idustry -------india.aspx

এটা কথা সত্য যে ভাৰতত উত্তম পথৰ অভাৱ সদায়ে আছে। আমাৰ দেশৰ মাত্ৰ ১২ শতাংশ পথেহে বিশ্বমানৰ পথৰ স্বীকৃতি লাভ কৰাৰ যোগ্যতা অৰ্জন কৰিছে। আন্তঃৰাষ্ট্ৰীয় পৰ্যটকক আকৰ্ষণ কৰাৰ বাবে এই পৰিমাণ তেনেই সামান্য। ইয়াৰ বিপৰীতে সমগ্ৰ ইউৰোপৰ প্ৰেক্ষাপটেই অনন্য। উন্নত পথ-ঘাটৰ বাবেই মহাদেশৰখনৰ বিভিন্ন দেশত পৰ্যটকে ভ্ৰমণ কৰি আহ্লাদিত হয়। ইফালে উদণ্ড গাড়ীচালনায়ো ভাৰতৰ পৰ্যটন উদ্যোগত নেতিবাচক প্ৰভাৱে পেলাই আহিছে। প্ৰণিধানযোগ্য যে সৰ্বাধিক দুৰ্ঘটনা সংঘটিত হোৱা দেশৰ ভিতৰত ভাৰতৰ নামো আছে।

প্ৰায় ২৮ শতাংশ ঘূৰণ পথ, ৩৯ শতাংশ যাতায়ত পথ আৰু ৪১ শতাংশ মুঠ পথত বৈদুতিকীকৰণৰ ব্যৱস্থা কৰা হৈছে।

**আভ্যন্তৰীণ জল পৰিবহণঃ**

ভাৰতত জাহাজ চলাচল কৰিব পৰা ১৪,৫০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ জল পথ আছে। বিভিন্ন নদী, নলা, সাগৰৰ উজনি স্ৰোত আদিত এই পথ বিস্তাৰিত হৈ আছে। তথ্য মতে ২০০৬-০৭ বিত্তীয় বৰ্ষত এই জলপথ সমূহেৰে ২.০২ বিলিয়ন টন পৰিমাণৰ পৰিবহন সম্পন্ন কৰাৰ বিপৰীতে ৫০ নিযুত টন মাল-বস্তুৰ আদান প্ৰদান কৰা হয়। অৱশ্যে শেহতীয়া ভাবে গংগা-ভাগিৰথী, হুগলী নদীৰ লগতে ব্ৰহ্মপুত্ৰ, বৰাক, গোৱাৰ নদীসমূহৰ উপৰি কেৰালাৰ উজনি স্ৰোত,মুম্বাইৰ আভ্যন্তৰীণ জলপথ তথা গোদাবৰী-কৃষ্ণাৰ ব-দ্বীপ অঞ্চলত জাহাজৰ চলাচল নিয়ন্ত্ৰিত কৰা হৈছে। যন্ত্ৰচালিত জাহাজৰ চলাচলৰ উপৰি এইবোৰ পথত বিভিন্ন সামৰ্থৰ থলুৱা নাৱৰ চলাচলো আৰম্ভ কৰা হৈছে।

**ভাৰতৰ বিমান বন্দৰ ঃ**

আজিৰ তাৰিখত ভাৰতত ৪৬ টা বিমান বন্দৰ আছে। অৱশ্যে ইয়াৰে একাংশ বিমান বন্দৰৰ সৈতে দেশৰ অন্য প্ৰান্তৰ সংযোগ স্থাপন কৰা হোৱা নাই। সেয়ে বহু সময়ত ৰে'লৰ তুলনাত ভাৰতত বিমান যাত্ৰা অধিক সময় খৰছী হোৱা দেখা যায়। উদাহৰণ স্বৰূপে যদি কোনো এজন ব্যক্তিয়ে আগ্ৰাৰ পৰা বাৰাণসী কিম্বা জয়পুৰলৈ বিমানৰে যাব খোজে, তেন্তে তেওঁ প্ৰথমে দিল্লীলৈ যোৱাটো বাধ্যতামূলক হ'ব। ভাৰতৰ বিমান বন্দৰ সমূহৰ তালিকাখন সিপিঠিত উল্লেখ কৰা হ'ল—

পৰ্যটন বিপ্লৱে সৃষ্টি কৰা বিশাল সম্ভাৱনাৰ সুযোগ যদি ভাৰতে গ্ৰহণ কৰিব নোৱাৰে তেন্তে ইয়াৰ বাবে নিজকে দোষাৰোপ কৰাৰ বাহিৰে গত্যন্তৰ নাথাকিব। কেৱল কিছু বিকাশমূলক পদক্ষেপ গ্ৰহণ কৰিয়েই আমাৰ দেশে এই উদ্যোগে সৃষ্টি কৰিব পৰা পৰিৱেশটোৰ সুফল ভোগ কৰিব পাৰিব। পিছে নক'লেও হ'ব যে, আজিৰ তাৰিখতো দেশখনত পৰ্যটন আন্তঃগাঁথনিৰ অভাৱ বাৰুকৈয়ে উপলব্ধ হৈয়ে আছে। বিমান বন্দৰ, ৰে'ল সেৱা, স্থল পৰিবহন, অতিথি সৎকাৰত নিয়োজিত প্ৰশিক্ষিত মানৱ-সম্পদ বিশ্বমানৰ ক্ৰয়কেন্দ্ৰ, উন্নত মানৰ

ভ্ৰমণ সুবিধা, চিকিৎসা পৰ্যটন, শিক্ষামূলক পৰ্যটন কিম্বা বৰ্তি থাকিব পৰা বিকাশযোগ্যতা আদি সকলো ক্ষেত্ৰতো বহু কৰণীয় আছে।

আন্তঃগাঁথনি নিৰ্মাণৰ দৰে প্ৰকল্প ৰূপায়ণত যিহেতু প্ৰসংগ জড়িত হৈ থাকে, সেয়ে জনপ্ৰিয়তাৰ আধাৰত পৰ্যটন বৰ্তনী চিনাক্ত কৰি উলিয়াই সংহত ৰূপত বিকাশ কাৰ্যক্ৰম সম্পাদন কৰাটো এক ধৰণৰ প্ৰত্যাহ্বান। সেয়ে এনে ক্ষেত্ৰত অতি সূক্ষ্ম বিশ্লেষণৰ আধাৰত পদক্ষেপ গ্ৰহণৰ প্ৰয়োজন। ভাৰতত আন্তঃগাঁথনিৰ সমস্যা কেৱল নিৰ্মাণ কৰাৰ সামৰ্থ নথকাৰ বাবেই উদ্ভৱ হোৱা বুলি ক'ব নোৱাৰি। বৰং বহু সময়ত প্ৰকল্প সমূহ ৰূপায়ণৰ অন্তিমক্ষণত উদ্ভৱ হোৱা কেতবোৰ সমস্যাৰ পূৰ্বানুমান

| ক্ৰমিক নং | ৰাজ্য /এলেকা | বিমান বন্দৰ নাম | মহানগৰ | শ্ৰেণী |
|---|---|---|---|---|
| ১ | আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ | বীৰ চভাৰকাৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ | প'ৰ্টব্লেয়াৰ | শুল্ক |
| ২ | অন্ধ্ৰ প্ৰদেশ | বিশাখাপট্টনম বিমান বন্দৰ | বিশাখাপট্টনম | শুল্ক |
| ৩ | অসম | লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ | গুৱাহাটী | শুল্ক |
| ৪ | বিহাৰ | জয়প্ৰকাশ নাৰায়ণ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ | পাটনা | শুল্ক |
| ৫ | গয়া | গয়া বিমান বন্দৰ | গয়া | শুল্ক |
| ৬ | চত্তিশগড় | স্বামী বিবেকানন্দ বিমান বন্দৰ | ৰাইপুৰ | ঘৰুৱা |
| ৭ | দমন আৰু ডিউ | ডিউ বিমান বন্দৰ | দিত্ত | ঘৰুৱা |
| ৮ | দিল্লী | ইন্দিৰাগান্ধী আঃৰাঃ বিমানবন্দৰ | নতুন দিল্লী | আন্তঃৰাঃ |
| ৯ | গোৱা | ডাবোলিম বিমান বন্দৰ | সমগ্ৰ ৰাজ্য | ঐ |
| ১০ | গুজৰাট | চৰ্দাৰ বল্লভ ভাই পেটেল আঃৰাঃ | আহমেদাবাদ | ঐ |
| ১১ | জম্মু আৰু কাশ্মীৰ | শ্ৰীনগৰ বিমান বন্দৰ | শ্ৰীনগৰ | শুল্ক |
| ১২ | | জম্মু বিমান বন্দৰ | জম্মু | ঘৰুৱা |

সিপিঠিত-

**তালিকা ১০ — ভাৰতত ৰে'লপথ**

| গজ | দৈৰ্ঘ্য (কি.মি.) | চলাচল কৰা পথ (কি.মি.) | মুঠ দৈৰ্ঘ্য (কি.মি.) |
|---|---|---|---|
| ব্ৰডগজ (১,৬৭৬ মি.মি.) | ৪৯,৮২০ | ৭১,০১৫ | ৯৩,৩৮৬ |
| মিটাৰ গজ (১.০০০ মি.মি.) | ১০,৬২১ | ১১,৪৮৭ | ১৩,৪১২ |
| নেৰ' গজ (৭৬২ মি.মি./ ৬১০০ মি.মি) | ২,৮৮৬ | ২,৮৮৮ | ৩,১৯৮ |

সূত্ৰ ঃ http: ibef.org/idustry -------india.aspx

কৰি তেনেবোৰ সমস্যাৰ সমাধানত দক্ষতা প্ৰদৰ্শন কৰিব নোৱাৰাৰ ফলতো ভাৱমূৰ্তি ম্লান পৰা দেখা যায়।

ভাৰতক বিকল্প পৰ্যটন লক্ষ্য হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে চৰকাৰে 'অতুল্য ভাৰত অভিযান'ৰ জৰিয়তে বিশাল পদক্ষেপ গ্ৰহণ কৰি আহিছে যদিও মহাদেশৰ আকাৰৰ দেশ হিচাপে ভাৰতলৈ অহা পৰ্যটকৰ সংখ্যা এতিয়াও উৎসাহজনক বুলি ক'ব পৰা বিধৰ নহয়। এই পৰিবেশৰ পৰিৱৰ্তন সাধন কৰিবলৈ হ'লে আমি আন্তঃগাঁথনিৰ ক্ষেত্ৰত বাহাল থকা অভাৱ বোৰ নোহোৱা কৰাৰ বাবে দ্ৰুত পদক্ষেপ গ্ৰহণ কৰাৰ লগতে পৰ্যটকসকলৰ আপ্যায়নৰ ক্ষেত্ৰত প্ৰতি গৰাকী নাগৰিকেই সদা সচেষ্ট ভূমিকা পালন কৰিব লাগিব। তেতিয়াহে বিদেশী পৰ্যটকৰ আগমনৰ হাৰ ৫ ৰ পৰা ৬ নিযুত ওপৰলৈ উঠাবলৈ আমি সক্ষম হ'ম। ভাৰত চৰকাৰে ইতিমধ্যে দেশৰ প্ৰতিখন ৰাজ্যতে পৰ্যটনৰ উপযুক্ত পৰিবেশ সৃষ্টি কৰিব পৰাকৈ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে এলানি নাতি নিৰ্দেশনা ঘোষণা কৰিছে। এই নিৰ্দেশনাৱলীৰ সফল ইতিবাচক ৰূপে পৰিবেশৰ পৰিৱৰ্তন ঘটাব বুলি আশা কৰা হৈছে।

**নিৰ্দেশনাৱলীৰ মূল প্ৰসংগ ঃ**

১) ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰে স্থপতিবিদ নিযুক্তি দিয়াৰ বাবে পদক্ষেপ গ্ৰহণ কৰা উচিত। এইক্ষেত্ৰত সংৰক্ষণ আৰু প্ৰাকৃতিক দৃশ্যপটৰ স্থপতিক বিশেষ গুৰুত্ব প্ৰদান কৰাৰ লগতে এই ক্ষেত্ৰত প্ৰয়োজন হোৱা পুঁজিৰ দিহা ৰাজ্য চৰকাৰ সমূহে নিজৰ উৎসৰ পৰাই কৰা উচিত।

২) পৰ্যটন প্ৰকল্পৰ বাবে প্ৰয়োজন হোৱা অনুমোদনাৱলীৰ বাবে সংশ্লিষ্ট চৰকাৰে ছিংগল উইণ্ডৰ ব্যৱস্থা কৰা উচিত।

৩) পৰ্যটন বৰ্তনী নিৰ্মাণ অথবা অন্য বৃহৎ প্ৰকল্প ৰূপায়ণৰ সময়ত জৱহৰলাল নেহৰু চহৰ নবীকৰণ অভিযানৰ সৈতে সমন্বয় স্থাপন কৰি পৰিকল্পনা যুগুত কৰা উচিত।

**চহৰাঞ্চলৰ পৌৰ সা-সুবিধা ঃ**

১) পৰ্যটন ক্ষেত্ৰ বাহিৰ আৰু ভিতৰত সকলোৱে ব্যৱহাৰ কৰিব পৰা সকলো বতৰৰ উপযোগী পথ-ঘাট, যোগাযোগ ব্যৱস্থা গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰসমূহে পদক্ষেপ গ্ৰহণ কৰা উচিত।

২) বিশেষ গুৰুত্ব দিব লগীয়া আন বিষয়সমূহ হ'ল ঃ

| | | | | |
|---|---|---|---|---|
| ১৩ | ঝাৰখণ্ড | বিৰ্চা মুণ্ডা বিমান বন্দৰ | ৰাঁচী | ঐ |
| ১৪ | কৰ্ণাটক | মাংগালোৰ বিমান বন্দৰ | মাংগালোৰ | শুল্ক |
| ১৫ | | বাংগালোৰ কেম্পেগৌড়া আঃৰাঃ | বাংগালোৰ | আন্তঃৰা |
| ১৬ | কেৰালা | ত্ৰিবান্দ্ৰম আন্তঃৰাষ্ট্ৰীয় বিমাঃবঃ | ত্ৰিবাদ্ৰ‌ম | ঐ |
| ১৭ | | কোঁচি আন্তঃৰাষ্ট্ৰীয় বিমাঃবঃ | কোঁচি | ঐ |
| ১৮ | | কালিকট আন্তঃৰাষ্ট্ৰীয় বিমাঃব | কালিকট | ঐ |
| ১৯ | লাক্ষাদ্বীপ | আগাট্ৰী বিমান কোঠ | আগ্ৰাট্ৰী | ঘৰুৱা |
| ২০ | মধ্যপ্ৰদেশ | ৰজা ভোজ বিমান বন্দৰ | ভোপাল | শুল্ক |
| ২১ | | দেৱী অহল্যাবাই বিমাঃবঃ | ইন্দোৰ | ঘৰুৱা |
| ২২ | মহাৰাষ্ট্ৰ | ছত্ৰপতি শিৱাজী আন্তঃৰাষ্ট্ৰীয় বিমাঃবঃ | মুম্বাই | আন্তঃৰা |
| ২৩ | | পুণে বিমান বন্দৰ | পুণে | শুল্ক |
| ২৪ | | ছিৰদি বিমান বন্দৰ | ছিৰডি | ভৱিষ্যৎ |
| ২৫ | | নিউ পুণে আন্তঃৰাষ্ট্ৰীয় | পুণে | ঐ |
| ২৬ | | ড° বাবা চাহেব আম্বেদকাৰ আঃৰাঃ | নাগপুৰ | শুল্ক |
| ২৭ | মণিপুৰ | তুলিহাল বিমান বন্দৰ | ইম্ফল | ঘৰুৱা |
| ২৮ | মেঘালয় | ছিলং বিমান বন্দৰ | ছিলং | ঐ |
| ২৯ | মিজোৰাম | লেংপুই বিমান বন্দৰ | আইজল | ঐ |
| ৩০ | নাগালেণ্ড | ডিমাপুৰ বিমান বন্দৰ | ডিমাপুৰ | ঐ |
| ৩১ | ওড়িশা | পাটনায়ক বিমান বন্দৰ | ভুৱনেশ্বৰী | ঐ |
| ৩২ | পুডুচেৰী | পণ্ডিচেৰী বিমান বন্দৰ | পুডুচেৰী | ঐ |
| ৩৩ | পঞ্জাব | শ্ৰী গুৰু ৰামদাসজী আঃৰাঃ | অমৃতসৰ | আন্তঃৰাঃ |
| ৩৪ | ৰাজস্থান | জয়পুৰ আন্তঃৰাষ্ট্ৰীয় | জয়পুৰ | শুল্ক |
| ৩৫ | ছিকিম | পাকিয়ং বিমান বন্দৰ | গেংটক | ভৱিষ্যৎ |
| ৩৬ | তামিলনাডু | চেন্নাই আন্তঃৰাষ্ট্ৰীয় | চেন্নাই | আন্তঃৰাঃ |
| ৩৭ | | তিৰুচেৰাপল্লী আঃৰা | তিৰুচেৰাপল্লী | শুল্ক |
| ৩৮ | তেলেংগানা | ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় | হায়দেৰাবাদ | আন্তঃৰাঃ |
| ৩৯ | ত্ৰিপুৰা | আগৰতলা বিমান বন্দৰ | আগৰতলা | ঘৰুৱা |
| ৪০ | উত্তৰা খণ্ড | জ'লীগ্ৰান্ট বিমান বন্দৰ | ডেৰাডুন | ঐ |
| ৪১ | উত্তৰ প্ৰদেশ | তাজ আন্তঃৰাষ্ট্ৰীয় | বৃহত্তৰ নয়দা | ভৱিষ্যৎ |
| ৪২ | | বাৰাণসী বিমান বন্দৰ | বাৰণসী | শুল্ক |
| ৪৩ | | আমাউছী বিমান বন্দৰ | লক্ষ্ণৌ | ঐ |
| ৪৪ | | আগ্ৰা বায়ু সেনা আস্থান | আগ্ৰা | ঘৰুৱা |
| ৪৫ | পশ্চিম বংগ | নেতাজী সুভাষ চন্দ্ৰ বসু আঃৰাঃ | কলকাতা | আন্তঃৰাঃ |
| ৪৬ | | বাগডোগ্ৰা বিমান বন্দৰ | শিলিগুড়ি | শুল্ক |

সূত্ৰ ঃ http: ibef.org/idustry -------india.aspx

* আৰ্হি বিধি, নৈঃসৰ্গিক আৰু প্ৰত্নতাত্বিক প্ৰসংগসমূহৰ অক্ষুণ্ণতা ৰক্ষা কৰা, সা-সামগ্ৰীৰ গুণ-মান, স্থায়িত্ব, তদাৰকী আদি

* পৰ্যাপ্ততা আৰু স্থলাভিষিক্ত কৰণ

* পিক্‌দানী / পেলনীয়া দ্ৰব্য পেলোৱা পাত্ৰ

* তথ্য / পথ নিৰ্দেশনা

* তথ্য আৰু পৰ্যটক সহায়তা তথা সহযোগিতা কেন্দ্ৰ

* ৰাজহুৱা প্ৰসাধন গৃহ

* যান-বাহন ৰখাৰ ব্যৱস্থা, প্ৰতিবন্ধীৰ উপযোগী সা-সুবিধা

৩) ভাৰতৰ সাংস্কৃতিক বৈভৱ সম্পৰ্কে তথ্যাৱলীৰ বহুল প্ৰচাৰ সম্ভৱ কৰিব পৰাকৈ উচ্চ মানৰ পৰ্যটন মানচিত্ৰ, নিৰ্দেশনা পুস্তিকা, চিডি, প্ৰচাৰ পত্ৰিকা, পৰ্যটন দিনপঞ্জী, সামৰি নিব পৰা মেৰা আদিৰ সঘন বিতৰণত ৰাজ্য চৰকাৰসমূহে উৎসাহ যোগোৱা উচিত ।

৪) প্ৰকল্প ৰূপায়ণ কৰা সংস্থাৰ হাতত পৰ্যাপ্ত ভূমি থকাৰ কথা বিস্তৃত প্ৰকল্প প্ৰতিবেদনত স্পষ্ট কৰিব লাগিব।

৫) পৰ্যটন থলী কিম্বা পৰ্যটন বৰ্তনীলৈ যোৱাৰ পথত প্ৰতি ৫০ কিলোমিটাৰ মূৰে মূৰে পথৰ দাঁতিত থাকিবলগীয়া সা-সুবিধা কেন্দ্ৰ স্থাপন কৰিব লাগিব।

৬) বিশ্ব পৰ্যটন সংস্থাৰ বিধি অনুসৰি যুগুতোৱা সংকেতৰ যথাসম্ভৱ ব্যৱস্থা কৰা উচিত।

৭) ৰাজ্য চৰকাৰসমূহে বৰ্তমানে থকা পৰ্যটকৰ সা-সুবিধাৱলীৰ উত্তৰণক পৰ্যটন নীতিৰ অন্তৰ্ভূক্ত কৰিব লাগিব।

৮) ৰাজহুৱা সা-সুবিধা সমূহৰ উত্তৰণ বিধি সন্মত ভাবে নিশ্চিত কৰিব পৰাকৈ পদক্ষেপ গ্ৰহণৰ দায়িত্ব কোনো সংস্থাৰ হাতত অৰ্পণ কৰা উচিত।

**ঐতিহ্য সংৰক্ষণ তথা স্মাৰক নিৰ্মাণঃ**

১) ৰাজ্য চৰকাৰসমূহে যতদূৰ সম্ভৱ পৰ্যটনথলী সমূহৰ ঐতিহ্য সংৰক্ষণৰ বাবে বিস্তৃত পৰিকল্পনা যুগুতোৱাৰ উদ্দেশ্যে গৱেষণা, তথ্য-পাতিৰ সংৰক্ষণ, মূল্যায়ণ, ক্ষয়-ক্ষতিৰ সমীক্ষণ, প্ৰৱন্ধন, পৰ্যটন আন্তঃগাঁথনি, পৰিবহন -সামৰ্থ্যৰ সমীক্ষণ, থলীৰ ব্যাখ্যা,সুৰক্ষা / প্ৰাথমিক চিকিৎসা, সাৰ্বজনীন প্ৰৱেশৰ ব্যৱস্থা, আৱৰ্জনা

প্ৰবন্ধন, সমূহীয়া ভাব-বিনিময় আৰু প্ৰকল্প ৰূপায়ণ অভিযানত অংশগ্ৰহণ, ব্যৱসায়িক পৰিকল্পনা আদি সম্পন্ন কৰাৰ ব্যৱস্থা কৰিব লাগিব।

২) ৰাজ্য চৰকাৰ সমূহে ঐতিহ্য ক্ষেত্ৰ তথা স্মাৰক সংৰক্ষণৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় বিধি নিৰ্দেশনা তথা ইউনেস্ক'ৰ চনদত উল্লেখ থকা নীতি অনুসৰণত গুৰুত্ব আৰোপ কৰিব লাগিব।

৩) স্মাৰক নিৰ্মাণৰ ক্ষেত্ৰত ইউ এন ডব্লিউ অ' আৰু এন এইচ এ আইৰ নীতি - নিৰ্দেশনা পালন কৰা উচিত।

৪) সংৰক্ষণ আৰু পৰ্যটন বিকাশ পৰিকল্পনা ৰূপায়ণৰ ক্ষেত্ৰত পৰ্যাপ্ত পুঁজি তথা তদাৰকী পৰিকল্পনা উপলব্ধ থাকিব লাগে।

৫) প্ৰকল্পৰ সময় নিৰ্দিষ্ট ৰূপায়ণৰ লগতে ৰূপায়ণোত্তৰ তদাৰকীৰ বাবে আন্তঃৰাষ্ট্ৰীয় মানৰ কৰ্ম পদ্ধতি ব্যৱহাৰত গুৰুত্ব দিব লাগিব।

৬) পৰিচালনা আৰু তদাৰকীৰ ক্ষেত্ৰত ৰাজহুৱা আৰু ব্যক্তিগত উভয় খণ্ডৰ যৌথ সহযোগিতা গ্ৰহণৰ ব্যৱস্থা কৰা উচিত।

**জলবায়ু সাপেক্ষ আৰু থলুৱা স্থাপত্যৰ ব্যৱহাৰ ঃ**

১) জলবায়ু সাপেক্ষ আৰু থলুৱা স্থাপত্যৰ ব্যৱহাৰ সম্ভৱ কৰিব পৰা আৰ্হি যুগতোৱাত গুৰুত্ব।

২) থলুৱা ভাবে উপলব্ধ সা-সামগ্ৰী আৰু প্ৰযুক্তিৰ লগতে থলুৱা আৰ্হিগ্ৰহণত গুৰুত্ব প্ৰদানৰ পোষকতা।

৩) পৰ্যটনথলীৰ সন্দৰ্ভত, অঞ্চলটোৰ পাৰিপাৰ্শ্বিকতা,চৰিত্ৰগত বৈশিষ্ট্য সম্পৰ্কে উদ্যোগটোৰে জড়িত সকলো কৰ্মীৰ জ্ঞান বৃদ্ধিত গুৰুত্ব আৰোপ কৰিব লাগিব।

**চহৰ দৃশ্যপট ঃ**

১) স্থানীয় ভাবে উপলব্ধ সা-সামগ্ৰী ব্যৱহাৰৰ জৰিয়তে স্থানীয় বৈশিষ্ট্য অক্ষুণ্ণ ৰখাত গুৰুত্ব দিয়া উচিত।

২) গছ-বিৰিখৰ ৰোপণৰ ক্ষেত্ৰতো স্থানীয় প্ৰজাতি নিৰ্বাচনত গুৰুত্ব প্ৰদান কৰিব লাগে।

৩) নিৰ্মাণৰ সময়তো সম্ভৱ হ'লে পৰম্পৰাগত কৌশল প্ৰয়োগত গুৰুত্ব আৰোপ কৰাৰ লগতে এনে সম্ভাৱনাৰ অনুসন্ধানক উৎসাহ জনোৱা উচিত।

৪) ৰাজ্য চৰকাৰ সমূহে নিম্নোলিখিত কথাবোৰ নিশ্চিত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা উচিত ঃ

* যৎ সামান্য উন্নয়ন সাধনৰ বাহিৰে যিমান দূৰ সম্ভৱ ঠাই এডোখৰৰ প্ৰাকৃতিক অৱয়বৰ পৰিবৰ্তন নঘটোৱা;

* বৰষুণৰ পানী সংৰক্ষণ, ভূ-তল জলৰ অপব্যৱহাৰ ৰোধ কিম্বা প্ৰবহণ শূন্য কৰা,

* নৈঃসৰ্গিক সৌন্দৰ্যৰ হানি-বিঘিনী নঘটাকৈ সুৰক্ষা নিশ্চিত কৰিব পৰা মিতব্যয়ী , সীমা-বেৰ নিৰ্মাণৰ বাবে আৰ্হি যুগুতাই উলিওৱা,

* সৌৰ চাকি কিম্বা নবীকৰণ-যোগ্য শক্তি চালিত চাকিৰ ব্যৱহাৰ উৎসাহিত কৰা;

* অভংগুৰ সামগ্ৰীৰ ন্যুনতম ব্যৱহাৰ নিশ্চিত কৰা;

৫) তলত উল্লেখ কৰা বিষয় সমূহৰ সন্দৰ্ভত ৰাজ্য চৰকাৰ সমূহ সচেষ্ট হ'ব লাগিব ঃ

* পানীৰ নাটনি থকা ঠাইত কৃত্ৰিম নিজৰা বা অন্যান্য জল-ভিত্তিক কথা-কৰ্মৰ পয়োভৰ যাতে নঘটে;

* নিৰাপত্তাৰ ক্ষেত্ৰত আপোচ নকৰাকৈ অধিক বিদ্যুৎ শক্তিৰ প্ৰয়োজন হোৱা বিশাল পৰিসৰৰ আলোকসজ্জাৰ প্ৰৱণতা নিয়ন্ত্ৰণত গুৰুত্ব দিয়া;

* প্ৰকল্প আৰম্ভ কৰাৰ পূৰ্বে পানীৰ উৎস, পানীৰ প্ৰয়োজনীয় প্ৰবাহ তথা জলসিঞ্চন পদ্ধতিৰ উপলব্ধতা নিশ্চিত কৰা;

* সহজে পাব পৰা বা ঢুকি পোৱা আন্তঃগাঁথনি নিৰ্মাণত গুৰুত্ব আৰোপ কৰা;

* প্ৰকল্প একোটাৰ সুৰক্ষিত ভৱিষ্যতৰ স্বাৰ্থতে আগন্তুক পাঁচোটা বৰ্ষৰ বাবে তদাৰকী পুঁজি আৰু পৰিকল্পনা যুগুতোৱাত গুৰুত্ব আৰোপ কৰা। এই পুঁজি ৰাজ্য চৰকাৰৰ পৃষ্ঠ পোষকতাৰে অথবা ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ যৌথ সহযোগিতাৰে গঠনত গুৰুত্ব দিয়া উচিত।

খাদ্য-কলা প্ৰতিষ্ঠান আৰু হোটেল প্ৰবন্ধন প্ৰতিষ্ঠান এডোখৰ প্ৰশস্ত ভূমিত নিৰ্মাণ কৰা উচিত।

১) ভৱিষ্যৎ সম্প্ৰসাৰণৰ বাবে ঠাই ৰখা উচিত যদিও তেনে মাটিত প্ৰেক্ষাগৃহ নিৰ্মাণ কৰিব নালাগে।

২) সম্পূৰ্ণ চৌহদৰ বাবেই পৰিকল্পনা যুগুতোৱা উচিত।

৩) প্ৰকল্পৰ অত্যাৱশ্যকীয় প্ৰয়োজনীয়তা পূৰণৰ বাবেহে নৈঃসৰ্গিক দৃশ্যপটৰ ব্যৱহাৰত গুৰুত্ব দিয়া উচিত।

ভাৰতৰ পৰ্যটন উদ্যোগে আজি অধিক উত্তৰণৰ বাবে প্ৰশস্ত পৰিবেশৰ দুৱাৰদলিত আহি উপস্থিত হৈছেহি। পিচে সেয়ে হ'লেও কেৱল ভাৰতৰ বাবেই সকলোৱে অপেক্ষা কৰি থাকিব সেই কথা মানি ল'লে সেয়া মূঢ়তাৰ বাহিৰে আন একো নহ'ব। কিয়নো পৰ্যটন উদ্যোগে অৰ্থনৈতিক উন্নয়নৰ বাবে কঢ়িয়াই অনা বিশাল সম্ভাৱনীয়তাৰ কথা প্ৰতিখন উন্নয়নশীল দেশেই আজি উপলব্ধি কৰিছে। চীন, থাইলেণ্ড, মালয়ছিয়া ইণ্ডোনেছিয়া আদিৰ দৰে দেশে পৰ্যটন আন্তঃগাঁথনি নিৰ্মাণৰ বাবে অহোপুৰুষাৰ্থ কৰিছে আৰু পৰ্যটকক আকৰ্ষিত কৰাৰ ক্ষেত্ৰত বিশেষ সাফল্যও লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ বিপৰীতে ভাৰতে কিন্তু এতিয়াও এই ক্ষেত্ৰত প্ৰাথমিকতা নিৰ্ধাৰণ কৰিবলৈকে বাকী আছে যেন অনুভূত হৈছে। কিয়নো এই পৰ্যন্ত গ্ৰহণ কৰা আঁচনি সমূহে যেন এতিয়াও উৎকৃষ্ট প্ৰদৰ্শন দাঙি

ধৰিবলৈ সক্ষম হোৱা নাই। এতিয়াও যেন কেৱল নাগৰিকৰ মন ভুলোৱা আঁচনি যুগুতোৱাতে মনোনিৱেশ কৰি থকা হৈছে। গুজৰাটৰ মুখ্যমন্ত্ৰী হৈ থকা কালত বৰ্তমানৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে পৰ্যটন আন্তঃগাঁথনি নিৰ্মাণত বিনিয়োগৰ দিহা কৰিছিল। অৱশ্যে এই বিনিয়োগৰ ফলাফল প্ৰত্যক্ষ কৰিবলৈ কিছু অপেক্ষা কৰিব লাগিব।

সামৰণি মৰাৰ আগতে এটা কথা ক'বই লাগিব যে যদিহে প্ৰৱেশ পোৱাৰ প্ৰক্ৰিয়া মসৃণ নহয় তেন্তে সকলো আকৰ্ষণেই অৰ্থহীন হৈ পৰে। সেয়ে ভাৰতীয় পৰিকল্পনাকাৰী সকলে বিষয়টো হৃদয়ংগম কৰা উচিত। ৰে'ল বা স্থল পথ পৰিবহনেই কেৱল পৰ্যটকৰ প্ৰয়োজন পূৰণ নকৰে। বিষয়বোৰ বিবেচনা কৰি উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিলে ভাৰতৰ অৰ্থনীতিয়ে আৰু অধিক উত্তৰণৰ মুখ দেখিবলৈ সক্ষম হ'ব।

**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

জুন ২০১৫ ঃ **বিকল্প চিকিৎসা**

উপৰোক্ত বিষয়সমূহৰ বাবে অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

**সম্পাদক, পয়োভৰা**
কে.কে.বি. পথ, নিউ কলনি, গৃহ নং-৭
চেনিকুঠি, গুৱাহাটী-৭৮১০০৩
ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# ভাৰতীয় পৰ্যটনৰ বাবে হিতকৰ প্ৰাথমিকতা

*** ৰত্নদীপ বেনাৰ্জী**

উজ্জীৱিত অৰ্থনৈতিক প্ৰেক্ষাপট আৰু বৰ্ণাঢ্য সাংস্কৃতিক বৈভৱৰ সুবাদত ভাৰতে বিশ্বজোৰা সম্ভ্ৰম আদায় কৰিবলৈ সক্ষম হৈছে। শেহতীয়া প্ৰেক্ষাপটত ভাৰতৰ আবাসীসকলেও যেন তেওঁলোকৰ বৰ্দ্ধিত আয়ৰ এটা অংশ ভ্ৰমণ বিলাসৰ নামত খৰছ কৰাৰ বাবে অৱকাশ উলিয়াব পাৰিছে। অৱশ্যে নক'লেও হ'ব যে ভাৰতীয় সমাজৰ প্ৰায় প্ৰতি স্তৰতে তীৰ্থ ভ্ৰমণৰ এটা পৰম্পৰা যুগ যুগ ধৰি অব্যাহত আছেই। 'ডী ইক'নমিক ফ'ৰাম ট্ৰেভেল এণ্ড টুৰিযম কম্পিটিটিভনেছ ৰিপৰ্ট, ২০১৩ ৰ সাংস্কৃতিক ঐতিহ্যৰ শিতানত ভাৰতক এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ একাদশ স্থানৰ দেশ বুলি চিহ্নিত কৰা হৈছে। আনহাতে প্ৰতিবেদনখনত প্ৰাকৃতিক সম্পদৰ ক্ষেত্ৰত ভাৰতক নৱম স্থান, সাংস্কৃতিক সম্পদৰ ক্ষেত্ৰত চতুৰ্বিংশতিতম্ স্থান আৰু সামগ্ৰিক ভাবে সকলো ধৰণৰ অৰ্থনৈতিক প্ৰেক্ষাপটৰ ক্ষেত্ৰত ৬৫ সংখ্যক স্থানত স্থূলাভিষিক্ত কৰা হৈছে।

এই উজ্জীৱিত পৰিস্থিতিত দেশৰ পৰ্যটন সম্ভাৱনীয়তাক কেনেকৈনো সৰ্বাধিক স্তৰলৈ উন্নীত কৰিব পৰা যাব? নিশ্চয় ইয়াৰ বাবে পৰ্যটনখণ্ডৰ বিভিন্ন শিতানক বিকশাই তোলাৰ বাবে সংহত পদক্ষেপ গ্ৰহণৰ উপৰি সামগ্ৰিক ভাবে উদ্যোগ অংশীদাৰিত্বৰ পুনৰীক্ষণ অতিকৈ জৰুৰী হৈ উঠিব। যিহেতু জনমতেহে পৰ্যটনৰ স্ফূৰণ ঘটাই ইয়াক বিস্তাৰিত কৰিব পাৰে, সেয়ে সেৱাৰ মাধ্যমেৰে সমাজৰ প্ৰতিটো স্তৰকে উদ্বেলিত কৰিব পৰাকৈ এটা বাতাবৰণ সৃষ্টি কৰাত গুৰুত্ব আৰোপ কৰিব লাগিব।

২০১২-১৩ বিত্তীয় বৰ্ষত দাখিল কৰা ভাৰতৰ অৰ্থনৈতিক সমীক্ষাৰ তথ্য মতে ২০০৯-২০১০ বৰ্ষত দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ ৬.৮ শতাংশ আগবঢ়াইছিল পৰ্যটন উদ্যোগে। ইয়াৰে ৩.৭ শতাংশ প্ৰত্যক্ষ ভাবে সংগৃহীত হোৱাৰ বিপৰীতে ৩.১ শতাংশ আছিল পৰোক্ষ সংগ্ৰহ। নিয়োগ সম্ভাৱনা সৃষ্টিৰ ক্ষেত্ৰত আকৌ পৰ্যটনে উল্লেখনীয় ভূমিকা পালন কৰি আহিছে। পৰ্যটন উদ্যোগে প্ৰত্যক্ষ ভাবে ৪.৪ শতাংশ নিয়োগ সম্ভাৱনা সৃষ্টি কৰাৰ বিপৰীতে পৰোক্ষ ভাবে সৃষ্টি কৰে ৫.৮ শতাংশ। পৰ্যটন মন্ত্ৰালয়ৰ তথ্য মতে ভাৰতৰ ভ্ৰমণ আৰু পৰ্যটন খণ্ডই প্ৰতি নিযুত টকা বিনিয়োগৰ বিপৰীতে ৭৮ টা মকৰলৰ পথ প্ৰশস্ত কৰিব পাৰে। ইয়াৰ তুলনাত উৎপাদনী খণ্ডই ৪৫ টাহে নিয়োগ সম্ভাৱনা সৃষ্টি কৰিব পাৰে। তদুপৰি পৰ্যটন খণ্ডত দক্ষতা ৰহিতৰ পৰা বিশেষজ্ঞলৈ বিভিন্ন ধৰণৰ নিযুক্তিৰ সম্ভাৱনা সৃষ্টি হোৱাৰ লগতে এই খণ্ডত মহিলা নিয়োজনৰ সুযোগ অধিক হোৱা দেখিবলৈ পোৱা যায়।

২০১৩ চনত ভাৰতলৈ অহা বিদেশী পৰ্যটকৰ সংখ্যা ৬.৯৭ নিযুত আছিল বুলি তথ্য দাঙি ধৰা হৈছে। ২০১২ বৰ্ষত এই পৰিমান আছিল ৬.৫৮ নিযুত। সেই অৰ্থত ২০১২ বৰ্ষৰ তুলনাত বছৰটোত বিদেশী পৰ্যটকৰ সংখ্যা বৃদ্ধিৰ শতকৰা হাৰ আছিল ৫.৯ শতাংশ। ইফালে ২০১২ ত ২০১১ ৰ তুলনাত এই পৰিমাণ ৪.৩ শতাংশ অধিক আছিল বুলি তথ্য পোৱা গৈছে। ২০১৩ বৰ্ষত আমাৰ দেশলৈ অহা আন্তৰাষ্ট্ৰীয় পৰ্যটকৰ সংখ্যা বৃদ্ধিৰ হাৰ ৫ শতাংশ হোৱাৰ বিপৰীতে ঘৰুৱা পৰ্যটকৰ সংখ্যা ৫.৯ শতাংশ হাৰে বৃদ্ধি পাইছিল। বছৰটোত ভাৰতলৈ অহা বিদেশী পৰ্যটকৰ ৯১.০ শতাংশ আকাশী পথৰে অহাৰ বিপৰীতে ০.৫ শতাংশ আহিছিল সাগৰীয়া পথেৰে। তথ্য মতে এইসকল বিদেশী পৰ্যটকৰ ৫২.৮ শতাংশই দিল্লী আৰু মুম্বাই বিমান বন্দৰত প্ৰথমে পদাৰ্পণ কৰিছিলহি। ভাৰতলৈ অহা এইসকল পৰ্যটক মূলতঃ আমেৰিকা, ইউনাইটেড কিংডম, বাংলাদেশ, শ্ৰীলংকা, ৰাছিয়া, কানাডা, জাৰ্মানী, ফ্ৰান্স, মালয়ছিয়া, জাপান, অষ্ট্ৰেলিয়া, চীন, ছিংগাপুৰ, থাইলেণ্ড আৰু নেপালৰ পৰা আহিছিল। ২০১৩ বৰ্ষত উল্লিখিত ১৫ খন দেশৰ পৰাই ৭০.৭২ শতাংশ পৰ্যটক আহিছিল ভাৰতলৈ। ৰাষ্ট্ৰসংঘই কৰা পূৰ্বানুমান মতে ২০১৬ ৰ ভিতৰত ভাৰতৰ পৰ্যটন খণ্ডৰ বিকাশৰ হাৰ ৮ শতাংশলৈ বৃদ্ধি পাব। ইফালে ২০১৩ চনত ভাৰতীয় পৰ্যটকৰ সংখ্যা ২০১২ চনৰ তুলনাত ৯.৬ শতাংশ হাৰে বৃদ্ধি পাই ১১৪৫.২৮ নিযুত হয়গৈ। ২০০২ চনত এই পৰিমাণ আছিল ১০৪৫.০৫ নিযুত গৰাকী।

দেশলৈ বৈদেশিক মুদ্ৰা আহৰণৰ

* ৰত্নদীপ বেনাৰ্জী ছপা আৰু বৈদুতীন মাধ্যমৰ যুক্ত সাংবাদিক। তেওঁ কলা, সংস্কৃতি বিষয়ত যুক্ত সাংবাদিক।

ক্ষেত্ৰত পৰ্যটন খণ্ডই এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ২০১২ চনত পৰ্যটন খণ্ডই ১৭.৭৪ বিলিয়ন পৰিমাণৰ মাৰ্কিন ডলাৰ আহৰণ কৰাৰ বিপৰীতে ২০১৩ চনত আহৰণ কৰিছিল ১৮.৪৫ বিলিয়ন মাৰ্কিন ডলাৰ। দুয়োটা বৰ্ষৰ তুলনাত্মক বিশ্লেষণত ২০১৩ চনত বিদেশী মুদ্ৰা বৃদ্ধিৰ পৰিমাণ ৪.০ শতাংশ আছিল বুলি তথ্য দাঙি ধৰা হৈছে। ২০১৬ চন পৰ্যন্ত কৰা পূৰ্বানুমান অনুসৰি ভাৰতলৈ অহা পৰ্যটকৰ সংখ্যা ১১.২৪ নিযুত হোৱাৰ বিপৰীতে ঘৰুৱা পৰ্যটকৰ সংখ্যা হ'বগৈ ১৪৫১.৪৬ নিযুত গৰাকী। ইয়াৰ জৰিয়তে ৩৩০.৩ বিলিয়ন মাৰ্কিন ডলাৰ সংগ্ৰহ কৰাৰ লগতে ২৪.৫ নিযুত পৰিমাণৰ নিয়োগ সম্ভাৱনা সৃষ্টি হ'ব বুলি আশা কৰা হৈছে।

**সামৰ্থ্য আৰু দক্ষতা বৰ্দ্ধনৰ পদক্ষেপঃ**

আমাৰ দেশৰ পৰ্যটন ক্ষেত্ৰখনত উন্নত মানৰ প্ৰশিক্ষিত মানৱ সম্পদৰ অভাৱ বাৰুকৈয়ে পৰিলক্ষিত হৈ আহিছে। এই অভাৱ দূৰ কৰিবলৈ হ'লে দেশত আন্তঃৰাষ্ট্ৰীয় মানৰ প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপনৰ আঁচনি গ্ৰহণ কৰিব লাগিব। তদুপৰি হোটেল মেনেজমেন্ট, ফুড ক্ৰাফ্‌ট প্ৰতিষ্ঠান আদি স্থাপনতো গুৰুত্ব প্ৰদান কৰিব লাগিব। দেশত ২০১১ চনৰ ৩১ জুলাই পৰ্যন্ত ১৬খন ৰাজ্যিক হোটেল প্ৰবন্ধন প্ৰতিষ্ঠান আৰু ১৩খন খাদ্য-কলা প্ৰতিষ্ঠান, নিৰ্মাণৰ প্ৰস্তাৱলৈ অনুমোদন জনোৱা হৈছেল। দেশত থকা সেৱা প্ৰদান কাৰী সংস্থাসমূহক উপকৃত কৰিব পৰাকৈ ইয়াৰে ১৫খন ৰাজ্যিক হোটেল প্ৰবন্ধন প্ৰতিস্থানত দক্ষতা পৰীক্ষণ তথা প্ৰত্যায়িত কৰণৰ ব্যৱস্থা উপলব্ধ কৰা হয়। ভৰত চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়ৰ তথ্য মতে ২০১০-১১ বৰ্ষৰ বাবে নিৰ্ধাৰণ কৰা লক্ষ্য ৫৫০০ ৰ বিপৰীতে বছৰটোও ৯৮৬৯ টা সেৱা প্ৰদানকাৰী প্ৰতিষ্ঠানক অৰ্হতাৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়।

ভাৰত চৰকাৰে ৰূপায়ণ কৰা 'হুনৰ চে ৰোজগাৰ তক' শীৰ্ষক ধ্বজাবাহী আঁচনিখনৰ জৰিয়তে ২৮ বছৰ পৰ্যন্ত বয়সৰ অষ্টম শ্ৰেণী উত্তীৰ্ণ যুৱক-যুৱতীক খাদ্য প্ৰস্তুতকৰণ, খাদ্য আৰু জলপান সেৱা সম্পন্ন কৰিব পৰাকৈ প্ৰশিক্ষণ দিয়াৰ লক্ষ্য গ্ৰহণ কৰা হৈছিল। ভাৰত চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়ৰ অধীনস্থ হোটেল প্ৰবন্ধন আৰু খাদ্য কলা প্ৰতিষ্ঠানসমূহৰ লগতে কেতবোৰ নিৰ্বাচিত তাৰকা সম্বলিত হোটেলৰ জৰিয়তে আঁচনিখন ৰূপায়ণৰ দিহা কৰা হৈছিল। ২০১০-১১ বৰ্ষত এই আঁচনিৰ জৰিয়তে ৫৫০০ গৰাকী যুৱক-যুৱতীক প্ৰশিক্ষণ প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল যদিও বছৰটোত ৬৯৮১ গৰাকী যুৱক-যুৱতীয়ে এই প্ৰশিক্ষণৰ সুযোগ লাভ কৰিবলৈ সক্ষম হয়।

**পৰ্যটন ক্ষেত্ৰত ভাৰতৰ স্থান ঃ**

আন্তঃৰাষ্ট্ৰীয় পৰ্যটক আগমণৰ ক্ষেত্ৰত পৃথিৱীৰ ভিতৰত ভাৰতৰ অংশীদাৰিত্বৰ শতাংশ হাৰ হ'ল ০.৬৪। বিশ্ব পৰ্যটকৰ আগমণৰ ক্ষেত্ৰত ভাৰতৰ স্থান হ'ল ৪২। আন্তঃৰাষ্ট্ৰীয় পৰ্যটকৰ সংগ্ৰহৰ ক্ষেত্ৰত ভাৰতৰ অংশীদাৰিত্ব হ'ল ১.৫৪ শতাংশ আৰু বিশ্ব পৰ্যটকৰ সংগ্ৰহৰ পৰিমাণ হ'ল ১৬। এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ ভিত্তিত উল্লিখিত শিতান কেইটাত ভাৰতৰ অংশীদাৰিত্ব ক্ৰমে ২.৮১ শতাংশ, ১২,১.৫৮শতাংশ আৰু ৮ ।

**সমবায় ভিত্তিক পৰ্যটন ঃ**

কোনো এডোখৰ ঠাইৰ প্ৰাকৃতিক আৰু সাংস্কৃতিক বৈভৱক মূল উপজীব্য হিচাপে লৈ পৰ্যটন সম্ভাৱনা বিকাশিত কৰাৰ ক্ষেত্ৰত স্থানীয় ৰাইজৰ সমন্বিত প্ৰচেষ্টাৰ জৰিয়তে ধাৰাবাহিক ভাবে অৰ্থনৈতিক বিকাশ সম্ভৱ কৰিব খোজা ধাৰণাকে সমবায় ভিত্তিক পৰ্যটন বুলি অভিহিত কৰিব পাৰি। এনে পৰ্যটনে সংশ্লিষ্টসকলক আয়ৰ বাট মোকলাই দিয়াৰ লগতে স্থানীয় কলা-কৃষ্টি সংৰক্ষণ-সংবৰ্দ্ধনতো ইতিবাচক ভূমিকা পালন কৰিব পাৰে। ইয়াৰ জৰিয়তে পৰম্পৰাগত স্থাপত্য, খাদ্যসম্ভাৰ, বস্ত্ৰ সম্পদে শ্ৰীবৃদ্ধি লাভ কৰে।

পিছে পৰ্যটন উদ্যোগৰ সৰহখিনি ক্ষেত্ৰতে এই পৰ্যন্ত ব্যক্তিগত প্ৰয়াসেই পৰিলক্ষিত হৈ আহিছে। সেয়ে উদ্যোগটোৱে আগবঢ়াব পৰা আৰ্থ-সামাজিক উপকাৰিতাসমূহৰ পৰা সমাজৰ সৰহখিনি লোক বঞ্চিত হৈ থাকিব লগা হৈছে। তদুপৰি পৰ্যটন উদ্যোগৰ বিপুল সম্ভাৱনাসমূহৰ বিষয়ে সজাগতাৰ অভাৱৰ পৰিণতিতে গ্ৰাম্যাঞ্চলৰ সাম্ভাৱ্য উদ্যোগীসকলেও এই ক্ষেত্ৰত মনোনিৱেশ কৰাৰ ক্ষেত্ৰত পিছপৰি আছে বুলি ভবাৰ থল আছে।

এই পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ সমবায় ভিত্তিক পৰ্যটনৰ ধাৰণা এটা উৎকৃষ্ট সমাধান সূত্ৰ হ'ব পাৰে। এই লক্ষ্যৰেই স্কটলেণ্ড চৰকাৰৰ আন্তঃৰাষ্ট্ৰীয় বিকাশ নিধিৰে পৰিচালিত সমবায় ভিত্তিক পৰ্যটন বিকাশ প্ৰকল্প 'য়েছ বেংক' ভাৰতবয়ে গ্ৰাম্যাঞ্চলত ৰূপায়ণৰ ব্যৱস্থা কৰিছে। এই পৰ্যন্ত উত্তৰাখণ্ড আৰু পশ্চিমবংগত ৰূপায়িত আঁচনিখন অনাগত সময়ত সমগ্ৰ দেশতে ৰূপায়ণৰ উদ্যোগ গ্ৰহণ কৰা হৈছে।

**আন্তঃগাঁথনি নিৰ্মাণ ঃ**

পৰ্যটন উদ্যোগৰ শ্ৰীবৃদ্ধিৰ বাবে উপযুক্ত আন্তঃগাঁথনি নিৰ্মাণ অতিকে গুৰুত্বপূৰ্ণ। এই কথা লক্ষ্য কৰিয়েই ভাৰত চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়ে উন্নত মানৰ আন্তঃগাঁথনি নিৰ্মাণৰ লগতে পৰ্যটন ক্ষেত্ৰৰ বিকাশ আৰু বৰ্তনী সৃষ্টিৰ লক্ষ্যৰে বৃহৎ প্ৰকল্প ৰূপায়ণৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত মন্ত্ৰালয়টোৱে ৰে'ল, ঘাঁইপথ,

খাদ্য সংসাধন, চহৰ উন্নয়ন আদি মন্ত্ৰালয়ৰ উপৰি সংশ্লিষ্ট ৰাজ্য চৰকাৰ সমূহৰ সহযোগত আঁচনি ৰূপায়ণৰ পৰিকল্পনা যুগুতাই উলিয়াইছে। এই উদ্দেশ্যে নিৰ্ধাৰণ কৰা ৫৩ টা বৃহৎ প্ৰকল্পৰ ৩৫টালৈ ইতিমধ্যে ভাৰত চৰকাৰে অনুমোদন জনাইছে। এইবোৰ প্ৰকল্পত সাংস্কৃতিক বৈভৱ, ঐতিহ্য, আধ্যাত্মিক আৰু জৈৱ বৈচিত্ৰ্যতাৰ সু-সমন্বয় ঘটাই পৰ্যটক সকলক সন্তুষ্টি প্ৰদানৰ লক্ষ্য গ্ৰহণ কৰা হৈছে।

**ঐতিহ্য-পৰ্যটন ঃ**

ঐতিহ্যৰ আকৰ্ষণ পৃথিৱীজোৰা। সেয়া লাগিলে প্ৰকৃতিগতই হওক, ঐতিহাসিক কিম্বা সাংস্কৃতিকেই হওক, সেই ঐতিহ্যই সকলোকে হাত বাউলি মাতিবই। ভাৰতৰ প্ৰেক্ষাপটত কিংবদন্তিয়েও যুগে যুগে ঐতিহ্যৰ ৰূপ পৰিগ্ৰহ কৰি আহিছে। এই ঐতিহ্যক পৰ্যটকৰ আকৰ্ষণৰ সমল নিশ্চয় কৰিব পাৰি। শেহতীয়া প্ৰেক্ষাপটত ভাৰতত এটা নতুন পৰিৱেশৰ সৃষ্টি কৰিছে। আজিৰ তাৰিখত ২৮ টা বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ গৰাকী হোৱাৰ সৌভাগ্য প্ৰদান কৰিছে ভাৰতক।

'ছন এট লুমিয়েৰ', 'ডায়েৰামা'ৰ পুনৰ প্ৰদৰ্শন আদিয়ে ঐতিহ্য পৰ্যটনৰ বিশাল সাফল্যকে প্ৰতীয়মান কৰিছে। অৱশ্যে এনে উপস্থাপনৰ বাবে তদানীন্তন পৰিৱেশ, পৰিস্থিতিৰ আভাস দিব পৰাকৈ প্ৰেক্ষাপট সৃষ্টি কৰাৰ প্ৰয়োজন হয়। সাৰ্থক ৰূপত এই কাৰ্য কৰি উলিয়াব পাৰিলে পৰ্যটক আহ্লাদিত হ'বই। এই সকল পৰ্যটকৰ মাজত আক্ষৰিক অৰ্থতে বিপুল সংখ্যক শিশুও থাকিব। অৱেশ্যে ঐতিহাসিক প্ৰেক্ষাপটৰ পুনৰনিৰ্মাণ সম্ভৱ কৰিবলৈ হ'লে বহু সংখ্যক গৱেষক, আৰ্হি প্ৰস্তুতকাৰক, বিজ্ঞানী-প্ৰযুক্তিবিদৰ সংঘবদ্ধ প্ৰয়াসৰ প্ৰয়োজন হয়।

ইফালে সংগীত, নৃত্যানুষ্ঠান, মহোৎসৱ, সাহিত্যৰ মেলা আদিয়েও পৰ্যটকৰ সমাবেশ সম্ভৱ কৰিব পাৰে। নিৰ্দিষ্ট বিষয়ত ৰাপ থকা পৰ্যটকৰ সমাবেশ এনে ক্ষেত্ৰত আশা কৰা যায়। আমাৰ দেশত প্ৰতিবছৰে হোৱা প্ৰায় ৩০০ৰো অধিক মেলাত হোৱা সমাৱেশে এই কথাৰ সত্যতা প্ৰতীয়মান কৰে। সেইদৰে মণিপুৰৰ পল' খেল, ৰিগেট্টা মহোৎসৱ আদি ইয়াৰ উৎকৃষ্ট নিদৰ্শন।

**গ্ৰাম্য-পৰ্যটন ঃ**

ঘৰুৱা পৰ্যটকৰ লগতে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ পৰ্যটকক আকৰ্ষিত কৰিব পৰাকৈ ভাৰতৰ গ্ৰাম্য-ঐতিহ্যই সদায়ে শক্তি আৰু সামৰ্থ্য বহন কৰি আহিছে। অৱশ্যে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ বিন্দু চিহ্নিত কৰি উলিয়াই সংশ্লিষ্ট ক্ষেত্ৰসমূহ যেনে— হস্ততাঁত বস্ত্ৰশিল্প, চাৰু-কাৰু শিল্প, চিত্ৰ-ভাস্কৰ্য আদিৰ বিকাশসাধনত গুৰুত্ব দিয়াৰ প্ৰয়োজন নিশ্চয় থাকিব। পৰ্যটকসকলৰ সৈতে বাৰ্তালাপ কৰিব পৰাকৈ স্থানীয় ৰাইজৰ মাজত থকা ভাষাৰ সমস্যা আঁতৰাব পাৰিলে এটা সুন্দৰ অভিজ্ঞতা আহৰণৰ পথ প্ৰশস্ত কৰিব পৰা যাব। বহু সময়ত পৰ্যটকক আকৰ্ষণৰ বাবে অস্থাৱৰ ঐতিহ্যৰ উত্তৰণ ঘটোৱাৰ লগতে এনে ঐতিহ্যৰ সংৰক্ষণতো মনোনিৱেশ কৰিব পাৰি।

গ্ৰাম্য ঐতিহ্যক সমল কৰি লৈ পৰ্যটন উদ্যোগৰ শ্ৰীবৃদ্ধি ঘটোৱাৰ ক্ষেত্ৰত কেৰালা আৰু হিমাচল প্ৰদেশে ইতিমধ্যে চমকপ্ৰদ সাফল্য লাভ কৰিবলৈ সক্ষম হৈছে। সেই আৰ্হিতে দেশৰ অন্যান্য প্ৰদেশসমূহতো ব্যৱস্থা গ্ৰহণ কৰিব পাৰিলে পৰ্যটন উদ্যোগে নিশ্চিত ৰূপতে বিশেষ মাত্ৰা লাভ কৰিব। এই ক্ষেত্ৰত চৰকাৰী বিভাগ, সংস্থাসমূহৰ লগতে স্বেচ্ছাসেৱী সংস্থাসমূহে সক্ৰিয় ভূমিকা গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা আছে। পৰ্যটকক আদৰিব পৰাকৈ গাওঁবাসীক সক্ষম কৰি তুলিবলৈ হ'লে অতিথি সেৱাৰ উন্নত কলা, লোক কলা, স্থানীয় ঐতিহ্য সন্দৰ্ভত সম্যক জ্ঞান দানৰ বাবে পৰিকল্পিত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব পাৰিলে পৰ্যটকৰ আকৰ্ষণ দুগুণে বাঢ়িব। তদুপৰি গ্ৰাম্য পৰ্যটনথলীৰ পাৰিপাৰ্শ্বিকতা ৰক্ষণা-বেক্ষণ দিয়া, পৰিৱেশ পৰিচ্ছন্নতা অটুত ৰখা, স্বাস্থ্য বিধিৰ তদাৰকী কৰা, আইন শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণত সতৰ্ক ভূমিকা পালন কৰাৰ ক্ষেত্ৰত স্থানীয় প্ৰশাসনে নিজৰ ভূমিকা পালন কৰিব লাগিব।

পৰ্যটকক আদৰাৰ দৰে এটা নিতান্তই স্পৰ্শকাতৰ প্ৰসংগত সংশ্লিষ্ট সকলো পক্ষই বিশেষ সতৰ্কতা অৱলম্বন কৰাৰ প্ৰয়োজনীতা আছে। কিয়নো সামান্য হীন-দেঢ়ি হ'লেই অতিথি অসন্তুষ্ট হ'ব আৰু এনে অসন্তুষ্টিয়ে মুহূৰ্তৰ ভিতৰতে সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাই সামগ্ৰিক ভাবে পৰ্যটন উদ্যোগটোক ক্ষতিগ্ৰস্ত কৰিব। সেয়ে স্থানীয় ৰাইজে অতিথি আপ্যায়নৰ লগে লগে তেওঁলোকৰ কথা-বতৰা, আচাৰ আচৰণত সংযমৰ পৰিচয় দিব লাগিব। ইফালে বহুসময়ত পৰ্যটকৰ পৰাও অভব্য আচৰণৰ সন্মুখীন হ'ব লগীয়া পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ আশংকা নথকা নহয়। সেয়ে এনে পৰিস্থিতিৰ মোকাবিলা কৰিব পৰাকৈ স্থানীয় ভাবে কেতবোৰ তদাৰকী সংস্থা গঠন কৰিলে সুফল পোৱাৰ সম্ভাৱনা বৃদ্ধি পাব।

গ্ৰাম্য পৰ্যটনৰ জৰিয়তে যদি গাঁও অঞ্চলৰ ৰাইজৰ আৰ্থ-সামাজিক বিকাশৰ গতি ত্বৰান্বিত কৰিব পাৰি তেন্তে সিয়ে গাঁৱৰ পৰা নগৰলৈ হোৱা প্ৰব্ৰজনকো ৰোধ কৰিব বুলি ভবাৰ থল ওলাব। এই পৰ্যন্ত দেশৰ ২৮ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ৰূপায়ণৰ বাবে ১৫৩ টা গ্ৰাম্য-পৰ্যটন প্ৰকল্পলৈ অনুমোদন জনাইছে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ে। এই সমূহ প্ৰকল্পৰ তালিকাত ৰাষ্ট্ৰসংঘৰ বিকাশ

প্ৰকল্পৰ সহযোগিতাৰে সম্পন্ন হ’ব লগা ৩৬ টা গ্ৰাম্য প্ৰকল্পকো অন্তৰ্ভুক্ত কৰা হৈছে। গ্ৰাম্য পৰ্যটনৰ বিকাশ অভিযানত ‘ট্ৰাইফেদ’ এক্সপা’ট প্ৰমোশ্যন কাউন্সিল অব হেণ্ডিক্ৰাফট’ৰ দৰে নিকায় সমূহে গুৰুত্ব পূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

**দুঃসাহসিক পৰ্যটন ঃ**

১৯৯২ চনৰ পৰৱৰ্তী সময়ছোৱাত হোৱা অৰ্থনৈতিক বিকাশৰ সুবাদত সৃষ্টি হোৱা প্ৰেক্ষাপটত দুঃসাহসিক পৰ্যটনৰ এটা পৰিবেশে গা-কৰি উঠা পৰিলক্ষিত হৈছে। বিশেষকৈ নতুন সহস্ৰাব্দৰ প্ৰাক্‌ক্ষণত দ্ৰুত উত্তৰণ ঘটা তথ্য-প্ৰযুক্তিৰ সুবাদত উৎফুল্লিত হোৱা পৰ্যটক, বিশেষকৈ যুৱ-প্ৰজন্মৰ পৰ্যটকসকলে আপেক্ষিক ভাবে অধিক ব্যয় সাপেক্ষ, প্ৰত্যাহ্বানমূলক দুঃসাহসিক পৰ্যটনৰ প্ৰতি অধিক ধাউতি প্ৰদৰ্শন কৰা দেখিবলৈ পোৱা গৈছে।

পৰ্যটনৰ এই উদীয়মান ক্ষেত্ৰখনৰ প্ৰবল সম্ভাৱনা অনুধাৱন কৰিয়েই ভাৰত চৰকাৰেও দুঃসাহসিক পৰ্যটনৰ উত্তৰণত বিশেষ গুৰুত্ব প্ৰদান কৰিছে। এনে ধৰণৰ পৰ্যটনত সমাজ-সাংস্কৃতিক আৰু প্ৰাকৃতিক পৰিপাৰ্শ্বিকতাত পৰা প্ৰভাৱ ন্যূনতম হোৱাৰ বিপৰীতে স্থানীয় শ্ৰমিকৰ সহযোগিতাৰ অধিক প্ৰয়োজন হয়। সেয়ে এনে পৰ্যটনৰ বিকাশে ৰাইজক উদ্যোগটোৰ সৈতে সমূহীয়াভাবে জড়িত হোৱাৰ সুযোগ দান কৰাৰ লগতে প্ৰকৃতি সংৰক্ষণৰ ক্ষেত্ৰতো ইতিবাচক প্ৰভাৱ পেলায়। এনে প্ৰংসংগসমূহ অনুধাৱন কৰিয়েই ভাৰত চৰকাৰে দুঃসাহসিক পৰ্যটনৰ বিকাশ সাধনৰ লক্ষ্যৰে বিভিন্ন আঁচনি-কৰ্মসূচী ৰূপায়ণৰ ব্যৱস্থা কৰাৰ উপৰি এই সংক্ৰান্তত বিধি-নিৰ্দেশনা ঘোষণা কৰিছে।

এই উদ্দেশ্যেই ২০০৯ চনত প্ৰতিৰক্ষা মন্ত্ৰালয়ে জম্মু আৰু কাশ্মীৰৰ ১০৪ টা শৃংগত দুঃসাহসিক পৰ্যটনৰ সুবিধা প্ৰদান কৰিব পৰাকৈ অনুমতি দিয়ে। ইফালে ২০১২ চনত হিমাচল প্ৰদেশক দুঃসাহসিক পৰ্যটনৰ বাবে দেশৰ শ্ৰেষ্ঠ ৰাজ্য হিচাপে নিৰ্বাচিত কৰা হয়। এই ধৰণৰ পৰ্যটনৰ বিকাশৰ উদ্দেশ্যে ভাৰত চৰকাৰে এছীয়ান ডেভেলপমেন্ট বেংকৰ অৰ্থ সাহাৰ্যৰে ৪৮২.২২ কোটি টকীয়া প্ৰকল্প ৰূপায়ণৰ দিহা কৰিছে।

**চলচিত্ৰ পৰ্যটন ঃ**

চলচিত্ৰ নিৰ্মাণৰ সৈতে পৰ্যটন সম্ভাৱনা জড়িত হৈ থাকে। ছবি এখনৰ নিৰ্মাণৰ বিভিন্ন পৰ্যায়ত বিশাল পৰিমাণৰ ধন-জনৰ ব্যৱহাৰ হোৱাৰ উপৰি বিভিন্ন ঠাইৰ মাজত অহা-যোৱা চলে। ছবিৰ দৃশ্য গ্ৰহণ, প্ৰাক-নিৰ্মাণ তথা নিৰ্মাণোত্তৰ কাম-কাজ, বিতৰণ আদিৰ নামত হোৱাত প্ৰক্ৰিয়াই পৰ্যটনৰ দুৱাৰ মুকলি কৰে। আজিৰ প্ৰেক্ষাপটত এনে কাম-কাজ এখন দেশৰ মাজতে সীমাবদ্ধ নাথাকি দুই বা তাতোধিক দেশলৈও সম্প্ৰসাৰিত হোৱা দেখিবলৈ পোৱা যায়। ইউৰোপ আমেৰিকাৰ দৰে উন্নত অৰ্থনীতিৰ দেশ সমূহত চলচিত্ৰ নিৰ্মাণ প্ৰকল্পত হোৱা বিশাল পৰিমাণৰ ধন-জনে পৰ্যটন উদ্যোগকো উপকৃত কৰি আহিছে। এনে প্ৰেক্ষাপটতে ভাৰতৰ দৰে দেশতো চলচিত্ৰ বিকাশ পৰিষদ সমূহৰ সৈতে পৰ্যটন বিকাশ পৰিষদ সমূহেও সহযোগিতাৰে ছবি নিৰ্মাতাসকলক উৎসাহিত কৰাৰ পদক্ষেপ গ্ৰহণ কৰা উচিত।

কোৱা বাহুল্য যে আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱসমূহে ছবিৰ লগতে সংশ্লিষ্ট দেশসমূহৰ পৰ্যটন বৈভৱৰো উৎকৃষ্ট প্ৰদৰ্শন সম্ভৱ কৰি তোলে। সেয়ে এনে মহোৎসৱক পৰ্যটন বিকাশৰ গুৰুত্বপূৰ্ণ হিচাপে গঢ়ি তুলিবলৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব পাৰি।

বছৰি ১০০০খনৰো ছবি নিৰ্মাণৰে ভাৰতে জগতজোৰা প্ৰসিদ্ধি লাভ কৰি আহিছে। পৃথিৱীৰ বিভিন্ন প্ৰান্তত সিচঁৰতি হৈ থকা বিপুল সংখ্যক ভাৰতীয় দৰ্শকৰ উপৰি ভাৰতীয় ছবিৰ গুণমুগ্ধ বিদেশী দৰ্শকৰ বৃহৎ পৰিসৰক লক্ষ্য কৰি কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে চলচিত্ৰ নিৰ্মাণ খণ্ডক ‘উদ্যোগ’ৰ স্বীকৃতি দান কৰিছে। বহু ৰাজ্যই আনকি কৰ ৰেহাই দানৰ দৰে পদক্ষেপ গ্ৰহণ কৰি চলচিত্ৰ নিৰ্মাতাসকলক উৎসাহিত কৰি আহিছে। জনমত গঠনৰ ক্ষেত্ৰত থকা ছবি একোখনৰ সামৰ্থ্যৰ কথা অনুধাৱন কৰিয়েই পৰ্যটন বিকাশৰ উদ্দেশ্যে ভাৰত চৰকাৰে ৰূপায়ণ কৰি থকা ‘অতুল্য ভাৰত’ অভিযানত চলচিত্ৰ সহযোগিতা বিচাৰি আনুষ্ঠানিকতা সম্পন্ন কৰা হৈছে। ২০১২ চনত কেন্দ্ৰীয় চৰকাৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সৈতে চলচিত্ৰ পৰ্যটনক উৎসাহিত কৰাৰ উদ্দেশ্যে পৰ্যটন মন্ত্ৰালয়ে চলচিত্ৰ নিৰ্মাণ মহোৎসৱৰ অনুষ্ঠিতকৰণ আদিৰ দৰে কাম-কাজৰ বাবে বিত্তীয় পৃষ্ঠপোষকতা আগবঢ়োৱাৰ ব্যৱস্থা কৰিছে। এই লক্ষ্যৰেই কেৰালা, চেন্নাই, কলকাতা, মুম্বাই আদিত আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱৰ অনুষ্ঠিতকৰণত সহযোগিতা আগবঢ়াবলৈ লৈছে পৰ্যটন মন্ত্ৰালয়ে। প্ৰসংগতে প্ৰণিধানযোগ্য যে দেশৰ মুঠ মাটিকালিৰ ৭.৯ শতাংশ আৰু মুঠ জনসংখ্যাৰ ৩.৮ শতাংশ বহন কৰা উত্তৰ-পূৰ্বাঞ্চলৰ বিপুল পৰিমাণৰ পৰ্যটন সম্ভাৱনা থকাৰ পিচতো কিন্তু অঞ্চলটো এতিয়াও উপেক্ষিত হৈয়ে আছে। অসমৰ বাহিৰে অঞ্চলটোৰ বাকীকেইখন ৰাজ্যৰ পৰ্যটন সম্ভাৱনীয়তাৰ যেন এতিয়াও উচিত মূল্যায়ন হোৱা নাই। এনে প্ৰেক্ষাপটত অঞ্চলটোৰ পৰ্যটন সম্ভাৱনীয়তাক বিশ্বব্যাপী প্ৰচাৰৰ পদক্ষেপ গ্ৰহণ কৰিব পাৰিলে অঞ্চলটোৰ লগতে সামগ্ৰিক ভাবে দেশৰে মংগল সাধন হ’ব।

# অৰ্থনৈতিক বিকাশত পৰ্যটনৰ ভূমিকা আৰু ভাৰতত ইয়াৰ প্ৰাসঙ্গিক বিষয়

***প্ৰেম সুব্ৰমণিয়াম**

সামগ্ৰিক বৰ্দ্ধনৰে দেশৰ অৰ্থনৈতিক বিকাশত উল্লেখযোগ্য বৰঙণি যোগাবলৈ পৰ্যটন সম্পদক উজ্জীৱিত কৰি তোলাৰ প্ৰকৃত সম্ভাৱনাৰ মোল এতিয়াও উপলব্ধ কৰিবলৈ ভাৰত সমৰ্থ হোৱা নাই। দ্বাদশ পৰিকল্পনাৰ তথ্যপাতিয়ে আন্তঃৰাষ্ট্ৰীয় পৰ্যটনৰ আগমন আৰু বৈদেশিক মুদ্ৰা অৰ্জনৰ প্ৰধান উদ্দেশ্য আৰু জাতিসংঘৰ বিশ্ব পৰ্যটন সংস্থাৰ ধাৰণাত্মক সহস্ৰা ঠিক বিকাশৰ ৩ লক্ষ্য আৰু বহনক্ষম বিকাশৰ লক্ষ্যত প্ৰাথমিক মনোযোগ প্ৰদানৰ পৰা আনফালে মোৰ লোৱাটোক প্ৰতিফলিত কৰিছে।

দ্বাদশ পৰিকল্পনাৰ তথ্যকাকতৰ মতে দ্বাদশ পৰিকল্পনা অধিক দ্ৰুত, অধিক সৰ্বাত্মক আৰু বহনক্ষম বিকাশৰ উদ্দেশ্যত উপনীত হোৱাৰ বাবে সহায় কৰাত পৰ্যটনৰ সম্ভাৱনা আছে। অধিক গুৰুত্বপূৰ্ণভাবে, দ্ৰাৰিদ্ৰৰ বিৰুদ্ধে ই এটা শক্তিশালী প্ৰতিকাৰক। ই দৰিদ্ৰসকলে ঘৰৰ দুৱাৰমুখলৈকে উপভোক্তা সামগ্ৰী আৰু সেৱাৰ লাভ কৰাৰ বিষয়ত বজাৰৰ আগম্যতাৰ অসুবিধাসমূহ আতঁৰ কৰে। ই মধ্যবৰ্ত্তিতাৰ প্ৰয়োজনীয়তা হ্ৰাস কৰে আৰু এনেদৰে ক্ষতিপূৰণ ব্যৱস্থাৰ উন্নতি সাধন কৰে। সি যি কি নহওক, যদিহে যোগান আৰু চাহিদাৰ ক্ষেত্ৰত থকা অসুবিধা সমূহ দূৰ কৰি তাৎপৰ্যপূৰ্ণভাৱে ভাৰতীয় পৰ্যটন খণ্ডৰ আন্তৰ্জাতিক প্ৰতিযোগিতাৰ উন্নয়ন সাধিব পৰা যায়, তেতিয়াহে ইয়াৰ সম্ভাৱনা পূৰামাত্ৰাই উপলব্ধি কৰিব পৰা যাব। আন্তৰ্জাতিক পৰ্যটকৰ উপৰিও ভাৰতত বৃহৎ ঘৰুৱা পৰ্যটন বজাৰো আছে। উৎপাদন আৰু মূল্যৰ ভিন্নতাই দেশখনৰ বৃহৎ ঘৰুৱা পৰ্যটন সম্ভাৱনৰ বিকাশৰ প্ৰয়োজনীয়তাকে সূচায়। মানসম্পন্ন, আন্তৰ্জাতিক উৎপাদনে এই বজাৰ মুকলি কৰিবলৈ সমৰ্থ নহয়। বাস্তৱিকতে বিদেশী পৰ্যটক সকল প্ৰাচুৰ্যময় জীৱনৰ পৰা সৰল আৰু আধ্যাত্মিক জীৱনৰ ভিন্নত বিচাৰি ভাৰতলৈ আহে। ই উৎপাদনত অভিযোজনা বিচাৰে। সেইকাৰণে, যোগানৰ বিষয়ত নতুন পৰ্যটন উৎপাদন চিনাক্ত কৰাৰ দৰ্কাৰ আৰু সৰ্বাত্মক অৱয়বি আৰু বিত্তীয় পৰিকল্পনাৰে সমূহীয়া অংশগ্ৰহণ প্ৰক্ৰিয়াৰ জৰিয়তে গন্তব্য স্থল আৰু আৱৰ্ত সৃষ্টি কৰিব লাগে। পৰ্যটকৰ সেৱাৰ বাবে প্ৰয়োজনীয় মানৰ দক্ষতা গঠন কৰি এইটো পৰিপূৰণ কৰিব লাগিব। একেদৰে, চাহিদাৰ দিশত তথ্যৰ অপ্ৰতিসমতা নিৰ্মূল কৰিবলৈ আৰু ব্ৰেণ্ড ইণ্ডিয়া সৃষ্টি কৰিবলৈ বহুমুখী সফল পৰ্যটন বজাৰ কৌশল গ্ৰহণ কৰাৰ দৰ্কাৰ। আন্তৰ্জাতিক গন্তব্য স্থল পছন্দৰ ক্ষেত্ৰত মূল্য নিৰ্দ্ধাৰণ গুৰুত্বপূৰ্ণ প্ৰভাৱশালী কাৰক হোৱা বাবে পৰ্যটক সকলে পৰিনিয়ত আৰোপণসহ মাত্ৰাধিক বোজা বহন কৰিব নোৱাৰে। সেয়েহে পৰ্যটন ক্ষেত্ৰৰ কৰ উত্তম আন্তঃৰাষ্ট্ৰীয় সাদৃশ্যৰে যুক্তিসিদ্ধ কৰা উচিত। পৰ্যটন আৱৰ্তৰ বিকাশ আৰু ব্ৰেণ্ড ইণ্ডিয়া নিৰ্মাণৰ বাবে সৰ্বাত্মক পৰিকল্পনা ৰূপায়ণৰ দায়িত্ব চৰকাৰক উলম্ব অৱস্থান আৰু ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডক অনুভূমিক অৱস্থানত ভগোৱা হৈছে। সেইকাৰণে এটা স্বচ্ছ আৰু সফল নীতি আৰু নিয়ন্ত্ৰক গাঁথনি, যথোপযুক্ত উদ্‌গণিমূলক গাঁথনি সৃষ্টি আৰু বিভিন্ন দাবীদাৰৰ কাৰ্যাৱলী একগোট কৰিবলৈ সংহত ব্যৱস্থা গঠনৰ বিষয়টো জৰুৰী হৈ পৰিছে।

দ্বাদশ পঞ্চ বাৰ্ষিক পৰিকল্পনাত (২০১২-১৭) পৰ্যটন দপ্তৰৰ কাৰণে মুঠ বাজেট সমৰ্থন আছিল ১৫,১৯০ কোটি টকা, আই ই বি আৰৰ বাবে ১৫৫ কোটি টকা ইয়াৰ বৰ্হিভূত।

সু-প্ৰশাসনৰ বাবে সাৰ্বজনীন ভাবে গ্ৰহণযোগ্য মন্ত্ৰ হ'ল শক্তিশালী ব্যৱস্থা আৰু মূল্যায়ণ বিচাৰ মান লাভ কৰিবলৈ আমি স্পষ্টকৈ আন্তৰ্জাতিকৰণ হোৱা নাই 'যিটো জুখিব নোৱাৰি, সেইটোত সফলো হ'ব নোৱাৰি'।

এতিয়া অনুমোদিত হোটেলৰ কোঠাৰ নিশাৰ আৰু পৰ্যটন মন্ত্ৰালয়ে প্ৰকাশ কৰা পৰ্যটন পৰিসংখ্যাৰ সম্পৰ্কৰ উদাহৰণ লওঁ।

২০১৩ চনৰ শেষত ভাৰতৰ

*** প্ৰেম সুব্ৰমণিয়াম সম্প্ৰতি ৰাজ্য চৰকাৰৰ স্বৰ্ণ অন্ধ্ৰ ২০২৯ ৰ নিৰ্দ্ধাৰিত কামৰ কাৰণে পৰ্যটন ইনপুট ক্ৰমবিকশিত কৰাৰ কাৰণে আৰ্ণছ এণ্ড য়াঙৰ পৰামৰ্শদাতা। কৰ্ণাটক টুৰিযম ইনফ্ৰাষ্ট্ৰাকচাৰ লিমিটেডৰ প্ৰতিষ্ঠা আৰু পৰ্যটন আইন যুগুত কৰণত পৰামৰ্শদাতা হিচাপে কাম কৰা শ্ৰী সব্ৰমণিয়মৰ পৰ্যটন বিকাশ প্ৰকল্প সৃষ্টিত বিস্তৃত অভিজ্ঞতা আছে।**

অনুমোদিত ১,২৪২ খন হোটেলৰ কোঠাৰ সংখ্যা মাত্ৰ ৭৬,৮৫৮ টা। কোঠা সম্পূৰ্ণ ভৰ্তি হৈ থকাৰ সময়ত ইয়াৰ পৰিমাণ হয় ৭৬,৮৫৮ X ৩৬৫ = প্ৰায় ২৮ নিযুত। আমাৰ বিদেশী পৰ্যটক ৭০ লাখ আৰু ১১৪ কোটি ৭০ লাখ ঘৰুৱা পৰ্যটক আছে। বিদেশী পৰ্যটকে খৰচ কৰে ৫১,৫৮৭ কোটি টকা আৰু প্ৰতি পৰ্যটকৰ খৰচৰ পৰিমাণ হ'ল ৭৩,৭০০ টকা (ইণ্ডিয়া টুৰিযম ষ্টেটিষ্টিকছ্ এট এ গ্লেন্স্-২০১৩)। আমি যদি এই পৰিসংখ্যা হিচাপ কৰোঁ আৰু এইছ ভি এছ এফ এইছ আৰ এ এলৰ বছৰেকীয়া জৰীপৰ বিৰুদ্ধে খাপ খুৱাও, তেনেহ'লে পোৱা যাব যে, আন্তৰ্জাতিক পৰিবহনৰ ২০ শতাংশৰো কম আৰু ঘৰুৱা বজাৰৰ কথমপি ০.০৫ শতাংশ সংগঠিত হোটেল খণ্ডই পৰিচালনা কৰে। এইটো যদি সচাঁ, তেনেহ'লে অসংগঠিত খণ্ডক নিয়ন্ত্ৰকৰ গাঁথনিলৈ আনি আমাৰ পৰ্যটন প্ৰক্ৰিয়াত নিৰ্ণায়ক উপাদান কৰা উচিত।

আমি যদি আন দেশৰ পৰ্যটন পৰিসংখ্যা, বিতং বিবৰণলৈ মন কৰো তেনেহ'লে দেখিবা যে আমি আৰু বহুদূৰ যাব লগা আছে, যদিও আন্তৰ্জাতিক পৰ্যটন পৰিসংখ্যা সংগ্ৰহৰ ক্ষেত্ৰত যুক্তিসংগত উৎকৰ্ষ সাধন হৈছে। পৰ্যটকৰ ভ্ৰমণৰ বিভিন্ন পৰ্যায়ত আমি যথেষ্ট পৰিমাণৰ পৰিসংখ্যা সংগ্ৰহ কৰিছোঁ কিন্তু খণ্ডটোৰ স্থিতিৰ বহু পৰিপ্ৰেক্ষা প্ৰদান কৰিবলৈ এইবোৰ সংহত ৰূপত পৰিলক্ষিত হোৱা নাই। প্ৰকাশ কৰাখিনিতকৈ আমি বেছি গোপন কৰো।

২০১২ চনৰ পৰিসংখ্যামতে ১২০ টা আচহুৱা কীৰ্তিস্তম্ভ যিবোৰত টিকট পদ্ধতি ব্যৱহাৰ কৰা হৈছে আৰু এ এছ আইৰ এক্তিয়াৰৰ ভিতৰত পৰে, সেই ঠাই সমূহৰ ৩০ লাখ বিদেশী আৰু ৪ কোটি ৬০ লাখ ঘৰুৱা পৰ্যটকে এই সময়ছোৱাত ভ্ৰমণ কৰে। বিদেশী পৰ্যটকে ভ্ৰমণ কৰা সবাতোকৈ শীৰ্ষত থকা ১০ টা কীৰ্তিস্তম্ভ ৭ টা দিল্লী আৰু আগ্ৰাত অৱস্থিত আৰু এই স্থানসমূহ ৬৫ শতাংশ টিকট বিক্ৰী হয়। প্ৰথমবাৰ দিল্লী আৰু আগ্ৰা ভ্ৰমণকৰাসকলে ৭ টা কীৰ্তিস্তম্ভৰ ভিতৰত নিচে কমেও ৫ টা পৰিমাণ কৰিব বুলি ধাৰণা কৰাটো দৰ্শন হ'ব পাৰে। সেইকাৰণে আমি তাজৰ বাবে ব্যৱহাৰ কৰা পৰিসংখ্যাটো ব্যৱহাৰ কৰো তেনেহ'লে সামৰণিটো হ'ব ১০ লাখতকৈ কম আন্তৰ্জাতিক পৰ্যটকে অন্তত এটা স্থাপত্য পৰিদৰ্শন কৰিব আৰু দিল্লী আৰু আগ্ৰালৈ অহা অৱসৰ বিনোদনৰ আন্তৰ্জাতিক পৰ্যটক তেনেহ'লে ০.৪ নিযুতৰ অধিক নহ'ব। আন ০.৩ নিযুত লোকে বোধহয় ব্যৱসায় সংক্ৰান্তত আগ্ৰা ভ্ৰমণ কৰে। যদি আমাৰ ইউ এছ পি আমাৰ নিৰ্মিত ঐতিহ্য, তেনেহ'লে ভ্ৰমণৰ সংখ্যা ইমান পুতৌজনক কিয়? ইয়াৰ এটা সাম্ভাব্য ডাঙৰ উত্তৰ হ'ব পাৰে যে — পুতৌজনক বৰ্ণনা ঐতিহ্য পূৰ্ণ স্থানত খাদ্য,বজাৰ কৰা, বিনোদন , উপভোগ্য কামত অংশগ্ৰহণৰ ক্ষেত্ৰত অতিৰিক্ত ধন ব্যয় কৰা সুবিধাৰ একো অস্তিত্ব নাই। আমি কিছু সংখ্যক দক্ষ পথ প্ৰদৰ্শক লগ পাইছোঁ কিন্তু বেছি ভাগেই নিৰ্ভৰ কৰে বিশেষকৈ দিল্লী আৰু আগ্ৰাত বজাৰ- সমাৰৰ কমিছনৰ ওপৰত আৰু ইয়াৰ ফলস্বৰূপে অতি পুতৌজনক ভ্ৰমণ অভিজ্ঞতাহে তেওঁলোকে দিব পাৰে।

প্ৰযুক্তিবিদ্যাৰ আগমনৰ কাৰণে বৰ্ণনাৰ উৎকৰ্ষ হ'ব পাৰে নেকি? দিল্লীৰ জাতীয় সংগ্ৰাহালয় আৰু যোধপুৰৰ মেহৰানগড় কিল্লা এই ক্ষেত্ৰত বিৰল অতিক্ৰম যি আনবোৰৰ বাবে উৎসাহ হিচাপে কাম কৰা নাই।

যদি কোনোবাই ভাৰতৰ এখন মহানগৰৰ নিয়মীয়া বাসিন্দাক তেওঁৰ মহানগৰৰ সংগ্ৰাহালয়টো কেতিয়া শেষ ভ্ৰমণ কৰিছিল প্ৰশ্ন কৰে তেনেহ'লে তাৰ সাম্ভাব্য উত্তৰ হ'ব পাৰে হয় বিদ্যালয় এৰাৰ পাচত বা যেতিয়া এজন ভ্ৰমণকাৰীক সংগ দিছিল। তথাপি দিল্লীৰ অক্ষয়ধামা মন্দিৰে এটা উদাহৰণ দেখুৱাইছে যে, এটা ভাল ভ্ৰমণকাৰী পৰিচালনা কাৰ্যসূচীৰে দিল্লীৰ বাসিন্দাৰ মনোযোগ ধৰি ৰখাটো সম্ভৱপৰ হ'ব পাৰে।

বাজেট বন্টনৰ এটা ডাঙৰ অনুপাত আন্তৰ্জাতিক ভ্ৰমণ বজাৰত অংশগ্ৰহণ আৰু উৎস বজাৰত কাৰ্য্যলয় চোৰা চিতাকে ধৰি উৎকৰ্ষ আৰু প্ৰচাৰত ব্যয় কৰা হয় । দায় কৰাৰ কাৰণে যদি আমি প্ৰচণ্ড আঘাত পাইছোঁ তাৰ লেখ আমাৰ আছেনে? ভ্ৰমণ বজাৰলৈ যাবলৈ যাৱতীয় অপৰ্যাপ্ত আৰু বিস্তৃত পি আৰত প্ৰভাৱ পেলাব পৰাকৈ কেন্দ্ৰীভূত নিয়োগে নাই। প্ৰতি উৎস বজাৰত কিমান নতুন ভ্ৰমণ অপাৰেটৰে ভাৰতৰ সন্দৰ্ভত বিস্তৃত ভ্ৰমণসূচী প্ৰকাশ কৰিছে? ভ্ৰমণৰ সময়সূচীৰ সংখ্যা কিমান? দলৰ আকাৰ? বিস্তৃত ভ্ৰমণসূচী সম্বলিত সংখ্যা বৃদ্ধি হৈছেনে ?

আমাৰ টি ভি ৰ প্ৰচাৰ অভিযান বোৰত লক্ষ্য নিৰ্দ্ধাৰণ কৰিবলৈ আমাৰ কিমানে প্ৰচেষ্টা চলাইছে? আৱন্টিত ধন ব্যয় কৰিবলৈ এইটো মাত্ৰ সহজ উপায় নেকি? অনুসন্ধানৰ ফলাফল কিমান বৃদ্ধি হ'ল? ইয়াৰ কিমানবোৰ ব্যৱসায়লৈ পৰিৱৰ্তিত হ'ল?

আমাৰ ৱেবছাইটবোৰ কিমান ভাল আৰু গ্ৰন্থ সামৰ্থ্যৰ লগত ইয়াৰ জোৰা নলগোৱা যোগসূত্ৰ আছেনে? সামাজিক মাধ্যম ব্যৱহাৰ কৰাত আমাৰ কিমান সক্ৰিয়তা আছে? সামাজিক মাধ্যমলৈ আগবঢ়োৱা অতিথ্যই এতিয়া ব্লগাৰক অন্তৰ্ভুক্ত কৰিছেনে? থাইলেণ্ডত টি বি ই এক্স সন্মিলনে ভ্ৰমণ ব্লগাৰৰ আয়োজন কৰিবলগীয়াটোৱে আমাক দেখুৱাইছে যে সময় সলনি হোৱাৰ লগে লগে আমাৰ প্ৰতিযোগী সকলো সলনি হৈছে।

উৎস বজাৰৰ মাজত উৎস বজাৰ আৰু খণ্ডৰ বিষয়ে আমি যথেষ্ট জানোনে

আৰু অ-ভ্ৰমণ অংশীদাৰৰ সৈতে অংশীদাৰত্বৰ জৰিয়তে এই খণ্ডবোৰত আমাৰ প্ৰচেষ্টাই লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে নে? সংখ্যা, ভ্ৰমণৰ ধৰণ, স্থানীয় নিয়োগ আৰু অন্যান্য নিৰ্ণায়ক উপাদানৰ ক্ষেত্ৰত কেৰালা আৰু গোৱাৰ মাজত থকা পাৰ্থক্যই সমুদ্ৰতীৰৰ পৰ্যটনৰ কাৰণে নিৰ্দ্ধাৰিত ধন দি ভাৰাত লোৱা জাহাজ পৰিবহনৰ ওপৰত কেৱল নিৰ্ভৰ কৰাতকৈ সতৰ্ক স্বতন্ত্ৰ ভ্ৰমণকাৰীক আহ্বান জনোৱাৰ প্ৰয়োজনীয়তা হ'ল এটা নিৰুত্তাপ প্ৰমাণ। মূলধন বিস্তৃত হোটেলসমূহৰ উন্নয়নলৈ গোৱাৰ স্থানীয় লোকসকলৰ বিৰূপ মনোভাৱ ভ্ৰমণৰ সৰ্বোচ্চ সময়ছোৱাত জুপুৰি ঘৰৰ অনুমোদন জনাই উপশম কৰা হৈছিল। সি যি কি নহওক, ই গোৱাক কম খৰচৰ গন্তব্যস্থলত পৰিণত কৰিলে আৰু অপৰাধ, নিচোযুক্ত দ্ৰব্য, যৌনকৰ্মীৰ গৃহ আদিৰ সংখ্যা বৃদ্ধিৰে পৰ্যটনৰ নেতিবাচক প্ৰভাৱবোৰো বৃদ্ধি কৰিছিল। কেৰালাৰ দুদিনীয়া বিস্তৃত ভাৰত ভ্ৰমণসূচী ৰাজ্যখনৰ ভিতৰত সামগ্ৰিক ভ্ৰমণলৈ ক্ৰমবিবৰ্তন আঞ্চলিক বিস্তৃতি আৰু বতৰকালীন বিস্তৃতিৰ বিষয়বোৰ কেনেকৈ অতিক্ৰম কৰিব পাৰি তাৰ এটা উজ্জ্বল উদাহৰণ। বাহিৰৰ বাণিজ্যিক অংশীদাৰক প্ৰভাৱিত কৰাৰ লক্ষ্যৰে উৎকৰ্ষিত কাৰ্যৰ কাৰণে মাৰ্ট অংশীদাৰত্বৰ এটা ভাল উদাহৰণ। চীন যদি এক নম্বৰৰ উৎস বজাৰ হিচাপে উদিত হয় তেনেহ'লে এই বজাৰত এটুকুৰা স্থান লাভ কৰিবলৈ আমি কি পদক্ষেপ গ্ৰহণ কৰিব লাগিব? সাক্ষাৎকাৰঃ গৃহ আৰু বিদেশত সফলতাৰ কাৰণে লব্ধ এঞ্জেলছৰ চি ই অ'ৰ কৌশল আৱিস্কাৰ আৰু http: www.news.lk/news/sri-lanka/ item/6880-sri -lanka-tourism strategy -china -2015 এ দেখুৱায় যে কেনেকৈ আনসকলে নিৰ্দ্ধাৰিত প্ৰচেষ্টা অনুসৰণ কৰে। আমাৰ প্ৰধানমন্ত্ৰীয়ে অলপতে কৰা ভ্ৰমণৰ সময়ত ৰামায়ণ গতিচিহ্ন প্ৰচাৰৰ কাৰণে শ্ৰী লংকাই কৰা ঘোষণাৰ এটা স্পষ্ট পৰিকল্পনা আছে। আমাৰ পৰিকল্পনা আঁচনি হ'ল উৎপাদন কেন্দ্ৰীভূত আৰু বজাৰ চালিত নহয়।

বিগত কেইটামান বছৰত ভাৰতত নিৰাপত্তা আৰু সুৰক্ষাৰ ধাৰণাৰ অবনতি ঘটিছে আৰু এন চি আৰ মণ্ডলত অৱসৰ বিনোদন পৰ্যটকৰ সংখ্যা তীব্ৰভাৱে হ্ৰাস পাইছে। অনাময়, স্বাস্থ্যবিধি, পৰিষ্কাৰ পৰিচ্ছন্নতাৰ ক্ষেত্ৰত উদ্বেগৰ সৃষ্টি হৈছে আৰু এইবোৰৰ নিৰাময়ৰ বাবে দ্বাদশ পৰিকল্পনাত প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। দিল্লীত মানসম্পন্ন ৰাজহুৱা শৌচাগাৰৰ উৎকৰ্ষৰ এটা উত্তম উদাহৰণ হ'ল দিল্লী পৌৰ কৰ্তৃপক্ষৰ সমৰ্থনত ফুৰাদ লক্ষন্তৱালাই কৰা নিৰৱচ্ছিন্ন প্ৰচেষ্টা। টি ভিত প্ৰচাৰ অভিযানৰ জৰিয়তে পৰ্যটকৰ আচৰণ সজাগতা সৃষ্টি কৰিবলৈ আমিৰ খানক ব্যৱহাৰ কৰাটোত সফল হৈছে, প্ৰকৃত আচৰণৰ প্ৰভাৱৰ স্থান আছে আৰু এইটো সামাজিক মাধ্যমত সংযোগ কৰাৰ জৰিয়তে আশ্চৰ্যকৰ জোৱাৰ আনিব পাৰিছে। প্ৰতিষ্ঠানিক খণ্ডলৈ পৰ্যটনৰ লাভ স্পষ্টভাৱে প্ৰদৰ্শন কৰিবলৈ আমাৰ যোগান শৃখল সমন্বয় শক্তিশালী কৰি তুলিব পাৰে। কেৰালাৰ কুডুম্বশ্ৰী উদ্‌গণি আৰু ৰ'গাৰ লেংবাৰছৰ ফৰাচী প্ৰতিষ্ঠান, সুৰিন্দৰ ভূৰৰ ফ্লেনডাৰ বিলাসী বস্ত্ৰৰ বিপনি হ'ল ইয়াৰ ভাল উদাহৰণ কিন্তু এই পদাংকই অধিক বিস্তৃতি বিচাৰে।

পৰ্যটনৰ উপকাৰ হ'ল -ই ভংগুৰতাত অৰ্থনৈতিক কাম সৃষ্টি কৰিব পাৰে, দুৰ্গম অঞ্চলত তুলনামূলকভাৱে নিঃকিন আন্তঃগাঁথনিৰে ভিন্ন দক্ষতাৰ মানুহৰ বিস্তৃত বৰ্ণালীৰে স্থানীয় নিয়োজন সৃষ্টি কৰিব পাৰে। দ্বাদশ পৰিকল্পনাৰ নথিত প্ৰতিষ্ঠানিক পৰ্যায়ত দক্ষতাৰ বিকাশৰ কাৰণে সুবিধাৰ বিষয়ে বিতংভাৱে উল্লেখ কৰা হৈছে। হুনাৰ চে ৰোজগাৰ আঁচনিৰ অধীনত অনুদান উপলব্ধ কৰা হৈছে আৰু ইয়াৰ শক্তিশালীকৰণে প্ৰতিষ্ঠান উপাৰ্জনলৈ অল্পবৃদ্ধি যোগ কৰাত সহায়ক হ'ব। পৰ্যটন মন্ত্ৰালয়ে ইউ এন ডি পিৰ সহযোগত ৩৯ খন গ্ৰাম্য স্থানত উদ্‌গণি আগবঢ়াইছিল কিন্তু এইবোৰৰ ভিতৰত ১৫ৰো কম শতাংশই অনুদান ব্যৱহাৰ কৰাৰ পাচত পূৰ্বৰ অৱস্থালৈ ঘূৰি যোৱাটো অব্যাহত ৰখাত প্ৰমাণ কৰিছে।

পৰ্যটন হ'ল তুমুল প্ৰতিদ্বন্দিতাৰ ব্যৱসায় আৰু সঠিক পৰ্যটক লাভ কৰাৰ বাবে মূল্য প্ৰস্তাৱৰ নিৰ্ণায়কৰ ক্ষেত্ৰত এটা ধাৰণা। দাৰিদ্ৰ্যৰ সাগৰত বিলাসী দ্বীপ হিচাপে বহু বেছি কৰ অভিমুখী আৰু কম সময়ৰ পৰিসৰত ইয়াৰ যুক্তিসিদ্ধতা পোৱা নাযায়। উদাহৰণস্বৰূপে এখন পঞ্চতাৰকাযুক্ত হোটেলত এসাঁজ ভাতৰ কৰ আৰু অন্যান্য কৰ সমূহে শক্তি, পানী, পেলনীয়া সামগ্ৰীৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত আগবঢ়োৱা পৰিচৰ্যা লাভবিহীন ৪০ শতাংশ তাৎক্ষণিক বিনোদন আগবঢ়ায়। একেদৰে পৰ্যটক যানবাহনৰ কাৰণে অতি উচ্চ আন্তঃৰাজ্যিক কৰৰ সত্বেও ঘাইপথৰ সা-সুবিধাসমূহ পৰ্য্যাপ্ত নহয়। ভাৰতত ৰাজহুৱা শৌচগাৰ ব্যৱহাৰ কৰাতকৈ পানী বেছি নাখাবলৈ লাগিলে দেহত নিৰ্জল অৱস্থাকে ভুগিবলৈ জাপানী মহিলাক পৰামৰ্শ দিয়া হয়।

পৰ্যটকসকলৰ নতুন চাহিদাৰ পূৰণৰ কাৰণে এই ক্ষেত্ৰবোৰৰ মানৰ উল্লেখযোগ্য পৰিবৰ্তন সাধিব লাগিব। বাহিৰৰ প্ৰতি (Out Bound) বজাৰৰ আবেগিক পৰামৰ্শ হ'ল নগৰীয়া ভাৰতীয়ই ভাৰতৰ ভিতৰত যাত্ৰা কৰিলে আন্তৰ্জাতিক গন্তব্য স্থলসমূহক অগ্ৰাধিকাৰ দিয়ো সেয়েহে বিকাশ, সামৰ্থ গঠন, মানসম্পন্ন নিশ্চিত কাৰ্যসূচী নিৰ্ণায়ক হোৱাৰ লগতে প্ৰাসঙ্গিক আন্তগাঁথনি হ'ব পাৰে। বিশ্ব মানৰ কিছুমান পৰম্পৰাৰ কাষ চপাতকৈ গ্ৰহণযোগ্য মান আগবঢ়োৱাৰ

প্ৰসংগত আন্তঃগাঁথনিৰ প্ৰয়োজনীয়তাত অৱলোকন কৰিব লাগিব।

স্থানীয় আৰু বিদেশ উভয়ৰ শিল্পউদ্যোগীক আকৰ্ষণ কৰিবলৈ বিনিয়োগ বতৰৰ উৎকৰ্ষ সাধনৰ অৱকাশ আছে।বৰ্তমান প্ৰধান মহানগৰসমূহত তথ্য আৰু প্ৰযুক্তিৰ পক্ষপাতিত্বৰে মাত্ৰ ব্যৱসায়িক হোটেলৰ ক্ষেত্ৰতহে আগ্ৰহ দেখা হৈছে । উপলব্ধ হোৱা লেণ্ড বেংকসমূহ বিস্তৃত কৰা হৈছে। অধিক সংখ্যক পৰিকল্পিত মহানগৰে চৌহদ পৰিবেশত সংস্কৃতি ৰন্ধনশৈলী, শিল্প আদিৰ মিলন সুংসহত কৰিছে আৰু প্ৰচেষ্টা চলাইছে পাৰ্কিং পেলনীয়া সামগ্ৰী ব্যৱস্থাপনা, শক্তি সংৰক্ষণ আদি কৰাৰ যুক্তিযুক্ততা প্ৰসঙ্গত কৰাৰ কাৰণে আগবঢ়াব পাৰে। ই প্ৰাক্ সম্ভাৱনাৰ প্ৰতিবেদনৰ বিষয়টোও সহজতৰ কৰি তুলিব। আইনগত প্ৰয়োজনৰ বাবে অনুমতি আদায় আগতীয়াকৈ কৰি থব পৰা যায়।ই ৰূপায়ণ সাধ্যতাৰ উকৰ্ষ কৰি প্ৰকল্প সমূহ সমাপ্ত কৰাৰ সময় নিচেও কমে ২৫ শতাংশ হ্ৰাস কৰিব।

যিকোনো কৌশলৰে কাৰ্যকৰী-কৰণত যথোপযুক্ত সাংগঠনিক গাঁথনিৰ দৰ্কাৰ।দূৰ্ভাগ্যজনকভাৱে ভাৰতত এইটো হোৱা নাই। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজৰ সম্পৰ্ক স্পষ্টভাৱে সংজ্ঞায়িত কৰাৰ সময়ত জিলা পৰ্যায়ত পৰ্যটন পৰিষদসমূহ পৰ্য্যাপ্ত পৰিমাণে স্বচ্ছ হোৱাটো প্ৰয়োজন আছে। কেইখনমান দেশৰ দৰে ভাৰততো বৃত্তিধাৰীক ঠিকাদাৰী ভিত্তিত অধিষ্ঠিত কৰাৰ দৰে কাৰ্যকৰী গাঁথনি নাই। এটা দপ্তৰৰ পৰা আন এটা দপ্তৰলৈ গতি কৰা আমোলাসকলে পৰ্যটনক জবাদিহিতা আৰু দায়িত্বৰ অবিহনে কৰদাতাসকলৰ খৰচত বিশ্বখন চোৱাৰ এটা সুবিধা হিচাপে জ্ঞান কৰে। গৃহ, অসামৰিক পৰিবহন, স্বাস্থ্য, বিত্ত পৰিবেশ আৰু বাণিজ্য মন্ত্ৰালয়ৰ অধীনত পৰা পৰ্যটনৰ বাবে বিভিন্ন মন্ত্ৰালয়ৰ সমন্বয়ৰ প্ৰয়োজন কাৰণ উপভোক্তাসকলৰ অভিজ্ঞতা ভিছা, স্বাস্থ্য নিয়ন্ত্ৰক, আমদানি সীমাৰবদ্ধতাৰ ওপৰত নিৰ্ভৰ কৰে। আহি পোৱাৰ পাচত কৰা ভিছাৰ ব্যৱস্থা হ'ল পৰ্যটকৰ সলনি উগ্ৰপন্থীৰ ভাবুকিৰ লগত আপোচ অবিহনে কৰা সু-সমন্বিত প্ৰচেষ্টাৰ আদৰণীয় প্ৰদৰ্শন। আমোদজনক ভাৱে আপুনি যদি সন্ত্ৰাসবাদীৰ পৰা “ ভুল' টো আঁতৰায় আৰু “আমাৰ' টো যোগ কৰে তেনেহ'লে আপুনি পৰ্যটক লাভ কৰিব। কাশ্মীৰত আমি ইয়াৰ বিপৰীতটো কৰিছো আৰু ইয়ে বীতশ্ৰদ্ধ ক্ষতিৰ দিশে লৈ গৈছে।

সাম্প্ৰতিক কালত উৎস বজাৰৰ চিনাক্তকৰণ, প্ৰতিযোগিতামূলক পৰিবেশ, সৰ্বশেষ উপভোক্তাজনক পোৱাৰ ব্যয় আৰু তেওঁলোকক যোগাযোগ জীৱন বৃত্তলৈ (চি এল চি) গতি কৰোৱাৰ সামৰ্থৰ ক্ষেত্ৰত যথোপযুক্ত পটভূমিৰ কামৰ অবিহনে নতুন বিষয় সংযোজন এটা প্ৰৱণতা হৈ পৰিছে। এইটো হ'ল বজাৰকৰণৰ এটা প্ৰধান উপাদান আৰু সজাগতা সৃষ্টি, আগ্ৰহ আৰু হেপাহ সৃষ্টি, ক্ষীপ্ৰ ব্যৱস্থা আৰু বাৰম্বাৰ ভ্ৰমণ কৰিবলৈ উৎসাহিত কৰাৰ বাবে উত্তম অভিজ্ঞতা আগবঢ়োৱা আদিৰ বাবে ইয়াক উত্তম সংগতিপূৰ্ণ কৌশলৰ আৱশ্যক। অতুল্য ভাৰত অভিযানে সজাগতা সৃষ্টিত উল্লেখযোগ্য ভাৱে ভাল কৰিছে আৰু অৰ্থপূৰ্ণ ব্যৱসায় লাভ কৰিবলৈ যোগাযোগ জীৱন বৃত্তৰ বাকীখিনি আগবঢ়োৱাৰ সময়। পুৰস্কাৰ লাভ কৰাটো প্ৰাসঙ্গিক কিন্তু প্ৰংসশিক ব্যৱসায় লাভ কৰাটো নিশ্চয়কৈ বেছি আকাঙ্খিত।

ক্ৰীকেট আৰু কথাছবি জগতৰ দৰে পৰ্যটনতো ভাৰতত নিজৰ শৈলীৰ বহু বিশেষজ্ঞ আছে যি সকলৰ শ্ৰুতিকটু ধ্বনিয়ে পাৰদৰ্শী বৃত্তিধাৰীৰ সতৰ্ক আৰু পৰিমিত দৃষ্টিভংগী ঢাকি ধৰে। এইটো উপযুক্ত হ'ব, যদি এই মঞ্চই দ্বাদশ পৰিকল্পনা তথ্য পৰামৰ্শ সমূহৰ কৌশল ৰূপায়ণৰ বাবে বৈচিত্ৰ্যপূৰ্ণ পটভূমিৰ প্ৰৱজিত লোকসকলৰ মাজত আলোচনা উৎসাহিত কৰিবলৈ উদ্দীপনা যোগায়।

**পয়োভৰা ৰাইজৰ আলোচনী—**

*নিজে পঢ়ক, আনকো পঢুৱাওক—*

*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# পৰ্যটন -ক্ষেত্ৰ হিচাপে নদীদ্বীপ মাজুলীৰ সম্ভাৱনীয়তা

*** ড° দেৱজিৎ শইকীয়া**

অসমৰ অন্যতম প্ৰধান ব্যৱসায়িক স্থান যোৰহাট চহৰৰ পৰা উত্তৰ দিশত, নিমাতী ঘাট হৈ মাত্ৰ পোন্ধৰ কিলোমিটাৰ দূৰত্বত (ব্ৰহ্মপুত্ৰ মূল সুঁতিৰ নদীপথৰ দৈৰ্ঘ্যকো ধৰি) অৱস্থিত,যোৰহাট জিলাৰ এটা মহকুমা ‘মাজুলী’ক ‘সত্ৰানুষ্ঠানৰ পীঠভূমি, ‘বৈষ্ণৱ কৃষ্টিৰ প্ৰাণকেন্দ্ৰ,‘অসমীয়া সংস্কৃতিৰ বৰঘৰ’, ‘নিৰ্মল পানীৰে আৱৰা নদীদ্বীপ’, ‘প্ৰদূষণমুক্ত স্থান’ ইত্যাদি বিভিন্ন বিশেষণেৰে আখ্যায়িত কৰা হয়। চৰকাৰী হিচাপ অনুসৰি প্ৰায় ৬৫০ বৰ্গ কিলোমিটাৰ বাসোপযোগী ভূমিখণ্ডৰ এই বিশেষ ভৌগোলিক অৱস্থিতি তথা বৈশিষ্ট্য সম্পন্ন ঠাইখনক বিশুদ্ধ জলভাগেৰে আগুৰা, মানুহৰ বসতিপ্ৰধান পৃথিৱীৰ সৰ্ববৃহৎ নদীদ্বীপ বুলিও বিবেচনা কৰা হয়। ২০১১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি নদীদ্বীপটোৰ জনসংখ্যা ১,৬৭,২৪৫ জন ইয়াৰে ৫১.৩০ শতাংশ পুৰুষ আৰু ৪৮.৭০ শতাংশ মহিলা।

মাজুলীলৈ কোনো দিনে আহি নোপোৱা, ভূগোলৰ মানচিত্ৰৰ যোগেদি দ্বীপটোৰ বিষয়ে জনা যিকোনো লোকৰ বাবেই নদীদ্বীপটোক লৈ উৎকণ্ঠাৰ অন্ত নাই। চিৰ প্ৰৱহমান ব্ৰহ্মপুত্ৰৰ পানীৰে চাৰিও দিশৰপৰা বিটোত এই সৰু-আকাৰৰ দ্বীপটোত লোকবসতি কিদৰে সম্ভৱ, বাৰিষা কালত এই দ্বীপটোৰ বাসিন্দাসকলৰ স্বাভাৱিক জীৱন-যাত্ৰা বিঘ্নিত নহয়নে — ইত্যাদি বিভিন্ন প্ৰশ্ন বা কৌতূহলে আন ঠাইৰহে নালাগে ৰাজ্যখনৰো বিভিন্ন ঠাইৰ লোকৰ মনত চিন্তাৰ উদ্ৰেক কৰে। মাজুলীৰ ভৌগোলিক অৱস্থিতি সম্পৰ্কে মানুহৰ মনত সৃষ্টি হোৱা কৌতূহলেই ঠাইখনৰ প্ৰতি পৰ্যটকসকলক অহৰ্নিশে আকৰ্ষিত কৰি আহিছে। অৱশ্যে, নদীদ্বীপ মাজুলীৰ প্ৰতি পৰ্যটকসকলে অনুভৱ কৰা তীব্ৰ আকৰ্ষণৰ মূল কাৰণ বা উপাদান কেৱল ঠাইখনৰ বিশেষত্বপূৰ্ণ অৱস্থানেই নহয়। এনে বৈশিষ্ট্যপূৰ্ণ ভূ-প্ৰাকৃতিক অৱস্থিতিৰ উপৰিও মাজুলীৰ প্ৰতি পৰ্যটক অথবা ভ্ৰমণ-প্ৰয়াসীসকলক আন যিকেইটা উপাদানে আকৃষ্ট কৰে, সেইকেইটাক তলৰ পৰ্যটন-ক্ষেত্ৰসমূহত সামৰি লৈ আলোচনা কৰিব পাৰি ঃ যেনে — প্ৰাকৃতিক পৰ্যটন, ধৰ্মীয় পৰ্যটন, সাংস্কৃতিক পৰ্যটন, গ্ৰাম্য পৰ্যটন আৰু বাণিজ্যিক পৰ্যটন। আকৰ্ষণীয় প্ৰাকৃতিক, সাংস্কৃতিক ইত্যাদি উপাদানেৰে সমৃদ্ধ সুবৃহৎ নদীদ্বীপ মাজুলীত উপৰি উক্ত কেউটা ক্ষেত্ৰতে পৰ্যটনৰ বাবে একোখন বহল ক্ষেত্ৰ অৰ্ধ-আৱিস্কৃত বা বহুসময়ত অনাৱিস্কৃত হৈ থকা দেখা যায়। চৰকাৰী সংশ্লিষ্ট পক্ষ বা বিভাগে উপযুক্ত তথা যথোচিত আঁচনি ৰূপায়ণৰ জৰিয়তে এই ক্ষেত্ৰসমূহলৈ পৰ্যটকক অধিক আকৰ্ষিত কৰিব পাৰিলে চৰকাৰ আৰু পৰ্যটক - দুয়োপক্ষই লাভৱান হ’ব পাৰিব। সি যি কি নহওক, মাজুলীত সম্ভাৱনা থকা পৰ্যটন ক্ষেত্ৰসমূহৰ বিষয়ে কিছু আলোচনা আগবঢ়োৱা হ’ল।

**(ক) প্ৰাকৃতিক তথা পাৰিপাৰ্শ্বিক পৰ্যটন**

নদীদ্বীপ মাজুলীত প্ৰাকৃতিক পৰ্যটনৰ সম্ভাৱনীয়তাৰ বিষয়ে আলোচনা কৰোতে দ্বীপটোৰ ভৌগোলিক অৱস্থিতি, জলবায়ু, ভূ-প্ৰাকৃতিক বৈশিষ্ট্য, গছ-গছনি, জীৱ-জন্তুৰে সমৃদ্ধ ইয়াৰ জৈৱ-বৈচিত্ৰতা ইত্যাদি কথাখিনিয়ে ঠাই পাব। চাৰিও দিশৰপৰা পানীৰে আগুৰি থকাৰ বাবে মূল ভূখণ্ডৰ পৰা বিচ্ছিন্ন হৈ নদীৰ মাজত বিশেষত্বপূৰ্ণ অৱস্থিতি গ্ৰহণ কৰাৰ বাবেই মাজুলী পৰ্যটকৰ বিশেষ আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছে। এই দ্বীপত স্বাভাৱিকভাবে গজি উঠা বিবিধ গছ-লতিকা, বন-গুল্মৰ দিগন্ত প্ৰসাৰী চালে চকুৰোৱা মনোৰম দৃশ্য, প্ৰদূষণমুক্ত সম্পূৰ্ণ গ্ৰামীণ পৰিৱেশ, নদীৰ মাজত অৱস্থিত চাপৰিবোৰত শৰত কালত ফুলি উঠা কহুঁৱা -ঝাওবন, বালিৰ চিক্‌মিকনিৰে হৃদয়-মন শাঁত পেলোৱা দৃশ্যাৱলী, ঋতু অনুসৰি ফুলি উঠা শিমলু, পলাশ, আজাৰ, মদাৰ আদি ফুলবোৰৰ মনোৰম দৃশ্য , নদীয়ে পতা চৰ-চাপৰিসমূহৰ অৱস্থিতি, ইয়াত বাস কৰা লোকসকলৰ সহজ-সৰল জীৱন-যাত্ৰাৰ প্ৰণালী, অতিথি-পৰায়ণতা ইত্যাদিৰ যেন এক সহাৱস্থান সম্ভৱ হৈ উঠিছে ! প্ৰসংগ ক্ৰমে উল্লেখ কৰি পাৰি যে নদীদ্বীপ মাজুলীত এতিয়ালৈকে কোনো আধুনিক গুৰু উদ্যোগ প্ৰতিষ্ঠা নোহোৱাৰ বাবেই ঠাইখন আজিও যান্ত্ৰিক প্ৰদূষণৰ পৰা মুক্ত, বায়ু তথা শব্দ প্ৰদূষণৰ পৰা দূৰৈত। প্ৰতিবছৰেই পথাৰত বানে পলস পেলাই থৈ যোৱাৰ ফলস্বৰূপেই

* ড° দেবজিৎ শইকীয়া মাজুলী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক আৰু মুৰব্বী

ঠাইখনত বিভিন্ন প্ৰকাৰৰ শস্যৰ উৎপাদন যথেষ্ট ভাল হয়। মাজুলীক যেন প্ৰকৃতিয়ে ইয়াৰ ৰূপ-লাৱণ্য-বৈচিত্ৰ্য মুক্তহস্তে দান কৰি আহিছে।

মাজুলীত দেখিবলৈ পোৱা বিবিধ প্ৰজাতিৰ গছ-লতিকা, জীৱ-জন্তু, পশু-পক্ষীৰ প্ৰাচুৰ্যই নদীদ্বীপটোৰ প্ৰাকৃতিক শোভাত সুকীয়া মাত্ৰা দান কৰে। নদীদ্বীপটোৰ বিভিন্ন স্থানত প্ৰাকৃতিকভাৱে গঢ় লৈ উঠা খাল-বিল, পুখুৰী, নৈৰ এৰা সুঁতি, পিটনি-জলাশয় আৰু ব্ৰহ্মপুত্ৰৰ মূল জলভাগত তথা পথাৰবোৰত জাক পাতি চৰি ফুৰা স্থানীয় আৰু পৰিভ্ৰমী চৰাইৰ দৃশ্য দেখি বহুতে নদীদ্বীপটোক অন্য এখন ‘পক্ষীতীৰ্থ, বুলিয়ে অভিহিত কৰে। বছৰৰ বিভিন্ন ঋতুত মাজুলীত প্ৰায় ১০৪ বিধ বিভিন্ন প্ৰজাতিৰ স্থানীয় তথা পৰিভ্ৰমী চৰাই দেখিবলৈ পোৱা যায় বুলি সমীক্ষাত প্ৰকাশ। প্ৰত্যেক বছৰেই শৰত কাল শেষ হোৱাৰ সময়ৰ পৰা ছাইবেৰীয়া, ইউৰোপ, মধ্য এছিয়াৰ বিভিন্ন ঠাইৰ পৰা এই দ্বীপটোলৈ আলহী হ’বলৈ আহে বিভিন্ন প্ৰজাতিৰ চৰাই। নদীদ্বীপটোৰ চাকুলী, ভেৰেকী, কাকৰি কটা, ঢেৰাপৰা, খৰখৰী ইত্যাদি বিলসমূহ শীতল ঋতুত শুকুলা হৈ পৰে স্থানীয় তথা পৰিভ্ৰমী চৰাইৰ জাকেৰে। শীত ঋতুত পুৱা-গধূলি মাজুলীৰ মুকলি আকাশৰ তলেৰে জাকপাতি উৰি ফুৰা পক্ষীকুলৰ লানি নিছিগা শাৰী, ব্ৰহ্মপুত্ৰৰ বালিচৰবোৰত পুৱা বেলা বিচৰণ কৰি ফুৰা চাকৈ-চকোৱাকে ধৰি বিলুপ্তিৰ পথত থকা ভালেকেইবিধ পক্ষীৰ কলৰৱ, বেলি ডুবাৰ পৰত ব্ৰহ্মপুত্ৰৰ মূল সুঁতিৰ সোঁতত পাখিৰে কোবাই কোবাই উজনিৰ ফালে উৰি উৰি অদৃশ্য হৈ যোৱা ৰামপাৰকে আদি কৰি মাছুৰৈ-চৰাইৰ অপূৰ্ব -সুন্দৰ সমাহাৰে কাৰনো মন চুই নোযোৱাকৈ থাকে ?

নদীদ্বীপ মাজুলীত উদ্ভিদৰ জৈৱ-বিচিত্ৰতা যেনেকৈ অধিক, ঠিক তেনেকৈ প্ৰাণী-বিচিত্ৰতাৰ ক্ষেত্ৰতো মাজুলীখন সমৃদ্ধিশালী। অসমৰ আন অঞ্চলত প্ৰায় দুষ্প্ৰাপ্য হ’বলৈ আৰম্ভ কৰা বহুপ্ৰকাৰৰ ঔষধি উদ্ভিদৰ প্ৰাপ্তিস্থান এই দ্বীপটোত ২০০ বিধতকৈয়ো অধিক ঘাঁহ-বনজাতীয় উদ্ভিদ থকাৰ বিষয়ে জানিব পাৰি। দ্বীপটোৰ খাল-বিল, জলাশয়, ইয়াৰ বুকুৰেদি বৈ যোৱা টুনী উপনৈ, এৰাসুঁতি আদিত সহজে উৎপন্ন হোৱা ক্ষুদ্ৰ ক্ষুদ্ৰ জীৱ, সৰু সৰু মাছ, শামুক, অন্যান্য জলজ কীট-পতংগৰ সমাহাৰে এই অঞ্চলটোক ডাঙৰ মাছ আৰু হাঁহজাতীয় মৎস্যভোজী চৰাইৰ সমাৱেশ ক্ষেত্ৰত পৰিণত কৰিছে। জনা যায় যে মাজুলীত এশৰো অধিক জলজ আৰু স্থলজ কীট- পতংগ আছি। ব্ৰহ্মপুত্ৰৰ মূল সুঁতিৰ দাঁতিৰ বালিচৰত খৰালি ভালেকেইবিধ কাছৰ প্ৰজাতি দেখিবলৈ পোৱা যায়। ব্ৰহ্মপুত্ৰ আৰু লুইতৰ মূল জলভাগত বৰ্তমান সময়ত দুষ্প্ৰাপ্য হ’বলৈ ধৰা শিহুৰ সঘন আবিৰ্ভাৱে মাজুলীৰ চহকী জৈৱ-বিচিত্ৰতাৰ কথাকে সোঁৱৰাই দিয়ে। নদীদ্বীপ মাজুলীৰ এনে প্ৰাকৃতিক সৌন্দৰ্য তথা পাৰিপাৰ্শ্বিক বৈচিত্ৰ্যই পৰ্যটকসকলৰ মনত বিমল আনন্দ আৰু মনোৰম অভিজ্ঞতাৰ খোৰাক যোগায়।

**(খ) ধৰ্মীয় বা সত্ৰ পৰ্যটন ঃ**

ধৰ্মীয় বা সত্ৰ পৰ্যটনৰ প্ৰসংগ ওলালেই ৰাজ্যখনৰ ভিতৰত মাজুলীয়ে প্ৰথম স্থান পায়। বিভিন্ন সংহতিৰ বহু সত্ৰ পুঞ্জীভূত হৈ থাকি সমগ্ৰ নদীদ্বীপটোত এটা সুকীয়া সাংস্কৃতিক-আধ্যাত্মিক পৰিৱেশ ৰচনা কৰাৰ বাবেই মাজুলী বৈষ্ণৱ সংস্কৃতিৰ কেন্দ্ৰস্থল’ বা ‘সত্ৰীয়া সংস্কৃতিৰ পীঠভূমি’ হিচাপে বিশেষভাৱে পৰিচিত। অসমত নৱ বৈষ্ণৱ আন্দোলনৰ গুৰি ধৰোঁতা ধৰ্মগুৰু সকলৰ পদৰেণুৰে ৰঞ্জিত পবিত্ৰ ভূমি হিচাপেই হওক, অথবা তেওঁসকলৰদ্বাৰা প্ৰতিষ্ঠিত সত্ৰানুষ্ঠান সমূহৰ একীভূত পুণ্য ক্ষেত্ৰ হিচাপেই হওক, ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা মাজুলী দৰ্শনৰ বাবে প্ৰথমবাৰলৈ অহা অনেকেই মাজুলীত ভৰি থৈয়ে এই পবিত্ৰ ঠাইৰ ধূলি শিৰত লয়। মাজুলীত সত্ৰ বা ধৰ্মীয় পৰ্যটনৰ সম্ভাৱনীয়তা সম্পৰ্কে এই কথাখিনিৰ পৰাই বুজিব পাৰি।

অতীতত মাজুলীত ৬০ খনৰো বেছি সত্ৰ আছিল বুলি উল্লেখ পোৱা যায়। এই মাজুলীৰে নামনিত অৱস্থিত ধুঁৱাহাট -বেলগুৰি নামৰ থানত মহাপুৰুষ শংকৰ দেৱৰ সৈতে মাধবদেৱৰ ‘মণিকাঞ্চন সংযোগ ’ ঘটিছিল। বৰ্তমান মাজুলীত মুঠতে ৩৬ খন সত্ৰ আছে বুলি ‘অসম সত্ৰ মহাসভাৰ তথ্যত প্ৰকাশ। আউনীআটী , দক্ষিণপাট, গড়মূৰ, বেঙেনাআটী, কমলাবাৰী, ভোগপুৰ আদি অসমৰ প্ৰধান সত্ৰসমূহ মাজুলীতে অৱস্থিত। আউনীআটী, দক্ষিণপাট, কমলাবাৰী, ভোগপুৰ — এই সত্ৰকেইখনত প্ৰচলিত উদাসীন পৰম্পৰা,তথা বহা, হাটী, বাটচ’ৰা, কীৰ্তনঘৰ, মণিকূট আদি সত্ৰ শৰীৰৰ অংগেৰে গঠিত সত্ৰানুষ্ঠান পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ নহৈ নোৱাৰে। সত্ৰীয়া জীৱন যাত্ৰাৰ শৈলী,সত্ৰৰ সাংস্কৃতিক ঐতিহ্য-পৰম্পৰা,পুৰণিকলীয়া ঐতিহ্য বহনকাৰী গৃহ-ব্যৱস্থা, বহুবছৰৰ পুৰণি কলা-সম্পদ, আহোম যুগীয়া আচবাব-পত্ৰ, সম্পদ, পুথি-পাঁজি, সাঁচিপতীয়া আৰু তুলাপতীয়া গ্ৰন্থ আদিৰে মাজুলীৰ সত্ৰসমূহ জাতিষ্কাৰ হৈ আছে। সত্ৰসমূহত প্ৰচলিত নিজস্ব প্ৰশাসনিক ব্যৱস্থা, ৰীতি-নীতিৰ গাম্ভীৰ্য, চাৰিহাটীৰে সুসজ্জিত আৰু চৈধ্য প্ৰসংগই ৰজনজনাই থকা পৰিৱেশ, হস্ত শিল্প-ভাস্কৰ্যত বৈষ্ণৱসকলৰ আত্মনিয়োজন, উদাসীন পৰম্পৰাত বালক আনয়ন ব্যৱস্থা ইত্যাদিও পৰ্যটকৰ আকৰ্ষণৰ মূল কাৰণ হ’ব পাৰে।

বৰ্তমান মাজুলীৰ প্ৰায়কেইখন ঘাই সত্ৰতে একোটিকে সংগ্ৰহালয়ৰ ব্যৱস্থা হৈছে, য’ত সংৰক্ষণ কৰা হৈছে বহুদিনীয়া

পুৰণি ধৰ্মীয় পুথি-পাঁজি, ঐতিহাসিকভাৱে মূল্যৱান ধৰ্মগ্ৰন্থ, পুৰণিদিনীয়া সা-সম্পদ, আ-অলংকাৰ,সাজ-পোচাকৰ লগতে পৰম্পৰাগত হস্তশিল্পজাত দ্ৰব্য-সামগ্ৰী। মাজুলীৰ সত্ৰসমূহত সংৰক্ষিত মূল্যবান সা-সম্পদসমূহ হৈছে — হাতীদাঁতৰ ফুলবছা চকী - মেজ, হাতীদাঁতৰ লাখুটি, হাতীদাঁতৰ পাটী, ৰূপৰ ফুল দিয়া প্ৰকাণ্ড শৰাই, পিতলৰ কাঠীৰে বোৰা খৰাহি, সোণপানী চৰোৱা কলহ আৰু বাটি, প্ৰাচীন সাঁচিপতীয়া পুথি 'শ্ৰীহস্ত মুক্তাৱলী, 'গজেন্দ্ৰ চিন্তামণি'কৈ ধৰি প্ৰায় ৫০০ খন হাতে লিখা পুথি, মান সঁফুৰা, লাচিত বৰফুকনে ব্যৱহাৰ কৰা হেংদাং, গদাধৰ সিংহই ব্যৱহাৰ কৰা কাঁহী, দণ্ড-প্ৰহৰ যন্ত্ৰ আদি। দক্ষিণপাট সত্ৰত সংৰক্ষিত সম্পদসমূহৰ ভিতৰত ৰূপৰ লাখুটি, কিংখাপ, সোণৰ পাত্ৰ, হেংদাং, পিতলৰ প্ৰকাণ্ড কাঁহী, বাটি, ঘন্টা ইত্যাদিয়ে প্ৰধান। গড়মূৰ সত্ৰত ১৬০ খন মান মূল্যমান সাঁচিপতীয়া পুথিৰ উপৰিও ৰূপৰ প্ৰকাণ্ড শৰাই, বৰটোপ, বহুদিনীয়া পুৰণি কাঠৰ মূৰ্তি , সোণ-ৰূপৰ শৰাই, আহোম যুগৰে হাতীদাঁতৰ অলংকাৰ ইত্যাদি সংৰক্ষিত হৈ আছে। বেঙেনাআটী সত্ৰত থকা সম্পদসমূহৰ ভিতৰত প্ৰায় ৩০০ ৰো অধিক হাতে লিখা পুথি, সোণপানী চৰোৱা ছাতি, কাঠৰ মুখা, আহোম ৰজাৰ ৰাজ আৱৰণ আদিয়েই প্ৰধান। উত্তৰ কমলাবাৰী আৰু নতুন কমলাবাৰী সত্ৰত সংৰক্ষিত আপুৰুগীয়া সম্পদসমূহৰ ভিতৰত প্ৰধান সম্পদসমূহ হৈছে মহাপুৰুষ শংকৰদেৱৰ চুলি আৰু পদধূলা, মাধৱদেৱে জপ কৰা মালা, বদলা আতাই ব্যৱহাৰ কৰা সম্পদসমূহ, গঁড়ৰ খৰ্গৰে তৈয়াৰী ধৰ্মীয় কাম-কাজত ব্যৱহাৰ সম্পদ, শংকৰ-মাধৱ-বদলা আতাৰ অস্থি, শংকৰ দেৱে নিজ হাতে লিখা পুথি, বদলা আতাই পৰিধান কৰা পোছাক আৰু বহুকেইখন মূল্যবান আৰু দুষ্প্ৰাপ্য সাঁচিপতীয়া পুথি। চামগুৰি সত্ৰৰ মুখা নিৰ্মাণ আৰু মুখা ভাওনাই দেশ-বিদেশৰ বিভিন্ন স্থানত বিশেষ স্বীকৃতি লাভ কৰিছে।

ওপৰত মাত্ৰ কেইখমান সত্ৰত সংৰক্ষিত হৈ থকা সম্পদৰাজিহে চমুকৈ উল্লেখ কৰা হৈছে। এনেদৰে, বাকী থকা সত্ৰ সমূহত সংৰক্ষিত হৈ আছেবহু মূল্যৱান তথা দুষ্প্ৰাপ্য ঐতিহ্যপূৰ্ণ কলা-সম্পদ যি সমূহে পৰ্যটকক কেৱল আকৰ্ষণ কৰাই নহয়, গৱেষণামূলক কৰ্ম বা বিদ্যায়তনিক দিশতো যথেষ্ট সহায় কৰিব বুলি ক'ব পাৰি

**(গ) সাংস্কৃতিক পৰ্যটন ঃ**

সৰ্বমুঠ ৩৬ খন সত্ৰই আৱৰি থকা মাজুলীক বৃহত্তৰ অসমৰ এটা ক্ষুদ্ৰ সংস্কৰণ বুলি ক'ব পাৰি। কাৰণ ইয়াত বিভিন্ন জাতি, জনগোষ্ঠী, সম্প্ৰদায়ৰ লোকে সমন্বয় আৰু সম্প্ৰীতিৰ স্বাক্ষৰ বহন কৰি যুগ যুগ ধৰি বসবাস কৰি আহিছে। সকলো জাতি-জনগোষ্ঠীৰ লোকে পালন কৰা উমৈহতীয়া উৎসৱ অনুষ্ঠানৰ উপৰিও গাইগুটীয়াভাৱে প্ৰতিটো জাতি-জনগোষ্ঠীয়ে পালন কৰা স্বকীয় উৎসৱ - অনুষ্ঠানসমূহেৰে মাজুলীৰ বৰ্ণাঢ্য সংস্কৃতিৰ ভেটি সবল হৈ পৰিছে। মাজুলীত পালিত হোৱা বিভিন্ন জাতি-জনগোষ্ঠীৰ স্বকীয় কৃষ্টি উৎসৱসমূহৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্যবোৰ হৈছে— মিছিং সকলৰ পঃৰাগ, আলি-আয়ে-লৃগাং, নৰাছিগা বিহু, দেউৰীসকলৰ বিছু , সোণোৱাল কছাৰীসকলৰ বাইথ'পূজা আৰু হাইদাং গীত, মায়ামৰা সমাজৰ মৃদংগীয়া গায়ন-বায়ন নৃত্য আদি।

২০০০ চনত সংগীত নাটক অকাডেমীৰ দ্বাৰা ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰা সত্ৰীয়া নৃত্যই সাৰ-পানী লাভ কৰি মাজুলীতে বিকাশ হোৱা বুলিলেও অত্যুক্তি নহয়। বৰগীত, ভটিমা, টোটয়, চপয়, চৈঁধ প্ৰসংগ ইত্যাদিৰ বাহিৰেও গায়ন-বায়ন, বিভিন্ন সত্ৰীয়া নৃত্যৰ পৰিৱেশন মাজুলীৰ সত্ৰমসমূহৰ নিত্য কৰ্মৰ ভিতৰুৱা। জন্মাষ্টমী, ফল্গুৎসৱ, মহাপুৰুষসকলৰ তিথি, ৰাস, পালনাম, হৰিকীৰ্তন আদি মাজুলীৰ সত্ৰভেদে উদ্‌যাপিত কেতবোৰ বিশেষ গুৰুত্ব থকা উৎসৱ। এনে সমূহীয়া উৎসৱৰ বাহিৰেও মাজুলীৰ কেইখনমান সত্ৰৰ সৈতে কিছুমান বিশেষ উৎসৱ বা নৃত্য তথা সাংস্কৃতিক সম্পদৰ নাম তাৎপৰ্যপূৰ্ণভাৱে জড়িত হৈ থকা দেখা যায়। উদাহৰণস্বৰূপে, আউনীআটী সত্ৰৰ পালনাম, আকাশবন্তি উত্তোলন উৎসৱ, বৈৰাগী নাম, অপ্সৰা নৃত্য, মাটি আখৰা, নাদুভংগী, নটুৱা নৃত্য, দুবছৰৰ মূৰে মূৰে অনুষ্ঠিত কৰা অসম ভাওনা মহোৎসৱ ইত্যাদি; দক্ষিণপাট সত্ৰৰ ৰজাঘৰীয়া চালি নৃত্য, ইন্দ্ৰাভিষেক নৃত্য, নটুৱা নৃত্য, ৰাস পূজা আদি ; গড়মূৰ সত্ৰৰ ৰাস, পালনাম , চালি নৃত্য, নটুৱা নৃত্য, ওজাপালি আদি, বেঙেনা আটী সত্ৰৰ ৰাস, কৃষ্ণ নৃত্য, সপ্তস্বৰ নৃত্য, ওজাপালি, চালি নৃত্য আদি; কমলাবাৰী সত্ৰৰ গুৰু কীৰ্তন পৰম্পৰা, হৰি কীৰ্তন, গায়ন-বায়ন, অংকীয়া ভাওনা, ঝুমুৰা নৃত্য, মাটি আখৰা, নাদুভংগী নৃত্য, বৰ প্ৰৱেশৰ নৃত্য আদি; ভোগপুৰ সত্ৰ ভোৰতাল নৃত্য, মুকলি ৰাস, ওজাপালি, চালি-ঝুমুৰা নৃত্য, চামগুৰি সত্ৰত ৰাস, অংকীয়া ভাওনাৰ নৃত্য আদি; আদি - বিহিমপুৰ ৰাজগুৰুবাৰী সত্ৰৰগোঁসাই বিহু, নাম-কীৰ্তন, খোল প্ৰসংগ ইত্যাদি কেতবোৰ বিশেষত্বপূৰ্ণ উৎসৱ তথা নৃত্য সম্পদ, যি মাজুলীৰ বৰ্ণিল সাংস্কৃতিক পৰিক্ৰমাত সোণত সুৱগা চৰাইছে। এনে সাংস্কৃতিক সম্পদসমূহৰ স্বকীয় পৰিবেশন শৈলীয়ে পৰ্যটকক নিতান্তই আকৰ্ষিত কৰাৰ সম্ভাৱনা প্ৰচুৰ। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে ১৯৭৪ চনত ভাৰতৰ তদানীন্তন ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমেদৰ তৎপৰতাত কমলাবাৰী সত্ৰৰ অংকীয়া ভাওনা সুদূৰ ইন্দোনেছিয়াত প্ৰদৰ্শিত হোৱাৰ পাচত আন্তৰ্জাতিক পৰ্যায়ত মাজুলীৰ অংকীয়া ভাওনাই

স্বীকৃতি লাভ কৰে আৰু বৰ্তমানে উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱ শিল্পীসকলে দেশ-বিদেশৰ বিভিন্ন স্থানত অংসূয়া ভাওনা প্ৰদৰ্শন কৰি সমাদৃত হৈ আহিছে।

(ঘ) গ্ৰাম্য পৰ্যটন ঃ

মাজুলীখনক শতকৰা ৯৯ ভাগেই গ্ৰাম্যপ্ৰধান অঞ্চল বুলিব পাৰি। অসমৰ গাঁও বুলি ক'লে যিটো বুজা যায় — তামোল-পাণৰ শাৰীৰে শুৱনি দীঘলকৈ পদুলিৰে আটক ধুনীয়া এখন ঘৰ, গোহালিত এগোহালি গৰু, ভঁৰালত গুটি-গছী ধান, চ'ৰা ঘৰ, বৰ ঘৰেৰে পৰিবেষ্টিত যৌথ পৰিয়াল ব্যৱস্থাৰে সমৃদ্ধ একো একোখন গাঁও, যিসমূহৰ থলুৱা খাদ্য , জীৱন-যাপন শৈলী, কৃষ্টি-সংস্কৃতি, সাজ-পাৰ আদিয়ে পৰ্যটকক আকৰ্ষণ কৰিব পাৰে। মাজুলীৰ অন্যতম আকৰ্ষণ শাৰী শাৰী মিছিং তথা দেউৰীলোকৰ চাংঘৰ, নৈৰ দাঁতিৰ অৱস্থান, তেঁওলোকৰ থলুৱা আৰু প্ৰাকৃতিক উপাদানেৰ প্ৰস্তুতকৃত খাদ্য, পৰম্পৰাগত নীতি-নিয়ম, সাজ-পোছাক, গৃহ নিৰ্মাণৰ আৰ্হি , ঘৰ-দুৱাৰ-বাৰী ইত্যাদিত প্ৰতিফলিত সম্পূৰ্ণ আৰু নিখুঁত গ্ৰাম্য জীৱন ধাৰাৰদ্বাৰা বহু বিদেশী পৰ্যটক আকৰ্ষিত হোৱা বুলি প্ৰকাশ পাইছে।

**(ঙ) বাণিজ্যিক পৰ্যটনঃ**

নদীদ্বীপ মাজুলী বাণিজ্যিক পৰ্যটনৰ ক্ষেত্ৰ হিচাপে গঢ় লৈ উঠাৰো পূৰ্ণ সম্ভাৱনীয়তা দেখা যায়। কাৰণ, শিল্প -ভাস্কৰ্যৰ কেইটামান বিশেষ দিশত মাজুলীয়ে চৰ্চা আৰু প্ৰসাৰতাৰ ধাৰাৱাহিকতা অক্ষুণ্ণ ৰাখি আহিছে। বিশেষকৈ উজনি মাজুলীৰ শালমৰা -চিনাতলি অঞ্চলত বৰ্তি থকা বহু বছৰীয়া পুৰণি মৃৎ শিল্পই ৰাজ্যখনৰ এক তৃতীয়াংশ মৃৎ পাত্ৰৰ চাহিদা পূৰণ কৰি আহিছে। সেই অঞ্চলৰ তিনিখন গাঁৱৰ কেইবাশ পৰিয়াললৈ জীৱিকাৰ সুযোগ প্ৰদান কৰি অহা এই পৰম্পৰাগত শিল্পৰ উৎপাদন কৌশলেও পৰ্যটকক মুহিত কৰে। ঠিক সেইদৰে, আউনী আটী , নতুন কমলাবাৰী আদি সত্ৰৰ বৈষ্ণৱসকলৰ দ্বাৰা তৈয়াৰ কৰা হেঙুল হাইতাল বুলোৱা বেতৰ বিচনী, ভালেকেইখন সত্ৰৰ বৈষ্ণৱ শিল্পীৰদ্বাৰা প্ৰস্তুতকৃত ভাস্কৰ্য খচিত কাঠৰ মূৰ্তি , সিংহাসন, শৰাই, সঁফুৰা, ঠগি ইত্যাদি, দুৱাৰ খিৰিকিৰ কাঠত কৰা কাৰু-কাৰ্য, শালমৰা, বৰগঞা মিছিং গাঁও আদিৰ নৌকা শিল্প আদিৰ বহল বজাৰ থকাৰ উপৰিও এইবোৰ পৰ্যটকৰ আকৰ্ষণৰ অন্যতম কাৰণ। নতুন আৰু পুৰণি চামগুৰি সত্ৰ, বিহিম পুৰ সত্ৰ, নৰসিংহ সত্ৰৰ উপৰিও দুই -এখন গাঁৱৰ কেইগৰাকীমান শিল্পীৰ অপ্ৰাণ যত্নত জীয়াই থকা মুখা শিল্পই মাজুলীৰ নিপুণ শিল্পকলাৰ চানেকী বহন কৰাৰ সমান্তৰালভাৱেই এখন বহন বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। বৰ্তমান সময়ত এই শিল্পীসকলে সজা সহজে কঢ়িয়াই নিব পৰা ধৰণৰ আয়তনৰ মুখা সভা -সমিতিত বিশিষ্ট ব্যক্তিসকলক আদৰোঁতে উপহাৰ দিয়াৰ ব্যৱস্থা প্ৰবৰ্তিত হোৱাৰ লগে লগেই মুখাৰ চাহিদা বৃদ্ধি হৈছে। উল্লেখযোগ্য যে মাজুলীৰ মুখাশিল্পই দেশৰ বিভিন্ন ঠাইৰ লগতে বিদেশতো সমাদৰ বুটলিবলৈ সক্ষম হৈছে। তেনেকৈয়ে, মাজুলীৰ মুখা নিৰ্মাণ কৰা সত্ৰ-দৰ্শন হৈ পৰিছে মাজুলীলৈ অহা প্ৰতিজন পৰ্যটকৰ অন্যতম কাৰ্যসূচী। ঠিক সেইদৰে, বিভিন্ন সত্ৰৰ লগতে প্ৰায়বোৰ গাঁৱৰ নামঘৰ, মণিকূট, বেৰ তথা খুঁটাত বৈষ্ণৱ শিল্পীসকলে অংকন কৰা কাৰুকাৰ্য বা ভাস্কৰ্য চালে চকু ৰোৱা।

জেংৰাই, ৰঙাচাহী অঞ্চলত বৰ্তি থকা পৰম্পৰাগত এৰী-পাট কাপোৰৰ বয়ন শিল্প, প্ৰায়বোৰ মিছিং গাঁৱৰ শিপিনীয়ে উৎপাদন কৰা গামোছা,মিৰিজিম, মিবু গালুক, ৰিবি গাছেং; শেহতীয়াভাৱে ভালেকেইটা মহিলা আত্মসহায়ক গোটৰ উদ্যোগত বৈ -কাটি উলিওৱা অসমীয়া যোৰ -কাপোৰ, মিছিং কাপোৰ, এৰী পাটৰ চাদৰ-মেখেলা, যোৰ-কাপোৰ আদিৰ বাণিজ্যিক গুৰুত্ব পৰ্যটকসকলৰ বাবে যথেষ্ট থকা দেখা গৈছে। মিছিং সকলৰ লোক খাদ্য নামচিং (শুকান মাছৰ গুড়ি) , মাজুলীত উৎপাদিত খাটি সৰিয়হৰ তেল, আদিয়েও দেশী-বিদেশী পৰ্যটকৰ মাজত যথেষ্ট সমাদৰ লাভ কৰা দেখা যায়।

**(চ) ঐতিহাসিক পৰ্যটন ঃ**

ঐতিহ্যমণ্ডিত মাজুলীখন এখন ইতিহাস প্ৰসিদ্ধ পীঠস্থান হোৱাৰ উপৰিও ইয়াত অৱস্থিত প্ৰায়বোৰ সত্ৰৰ লগতে ভালেকেইখন ঠাইৰ ঐতিহাসিক গুৰুত্ব যথেষ্ট আছে। মাজুলীত থকা আউনী-আটী, দক্ষিণ পাট, গড়মূৰ, বেঙেনা আটী, কমলাবাৰী, বেলগুৰি থান, চামগুৰি, মাজৰ দেউৰী গোঁসানী থান, ফুলেশ্বৰী থান, শিলগুৰি থান আদি ঐতিহাসিকভাৱে প্ৰসিদ্ধ আৰু গুৰুত্বপূৰ্ণ থান সত্ৰ। এই থান-সত্ৰৰ উপৰিও মাজুলীত আহোম যুগৰ ঐতিহ্যৰ স্বাক্ষৰ বহন কৰা কেইবাটাও স্থান-চিহ্ন আছে, যিবোৰ ভিতৰত উল্লেখযোগ্য হৈছে- মেৰাগড়, গড়মূৰ, ধোৱাচলা গড়, গোসাঁইবাৰী গড়, বাপুবৰুৱা গড়, ৰাৱণা গড়, ৰাৱণাপাৰ পুখুৰী আদি। এই ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ স্থান অথবা চিহ্ন সমূহত প্ৰত্নতাত্বিক অধ্যয়ন তথা গৱেষণাৰ বিভিন্ন তথ্য বা সমল নিহিত হৈ আছে , যিসমূহে অনুসন্ধিৎসু পৰ্যটকক জ্ঞানৰ খোৰাক দিব পাৰে। তদুপৰি, ইয়াৰ ৰতনপুৰ , চিনাতলী, শালমৰা, সোণাৰীআটী, সোণোৱাল কছাৰী, শেনচোৱা, ৰাইদঙীয়া আদি ঠাইৰ সৈতে বিভিন্ন ইতিহাস প্ৰসিদ্ধ পৰিঘটনা জড়িত হৈ থকাৰ বিষয়ে জনা যায়। এইসমূহ স্থানো বুৰঞ্জীমূলক অধ্যয়নৰ দিশৰ পৰা যথেষ্ট গুৰুত্ব থকা।

সি যি কি নহওক, মাজুলীত থকা এই পৰ্যটনৰ সমলসমূহ দৰ্শনৰ বাবেই নদীদ্বীপটোলৈ হাজাৰ হাজাৰ দেশী আৰু

বিদেশী পৰ্যটকৰ আগমন ঘটে। মাজুলীৰ বাৎসৰিক উৎসৱ ৰাস আৰু পালনাম, আউনী আটী সত্ৰৰ দ্বাৰা উদ্‌যাপিত 'সদৌ অসম ভাওনা সমাৰোহ', নতুন কমলাবাৰী সত্ৰৰ দ্বাৰা উদ্‌যাপিত 'অসম ভাওনা সমাৰোহ', নতুন কমলাবাৰী সত্ৰৰ দ্বাৰা উদ্‌যাপিত 'অসম ৎকীয়া ভাওনা সমাৰোহ' , গড়মূৰ সত্ৰৰ 'শিষ্য মহাসন্মিলন' আদিত দ্বীপটিত পৰ্যটকৰ আগমণত বিৰ্ দি বাট নোপোৱা অৱস্থা হয়। চৰকাৰী পক্ষৰ পৰাও মাজুলীৰ ঐতিহ্য -সংস্কৃতি একত্ৰ ৰূপত প্ৰদৰ্শনৰ ব্যৱস্থা কৰি বাৰ্ষিকভাৱে 'মাজুলী মহোৎসৱ' উদ্‌যাপনৰ ব্যৱস্থা যোৱা কেইবছৰমানৰ পৰা কৰা দেখা গৈছে। নিশ্চিতভাৱেই এইবোৰে মাজুলীৰ কৃষ্টি -সংস্কৃতি -ঐতিহ্যৰ প্ৰতি পৰ্যটকক আকৰ্ষণ কৰাৰ বাট মুকলি কৰিব। পূৰ্বৰ তুলনাত মাজুলীৰ ৰাস্তা-ঘাট তথা যাতায়াত যোগাযোগৰ ব্যৱস্থা যথেষ্ট উন্নত হোৱাটোও এই ক্ষেত্ৰত এটা ইতিবাচক দিশ।

অৱশ্যে এই খিনিৰ উপৰিও নদীদ্বীপটোলৈ পৰ্যটক আকৰ্ষিত কৰাৰ বাবে ল'ব লগা অন্যান্য ব্যৱস্থাৰ ক্ষেত্ৰতো চৰকাৰী বা ব্যক্তিগত পক্ষই গুৰুত্ব প্ৰদান কৰিব লাগিব। সেইসমূহৰ ভিতৰত থকা খোৱাৰ সুবিধা পৰ্যাপ্ত আৰু পৰ্যটকসকলৰ চাহিদা অনুসৰি কৰা, প্ৰশিক্ষণপ্ৰাপ্ত পৰ্যটক পথপ্ৰদৰ্শক আৰু বিভিন্ন ঠাই, বিশেষকৈ গ্ৰামাঞ্চলৰ ভিতৰুৱা ঠাইলৈ নিৰ্বিঘ্নে যাব পৰা আৰামদায়ক যান বাহনৰ সুবিধা প্ৰদান, শোভা চাব পৰাকৈ নৌ-পৰিবহণৰ সুবিধা, পৰ্যটকৰ চাহিদাৰ ভিত্তিত ৰুচিসন্মত খাদ্যৰ যোগান ধৰা ইত্যাদিৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান অত্যন্ত আৱশ্যকীয় বিষয় বুলি ভাবিব লাগিব। ◇

## 'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী

* গ্ৰাহক বছৰৰ যিকোনো সময়তে হ'ব পাৰি। * গ্ৰাহক মূল্য এবছৰৰ ১০০.০০ টকা, দুবছৰৰ ১৮০.০০ টকা আৰু তিনি বছৰৰ বাবে ২৫০.০০ টকা। * গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। * গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। * মণি-অৰ্ডাৰ পঠোৱা ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, কে.কে.বি পথ, নিউ কলনি, গৃহ নং-৭, চেনিকুঠী, গুৱাহাটী-৭৮১০০৩। * আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# অসমৰ গৰাখহনীয়া সমস্যা সমাধানৰ কিছু দিশ

* ড° অৰ্পণ দত্ত

অসমৰ জ্বলন্ত সমস্যাসমূহৰ ভিতৰত দুটি প্ৰধান সমস্যা হৈছে বান আৰু খহনীয়া। ইয়াত খহনীয়া শব্দৰ দ্বাৰা নদীৰ পাৰ খহোৱা কাৰ্য (bank erosion)ৰ কথা কোৱা হৈছে, যাক সহজভাৱে গৰাখহনীয়া আখ্যাও দিয়া হয়। এই দুই সমস্যাই ৰাজ্যখনৰ উন্নয়নত ব্যাপক প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি এচাম লোকৰ জীৱন যাপন অতি দুৰ্বিসহ কৰি তুলিছে। আপাত দৃষ্টিত অৱশ্যে বান আৰু খহনীয়াক একে পৰ্যায়ৰে যেন লাগিব পাৰে, কিয়নো উভয়েই জলসৃষ্টিকাৰী সমস্যা। পিছে, ব্যৱহাৰিক দৃষ্টিত খহনীয়াৰ ভয়াৱহতা অতি বিস্তৃত আৰু সুদূৰ প্ৰসাৰী। ইয়াক বানতকৈ বেছি ভয়াৱহ বুলি এই কাৰণেই জ্ঞান কৰা হয় যে এবাৰ ইয়াৰ কবলত পৰা মানেই চিৰকালৰ বাবে দুৰ্ভিক্ষৰ গৰাহলৈ আগুৱাই যোৱা। ইয়াৰ বিপৰীতে বানৰ ফলত বাৰিষাকালত কিছু সাময়িক সমস্যাৰ সৃষ্টি হ'লেও অন্ততঃ খৰালি কালত দুখ-যাতনা লাঘৱৰ উপায় কৰাৰ থল থাকে কিন্তু খহনীয়াৰ কবলত পৰা মানে ঘৰ-দুৱাৰ, সা-সম্পত্তি, মাটি-ভেটি হেৰুৱাই বাটৰ ভিকহুত পৰিণত হোৱা। দুখৰ বিষয় যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৪৪ খন আৰু বৰাক উপত্যকাৰ ১১ খন নদীত ঘটা ব্যাপক খহনীয়াৰ কবলত পৰি সৰ্বস্বান্ত হোৱা ৰাজ্যখনৰ ৮০,৮৪০ জন লোকে মথাউৰি, ৰিংবান্ধ আৰু ৰাস্তাত আশ্ৰয় লৈ পলিথিনৰ চালিৰ তলৰ সম্পূৰ্ণ অস্থায়ী আশ্ৰয়স্থলত দুৰ্বিসহ জীৱন নিৰ্বাহ কৰাটো বাধ্যতামূলকৰ দৰে হৈ পৰিছে।

এইটো সকলোৰে জ্ঞাত যে খহনীয়া হৈছে এটা প্ৰাকৃতিক দুৰ্যোগ আৰু এই দুৰ্যোগৰ পৰা ৰক্ষা পৰাৰ বাবে নদীৰ ক্ৰিয়া, গতিবিধি আৰু খহনীয়াৰ সম্ভাৱনা থকা ঠাইসমূহ চিনাক্ত কৰি উলিয়াই খহনীয়া হোৱাৰ আগেয়ে উপযুক্ত প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰাটো প্ৰয়োজনীয়। পিছে অতি পৰিতাপৰ বিষয় যে বছৰৰ সকলো সময়তে বিস্তাৰিতভাৱে ৰাজ্যখনত খহনীয়া কাৰ্য চলি আহিছে যদিও এনে দিশত বিশেষ একোকে কৰা হোৱা নাই। ৰাজ্যখনত এনে কামৰ বাবে যি এটি 'ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা' নামৰ বিভাগ আছে, এই বিভাগৰদ্বাৰা এতিয়ালৈ ৰাজ্যখনৰ কেৱল ১৪ খন জিলাৰহে খহনীয়া সম্পৰ্কীয় তথ্য উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে বুলি বাতৰিত প্ৰকাশ পাইছে। সেই তথ্যমতে ৰাজ্যৰ ১১খন নদীত খহনীয়া অব্যাহত আছে। ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ খহনীয়া বিধ্বস্ত নদী কেইখন হৈছে জীয়াভৰলী, ডিব্ৰু, উটুং, বালিজান, কুণ্ডিল, সোৱণশিৰি, ডিক্ৰং, লোহিত, ৰঙানদী, কাকৈ, চাৰিকড়িয়া, বেঁকী, মানাহ, আই, গংগাধৰ, জিঞ্জিৰাম, সোণকোষ, পুঠিমাৰী, কলহী, ধনশিৰি, গলন্দি। এইখিনিৰ বিপৰীতে কিন্তু গোলাঘাট, শিৱসাগৰ, যোৰহাট, ডিব্ৰুগড়, হাইলাকান্দি, নগাঁও, ধেমাজি, নলবাৰী, চিৰাং, দৰং, বাক্‌সা, কোকৰাঝাৰৰ নদীসমূহত ঘটা খহনীয়াৰ তথ্য উক্ত বিভাগৰ ওচৰত এতিয়ালৈও সংগৃহিত হোৱা নাই। লক্ষ্যণীয় বিষয়টো হ'ল খহনীয়াৰ ফলত ধুবুৰী জিলাত সৰ্বাধিক ২৭,৮৫৮ হেক্টৰ আৰু তাৰ পাচত ক্ৰমে বৰপেটা জিলাত ৯,৪৬৫ হেক্টৰ আৰু গোৱালপাৰা জিলাত ৩,২৬৮ হেক্টৰ ভূমি বিনষ্ট হৈছে। তেনেকৈ সৰ্বাধিক ক্ষতি গ্ৰস্ত লোক আছে মৰিগাঁও জিলাত-৯০ হাজাৰ জন। তাৰ পাচত ক্ৰমে বঙাইগাঁও জিলাত ৫৬,৮৩৬ জন আৰু বৰপেটা জিলাত আছে ৫০ হাজাৰ জন। আনহাতে খহনীয়াৰ ফলত ক্ষতিগ্ৰস্ত পৰিয়ালৰ সংখ্যা ধুবুৰী আৰু বৰপেটা জিলাত ক্ৰমে আছে- ১৪,৪০৪ টা আৰু ৬,৬৭২ টা।

**খহনীয়াৰ কাৰণ ঃ**

নদী একোখনৰ খহনীয়াৰ লগত মূলতঃ ভূতাত্বিক কাৰণ জড়িত হৈ থাকে। পিছে তালৈ গুৰুত্ব নিদি কেৱল হ্ৰস্বম্যাদী (তাকো একেবাৰে অস্থায়ী) আঁচনি গ্ৰহণেৰে খহনীয়া নিয়ন্ত্ৰণৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবেই খহনীয়াই ৰাজ্যত তীব্ৰ ৰূপ ধাৰণ কৰাটো সহজ হৈ উঠিছে। দৰাচলতে নদীৰ খহনীয়া হৈছে এটা ভূ-প্ৰাকৃতিক ক্ৰিয়া। নদী একোখনৰ পানীয়ে তলৰফালে খনন কৰাৰ পৰিৱৰ্তে নদীৰ বেদীত পূৰ্বতে জমা হোৱা গেদ বা পলসৰ ওপৰত অৱস্থান কৰি পাৰিলৈ বাগৰাৰ প্ৰৱণতা বৃদ্ধি পাই পাৰ খহোৱা বা গৰাখহনীয়াত প্ৰবৃত্ত হ'ব লৈ ধৰে। অৱশ্যে তেনে সময়ত খহনীয়াৰ প্ৰকোপ কম হোৱাৰ থল থাকে যদিহে নদীৰ পাৰভাগ

* অৰ্পণ দত্ত অসম চৰকাৰৰ খনি আৰু ভূ-তত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত ভূ-বিজ্ঞানী আৰু বিজ্ঞান সম্পৰ্কীয় লিখক।

সুদৃঢ় কঠিন শিলৰ দ্বাৰা গঠিত হৈ থাকে বা বালি (Sand) ৰ দ্বাৰা পৰিৱেষ্টিত হৈ থাকে। কিন্তু তাৰ পৰিৱৰ্তে যদি পাৰভাগ পলিমাটি (Silt) অথবা পলসুৱা গেদ (alluvium)ৰ দ্বাৰা গঠিত হয় আৰু সিবিলাকৰ উপৰিভাগত যদি বোকাজাতীয় পলসৰ স্তৰ থাকে তেতিয়া খহনীয়াৰ প্ৰকোপ অধিক হোৱাৰ সম্ভাৱনা থাকে। কাৰণ, উপৰিভাগৰ বোকামিশ্ৰিত পলসুৱা স্তৰৰ প্ৰৱেশ্যতা (porosity)বেছি অথচ পাৰগামিতা (permeability) কম হোৱাত সেই মাটিৰ পানী ধৰি ৰাখিব পৰা ক্ষমতা বালিতকৈ বেছি হয়। পৰিণতিত সেই স্তৰ নদীৰ বাঢ়নি পানীৰদ্বাৰাও সিক্ত হোৱাৰ ফলত ভালেখিনি গধুৰ হৈ পৰে আৰু তেনে অৱস্থাত তলৰ ফালে থকা বালি বা পলিমাটিৰ স্তৰক নদীৰ সোঁতে আঘাত কৰিলে বা খান্দি দিলে ওপৰৰ গধুৰ অংশ খহি পৰাটো তেনেই সহজ হৈ পৰে। সেয়েহে, বাৰিষা-খৰালি সকলো সময়তে নদীৰ পাৰত খহনীয়াৰ ধ্বংসকাৰ্য চলি থকা দেখা যায়। এনে কৰ্মত প্ৰত্যক্ষ প্ৰভাৱ পেলাইছে ঘাইকৈ হিমালয় পৰ্বতৰ নিম্নাংশত থকা অদৃঢ় শিলাস্তৰত ঘটা বিস্তৃত পৰিসৰৰ বিচূৰ্ণীভৱনে। সেই বিচুৰ্ণীভৱনৰ পাচত সৃষ্টি হোৱা ক্ষয়ীভূত দ্ৰব্যসমূহ পানীৰ সোঁতৰদ্বাৰা প্ৰৱাহিত হৈ নদীৰ বুকুত বছৰে বছৰে জমা হৈ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ গভীৰতা হ্ৰাস কৰিব ধৰিছে। ফলত নদীৰ পানী পাৰলৈ উঠাৰ প্ৰৱণতা বৃদ্ধি পোৱাটো অৱশ্যম্ভাৱী হৈ উঠিছে। গতিকে তাৰ ফলত বোকাজাতীয় উপাদানৰ প্ৰাধান্য থকা এলেকাসমূহ খহনীয়াৰ কবলত পৰাটো স্বাভাৱিক হৈ পৰে।

গতিকে, এইটো সহজবোধ্য হৈ উঠে যে নদীবিশেষৰ খহনীয়া নিয়ন্ত্ৰণ বা প্ৰতিৰোধ কৰিবলৈ হ'লে দুটা উপায় কৰাটো জৰুৰীভাৱে প্ৰয়োজনীয় হ'ব। এই দুই উপায় হৈছে- নদীৰ বুকু খান্দি গেদ উঠাই নদী দ কৰি জলপৰিবহন ব্যৱস্থাৰ উন্নতি ঘটোৱা আৰু নদীৰ পাৰ নখহাৰ উপায় কৰা। ইয়াৰ প্ৰথম উপায়টোৰ বাবে ড্ৰেজাৰৰ সহায়ত নদীত খনন কাৰ্য চলাব লাগিব আৰু দ্বিতীয় উপায়ৰ বাবে অস্থায়ী ব্যৱস্থা, যেনে — পৰ্কিউপাইন, বুৰুজ, বস্তাৰ বান্ধ, শিলৰ পাৰ, জিঅ'টেক্সটাইলৰ বান্ধ আদিৰ আশ্ৰয় ল'ব পৰা হয়। তেনেকৈ, ইয়াৰ স্থায়ী তথা ফলপ্ৰসূ ব্যৱস্থাটো হ'ব — ডাঠ কংক্ৰিটৰ স্লেবেৰে নদীৰ পাৰত এঢলীয়াকৈ পকী গাঁথনি কৰা। মন কৰিব লগা যে এই দুই ব্যৱস্থাৰ যদি এটাও কৰিব পৰা হয় তেতিয়াও কিন্তু সাময়িক সকাহ পোৱাটো সম্ভৱ হ'ব আৰু যদি দুয়োটাই কৰা হয় তেতিয়া সম্পূৰ্ণ চিৰস্থায়ী নহ'লেও অন্ততঃ দীৰ্ঘম্যাদী হ'ব বুলি ক'ব পাৰি। উদাহৰণ স্বৰূপে কামৰূপ জিলাৰ পলাশবাৰী অঞ্চলৰ বিষয়ে ক'ব পাৰি। উল্লেখযোগ্য যে যোৱা সত্তৰৰ দশকত প্ৰৱল খহনীয়া হোৱাৰ পাচত তাৰ পাৰ পকী স্লেবেৰে বান্ধি দিয়াত সেই অঞ্চলৰ খহনীয়া এতিয়া দূৰ হৈছে। অসমত খহনীয়া প্ৰতিৰোধৰ বাবে নদীৰ বুকু খনন (অন্ততঃ প্ৰধান নদী ব্ৰহ্মপুত্ৰৰ) আৰু নদীৰ পাৰ যাতে খহিব নোৱাৰে তাৰ বাবে মজবুত পকীকৰণ কৰাটো অপৰিহাৰ্য হ'ব। অৱশ্যে, আপাত দৃষ্টিত, ব্ৰহ্মপুত্ৰৰ দৰে বিশাল আৰু প্ৰায় ৬৫০ কিলোমিটাৰ দৈৰ্ঘ্য বিশিষ্ট নদী এখন খন্দাটো অসম্ভৱ কাম হ'ব। সেয়ে হ'লেও এনে দুই কাম ব্যতিৰেকে অসমৰ খহনীয়া সমস্যাৰ সমাধানো সম্ভৱ নহ'ব। প্ৰণিধানযোগ্য যে তেনে কৰিব পাৰিলে এফালে বান আৰু খহনীয়া ৰোধ হ'ব আৰু আনফালে ব্ৰহ্মপুত্ৰৰ বেধো বৰ্তমানৰ অৱস্থাৰ তুলনাত ভালেখিনি কমাই ঠেক কৰি পেলাব পৰা হ'ব। তেতিয়া খননৰ ফলত ওলোৱা গেদ-মাটিৰে নদীপৰীয়া ঠাই বসবাসৰ উপযোগী কৰি বহু লোকক তাত সংস্থাপিত কৰাৰো উপায় ওলাব।

উল্লেখযোগ্য যে ব্ৰহ্মপুত্ৰ খননৰ ব্যৱস্থা ইংৰাজ চৰকাৰৰ দিনতো কৰা হৈছিল। জলপৰিবহন ব্যৱস্থাৰ সুচলতা ৰক্ষাৰ স্বাৰ্থতে তেনে কৰা হৈছিল; কিয়নো তেতিয়ালৈ পথৰ সলনি জলপথৰ ব্যৱহাৰেই মুখ্য স্থান দখল কৰিছিল। প্ৰাপ্ত তথ্য মতে ইংৰাজ চৰকাৰৰ দিনত সময়ে সময়ে ব্ৰহ্মপুত্ৰ নদীত খনন কাৰ্য চলোৱাৰ উপৰিও যোৱা শতিকাৰ যাঠি-সত্তৰ দশক পৰ্যন্ত এনে কাৰ্য কৰাৰ প্ৰয়াস কৰা হৈছিল। তেনে এটা তথ্য এই — " বৃটিছৰ শাসন কালত ব্ৰহ্মপুত্ৰ নিয়মীয়াকৈ খন্দোৱা হৈছিল। মাত্ৰ স্বাধীনতাৰ (১৯৪৭) পাছতহে এই খনন কাৰ্য বন্ধ কৰা হ'ল। বিগত শতাব্দীৰ ৫০ ৰ দশকৰ পৰা খননৰ সলনি মথাউৰি আৰম্ভ হ'ল আৰু প্ৰতিবছৰেই অভূতপূৰ্ব বান আৰম্ভ হ'ল " (ড° গকুল গোস্বামী, বিজ্ঞান জেউতি, ফেব্ৰুৱাৰী-মাৰ্চ, ২০০৫)। তদুপৰি, প্ৰাপ্ত তথ্যই সূচায় যে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা বেদব্ৰত বৰুৱাৰ আশাসুধীয়া প্ৰচেষ্টা আৰু সেই সময়ৰ কেন্দ্ৰীয় জলসিঞ্চন মন্ত্ৰী তথা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বান নিয়ন্ত্ৰণ বিশেষজ্ঞ কে এন ৰাওৰ পৃষ্ঠপোষকতাত ১৯৬৯ চনত ১০ কোটি টকা মূল্যৰ দুখন ড্ৰেজাৰ অসমে লাভ কৰিবলৈ সমৰ্থ হয়। পিচে অতি পৰিতাপ আৰু লজ্জাৰ বিষয় যে সেই দুখন ড্ৰেজাৰৰ এখন ১৯৭২ চনৰ শেষৰফালে গুৱাহাটী আহি পায়হি। কিন্তু চৰকাৰে মাহে ৯০০ টকাৰ দৰমহাৰ কোনো চালক নোপোৱাত ড্ৰেজাৰখন পেলাই থোৱা হ'ল। ড্ৰেজাৰখন অব্যৱহৃত হৈ থকাত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিদিনে ৩০ হাজাৰ টকা লোকচান হৈছিল। এবছৰ নে দুবছৰৰ পাচত কেন্দ্ৰীয় চৰকাৰে ড্ৰেজাৰখন অসমৰপৰা নি কোনোবা এটা পোতাশ্ৰয়ত দিলে। প্ৰসংগক্ৰমে উল্লেখনীয় যে ডিব্ৰুগড় চহৰৰ নিকটৱৰ্তী মোহনাঘাট- নগাঘুলিত হোৱা খহনীয়া নিবাৰণৰ বাবেও যোৱা

বছৰৰ মে’-জুন মাহত ভাৰতীয় জল পৰিবহন আয়োগৰ এখন প্ৰপেলাৰহীন ড্ৰেজাৰ অনা হৈছিল যদিও সামান্য আৰম্ভণি কাৰ্যৰ পাচতেই পুঁজিৰ অভাৱৰ হেতুকেই সেইখনো নিষ্ক্ৰিয় হৈ পৰে। তেনেকৈ সত্তৰৰ দশকত পলাশবাৰী অঞ্চলত ব্ৰহ্মপুত্ৰত খননৰ বাবে অনা ড্ৰেজাৰেও কিছু খন্দাৰ বতৰা পোৱা গৈছিল যদি সেইখনেও সময়ত টুপাই বুৰ মৰাহে পৰিলক্ষিত হ’ল। মুঠতে, খননৰ নামত এতিয়ালৈ যিবোৰ কাৰ্য কৰি অহা হৈছে সেইবোৰৰ স্পষ্ট কৰ্মনীতি আৰু লগতে পুঁজি আৰু ৰাজ্য চৰকাৰৰ দৃঢ়তাৰ অভাৱত এনে পদক্ষেপ ক্ৰমে ফুটুকাৰ ফেনতহে পৰিণত হ’বলৈ ধৰিছে। তাতোকৈ ডাঙৰ কথা, ৰাজ্যখনৰ খহনীয়াৰ দৰে জটিল আৰু স্পৰ্শকাতৰ বিষয়টোৰ সন্দৰ্ভত যথাৰ্থ আঁচনি গ্ৰহণেৰে নিয়ন্ত্ৰণ নিৰাময়ৰ ব্যৱস্থা কৰাটো বাদেই, অদ্যপি ইয়াৰ প্ৰকৃত তথা বিতং তথ্যকে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰা হোৱা নাই বুলি অভিযোগ তুলি অহা হৈছে। নক’লেও হয় যে এনে কাম সুপৰিকল্পিত আঁচনি আৰু যথাযথ পুঁজি অবিহনে সম্ভৱ নহ’ব। সেয়েহে ৰাজ্য চৰকাৰে অচিৰেই আঁচনি গ্ৰহণ কৰি পুঁজি আদায়ৰ বাবে কেন্দ্ৰৰ অনুমোদন বিচৰাটো জৰুৰীভাৱে প্ৰয়োজনীয়।

৩নং বেটুপাতৰ পৰা

**ব্যৱসায় ভিছা ঃ**

ভাৰতত ব্যৱসায় কৰিব খোজা কোনো বিদেশী নাগৰিকে যদি ভাৰতত উদ্যোগ কিম্বা ব্যৱসায় গঢ়ি তুলিব খোজে,উদ্যোগ কিম্বা ব্যৱসায়ৰ সম্ভাৱনাৰ সমীক্ষা কৰিব খোজে অথবা ঔদ্যোগিক কিম্বা বাণিজ্যিক সামগ্ৰীৰ ক্ৰয়-বিক্ৰয় সম্পন্ন কৰিব খোজে, তেন্তে তেনে ব্যক্তিক বিজনেছ বা ব্যৱসায় ভিছা প্ৰদান কৰা হয়। এনে ভিছাৰ ম্যাদ পাঁচবছৰ পৰ্যন্ত হ’ব পাৰে। এই ভিছাৰ বাবে আবেদন কৰাৰ সময়ত সংশ্লিষ্ট ক্ষেত্ৰত আবেদকৰ বিত্তীয় সামৰ্থ্য, বিশেষ দক্ষতা থকাৰ প্ৰমাণ দাখিল কৰাটো বাধ্যতামূলক। এনে ভিছাৰ ম্যাদ এবছৰীয়া হয়। এবছৰতকৈ কম সময়ৰ বাবে প্ৰদান কৰা ভিছাৰ বাবেও সম পৰিমাণৰ ভিছা মাচুলেই আদায় দিব লাগে আবেদনকৰীয়ে।

**সন্মিলন ভিছা ঃ**

চৰকাৰী ভাবে অনুষ্ঠিত সন্মিলন আদিত ভাগ ল’বলৈ আহিব খোজা বিদেশী প্ৰতিনিধিক কনফাৰেন্স বা সন্মিলন ভিছা প্ৰদান কৰা হয়। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান, চৰকাৰী পুঁজিৰ পৰিচালিত নিগম নিকায় অথবা কোনো মন্ত্ৰালয় অথবা বিভাগে অনুমোদন জনোৱা স্বেচ্ছাসেৱী অনুষ্ঠানে আয়োজন কৰা সন্মিলনৰ বাবেও এনে ভিছা প্ৰদান কৰে ভাৰতীয় মিছন অথবা ভাৰতীয় ডাক বিভাগে।

**সাংবাদিক ভিছা ঃ**

পেছাদাৰী সাংবাদিক, সংবাদ পত্ৰৰে জড়িত ব্যক্তি, চলচিত্ৰ জগত (বাণিজ্যিক শ্ৰেণীৰ বাহিৰে)ৰে জড়িত ব্যক্তি, ৰেডিঅ’ অথবা টেলিভিছন সংস্থাৰ প্ৰতিনিধি, তথ্য জগতৰ প্ৰতিনিধি, যেনে— ভ্ৰমণ সম্পৰ্কীয় লিখা-মেলা কৰা ব্যক্তি, পৰ্যটন সাংবাদিকতাৰে জড়িত ব্যক্তি, ফট’গ্ৰাফি, টেলিভিছনৰ কাৰ্যক্ৰম, বিজ্ঞাপন আদি নিৰ্মাণৰে জড়িত ব্যক্তি আদিক সাংবাদিক ভিছা প্ৰদান কৰা হয়। ভাৰতীয় মিছন অথবা ডাক বিভাগে প্ৰদান কৰা এই ভিছাৰ ম্যাদ ৬মহীয়া হয়। সাংবাদিক ভিছা লাভ কৰা ব্যক্তিসকলক নতুন দিল্লীত পদাৰ্পণ কৰাৰ পাচতে ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ বহিঃপ্ৰচাৰ বিভাগৰে আৰু আন স্থানত প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰোৰ কাৰ্যালয়ৰে যোগাযোগ কৰিবলৈ পৰামৰ্শ দিয়া হয়।

**গৱেষণা ভিছা ঃ**

গৱেষণা প্ৰতিষ্ঠানৰ স্বীকৃতি কিম্বা সুনাম আৰু আবেদনকাৰীৰ যোগ্যতাৰ ভিত্তিত ভাৰতীয় মিছন অথবা ডাক বিভাগে গৱেষণা ভিছা প্ৰদান কৰে। অৱশ্যে এই ক্ষেত্ৰত কেতবোৰ দেশৰ জাতীয়তাৰ প্ৰসংগ, গৱেষণা কৰিব খোজা স্থানত থকা নিয়ন্ত্ৰণ, সংৰক্ষণ অথবা সন্ত্ৰাসবাদ, উগ্ৰবাদী কাৰ্যকলাপ অব্যাহত থকা স্থানৰ বিভিন্ন প্ৰসংগ চালি-জাৰি চাইহে এনে ভিছা প্ৰদানৰ ব্যৱস্থা কৰা হয়। এনে ভিছাৰ ম্যাদ তিনিবছৰ কিম্বা গৱেষণাৰ সময় সীমাৰ (যিটোৱেই আগত হয়) সমান হয়।

**চিকিৎসা ভিছাঃ**

ভাৰতৰ কোনো প্ৰসিদ্ধ অথবা স্বীকৃতি প্ৰাপ্ত চিকিৎসা প্ৰতিষ্ঠানত বিশেষ চিকিৎসাৰ বাবে আহিব খোজা বিদেশী নাগৰিকৰ তথ্য-পাতি সন্তোষজনক হ’লে তেনে লোকক ভাৰতীয় মিছন অথবা ডাক বিভাগে চিকিৎসা ভিছা প্ৰদান কৰে। এনে ভিছাৰ ম্যাদ এবছৰ কিম্বা চিকিৎসাৰ বাবে প্ৰয়োজন হোৱা সময় (যিটোৱেই কম) কালৰ সমান হয়। ভাৰতীয় চিকিৎসা শৈলীৰ ক্ষেত্ৰতো এই ভিছা প্ৰদানৰ ব্যৱস্থা আছে। ইফালে ৰোগীৰ লগত আহিব খোজা পতি বা পত্নী, সন্তান কিম্বা কোনো নিকট আত্মীয়ৰ সৰ্বাধিক দুজনৰ বাবে এটেণ্ডেন্ট বা পৰীয়ী ভিছা প্ৰদান কৰা হয়।

**ট্ৰেনজিট ভিছা ঃ**

আনদেশলৈ যোৱাৰ পথত ভাৰতত প্ৰৱেশ কৰিবলগীয়া হোৱা বিদেশী নাগৰিকক ট্ৰেনজিট ভিছা প্ৰদান কৰা হয়। এনে ভিছাৰ ম্যাদ সৰ্বাধিক ১৫ দিন পৰ্যন্ত হয় আৰু দুবাৰ প্ৰৱেশৰ অনুমতিৰে প্ৰদানৰ ব্যৱস্থা কৰা হয়।

**এক্স (এন্ট্ৰী) ভিছা ঃ**

ভাৰতীয় মূলৰ বিদেশী নাগৰিক, ভাৰতীয় নাগৰিকৰ বিদেশী পত্নী কিম্বা পতি অথবা আন কোনো ভিছাৰ আধাৰত ভাৰতত থকা বিদেশী নাগৰিকৰ পত্নী-পতি কিম্বা সন্তানক এনে ভিছা প্ৰদান কৰা হয়।

# ।। 'ডিজিটেল ইণ্ডিয়া' অভিযানৰ শুভাৰম্ভ ।।

দেশৰ বৃত্তিগত প্ৰশিক্ষণৰ বিপণন কাৰ্যকাৰিতা উন্নত কৰিবলৈ এখন ডিজিটেল মঞ্চ বিকশিত কৰাৰ উদ্দেশ্যে 'ডিজিটেল ইণ্ডিয়া' শীৰ্ষক অভিযানৰ সূচনা কৰা হৈছে। এই উদ্দেশ্যে শেহতীয়াভাৱে মুকলি কৰা http://ncvtmis.dget.in শীৰ্ষক প'ৰ্টেলটো বিকশিত কৰিছে। ভাৰত চৰকাৰ শ্ৰম মন্ত্ৰালয়ৰ অধীনত নিয়োগ আৰু প্ৰশিক্ষণ মহা সঞ্চালকালয়ে প'ৰ্টেলটোৰ জৰিয়তে চৰকাৰী আঁচনিসমূহৰ ৰূপায়ণ আৰু কাৰ্যকাৰিতা তদাৰক কৰাৰ ক্ষেত্ৰত উন্নত পৰ্যায়ৰ সহযোগিতা লাভ কৰিব পৰা যাব।

প্ৰথম পৰ্যায়ও এনচিভিটি-এম আই এছ প'ৰ্টেলৰ নিয়োগ আৰু প্ৰশিক্ষণ মহা সঞ্চালকালয়ৰ দ্বাৰা ৰূপায়ণ কৰি থকা ক্ৰাফ্‌টমেন প্ৰশিক্ষণ আঁচনি আৰু শিক্ষানবিচী প্ৰোৎসাইন যোজনাৰ দৰে আঁচনি কেইখন ৰূপায়ণৰ ক্ষেত্ৰতই এটা ই-গভৰ্নেন্স পদ্ধতিৰ সুবিধা আগবঢ়াব। প'ৰ্টেলটোৱে উল্লিখিত আঁচনি সমূহৰ যাৱতীয় তথ্য যেনে- জড়িত থকাৰ সবিশেষ, প্ৰশিক্ষণৰ বাবে থকা আসনৰ সংখ্যা, প্ৰশিক্ষণৰ ব্যৱহাৰিক উপকাৰিতাৰ পৰিসংখ্যা আদি সৰ্বসাধাৰণক অৱগত কৰিব। ইতিমধ্যে প'ৰ্টেলটোত দেশৰ ১১০০০ ৰো অধিক ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (আই টি আই) ৰ তথ্য আৰু এইবোৰৰ সৈতে জড়িত হৈ থকা সংস্থাৰ সবিশেষ উপলব্ধ কৰা হৈছে। সেইদৰে এই প্ৰতিষ্ঠান সমূহত যোৱা ১৪ আগষ্টৰ পৰা আৰম্ভ হোৱা প্ৰশিক্ষণসূচীত অংশগ্ৰহণ কৰা ১০ লাখ প্ৰাৰ্থীৰ তথ্যও সন্নিৱিষ্ট কৰা হৈছে। তদুপৰি প'ৰ্টেলটোৰ জৰিয়তে প্ৰশিক্ষাৰ্থী সকলে পৰীক্ষা গৃহত বহাৰ বাবে প্ৰদান কৰা টিকট প্ৰিন্ট আউট লোৱা, মাৰ্ক চীট, ই-চাৰ্টিফিকেটৰ কপি আদি সংগ্ৰহ কৰিব পাৰিব। ফলত এইবোৰ সংগ্ৰহ কৰিবলৈ যাওঁতে ইমানদিনে সন্মুখীন হৈ অহা অসুবিধাসমূহৰ পৰা হাত সাৰিব পৰাৰ লগতে সময়ৰো ৰাহি কৰিব পৰা যাব।

ইফালে নিয়োগ কৰ্তাসকলেও এই প'ৰ্টেল ব্যৱহাৰ কৰি প্ৰত্যক্ষভাৱে প্ৰাৰ্থীসকলৰ প্ৰমাণ পত্ৰ সমূহৰ বৈধতা নিশ্চিতকৰণৰ সুযোগ লাভ কৰিব। কিয়নো ২০ লাখৰো অধিক পৰীক্ষাৰ্থীক প্ৰদান কৰা প্ৰমাণ পত্ৰ সমূহৰ তথ্য এতিয়াৰে পৰা অন লাইনত উপলব্ধ হ'ব। সেই দৰে শিক্ষানবিচী প্ৰোৎসাহন যোজনাৰ সমুদায় কাম-কাজ সুচাৰু ৰূপে সম্পাদন কৰিব পৰাকৈ প'ৰ্টেলটোত ডিজিটাইজ পদ্ধতিৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ফলত শিক্ষানবিচীৰ বাবে কৰিব লগা পঞ্জীয়ন অনুমোদনৰ বাবে প্ৰপত্ৰ জমা দিয়া, মাচুল জমা দিয়া আৰু মুৰকত শিক্ষানবিচী আৰম্ভ কৰা আদি কাম-কাজ বৈদ্যুতীন প্ৰক্ৰিয়াৰে সম্পন্ন কৰাৰ দিহা কৰা হৈছে।

ইফালে ঔদ্যোগিক প্ৰতিষ্ঠান সমূহক প'ৰ্টেলটোৰ কাম-কাজ সম্পৰ্কে অভ্যস্ত কৰাবলৈ প্ৰশিক্ষণ, কাৰিকৰী সহযোগিতা, ব্যৱহাৰকাৰীৰ পৰামৰ্শদান পুস্তিকা আদিসহ এখন সহায়িকা মেজৰ ব্যৱস্থা কৰাৰ বাবে চিন্তা চৰ্চা কৰি থকা হৈছে।

প্ৰশিক্ষণ, নিযুক্তি, শিক্ষানবিচী আদি সম্পৰ্কীয় বিভিন্ন তথ্য-পাতিৰ যোগান ধৰাৰ লগতে উন্নত সমীক্ষা আৰু বিপণনৰ জৰিয়তে এনে সেৱাৰ চাহিদা বৃদ্ধিত অৰিহণা যোগাব পৰাকৈয়ে প'ৰ্টেলটো বিকশিত কৰা হৈছে। তদুপৰি অনলাইন পদ্ধতিৰে কাম-কাজ সম্পন্ন কৰিব খোজা বিভিন্ন পক্ষক সহযোগিতা আগবঢ়াব পৰাকৈ প'ৰ্টেলটোক স্বেচ্ছাসেৱী প'ৰ্টেল হিচাপে বিকশাই তোলা হৈছে। দেশৰ ১১০০০ তকৈও অধিকখন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত ১৩৪ টা বিভিন্ন বিষয়ৰ প্ৰশিক্ষণ প্ৰদান কৰি ১০ লাখৰো অধিক পৰীক্ষাৰ্থীক সময়মতে ফলাফল দিবলৈ যাওঁতে নিয়োগ আৰু প্ৰশিক্ষণ মহাসঞ্চালকালয়ে সন্মুখীন হোৱা সমস্যাৰ এতিয়া এই প'ৰ্টেলে সামৰণি পেলাব বুলি আশা কৰা হৈছে।

সেইদৰে বৃত্তিমুখী প্ৰশিক্ষণ কৰ্মসূচীৰ ৰূপায়ণ প্ৰক্ৰিয়ালৈ স্বচ্ছতা অনাৰ সিদ্ধান্ত গ্ৰহণত অধিক পৰিপক্কতা লাভ কৰাৰ উপৰি নাগৰিক সেৱাৰ মান উন্নত কৰাৰ ক্ষেত্ৰতো প'ৰ্টেলটোৱে বিশেষ মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰিব পাৰি।

প'ৰ্টেলটোৰ দ্বিতীয় পৰ্যায় বিকাশিত কৰাৰ বাবে যাৱতীয় প্ৰক্ৰিয়া অব্যাহত আছে। এই পৰ্যায়ত প্ৰশিক্ষক প্ৰশিক্ষণ পাঠ্যক্ৰম, শিক্ষানবিচী সেৱাৰ দৰে কাম-কাজ পৰিচালনা কৰা কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠাপোষকতাত চলা প্ৰতিষ্ঠান সমূহৰ তথ্যাৱলীৰ উপৰি বৃত্তিমুখী পাঠ্যক্ৰমত নামভৰ্তি কৰিব খোজা প্ৰব্ৰজনকাৰী প্ৰশিক্ষাৰ্থীৰ তথ্যাৱলী যোগানেৰে ৰাজ্যসমূহক সহযোগতা অগবঢ়াব এই প'ৰ্টেলে। তদুপৰি নিয়োগ আৰু প্ৰশিক্ষণ মহাসঞ্চালকালয়ৰ নেচনেল কেৰিয়াৰ ছাৰ্ভিচ প'ৰ্টেলৰ সৈতে সমন্বয় স্থাপন কৰি নিয়োগ আৰু আধাৰ সম্পৰ্কীয় প্ৰশিক্ষণ সম্পাদন কৰাৰ উপৰি প্ৰশিক্ষক সকলৰ এটা ৰাষ্ট্ৰীয় তথ্য ভাণ্ডাৰো প'ৰ্টেলটোৰ দ্বিতীয় পৰ্যায়ত সন্নিৱিষ্ট

কৰাৰ প্ৰস্তুতি চলোৱা হৈছে।

প'ৰ্টেলটোৰ শুভাৰম্ভ অনুষ্ঠানত দেশৰ বিভিন্ন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ পৰা প্ৰশিক্ষণ সম্পূৰ্ণ কৰা একাংশ পৰীক্ষাৰ্থীক প্ৰথমবাৰৰ বাবে ই-চাৰ্টিফিকেট প্ৰদান কৰা হয়। এই চাৰ্টিফিকেট প'ৰ্টেলটোৰ পৰাই উলিওৱা হৈছে। এই পৰ্যন্ত ১.৬ লাখ প্ৰশিক্ষাৰ্থীক এই প'ৰ্টেলৰ জৰিয়তে উলিওৱা প্ৰমাণ পত্ৰ প্ৰদান কৰা হৈছে।

।। 'প্ৰগতি'ঃ সচেষ্ট প্ৰশাসন আৰু সময় সাপেক্ষ ৰূপায়ণৰ বাবে বহুমুখী মঞ্চ ।।

প্ৰধান মন্ত্ৰীয়ে অলপতে 'প্ৰ'এক্টিভ গভৰ্নেন্স এণ্ড টাইমলি ইম্প্লিমেটেচন' চমুকৈ — 'প্ৰগতি' শীৰ্ষক কাৰ্যক্ৰমৰ শুভাৰম্ভ ঘোষণা কৰিছে। চৰকাৰ আৰু জনসাধাৰণৰ মাজত সমন্বয় স্থাপনত অভূতপূৰ্ব ভূমিকা পালন কৰিব পৰা 'প্ৰগতি' এখন অনন্য মঞ্চ হৈ উঠিব বুলি আশা কৰা হৈছে। এই মঞ্চৰ জৰিয়তে সৰ্ব সাধাৰণৰ অভাৱ-অভিযোগবোৰ নিৰসনৰ ব্যৱস্থা কৰাৰ লগতে চৰকাৰী আঁচনি তথা গুৰুত্বপূৰ্ণ প্ৰকল্পসমূহৰ কাম-কাজৰ নিৰীক্ষণ আৰু পৰ্যলোচনা কৰা হ'ব। এই মঞ্চই ৰাজ্য চৰকাৰসমূহৰ প্ৰকল্পসমূহৰ কাম-কাজৰ ওপৰতো নজৰ ৰাখিব।

ডিজিটেল ডাটা মেনেজমেণ্ট, ভিডিঅ'-কনফাৰেন্সিং আৰু জিঅ'-সপ'ৰ্টেয়েল টেকন'লজীৰ দৰে ব্যৱস্থাৰে 'প্ৰগতি'ৰ কাম-কাজ পৰিচালিত কৰাৰ ব্যৱস্থা কৰা হৈছে। সহযোগিতা সুলভ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ উত্তৰণ ঘটোৱাৰ লক্ষ্যৰে 'প্ৰগতি'ৰ মঞ্চত ভাৰত চৰকাৰৰ সচিবসকলৰ সৈতে ৰাজ্য চৰকাৰৰ মুখ্য সচিবসকলক মত-বিনিময় কৰাৰ পৰম্পৰা আৰম্ভ কৰা হৈছে। এই পৰম্পৰাৰ সুবাদত তৃণমূল পৰ্যায়ৰ শেহতীয়া পৰিস্থিতিৰ সবিশেষ তথ্য আৰু দৃশ্য প্ৰত্যক্ষ কৰি গুৰুত্বপূৰ্ণ প্ৰসংগসমূহৰ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিষয়াবৰ্গৰ সৈতে খোদ প্ৰধানমন্ত্ৰীয়ে প্ৰত্যক্ষ ভাৱে আলোচনা কৰাৰ সুযোগ ওলাল। ইয়াৰ পূৰ্বে ভাৰতত এনে প্ৰয়াস কেতিয়াও লোৱা হোৱা নাছিল। সু-শাসন আৰু ই-গভৰ্নেন্সৰ ক্ষেত্ৰতো এই প্ৰকল্প অনন্য বুলিয়ে চিহ্নিত হৈছে।

**'প্ৰগতি'ৰ উল্লেখনীয় দিশবোৰঃ**

* 'প্ৰগতি' এক তিনি তৰপীয়া পদ্ধতি (প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, কেন্দ্ৰীয় চৰকাৰৰ সচিবালয় সমূহ আৰু ৰাজ্য চৰকাৰৰ মুখ্য সচিবৰ কাৰ্যালয়)।

* ভিডিঅ' কনফাৰেন্সিং সেৱাৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে প্ৰতি মাহে কেন্দ্ৰীয় চৰকাৰৰ সচিব, আৰু ৰাজ্য চৰকাৰৰ মুখ্য সচিবসকলৰ সৈতে আলোচনাত মিলিত হ'ব।

* ২০১৫ চনৰ ২৫ মাৰ্চৰ বিয়লি ৩.৩০ বজাত প্ৰথমবাৰৰ বাবে এই কাৰ্যক্ৰম অনুষ্ঠিত হৈছিল।

* প্ৰতি মাহৰ চতুৰ্থ বুধবাৰৰ বিয়লি ৩.৩০ বজাত এই কাৰ্যক্ৰম নিয়মীয়াকৈ অনুষ্ঠিত হ'ব। এই দিনটোক 'প্ৰগতি দিৱস' বুলি নামাংকিত কৰা হৈছে।

* ৰাইজৰ অভিযোগ, ৰূপায়িত আঁচনি-কাৰ্যক্ৰম সন্দৰ্ভত আহৰিত তথ্যৰ আধাৰত এই অনুষ্ঠানৰ বাবে বিষয় বাচনি কৰা হ'ব।

* 'চিপিজিআৰ এ এম এছ' তথ্য ভাণ্ডাৰ, প্ৰকল্প নিৰীক্ষণ গোট আৰু পৰিসংখ্যা আৰু প্ৰকল্প ৰূপায়ণ মন্ত্ৰালয়ৰ তথ্য ভাণ্ডাৰ শক্তিশালী কৰাৰ লগতে পুনৰ নিৰ্মাণৰ দিহা কৰা হৈছে। এই তিনিওটা তথ্যভাণ্ডাৰৰ বাবে 'প্ৰগতি'য়ে মঞ্চৰ সুযোগ প্ৰদান কৰিব।

* সৰ্ব সাধাৰণ কিম্বা ৰাজ্য তথা ৰাজহুৱা প্ৰকল্প বিকশিত কৰণৰ সৈতে জড়িত নেতৃস্থানীয় ব্যক্তিৰ মতামত প্ৰধান মন্ত্ৰীৰ কাৰ্যালয়লৈ যোগান ধৰাৰ ক্ষেত্ৰত এই মঞ্চই বিশেষ গুৰুত্ব প্ৰদান কৰিব।

* 'প্ৰগতি'ৰ মঞ্চত আলোচনা কৰিব খোজা বিষয় সম্পৰ্কে 'প্ৰগতি দিৱস'ৰ ৭ দিন আগতে আপলোডৰ ব্যৱস্থা কৰিব লাগিব।

* এই বিষয় সমূহ কেন্দ্ৰীয় সচিব তথা ৰাজ্য চৰকাৰৰ মুখ্য সচিবসকলে চালি-জাৰি চাব পাৰিব।

* ইতিমধ্যে সংশ্লিষ্ট সকলৰ ইউজাৰ আই পাছৱৰ্ড সমূহ যুগুতাই উলিওৱাৰ উপৰি তেওঁলোকক উপলব্ধ কৰা হৈছে।

* সোমবাৰ সচিবসকলৰ বাবে আৰু মঙ্গলবাৰৰ দিনটো প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ বিষয়া বৰ্গৰ পুনৰীক্ষণৰ বাবে সংৰক্ষিত কৰা হৈছে।

* ইয়াৰ জৰিয়তে প্ৰগতি দিৱসত প্ৰধানমন্ত্ৰীৰে হোৱা আলোচনাত সকলো তথ্য-পাতিৰ লগতে যাতে যাৱতীয় দৃশ্যাংশও উপলব্ধ হয়, সেই কথা নিশ্চিত কৰা হৈছে। নেচনেল ইনফৰমেটিকছ চেণ্টাৰ — এন আই চিৰ সহযোগত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ এটা দলে এই পদ্ধতি বিকশিত কৰি উলিয়াইছে।

# প্ৰাণীকূল আৰু জলবায়ু পৰিৱৰ্তন

ড° অন্নজ্যোতি গগৈ

আমেৰিকান জীৱবিজ্ঞানী, লেখক তথা পৰিৱেশবিদ ৰাছেল কাৰ্চনে কৈছিল — “Man is a part of nature and his war against nature is inevitably a war against himself.” পৰিৱেশ প্ৰদূষণ বিশেষকৈ কীটনাশক দ্ৰব্যৰ অপকাৰিতাৰ বিষয়ে বিশ্লেষণ আগবঢ়াই ৰাছেল কাৰ্চনে যিখন কিতাপ লিখি পাঠকৰ ব্যাপক সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছিল তাৰ বাণীসমূহ যেন আমি আজিকালি বাস্তৱিকতে দেখিবলৈ পাইছো। “ছাইলেন্ট স্প্ৰীং” প্ৰকাশ হৈছিল ১৯৬২ চনত। এই “ছাইলেন্ট স্প্ৰীং” অৰ্থাৎ ‘নীৰৱ বসন্ত’ পুথিখনে পৰিৱেশ প্ৰদূষণৰ ভয়াবহতাৰ সম্পৰ্কত বিশ্বব্যাপী সজাগতা সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। কিতাপখনৰ মূল বাৰ্তা আছিল — কীটনাশকৰ কবলত পৰি চৰাইবোৰ মৃত্যুমুখত পৰাৰ আশংকা কৰি বসন্ত ঋতু চৰাইৰ গানৰ অবিহনে নীৰৱ হৈ পৰিব । এই “ছাইলেন্ট স্প্ৰীং” এ দিয়া সতৰ্কবাণীৰ আলমত আমেৰিকাত ডি ডি টি নিষিদ্ধ কৰা হৈছিল।

গোলকীয় উত্তাপ বৃদ্ধিয়ে বৰ্তমান পৰিৱেশবিদসকলক চিন্তিত কৰি তুলিছে। গোলকীয় উত্তাপ বৃদ্ধিৰ মূলতে হ’ল সেউজ গৃহ গেছৰ প্ৰাদুৰ্ভাৱ। ইয়াৰ বাবে দায়ী কাৰ্বনডাই অক্সাইড ($Co_2$), মিথেন ($CH_2$), ক্লৰ’ফ্লৰ’কাৰ্বন (CFC), নাইট্ৰাছ অক্সাইড ($N_2O$) ৰ দৰে সেউজ গৃহ গেছবোৰ। এই সেউজ গৃহ গেছসমূহ বঢ়াৰ মূল কাৰণ হ’ল উদ্যোগীকৰণ, বননি ধ্বংস তথা পৰিৱেশ প্ৰদূষণ। এই কথা অনস্বীকাৰ্য্য যে শিল্প বিপ্লৱৰ (Industrial revolution) ফলত অৰ্থনৈতিক আৰু সামাজিক পৰিৱৰ্তন সম্ভৱপৰ হ’ল। মানুহৰ জীৱন ধাৰণৰ মান আজিৰ পৰ্য্যায়লৈ উন্নীত হ’ল শিল্প বিপ্লৱৰ প্ৰভাৱত। অন্যহাতে এই বিপ্লৱৰ ফলত অধিক মাত্ৰাত প্ৰাকৃতিক সম্পদ আহৰণ তথা ব্যৱহাৰ হোৱাৰ হেতু পৰিৱেশ অৱক্ষয় দ্ৰুতগতিত বাঢ়িল। উদ্যোগীকৰণৰ লগতে নগৰীকৰণ আৰু জনবিস্ফোৰণৰ ফলতো পৰিৱেশত সেউজ গৃহ গেছৰ উপস্থিতিৰ মাত্ৰা বাঢ়িব লাগিছে। পাক্ উদ্যোগিক যুগত $Co_2$ৰ পৰিমাণ আছিল ২৮০ পি পি এম (parts per million), কিন্তু ২০০০ চনত এই পৰিমাণ হয়গৈ ৩৬৮ পি পি এম। সেইদৰে মিথেনৰ পৰিমাণ আছিল ৭০০ পি পি বি (perts per billion) আৰু ২০০০ চনত হয়গৈ দুগুণৰ অধিক (১৭৬০ পি পি বি)। ছি এফ ছি গেছ কুৰি শতিকাৰ অৱদান আৰু বায়ুমণ্ডলত এই গেছৰ পৰিমাণ ২৮২ পি পি টি (perts per Trillion)

বিশ্বৰ উন্নত দেশবোৰে উন্নয়নশীল আৰু অনুন্নত দেশবোৰৰ তুলনাত অতি বেছি পৰিমাণে সেউজ গৃহ গেছ নিৰ্গত কৰে। আমেৰিকাই যান-বাহনজনিত উৎসৰ পৰা পৃথিৱীৰ ভিতৰত আটাইতকৈ বেছি পৰিমাণৰ কাৰ্বন ডাই অক্সাইড গেছ উৎপন্ন কৰে। উন্নত দেশৰ এজন লোকে গড় হিচাপত অধিক প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰাৰ বিপৰীতে ভাৰতৰ দৰে জনবহুল দেশৰ অধিক জনসংখ্যাৰ প্ৰতিজন লোকে কম পৰিমাণে প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰিলেও প্ৰকৃতিৰ ওপৰত যথেষ্ট হেঁচা পৰে। সেয়ে কি উন্নত, কি অনুন্নত বা উন্নয়নশীল সকলো দেশৰ অধিবাসী বায়ুমণ্ডলত সেউজ গৃহ গেছ নিৰ্গমণৰ বাবে কম বেছি পৰিমাণে দায়ী।

এটা সমীক্ষাত প্ৰকাশ পাইছে যে যোৱা ৩০ বছৰৰ ভিতৰত পৃথিৱীৰ উষ্ণতা ০.৫° ছেন্টিগ্ৰেড বৃদ্ধি পাইছে। যদি সেউজ গৃহ গেছসমূহ বৰ্তমানৰ হাৰতে বৃদ্ধি হৈ গৈ থাকে তেন্তে ২০৩০ চনত গোলকীয় উষ্ণতা ১.৫° ছেঃ ৰ পৰা ৪.৫° ছেঃ পৰ্য্যন্ত বৃদ্ধি পাব।

জলবায়ু পৰিৱৰ্তন হোৱাৰ ফলত একোটা অঞ্চলত হঠাতে বানপানী বা হঠাতে খৰাং পৰিস্থিতিৰ উদ্ভৱ হ’ব পাৰে। আনকি মৌচুমী বতাহৰ আগমনৰ সময় আৰু গতিপথৰ তাৰতম্য ঘটি বৰষুণ অহাৰ সময়ৰ পৰিৱৰ্তন হ’ব পাৰে। এসময়ত পৃথিৱীৰ ভিতৰতে সৰ্বাধিক বৰষুণ হোৱা অঞ্চলৰূপে চিহ্নিত ছেৰাপুঞ্জীত এতিয়া বৰষুণৰ পৰিমাণ কমা বুলি বাতৰি প্ৰকাশ পাইছে। আনহাতে গুৱাহাটী, মুম্বাই আদি ঠাইত বৰষুণৰ পৰিমাণ বাঢ়ি সঘনাই কৃত্ৰিম বানপানী সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। এনেদৰে বৰষুণৰ পৰিমাণ অঞ্চলবিশেষে কম-বেছি হোৱাৰ ফলত অতিবৃষ্টি, অনাবৃষ্টি, বানপানী, খৰাং আদি পৰিঘটনাবোৰ বাঢ়িব লাগিছে। অধিক বৰষুণ হোৱা অঞ্চলত আদ্ৰতা বৃদ্ধি হোৱাৰ ফলত মহৰ প্ৰকোপ বৃদ্ধি পাইছে। ফলত মেলেৰিয়া, ডেংগু, এন্‌কেফেলা-ইটিছৰ দৰে মহৰদ্বাৰা আক্ৰান্ত হোৱা ৰোগীৰ সংখ্যা বাঢ়িব লাগিছে।

গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত

* ড° অন্নজ্যোতি গগৈ ধেমাজি কলেজৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা

প্ৰকৃতিৰ জলচক্ৰৰ পৰিৱৰ্তন ঘটিছে। ভূপৃষ্ঠৰ জলচক্ৰ দিনক দিনে তললৈ নামিছে। অসমৰ কিছুমান অঞ্চলত ভূপৃষ্ঠৰ পানী ২০০ ফুট পৰ্য্যন্ত তললৈ যোৱা বুলি বাতৰিত প্ৰকাশ পাইছে। ২০৫০ চনৰ ভিতৰত খোৱা পানীৰ অভাৱে আমাৰ দেশৰ জনসংখ্যাৰ সৰহ সংখ্যকৰে স্বাস্থ্যৰ অৱনতি ঘটাই সমস্যাৰ সৃষ্টি কৰিব বুলি আশংকা কৰা হৈছে। কৃষিৰ বাবে পানীৰ নাটনি এটা প্ৰধান সমস্যা ৰূপে পৰিগণিত হ'ব। অঞ্চলবিশেষে বৰষুণৰ পৰিমাণ বৃদ্ধি হ'লেও অধিক তাপমাত্ৰাই কৃষিপথাৰৰ পানীৰ দ্ৰুত বাষ্পীভৱন ঘটাই পানীৰ নাটনিৰ সৃষ্টি কৰিব। আনহাতে কম বৰষুণে কিছুমান অঞ্চল মৰুভূমিকৰণলৈ পৰিবৰ্তিত কৰি বসবাসৰ অনুপযোগী কৰি তুলিব।

গোলকীয় উত্তাপ বৃদ্ধিৰ ফলত মেৰু অঞ্চলৰ বৰফ গলি সাগৰ পৃষ্ঠৰ উচ্চতা বৃদ্ধি কৰিছে। নাছাৰ (NASA) কৃত্ৰিম উপগ্ৰহৰদ্বাৰা প্ৰেৰিত তথ্যত প্ৰকাশ পাইছে যে উত্তৰ মেৰুৰ বৰফ দ্ৰুত গতিত গলিবলৈ আৰম্ভ কৰিছে। সাগৰ পৃষ্ঠৰ উচ্চতা বৃদ্ধিৰ লগে লগে বহুতো উপকূলীয় চহৰ যেনে- বেংকক, ছাংহাই, কাইৰো, ছিডনি, মুম্বাই আদি নগৰ সম্পূৰ্ণৰূপে বা আংশিকভাৱে পানীৰ তলত বুৰ যাব। অহা ২০৫০ চনৰ ভিতৰত যদি সাগৰপৃষ্ঠৰ উচ্চতা বৃদ্ধি ৩০-৫০ ছেন্টিমিটাৰৰো হয়, তেন্তে পৃথিৱীৰ দ্বীপসমূহৰ বৃহৎ অংশ সাগৰৰ পানীয়ে বুৰাই পেলাব। আনহাতে এক মিটাৰ জলপৃষ্ঠৰ বৃদ্ধিয়ে বহুতো দ্বীপৰাষ্ট্ৰ বসবাসৰ অনুপযোগী কৰি তুলিব। তদুপৰি ইজিপ্ত, বাংলাদেশ, ভাৰত, চীন আদি দেশৰ বহুপৰিমাণৰ কৃষিভূমি পানীত ডুব যোৱাৰ আশংকা আছে। ভাৰতৰ উপকূল অঞ্চল, বাংলাদেশ, মালদ্বীপ, আন্দামান দ্বীপপুঞ্জ আদি চলিত শতিকাতে প্লাৱিত হোৱাৰ আশংকা বৃদ্ধি পাইছে। ভাৰতৰ অন্তৰ্গত লাক্ষাদ্বীপ সাগৰ পৃষ্ঠৰ পৰা মাত্ৰ চাৰি মিটাৰ উচ্চতাত অৱস্থিত। তেনেক্ষেত্ৰত লাক্ষাদ্বীপৰ অৱস্থা কেনে হ'ব সেয়া সহজে অনুমান কৰিব পাৰি।

সেউজ গৃহ গেছৰ বৃদ্ধিৰ প্ৰকোপত বায়ুমণ্ডলৰ ষ্টেটষ্ফিয়াৰত থকা অ'জন ($O_3$) স্তৰত ফুটাৰ সৃষ্টি হৈছে বুলি বিজ্ঞানীসকলে ঠাৱৰ কৰিছে। কিয়নো ক্লৰ'ফ্লৰ কাৰ্বন, কাৰ্বন মন'অক্সাইড, কাৰ্বনডাই অক্সাইড আদিত থকা কাৰ্বন পৰমাণুৱে অ'জন অণু ধ্বংস কৰি ফুটাৰ সৃষ্টি কৰে। ফলত সূৰ্য্যৰ পৰা বিকিৰিত অতি বেঙুনীয়া ৰশ্মি পৃথিৱীত পৰে। এই ৰশ্মি সমগ্ৰ জীৱকূলৰ বাবেই হানিকাৰক। সেয়ে অ'জন স্তৰৰ অৱক্ষয় হোৱা মানে পৃথিৱীত থকা সমগ্ৰ জীৱকূলৰ বিপদ মাতি অনা। এছিড বৰষুণৰ প্ৰভাৱত মিথেন গেছ উৎপন্ন হয়। গৰুৰ গোবৰৰ পৰাও মিথেন গেছ উৎপন্ন হয়। কলকাৰখানা তথা যানবাহনৰ পৰা কাৰ্বন ডাই অক্সাইড তথা ছালফাৰ ডাই অক্সাইড গেছ নিৰ্গত হয়। এই সমূহ অপকাৰী গেছ সৃষ্টিৰ আঁৰত মানুহৰ কাৰ্য্যকলাপেই দায়ী।

জলবায়ু পৰিৱৰ্তনৰ ফলত কিছুমান উদ্ভিদ আৰু প্ৰাণী কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। জৈৱ বৈচিত্ৰ্যৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিছে। বিভিন্ন বেমাৰ আজাৰৰ প্ৰকোপ বৃদ্ধি পাইছে। কিছুমান অচিন ৰোগত মানুহ বা জীৱজগত আক্ৰান্ত হৈছে। জৈৱ বৈচিত্ৰ্য হ্ৰাস হোৱাৰ ফলতপাৰিপাৰ্শ্বিক ভাৰসাম্য বিনষ্ট হৈছে।

উদ্ভিদ আৰু প্ৰাণীকূল জলবায়ু পৰিৱৰ্তনৰ প্ৰতি অতি স্পৰ্শকাতৰ। বহুতো উদ্ভিদ আৰু প্ৰাণী প্ৰজাতি পৰিৱৰ্তিত জলবায়ুৰ লগত খাপ খাব নোৱাৰি বিলুপ্ত হ'ব। গৰমৰ প্ৰকোপত বহুতো প্ৰজাতি মৃত্যু মুখত পৰিব। পশু-পক্ষী, গছ বিৰিখৰ জীৱন চক্ৰও বেয়াকৈ প্ৰভাৱান্বিত হ'ব। বহুতো প্ৰজাতি উৎপাদনহীন হ'ব। বহুতো উদ্ভিদে ফল উৎপাদন কৰিব নোৱাৰাৰ অন্যতম কাৰণ পৰিৱৰ্তিত জলবায়ু। আহাৰ শাওণৰ প্ৰচণ্ড গৰমতো দুই এপাহ শেৱালি ফুল ফুলাটো জলবায়ু পৰিবৰ্তনৰে ফল।

জলবায়ু পৰিবৰ্তনৰ ফলত হোৱা খৰাং পৰিস্থিতিত বিশ্বৰ বহুতো ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য আদি ধ্বংসপ্ৰাপ্ত হ'ব বুলি অনুমান কৰা হৈছে। গোলকীয় উত্তাপ বৃদ্ধিৰ ফলত বনজুইৰ মাত্ৰা বৃদ্ধি পাব। বৰ্ষাৰণ্য ব্যাপক পৰিমাণে বনজুইত জাহ যাব। ফলত জীৱৰ আবাসস্থল তথা সমগ্ৰ পৰিৱেশতন্ত্ৰ বিধস্ত হ'ব। বনাঞ্চলৰ পৰিমাণ হ্ৰাস হোৱাৰ ফলত বহুতো জীৱ পৃথিৱীৰ বুকুৰ পৰা নাইকিয়া হ'ব। কিয়নো বনাঞ্চলসমূহ সৰু-বৰ সকলো ধৰণৰ জীৱৰ আবাসস্থল। ৰাষ্ট্ৰীয় উদ্যান তথা অভয়াৰণ্যবোৰ জীৱজন্তুৰ বাবে সংৰক্ষিত অঞ্চল। কিন্তু কোনো উদ্যানৰ সীমা বা সংৰক্ষণ আইনৰ অধীনত জলবায়ু পৰিৱৰ্তনৰ কুপ্ৰভাৱ নাইকিয়া কৰিব নোৱাৰিব।

সম্প্ৰতি জলবায়ু পৰিৱৰ্তনে গুৰুতৰ সমস্যাৰ সৃষ্টি কৰিছে। ই কোনো ৰাজ্য বা ৰাষ্ট্ৰৰ সীমা নামানে। ই কোনো এখন দেশৰ গাইগুটীয়া সমস্যা নহয়। প্ৰতিখন দেশ আৰু সমাজ একত্ৰিত হৈ ইয়াৰ সমাধানৰ বাবে ঐক্যবদ্ধ প্ৰচেষ্টা চলাব লাগিব। জলবায়ু পৰিৱৰ্তনৰ বাবে যিহেতু মানুহেই দায়ী, গতিকে ইয়াৰ সমাধানৰ পথো মানুহেই বিচাৰিব লাগিব। সেউজ গৃহ গেছৰ আগমণ ৰোধ কৰাৰ বাবে মানুহে ল'ব পৰা কেতবোৰ ব্যৱস্থা হ'ল—

(১) বহনক্ষম বিকাশ (Sustainable development) অৰ্থাৎ প্ৰকৃতিয়ে বহন কৰিবলৈ সক্ষম হোৱা বিকাশৰ পথেহে মানুহৰ সভ্যতাৰ অগ্ৰগতিৰ ধাৰা অব্যাহত ৰাখিব আৰু পৰিৱেশো সুৰক্ষিত হ'ব।

(২) ' Think globally, act locally' – ধাৰণাৰে কাম কৰিব লাগিব। এই ক্ষেত্ৰত অসমৰ গৌৰৱ যাদৱ পায়েঙ আদৰ্শ হ'ব পাৰে। যাদৱ পায়েঙে 'Think globally, act locally' মন্ত্ৰেৰে

সুদীৰ্ঘ ৩০ বছৰৰো অধিক সময়ত নিজা প্ৰচেষ্টাত ৫৫০ হেক্টৰ ভূমিত 'মোলাই বনাঞ্চল' গঢ়ি তুলিবলৈ সক্ষম হৈছে। নিজা অঞ্চলৰ কথা চিন্তা কৰি নিজা অঞ্চলত কাম কৰা মানেই তাৰ প্ৰভাৱ সুদূৰ প্ৰসাৰীভাৱে সম্প্ৰসাৰিত হোৱা। পৰিৱেশ কৰ্মী পায়েঙে ১৯৭৯ চনৰ পৰা একক প্ৰচেষ্টাত ব্ৰহ্মপুত্ৰৰ বালিচাপৰিত গছ ৰুই, বনাঞ্চললৈ পৰিণত কৰিলে। ২০১২ চনত যাদৱ পায়েঙক 'ভাৰতৰ অৰণ্য মানৱ' নামেৰে অভিহিত কৰা হয়। ২০১৫ চনত ভাৰতৰ চতুৰ্থ সৰ্বোচ্চ অসামৰিক সন্মান পদ্মশ্ৰীৰে যাদৱ পায়েঙক সন্মানিত কৰা হৈছে। এজনৰ শক্তিক যে অৱহেলা কৰিব নোৱাৰি যাদৱ পায়েঙেই তাৰ উৎকৃষ্ট প্ৰমাণ।

(৩) পৰিৱেশ সুৰক্ষাৰ জৰিয়তে পৃথিৱীলৈ সুখ, শান্তি আৰু সমৃদ্ধি আহিব। পৃথিৱীৰ সৰ্বোচ্চ বঁটা নিৰ্ধাৰণকাৰী ন'বেল কমিটিও এই ক্ষেত্ৰত পিছ পৰি থকা নাই। ২০০৪ চনত কেনিয়াৰ পৰিৱেশকৰ্মী, অধ্যাপক, ৰাজনীতিবিদ 'গ্ৰীন বেল্ট মূভমন্ট'ৰ (Green Belt Movement) প্ৰধান হোতা ৱাংগাৰি মাথাইক ন'বেল শান্তি বঁটাৰে সন্মানিত কৰা হৈছিল। তেওঁৰ গ্ৰীন বেল্ট মুভমন্টে আফ্ৰিকাত ৩০ নিযুতৰো অধিক গছপুলি ৰোপণ কৰিছিল আৰু ৯ লাখ মহিলাক ইয়াৰ জৰিয়তে সহায় কৰিছিল। সেই দৰে ২০০৭ চনত আমেৰিকাৰ ভূতপূৰ্ব উপৰাষ্ট্ৰপতি এল গৰেৰ সৈতে যুটীয়াভাৱে আই পি চি চি (Intergovernmental Panel for Climate Change)ক ন'বেল শান্তি বঁটা প্ৰদান কৰা হৈছিল। ১৯৮৮ চনত ৰাষ্ট্ৰসংঘৰদ্বাৰা স্থাপিত আই পি চি চি হ'ল এটা বৈজ্ঞানিক সমিতি যি জলবায়ু পৰিৱৰ্তনত মানুহৰ ভূমিকা সম্পৰ্কে বিজ্ঞান সম্পৰ্কীয় জ্ঞানৰ সম্ভেদ দিয়ে। ই এটা আগশাৰীৰ আন্তৰ্জাতিক সংস্থা যি জলবায়ু পৰিৱৰ্তনৰ কাৰণসমূহ বুজাত বিজ্ঞানসন্মত, প্ৰযুক্তিগত তথা আৰ্থসামাজিক দিশত পুনৰ বিচাৰ তথা বিশ্লেষণ আগবঢ়ায়।

(৪) পৰিৱেশ ৰক্ষাৰ বিভিন্ন দিৱস সমূহৰ (যেনে বিশ্ব পৰিৱেশ দিৱস, ধৰিত্ৰী দিৱস, বন মহোৎসৱ) তাৎপৰ্য্য সেই দিনটোতে সীমাবদ্ধ বুলি কলেও বঢ়াই কোৱা নহয়। বহু ক্ষেত্ৰত দেখা যায় সেই বিশেষ দিনটোত হাজাৰ হাজাৰ গছপুলি ৰোৱা হয়, কিন্তু পাছত তদাৰক কৰোতা কোনো নাথাকে। ফলত বহুতো পুলি অকালতে মৃত্যু মুখত পৰে। তাৰ পৰিৱৰ্তে এই দিৱসসমূহৰ উপৰিও জন্মদিন, বিবাহ, সকাম-নিকাম আদিতো নিৰ্দিষ্ট সংখ্যক (কমেই হওক) গছ পুলি ৰুই প্ৰতিপালন কৰিলে উপকৃত হ'ব।

(৫) কয়লাচালিত শক্তি উদ্যোগসমূহ একেবাৰে বন্ধ বা সীমিত কৰিব লাগে। তাৰ পৰিৱৰ্তে $CO_2$ নিৰ্গত নকৰা উৎস (যেনে সৌৰশক্তি, বতাহ শক্তি) ব্যৱহাৰ কৰিব লাগে। জাপানকে ধৰি বিশ্বৰ বহুতো উন্নত দেশে এই ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰিছে।

(৬) কৃষি কাৰ্যত নাইট্ৰ'জেন যুক্ত সাৰৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰা ভাল যাতে বায়ুমণ্ডলত নাইট্ৰাছ অক্সাইডৰ পৰিমাণ কমি থাকে। তাৰ পৰিৱৰ্তে জৈৱ সাৰ, সেউজ সাৰ, পচন সাৰ, কেঁচু সাৰ আদি ব্যৱহাৰ কৰিব লাগে।

(৭) জীৱাশ্ম ইন্ধন যেনে পেট্ৰ'ল, ডিজেল আদিৰ ব্যৱহাৰ যিমান পাৰি কমাব লাগে। চাইকেল চলোৱা, খোজ কঢ়া (কম দূৰত্বৰ ক্ষেত্ৰত), ৰাজহুৱা বাহন ব্যৱহাৰ কৰা, সম্ভৱ হ'লে একেখন বাহনত ভ্ৰমণ কৰা আদি কাৰ্যপন্থা হাতত ললে প্ৰত্যক্ষ বা পৰোক্ষ ৰূপত পৰিৱেশ সুৰক্ষিত হোৱাত সহায়ক হ'ব।

(৮) ৰিফ্ৰিজৰেইটৰ, এয়াৰ কুলাৰ আদিত ক্লৰ'ফ্লৰ'কাৰ্বনৰ (CFC) বিকল্প উদ্ভাৱন কৰিব লাগে।

মুঠৰ ওপৰত পৰিৱেশৰ সমস্যাসমূহৰ পৰা পৰিত্ৰাণ পোৱাৰ উদ্দেশ্যে চৰকাৰ, স্বেচ্ছাসেৱী অনুষ্ঠান, ব্যক্তি সকলোৱে হাত উজান দিয়াৰ সময় সমাগত।

***'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ ওপৰত পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢ়ুৱৈ সমাজক অধিক তথ্য জনাব বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়াই যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।***

# অসমৰ ধুবুৰী জিলাৰ গ্ৰাম্য জীৱন আৰু অৰ্থনীতিত কাজুবাদাম প্ৰস্তুতকৰণ উদ্যোগৰ ভূমিকা ঃ

*** ড° ইৰা দাস**

অৰ্থনীতিৰ বিভিন্ন খণ্ডসমূহৰ মাজৰ সম্পৰ্ক বা যোগসূত্ৰৰ দ্বাৰাই এখন দেশৰ অৰ্থনৈতিক বৃদ্ধি আৰু উন্নয়নৰ সূচনা হয়। কৃষিভিত্তিক উদ্যোগৰ সৈতে অৰ্থনীতিৰ অন্যান্য খণ্ডসমূহৰ যোগসূত্ৰই প্ৰধানকৈ নিৰ্ণয় কৰে উন্নয়নশীল দেশসমূহৰ উন্নয়নৰ জখলা। কৃষিভিত্তিক উদ্যোগসমূহে উন্নয়নশীল দেশৰ অৰ্থনৈতিক উন্নয়নত প্ৰধানকৈ দুইধৰণে সহায় কৰিব পাৰে ঃ প্ৰথমতে, দেশৰ আয় আৰু নিয়োগ বা কৰ্মসংস্থাপন বৃদ্ধি কৰি আৰু দ্বিতীয়তে, কৃষিক্ষেত্ৰৰ সৈতে এই ধৰণৰ উদ্যোগৰ যি পশ্চাদৱৰ্তী যোগসূত্ৰ[১] থাকে তাৰ ওপৰত ভিত্তি কৰি।

বহু অধ্যয়নৰ প্ৰতিবেদনত এই কথা স্পষ্ট হৈ পৰিছে যে বহুসংখ্যক বৃহৎ উদ্যোগৰ স্থানীয় অৰ্থনৈতিক যোগসূত্ৰ যথেষ্ট পৰিমাণে নথকাৰ বাবেই উদ্যোগটোৰ চৌপাশৰ ঠাইসমূহৰ ওপৰত পৰা অৰ্থনৈতিক প্ৰভাৱ তেনেই নগণ্য হয়। কিন্তু ভাৰতবৰ্ষৰ দৰে এখন উন্নয়নশীল কৃষি ভিত্তিক দেশৰ বাবে কৃষিভিত্তিক উদ্যোগৰ স্থানীয় যোগসূত্ৰ যথেষ্ট থাকে যাৰ বাবে এইধৰণৰ উদ্যোগৰ ভূমিকা উন্নয়নশীল দেশৰ অৰ্থনীতিৰ বাবে গুৰুত্বপূৰ্ণ। এই কৃষিভিত্তিক উদ্যোগসমূহ সাধাৰণতে স্থানীয়ভাৱে উপলব্ধ সামগ্ৰীৰ ওপৰত ভিত্তি কৰিয়েই গাঁওসমূহৰ ওচৰে-পাজৰে গঢ়ি উঠে। সেয়ে গাঁৱৰ লোকসকলে এইধৰণৰ উদ্যোগসমূহত কৰ্মসংস্থাপন লাভ কৰে। তাতকৈ উল্লেখযোগ্য ভূমিকা এয়ে যে এইধৰণৰ উদ্যোগ কেঁচামাল উৎপাদনকাৰী গাঁও বা অঞ্চলসমূহৰ নিকটৱৰ্তী ঠাইত গঢ়ি উঠা বাবে কৃষিক্ষেত্ৰৰ যি অতিৰিক্ত উৎপাদন বা বিক্ৰী নোযাৰা উৎপাদন, শীতলীকৰণ যন্ত্ৰৰ অভাৱত যিখিনি পেলনি গৈছিল বা পচি গৈছিল সেই উৎপাদনৰ মূল্য সংযোজন ঘটাই বিক্ৰীৰ ব্যৱস্থা কৰিব পাৰে।

অসম হৈছে ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলৰ এখন ঔদ্যোগিকভাৱে পিছপৰা ৰাজ্য। কিন্তু চৰকাৰৰ শেহতীয়া ২০১৩-১৪ চনৰ অৰ্থনৈতিক প্ৰতিবেদনতেই এই কথা স্পষ্টকৈ উল্লেখ আছে যে অসমত উদ্যানশস্যৰ উৎপাদন বাঢ়ি আছে আৰু উদ্যানশস্যৰ প্ৰচুৰ সম্ভাৱনীয়তা আছে যাৰ মূল্য সংযোজনৰদ্বাৰা ৰাজ্যৰ অৰ্থনীতি টনকিয়াল হ'ব পাৰে।

কাজুবাদাম হৈছে উচ্চ মূল্য সংযোজনৰ সম্ভাৱনাযুক্ত এবিধ উদ্যানশস্য। অসমৰ মাটি আৰু জলবায়ু কাজুবাদামৰ খেতিৰ বাবে উপযোগী। 'উদ্যানশস্যৰ সামগ্ৰিক উন্নয়নৰ প্ৰযুক্তিবিদ্যা আঁচনি'ৰ অধীনত অসমৰ পাঁচখন জিলাৰ ভিতৰত ধুবুৰী জিলাখনক অন্যতম জিলা হিচাপে কাজুবাদামৰ বাণিজ্যিক ভিত্তিক খেতিৰ বাবে চৰকাৰে নিৰ্বাচন কৰিছে। ধুবুৰী জিলাত ২২,০০০ হেক্টৰৰো অধিক মাটিত বাণিজ্যিকভাৱে কাজুবাদাম খেতি কৰা হয় আৰু অধিক কৃষিভূমিত কাজু খেতি কৰাৰ পূৰ্ণ সম্ভাৱনা থকা বুলি চৰকাৰী প্ৰতিবেদনত প্ৰকাশ পাইছে। কেন্দ্ৰীয় চৰকাৰৰ ২০১২ চনৰ অৰ্থনৈতিক প্ৰতিবেদনত জিলাখনত কাজুবাদাম প্ৰস্তুতকৰণ উদ্যোগ গঢ়ি উঠাৰ পূৰ্ণ সম্ভাৱনীয়তাৰ কথাও উল্লেখ আছে। ইতিমধ্যেই উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশ মন্ত্ৰালয় (Ministry of Development of North Eastern Region- DONER)ৰ অধীনৰ 'উত্তৰ-পূৰ্বাঞ্চলৰ কৃষিজাত দ্ৰব্যৰ বজাৰ নিগম' (North Eastern Regional Agricultural Marketing Corporation Limited - NERAMAC) নামৰ কেন্দ্ৰীয় প্ৰতিষ্ঠানটোৱে ধুবুৰী জিলাৰ মানকাচৰৰ 'বৰকোণা' নামৰ ঠাইত কাজুবাদাম প্ৰস্তুতকৰণৰ এটা উদ্যোগ স্থাপন কৰি উৎপাদন আৰম্ভ কৰিবলৈ যো-জা চলাইছে। অৱশ্যে জিলাখনৰ মানকাচৰত ব্যক্তিগত প্ৰচেষ্টাত ব্যক্তিগত খণ্ডত যোল্লটা কাজুবাদাম প্ৰস্তুতকৰণ উদ্যোগ গঢ় লৈ উঠিছে আৰু পূৰ্ণগতিত উৎপাদন চলি আছে। ধুবুৰী জিলাৰ মানকাচৰ আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চল

**টোকাঃ ১ এটা উদ্যোগ বা খণ্ড কেঁচামালৰ বাবে কেনেকৈ আন খণ্ড বা উদ্যোগৰ ওপৰত নিৰ্ভৰশীল হয় সেয়াই হৈছে পশ্চাদৱৰ্তী যোগসূত্ৰ**

*** ড° ইৰা দাস গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা**

আৰু লগতে মেঘালয়ৰ গাৰোপাহাৰত উৎপাদন হোৱা কেঁচা কাজুবাদাম এই উদ্যোসমূহত খাদ্য উপযোগী কৰাৰ বাবে দিনে নিশাই মূল্য সংযোজনৰ কাম চলি আছে যদিও এই অঞ্চলসমূহত উৎপাদিত কেঁচা কাজু খাদ্য উপযোগী কৰাৰ বাবে ওড়িশা আৰু অন্ধ্ৰ প্ৰদেশলৈও নিয়া হয়। ধুবুৰী জিলাখনৰ মানকাচৰত কাজুবাদাম প্ৰস্তুতকৰণৰ পৰ্যাপ্ত উদ্যোগ নথকা বাবে প্ৰস্তুতকৰণৰ বাবে ৰাজ্যখনৰ বা সীমামূৰীয়া ৰাজ্য মেঘালয়ৰ কাজু ৰাজ্যখনৰ বাহিৰলৈ যোৱাটো অৱশ্যেই পৰিতাপৰ কথা।

বৰ্তমান মানকাচৰত যি যোল্লটা কাজুবাদাম প্ৰস্তুতকৰণৰ উদ্যোগ চলি আছে সেই উদ্যোগসমূহৰ অৱস্থা আৰু উদ্যোগসমূহৰ সৈতে ওচৰ পাজৰৰ গাঁওসমূহৰ কেনেধৰণৰ অৰ্থনৈতিক যোগসূত্ৰ স্থাপন হৈছে সেয়া অধ্যয়নৰ বাবে ২০১৪ চনৰ এপ্ৰিলৰ পৰা ২০১৪ চনৰ আগষ্ট মাহলৈ এটা ক্ষেত্ৰভিত্তিক অধ্যয়ন চলোৱা হৈছিল। এনেধৰণৰ অৰ্থনৈতিক যোগসূত্ৰ অধ্যয়নৰ বাবে উপযোগী পদ্ধতি 'ছ' চিয়েল একাউন্টিং মেট্ৰিক্স' (Social Accounting Matrix) গঠন কৰা হৈছিল (৪০শাৰীX৪০ স্তম্ভৰ) মানকাচৰৰ আদৰ্শ গাঁও বুলি জনাজাত 'মঞ্জুৰী' নামৰ কাজুবাদাম উৎপাদনকাৰী গাঁওখনৰ ওপৰত ভিত্তি কৰি। এই অধ্যয়নৰ দ্বাৰা আৰু গঠন কৰা মেটিক্সৰ তথ্য বিশ্লেষণৰদ্বাৰা তলত দিয়া ফলাফলসমূহ পোৱা গৈছিল ঃ

**(১) অধিক কাজুবাদাম প্ৰস্তুতকৰণ উদ্যোগ গঢ়াৰ সম্ভাৱনাঃ**

ব্যক্তিগত খণ্ডত মানকাচৰত যি যোল্লটা কাজুবাদাম প্ৰস্তুতকৰণ উদ্যোগ গঢ়ি উঠিছে সেই উদ্যোগসমূহ লাভজনক ভাৱে চলি আছে। যিমানসংখ্যক কেঁচা কাজু সেই অঞ্চল তথা দাঁতি কাষৰীয়া অঞ্চল সমূহত উৎপন্ন হয় সেই অনুপাতে খাদ্য উপযোগী হোৱাকৈ প্ৰস্তুত কৰিব পৰাকৈ সিমানসংখ্যক কাজুবাদাম প্ৰস্তুতকৰণ উদ্যোগ গঢ়ি নুঠা বাবে ৰাজ্যখনৰ পৰা কেঁচা কাজু বাহিৰলৈ যায়। গতিকে সেই অঞ্চল বা তাৰ ওচৰে-পাজৰে অধিক কাজুবাদাম প্ৰস্তুতকৰণ উদ্যোগ গঢ়ি উঠাৰ পূৰ্ণ সম্ভাৱনা আছে, যিয়ে কেঁচা কাজুবাদামৰ মূল্যসংযোজন ঘটাই কাজুবাদামৰ কৃষকক উপযুক্ত দাম প্ৰদান কৰিব পাৰে।

**(২) কৃষি খণ্ডৰ অৰ্থনৈতিক যোগসূত্ৰ আৰু অন্যান্য খণ্ডৰ অৰ্থনৈতিক যোগসূত্ৰৰ তুলনাঃ**

গাঁৱৰ কৃষিখণ্ডৰ অৰ্থনৈতিক যোগসূত্ৰ আৰু গাঁৱৰ অন্যান্য খণ্ডৰ যেনে ক্ষুদ্ৰশিল্প (যেনে বয়ন শিল্প আদি) আৰু সেৱাখণ্ডৰ তুলনা কৰি পোৱা গৈছে যে কৃষিখণ্ডৰ অৰ্থনৈতিক যোগসূত্ৰ বেছি হয়।

**(৩) উৎপাদন,আয় আৰু নিয়োগ বা কৰ্মসংস্থাপনৰ গুণকৰ প্ৰভাৱ ঃ**

যদি গাঁৱৰ উৎপাদিত দ্ৰব্যৰ চাহিদা খাদ্যপ্ৰস্তুতকৰণ উদ্যোগৰদ্বাৰা বৃদ্ধি হয় তেতিয়া গাঁওখনৰ উৎপাদিত দ্ৰব্যৰ উৎপাদন বৃদ্ধি হ'ব — সেয়াই হ'ল উৎপাদন গুণক। গাঁৱৰ উৎপাদিত দ্ৰব্যৰ উৎপাদন বৃদ্ধিৰ ফলত গাঁৱৰ মানুহৰ আয় যেতিয়া কেইবাগুণকৈ বৃদ্ধি পায় তাকেই কোৱা হয় আয়গুণক। আকৌ আয় বাঢ়িলে নিয়োগ বা কৰ্মসংস্থাপন বৃদ্ধি হয়-যাক কোৱা হয় নিয়োগ বা কৰ্মসংস্থাপন গুণক।

কাজুবাদাম প্ৰস্তুতকৰণ উদ্যোগসমূহে গাঁওখনৰ মানুহৰ উৎপাদন, আয় আৰু নিয়োগ বা কৰ্মসংস্থাপন কিমান বৃদ্ধি কৰিবলৈ সক্ষম হৈছে সেয়া তালিকা ১ত দেখুওৱা হৈছে।

তালিকা ১ ৰ পৰা দেখা গৈছে যে যদি কাজুবাদাম প্ৰস্তুত কৰণ উদ্যোগসমূহৰদ্বাৰা গাঁৱত উৎপাদিত কাজুৰ চাহিদা বৃদ্ধি ১ টকাকৈ হয় তেন্তে কৃষিখণ্ডৰ উৎপাদন (য'ত প্ৰধানকৈ কাজুখেতি অন্তৰ্ভুক্ত হৈছে) ১.৬১ টকাকৈ (অৰ্থাৎ ১ টকা x ১.৬১) বৃদ্ধি পায় ; আয় বৃদ্ধি পায় ১.৩৯ টকাকৈ (অৰ্থাৎ ১ টকা X ১.৩৯) আৰু কৰ্মসংস্থাপন বৃদ্ধি পায় ০.৮৫ টকা (অৰ্থাৎ ১ টকা X ১.৮৫)।

**তালিকা ১ ঃ উৎপাদন, আয় আৰু নিয়োগ বা কৰ্মসংস্থাপন গুণক (Multiplies)ৰ পৰিমাণ**

| ক্ৰমিক নম্বৰ | উৎপাদন খণ্ডসমূহ | উৎপাদন গুণক | আয় গুণক | নিয়োগ বা কৰ্মসংস্থাপন গুণক |
|---|---|---|---|---|
| ১. | কৃষি | ১.৬১ | ১.৩৯ | ০.৮৪ |
| ২. | পশুপালন আদি | ১.৬২ | ১.৪৮ | ০.৪৪ |
| ৩. | গাঁৱৰ ঘৰুৱা উৎপাদন (বয়ন শিল্প আদি) | ১.৫১ | ১.২৬ | ০.৬৬ |
| ৪. | বাণিজ্য আৰু খুচুৰা ব্যৱসায় | ১.৫৬ | ১.৪৫ | ০.১৬ |
| ৫. | চৰকাৰী সেৱা | ১.৫৮ | ১.৫০ | ০ |
| ৬. | যাতায়াত | ১.৫৬ | ১.৪৭ | ০.০১ |
| ৭. | নিৰ্মাণ খণ্ড | ১.১০ | ০.২৪ | ০ |
| ৮. | অন্যান্য কাৰ্যাৱলী | ১.৬৩ | ১.৫২ | ০.০১ |

**উৎস ঃ ক্ষেত্ৰ অধ্যয়নৰদ্বাৰা প্ৰস্তুত কৰা ৪০X৪০ মেট্ৰিক্সৰপৰা কৰা গণনা**

২০ নং পৃষ্ঠাত চাওক

# আপুনি জানেনে?

ভিছা ঃ

ভিছা হ'ল - নাগৰিকত্ব নথকা কোনো এখন দেশলৈ নির্দিষ্ট উদ্দেশ্যত যাব খোজা এজন ব্যক্তিক দেশখনৰ কর্তৃত্ব প্ৰাপ্ত কোনো পদাধিকাৰীয়ে নির্দিষ্ট সময় কালৰ বাবে প্ৰদান কৰা আইন সংগত অনুমতি পত্ৰ। এই পত্ৰ সাধাৰণতে পাছপর্ট বা পাৰপত্ৰৰ ভিতৰত মোহৰ মাৰি এঠোৰা থাকে। অৱশ্যে ভিছা লাভ কৰা মানেই কোনো এজন ব্যক্তিয়ে সংশ্লিষ্ট দেশখনত প্ৰৱেশৰ নিশ্চিতি লাভ কৰাটো নুবুজায়। ভিছা প্ৰদানৰ পূর্বে সংশ্লিষ্ট দেশখনৰ বিধি নিয়মৰ আধাৰত ভিছাৰ আবেদনকাৰী ব্যক্তিগৰাকীয়ে যদি যাৱতীয় তথ্য পাতি সঠিক ৰূপত দাখিল কৰিব নোৱাৰে তেন্তে তেনে ব্যক্তিৰ ভিছা যিকোনো মুহূর্ততে বাতিল কৰাৰ কর্তৃত্ব এইসকল বিষয়াৰ হাতত ন্যস্ত থাকে।

ভিছা প্ৰদানৰ ক্ষেত্ৰত প্ৰতিখন দেশৰে নিজাববীয়া বিধি-নিয়ম তথা চৰ্ত থাকে। উদাহৰণ স্বৰূপে ভিছাই সামৰা এলেকাৰ পৰিসৰ, অনুমোদিত সময় কালৰ পৰিসৰ, থকাৰ উদ্দেশ্য, বৈধতাৰ দিন, খেপাৰ সংখ্যা, আদিৰ ক্ষেত্ৰত দেশে পতি ভিন্ন চৰ্ত আৰোপ কৰা দেখা যায়। কিছুমান দেশততো ভিছা প্ৰদানৰ চৰ্ত হিচাপে আবেদকাৰীক ওভতনি যাত্ৰাৰ টিকট দাখিল কৰাৰ উপৰি তেওঁ খৰছ কৰা ধনৰ উৎস সম্পর্কে তথ্য দাখিলৰো নির্দেশ দিয়ে।

**পর্যটক ভিছা ঃ**

ভাৰতত ঘৰ নথকা অথবা পেছাগত ভাবে ভাৰতত বসবাস নকৰা বিদেশী নাগৰিক যদি মনোৰঞ্জনৰ বাবে, নৈসৰ্গিক দৃশ্য উপভোগ কৰাৰ বাবে, বন্ধু-বর্গ কিম্বা আত্মীয়-স্বজনক সাক্ষাৎ কৰাৰ উদ্দেশ্যে ভাৰতলৈ আহিবলৈ বিচাৰে তেন্তে তেনে ব্যক্তিক টুৰিষ্ট ভিছা বা পর্যটক ভিছা প্ৰদান কৰা হয়। ভাৰতীয় মিছন অথবা ডাক বিভাগে ভিন্ন প্ৰকাৰৰ টুৰিষ্ট ভিছা প্ৰদান কৰে। সেইবোৰৰ ভিতৰত মার্কিন নাগৰিকৰ ক্ষেত্ৰতো সর্বাধিক ১০ বছৰীয়া, ইউনাইটেড কিংডমৰ নাগৰিকৰ ক্ষেত্ৰত সর্বাধিক ৫বছৰীয়া ভিছাৰ অনুমোদন জনোৱা হয়। অৱশ্যে এই সকলো ক্ষেত্ৰতে সংশ্লিষ্ট সকলে একোটা খেপত একেৰাহে ১৮০ দিনৰ অধিক কাল ভাৰতত থাকিব নোৱাৰে। যদিহে এনে ব্যক্তিয়ে ১৮০দিনতকৈ অধিক কালৰ বাবে ভাৰতত থাকিব বিচাৰে তেন্তে তেনে ব্যক্তিয়ে এফ আৰ আৰ অ' কিম্বা এফ আৰ অ'ত তেওঁৰ আগমনৰ ১৮০ দিনৰ ভিতৰত আবেদন কৰিব লাগিব।

**নিযুক্তি ভিছা ঃ**

কোনো বিষয়ত বিশেষ দক্ষতা আৰু অৰ্হতা থকা কোনো বিদেশী ব্যক্তি যদি ভাৰতস্থ কোনো প্ৰতিষ্ঠান, সংস্থা, উদ্যোগ অথবা কোনো প্ৰতিষ্ঠানৰ অধীনস্থ গোটত কাৰিকৰী বিশেষজ্ঞ, জ্যেষ্ঠ কাৰ্যবাহী, পৰিচালক পৰ্যায়ৰ কাৰ্যবাহী হিচাপে নিয়োজিত হয়, তেন্তে তেনে ব্যক্তিক এটা খেপত এবছৰৰ বাবে এমপ্লইমেন্ট বা নিযুক্তি ভিছা প্ৰদান কৰা হয়। এনে ভিছাৰ বাবে কৰা আবেদনৰ সৈতে নিয়োগ পত্ৰ প্ৰমাণ হিচাপে প্ৰদৰ্শন কৰিব লাগিব।

**ছাত্ৰ ভিছা ঃ**


ভাৰতত স্বীকৃতিপ্ৰাপ্ত কোনো শিক্ষা প্ৰতিষ্ঠানত নিয়মীয়া আৰু পূৰ্ণ কালীন অধ্যয়নৰ বাবে আহিব খোজা বিদেশী ছাত্ৰ-ছাত্ৰীক এই ভিছা প্ৰদান কৰা হয়। এনে ভিছাৰ ম্যাদ সর্বাধিক পাঁচ বছৰ অথবা পাঠ্যক্ৰমৰ সময় কালৰ সমান (যিটোৱেই কম) হয়। এনে ভিছাৰ বাবে আবেদন কৰোতে স্বীকৃতিপ্ৰাপ্ত অথবা সম্ভ্ৰান্ত শিক্ষা প্ৰতিষ্ঠানত হোৱা নাম ভৰ্তিৰ প্ৰমাণ পত্ৰ আৰু সংশ্লিষ্টসকলৰ বিত্তীয় সহযোগিতা সম্পৰ্কীয় তথ্যাৱলী দাখিল কৰিব লাগিব। ইফালে চিকিৎসা অথবা পেৰা মেডিকেল পাঠ্যক্ৰমত নাম ভৰ্তি কৰা বিদেশী ছাত্ৰৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ স্বাস্থ্য বিভাগে প্ৰদান কৰা আপত্তিবিহীনতাৰ প্ৰমাণ পত্ৰ দাখিল কৰাটো বাধ্যতামূলক। নাম ভৰ্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব পৰাকৈ বিদেশী ছাত্ৰৰ বাবে ৬ মহীয়া ছাত্ৰ ভিছা প্ৰদানৰো ব্যৱস্থা আছে।

৪৯ নং পৃষ্ঠাট চাওক

Published on 8th May 2015
Post on 11th May 2015

May, 2015

ISSN-0971-8371




মুদ্ৰক আৰু প্ৰকাশক ঃ সাধনা ৰাউত, মুৰব্বী আৰু অতিৰিক্ত সঞ্চালক প্ৰধান, প্ৰকাশন বিভাগ
মুদ্ৰক ঃ আশী পাব্লিশ্বিং হাউছ (পেৰাডাইজৰ ওচৰত), গোস্বামী ছাৰ্ভিছ, বিবিধা কমপ্লে'ক্স এম আৰ ডি ৰোড, গুৱাহাটী-৭৮১০০৩ ফোন/ম'বাইল - ০৩৬১-২৬৬০৬২৫/৯৮৬৪৩২৩৭৯১
প্ৰধান সম্পাদক ঃ দীপিকা কচ্চল, জ্যেষ্ঠ সম্পাদকঃ অনুপমা দাস